

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ১১৫ ■ গুৱাহাটী ■ মঙলবাৰ, ৩০ নৱেম্বৰ, ২০২১, ১৩ আঘোণ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 115 Dainandin Barta ■ Guwahati, Tuesday ■ 30 November 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only


## নচেৎ তুমি কোন

■ ডিম্পুল কুমাৰ চুতীয়া

আকাশ দেখি ঘৰ যেন লাগে
নাহৰ তগৰ সুগন্ধি বাট
সপোন তাতে, য'ত উৎস থাকে
আশা তাতে, য'ত আস্থাই আসন পাতে
হাঁহি শেষ হৈ যোৱাৰ পাছতো যি থাকে
আমাৰ সকলো আছে

কোন তুমি
বহুবাৰ শুনাৰ পাছতো শুনিবই লাগে
স্বীকাৰ আৰু স্বীকৃতিৰ বাবে থাকে যেতিয়া বহু তৰা
ফুলে কলি মেলে পাহিয়ে হাঁহে
বতাহৰ সংগীতৰ সংগত জীৱনে কুঁহি মেলে
অনুপম অনুৰাগ কথন মাপ
আমি বুলি জানিলে জনাই জোখে
চূড়ালৈ কিমান বাট

মৌখিক বাবেই ভাঙোন নাথাকে
তৰা মিলোৱা খেল সন্ধিয়া
তৰা গণা লগ আপোনপাহৰা
ধ্ৰুৱ বা পুৱতিয়েই দিশ আৰু দিক্
ৰাঙলীয়েই হেঙুলীয়া ছবি হৈ জিলিকে—
তুমি কোন

ভাল হওক, ভাল হ'ব
ভালৰ বাবেই পুনঃপৌনিক—
তুমি কোন



■ বৈদিক ৰীতি-নীতিৰে মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মাজুলী-যোৰহাট সংযোগী দলঙৰ মাজুলী দিশৰ প্ৰথমটো খুঁটাৰ নিৰ্মাণ কাৰ্য ■ ২০২৫ৰ নৱেম্বৰত যোৰহাট-মাজুলীৰ সংযোগী দলঙৰ কাম সম্পূৰ্ণ কৰাৰ কথা ঘোষণা মুখ্যমন্ত্ৰী শৰ্মাৰ

# নদদ্বীপমুখি বিশ্ব, বিশ্বমুখি দ্বীপবাসী

দুৰন্ত গতিৰে আগবাঢ়িব মাজুলী-যোৰহাট সংযোগী দলঙৰ কাম ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা



### মাজুলীক কেৱল আধ্যাত্মিকতাৰে নহয়, মাজুলীলৈ বিকাশৰো নতুন গংগা নমাই আনিম ঃ মুখ্যমন্ত্ৰী





**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, মাজুলী, ২৯ নৱেম্বৰ ঃ** দক্ষিণপাটৰ দীঘলী গাঁৱত আজি মাজুলী-যোৰহাট দলঙৰ মাজুলীৰ দিশৰ প্ৰথমটো খুঁটাৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰি দলং নিৰ্মাণস্থলীতে আয়োজিত বিশাল শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হাজাৰ হাজাৰ জনতাক উদ্দেশ্যি কয়— আজি মাজুলীৰ বাবে এক ■ ৮ পৃষ্ঠাত



*ৰাজ্যিক ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিবৰূপে কাৰ্যভাৰ গ্ৰহণ সাংস্কৃতিক সংগঠক পবিত্ৰ মাৰ্ঘেৰিটাৰ*

## সংসদত ধ্বনি ভোটত বাতিল তিনিওখন বহু বিতৰ্কিত কৃষি আইন



ন্যূনতম সমৰ্থন মূল্য সন্দৰ্ভত আলোচনাৰ দাবীত অটল বিৰোধী

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ নৱেম্বৰ ঃ** প্ৰায় ১৫ মাহ ধৰি দেশৰ লাখ লাখ কৃষকে তিনিখনকৈ কৃষি আইন বাতিলৰ দাবীত আন্দোলন চলাই গৈছে। এনে সময়তে আজি সংসদৰ শীতকালীন অধিৱেশনৰ সময়তে সংসদৰ দুয়োটা সদনেই বাতিল কৰে তিনিখনকৈ কৃষি আইন। সংসদত কোনো ধৰণৰ আলোচনাৰ অৱতাৰণা নকৰাকৈয়ে আজি কেৱল মৌখিক ভোটতে কৃষি আইনকেইখন বাতিল কৰা কৰা হয়। ■ ৮ পৃষ্ঠাত

### দলঙৰ ভূমি অধিগ্ৰহণৰ ৫গৰাকীক ক্ষতি পূৰণ প্ৰদান ঃ মাইক্ৰ'ফাইনেন্সৰ মাজুলীৰ ৫৩৩গৰাকীক দিলে এককালীন সাহায্যৰ চেক



### লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ

## প্ৰদীপ দত্তক ডিএনএ টেষ্ট কৰিব লাগে

**দৈনন্দিন বাৰ্তাৰ সেৱা, লংকা, ২৯ নৱেম্বৰ ঃ** বহ্মপুত্ৰ আৰু বৰাকৰ হিন্দু বেংগলী মানুহে প্ৰদীপ দত্তক ঠিকা দিয়া নাই। প্ৰদীপ দত্তকৈ আমাৰ সমাজত বহু ভাল অভিজ্ঞ মানুহ আছে । প্ৰদীপ দত্তক অতি সোনকালে টেষ্ট কৰিব লাগে, মোৰ সন্দেহ হয় তেওঁ দত্ত ৰয় হয় নে আন কিবা হয়। এই দাবী জনাইছে লামডিং সমষ্টিৰ ■ ৮ পৃষ্ঠাত



*মুখ্যমন্ত্ৰীৰ বিশেষ অনুসন্ধান কেন্দ্ৰৰ কাৰ্যালয়ত ডিআইজি ৰৌণক আলী হাজৰিকাৰ পত্নী নুছৰৎ ৰৌণক আলী হাজৰিকা*

■ শিক্ষা নগৰীখ্যাত যোৰহাট চহৰৰ মাজমজিয়াত নিশংস কাণ্ড ■

# পঞ্চাশ-ষাঠিজনীয়া দুৰ্বৃত্তৰ প্ৰহাৰত আছু নেতাৰ মৃত্যু

### ৰাজ্যত পুনৰ জঘন্য কাণ্ড

যোৰহাটত মাৰপিটৰ ঘটনা ঃ এচাম উদণ্ড যুৱকৰ আক্ৰমণত প্ৰাণ হেৰুৱালে গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য অনিমেষ ভূঞাই



## গণ প্ৰহাৰকাৰীক চৌদিশে ধিক্কাৰ


**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২৯ নৱেম্বৰ ঃ** সম্প্ৰতি ৰাজ্যত যেন হত্যাকাণ্ডৰ দৰে ঘটনা হৈ পৰিছে অতিকৈ সুলভ। ৰাজ্যত স্খলন ঘটিছে মানৱতাৰ। এটা সাধাৰণ ঘটনাক কেন্দ্ৰ কৰি এচাম উদণ্ড যুৱকে অৱনতি ঘটাই আইন-শৃংখলাজনিত ঘটনাৰ। তেনে এক ঘটনাই সংঘটিত হয় ৰাজ্যৰ শিক্ষা নগৰী তথা সাংস্কৃতিক ৰাজধানী হিচাপে খ্যাত যোৰহাট চহৰৰ মাজমজিয়াত। আজি যোৰহাট চহৰৰ মাজমজিয়াৰ ঠাকুৰবাৰীৰ সমীপত সংঘটিত হয় এক মাৰপিটৰ ঘটনা। উক্ত ঘটনাত এচাম পঞ্চাশ-ষাঠিজনীয়া দুৰ্বৃত্তৰ গণ ■ ৮ পৃষ্ঠাত



### দক্ষিণ আফ্ৰিকাৰ চিকিৎসকৰ দাবী

## আমিক্ৰ'ন 'মৃদু বিষাণু'

ক'ভিডৰ 'অমিক্ৰন' প্ৰজাতিৰ উপসৰ্গ তেনেই সামান্য, ঘৰতে চিকিৎসা সম্ভৱ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ নৱেম্বৰ ঃ** ক'ভিডৰ নতুন প্ৰজাতি অমিক্ৰনক লৈ এতিয়া সমগ্ৰ বিশ্বতে বিয়পি পৰিছে ত্ৰাস। ইতিমধ্যে এই প্ৰজাতিটোৰ উদ্ভৱ ঘটা দক্ষিণ আফ্ৰিকাৰ সৈতে বিশ্বৰ বহুকেইখন দেশে বিমান সেৱা বন্ধ কৰি দিছে। এনে সময়তে আজি অমিক্ৰনক লৈ আতংকিত হোৱাৰ কোনো কাৰণ নাই বুলি মন্তব্য কৰিছে দক্ষিণ আফ্ৰিকাৰ এগৰাকী মহিলা ■ ৮ পৃষ্ঠাত

## মামণি বাইদেউৰ স্মৃতিত দক্ষিণ কামৰূপ ছাত্ৰ সন্থাই দিব সাহিত্য বঁটা



### মিৰ্জাত জ্ঞানপীঠ বঁটা বিজয়ী ড° মামণি ৰয়ছম গোস্বামীক স্মৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা মিৰ্জা, ২৯ নৱেম্বৰ ঃ** জ্ঞানপীঠ বঁটা বিজয়ী, সাহিত্য সম্ৰাজ্ঞী তথা দক্ষিণ কামৰূপৰ সু-সন্তান ড° মামণি ৰয়ছম গোস্বামীৰ ২৯ নৱেম্বৰ দশমসংখ্যক মৃত্যু বাৰ্ষিকী। ■ ৮ পৃষ্ঠাত

বৰ্ষাৰ শাস্তি শীতত প্ৰদান!

## ৰাজ্যসভাৰ ১২ সাংসদ নিলম্বিত

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ নৱেম্বৰ ঃ** বৰ্ষাৰ শাস্তি প্ৰদান কৰা হ'ল শীতত। সংসদৰ বৰ্ষাকালীন অধিৱেশনতে বিভিন্ন অভিযোগত নিলম্বিত কৰা ১২গৰাকী সাংসদক আজি আনুষ্ঠানিকভাৱে নিলম্বন কৰা হয়। নিলম্বিত আটাইকেইগৰাকী সাংসদেই ৰাজ্যসভাৰ সাংসদ। আজি তিনিখনকৈ কৃষি আইন বাতিলৰ প্ৰসংগলৈ ৰাজ্যসভাৰ মজিয়া উত্তাল হৈ থকাৰ সময়তে উক্ত ১২গৰাকী সাংসদক নিলম্বিত কৰা হয়। নিলম্বিত সাংসদকেইগৰাকী হ'ল ক্ৰমে শিৱ সেনাৰ প্ৰিয়ংকা চতুৰ্বেদী, তৃণমূলৰ দোলা সেন, চিপিএমৰ ইলামাৰাম কৰিম, ■ ৮ পৃষ্ঠাত

## প্ৰশ্ন কাকত ফাদিল কৰা কালপ্ৰিট ধৃত



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও আৰু মৈৰাবাৰী, ২৯ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ শিক্ষা বিভাগক লজ্জানত কৰা ছমহীয়া পৰীক্ষাৰ প্ৰশ্ন কাকত কেলেংকাৰিৰ নায়ক আটিকুল ইছলাম অৱশেষত আৰক্ষীৰ জালত পৰিল। মৈৰাবাৰী হাইস্কুলৰ প্ৰধান ■ ৮ পৃষ্ঠাত

### পশ্চিম দৰঙত কেৰ্কেটুৱাৰ সন্ত্ৰাস

## এফালৰ পৰা বাৰীৰ তামোল- নাৰিকল খাই কৰিছে খাস্তাং

গ্ৰাম্য অৰ্থনীতিলৈ তীব্ৰ ভাবুকি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৯ নৱেম্বৰ ঃ** কেৰ্কেটুৱা নামৰ এটা সৰু প্ৰাণী। ক'ব অথবা ভাবিবলৈ একো এটা নাই যদিও ঘৰৰ বস্তিৰ ফালে নজৰ দিলে এই প্ৰাণী বিধৰ প্ৰতি মানুহৰ ক্ষোভ, খঙৰ উদ্গীৰণ ঘটে। কিয়নো সৰু বোলা কেৰ্কেটুৱা নামৰ প্ৰাণীটোৱে গৃহস্থৰ বাৰীৰ তামোল-নাৰিকল আদি এফালৰ পৰা খাই, সৰাই খাস্তাং কৰিছে। পশ্চিম দৰঙৰ বহুকেইখন গাঁৱত এতিয়া গ্ৰাম্য অৰ্থনীতিলৈ চৰম সংকট কঢ়িয়াই আনিছে এইবিধ প্ৰাণীয়ে। ঘৰৰ বস্তিৰ তামোল-নাৰিকল বিক্ৰী কৰি গৃহস্থই পৰিয়ালক পোহপাল দি অহাৰ লগতে অন্যান্য বহু সমস্যাও তামোল-নাৰিকল বিক্ৰী কৰিয়েই সমাধান কৰে। কিন্তু বছৰ বছৰ ধৰি যেতিয়া বাৰীৰ তামোল-নাৰিকল বেচিব কি খাবলৈ নোপোৱা অৱস্থা হ'ল তেনে ক্ষেত্ৰত গৃহস্থৰ ■ ৮ পৃষ্ঠাত

# 'হৰ ঘৰ দস্তক'ৰ দ্বিতীয় পৰ্যায়ৰ অভিযান

শোণিতপুৰত এসপ্তাহৰ ভিতৰত এশ শতাংশ ভেকচিন সম্পূৰ্ণ কৰিব শোণিতপুৰ জিলা প্ৰশাসনে ঃ ঘৰে ঘৰে জৰীপ আৰম্ভ ঃ সংবাদ মেলত সদৰি কৰিলে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকে— কোনো অজুহাত নোহোৱাকৈ ভেকচিন নোলোৱা লোকক গণ্য কৰা হ'ব অপৰাধী হিচাপে, এসপ্তাহৰ ভিতৰত গ্ৰেপ্তাৰ হ'ব ৩৫৩ ধাৰাত



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ নৱেম্বৰ ঃ** আজিৰে পৰা ৰাজ্যত আৰম্ভ হোৱা 'হৰ ঘৰ দস্তক'ৰ দ্বিতীয় পৰ্যায়ৰ অভিযানৰ লগত সংগতি ৰাখি জনসাধাৰণক ক'ভিড ভয়াৱহতাৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে আজি প্ৰথম দিনা জিলাখনৰ 'হৰ ঘৰ দস্তক'ৰ দুই নিৰীক্ষক- অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা আৰু সচিবালয়ৰ প্ৰশাসনিক বিভাগৰ আয়ুক্ত-সচিব এম এছ মণিভন্ননে মানুহৰ ঘৰে ঘৰে গৈ ক'ভিড প্ৰতিষেধক ■ ৮ পৃষ্ঠাত

### ক'ভিড ভয়াৱহতাৰ পৰা জনসাধাৰণক ৰক্ষা কৰাৰ স্বাৰ্থত মানুহৰ ঘৰত গৈ প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা ল'লে অসম চৰকাৰৰ মুখ্য সচিবে



## এসময়ৰ ড্ৰাগছ আসক্ত যুৱকে নগাঁৱত মুকলি কৰিলে ড্ৰাগছ আসক্তৰ চিকিৎসা



ইতিবাচক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ নৱেম্বৰ ঃ** হেৰ'ইন, ব্ৰাউন ছুগাৰ আদিৰ দৰে নিচাযুক্ত ড্ৰাগ্ছৰ কৱলত পৰি নিজৰ জীৱনটোক ধ্বংসৰ মুখলৈ ঠেলি দিয়া এজন যুৱকে বৰ্তমান নিচামুক্ত সমাজ গঢ়াৰ কামত নিজকে আত্মনিয়োগ কৰিছে। সুদীৰ্ঘ দিন ড্ৰাগ্ছ আসক্ত এইজন যুৱকে নিজকে শুধৰাই সম্প্ৰতি ড্ৰাগ্ছ আসক্তক সৰল পথলৈ অনাৰ ■ ৮ পৃষ্ঠাত

### নৱপ্ৰজন্মক বাপতিসাহোন মহো-হো লোক-সংস্কৃতিটি জীয়াই ৰাখিবলৈ আহ্বান

# মাজগাঁও বিষ্ণুজ্যোতি মহো-হো খেদা দলৰ অসমীয়া লোক-সংস্কৃতি জীয়াই ৰখাৰ প্ৰয়াস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৯ নৱেম্বৰ ঃ** মহো-হো গীত বা মহখেদা গীত হ'ল এবিধ অসমীয়া লোকগীত। লোক-বিশ্বাসৰ ভেটিতে লোক-সাহিত্য ৰচিত হৈছে। বাঘ-সিংহ, সাপ, ম'হ আদি হিংস্ৰ জন্তুৰ লগতে আধিভৌতিক শক্তিকো মন্ত্ৰ-তন্ত্ৰৰ জৰিয়তে মানুহৰ বশলৈ আনিব পৰি বুলি পুৰণি অসমীয়া সমাজখনত এক লোকবিশ্বাস আছিল। এনে বিশ্বাসৰ আলমতে মহো-হো গীতবোৰ ৰচিত হৈছে। এটা সময়ত গাঁৱৰ মানুহে মহ খেদিবলৈ বুলি গাঁৱৰ ৰাইজ একত্ৰিত হৈ টাঙোন লৈ মহো-হো গীত গাই ফুৰিছিল। 'অ' হৰি মহোহো/ মহ খেইদবা টোকান লো।'... আঘোণ মাহৰ পূৰ্ণিমা তিথিত মহখেদা গীত গাই চোতালে চোতালে আশীৰ্বাদ দি ফুৰে। এইদৰে কৰিলে মহ আঁতৰি যায় বুলি বিশ্বাস আছে। মহো-হো গীত গোৱা দলটিত একোজনকৈ দলপতি থাকে। তেওঁ মহো-হো গীতৰ প্ৰথম শাৰীটো গাই দিয়ে আৰু তেওঁক অনুসৰণ কৰি বাকী সদস্য কেইজনে তাৰ পিছৰ শাৰীবোৰ সমৱেত কণ্ঠেৰে গাই যায়। শেষত গৃহস্থক আশীৰ্বাদ দি তেওঁলোকৰ পৰা চাউল/টকা গ্ৰহণ কৰে। গীত গাওঁতে এজনে কলৰ চোঁচনি গাত আঁৰি ভালুক



হয়। তেওঁ অনুষ্ঠানৰ মূল নৰ্তক। আৰু তেওঁ গীত গোৱা জুমটোৰ মাজত সোমাই নাচে। বাকীবোৰে তেওঁক আৱৰি লৈ একোটা বৃত্ত বনায় আৰু বৃত্তাকাৰে নাচি-নাচি গীত পৰিৱেশন কৰে। ভালুক আৰু মহৰ মাজত কিবা সম্বন্ধ বিচাৰি পায় বাবে মহো-হো গীতত ভালুকৰ অৱতাৰণা কৰা বুলি কোৱা হৈছে। কিন্তু কালক্ৰমত আমাৰ গ্ৰাম্য অঞ্চলৰ সমাজৰ মাজৰ পৰা এই লোক-সংস্কৃতিটি ক্ৰমান্বয়ে হেৰাই যাব ধৰিছে। বহু অসমীয়া লোকে নিজৰ কৃষ্টি-সংস্কৃতি পাহৰি পশ্চিমীয়া সংস্কৃতিক প্ৰাধান্য দিয়া পৰিলক্ষিত হৈছে, এনে সন্ধিক্ষণত ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত মাজগাঁও বিষ্ণুজ্যোতি মহো-হো খেদা দলে অসমীয়া লোক-সংস্কৃতি 'মহো-হো' কৃষ্টিটি জীয়াই ৰখাৰ প্ৰয়াস কৰিছে। তেওঁলোকে প্ৰতি বছৰে ওচৰ-চুবৰীয়াৰ লগতে অঞ্চলটিত এই লোকসংস্কৃতি পালন কৰি আহিছে আঘোণ মাহৰ পূৰ্ণিমা তিথিত। লগতে তেওঁলোকে উৎসৱ-পাৰ্বণত এই কৃষ্টিটি প্ৰদৰ্শন কৰি আহিছে। বৰ্তমান দলটিত মুকুন্দ ডেকা, চিদানন্দ ডেকা, অৰুণ ডেকা, হৰিচৰণ ডেকা, হৰিচন্দ্ৰ ডেকা, পদুৰাম ডেকা, মনেশ্বৰ ডেকা, প্ৰণৱ ডেকা, উত্তম কুমাৰ ডেকা আৰু ধনেশ্বৰ ডেকাই নৱপ্ৰজন্মক বাপতিসাহোন মহো-হো লোক-সংস্কৃতিটি জীয়াই ৰাখিবলৈ মাজগাঁও বিষ্ণুজ্যোতি মহো-হো খেদা দলে আহ্বান জনায়।

# সদৌ কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ প্ৰথম কাৰ্যনিৰ্বাহক সভা সম্পন্ন

### জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৯ নৱেম্বৰ ঃ** অসমৰ ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সত্তাৰ সুৰক্ষাৰ স্বাৰ্থত অহৰহ সংগ্ৰাম অব্যাহত ৰখা কোচ-ৰাজবংশী জাতীয় সংগঠন যুৱ-ছাত্ৰ সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখন যোৱা ২০ আৰু ২১ নৱেম্বৰত দক্ষিণ শালমাৰা জিলাৰ কাকৈজানাত সম্পন্ন হয়। উক্ত অধিৱেশনৰ প্ৰতিনিধি সভাত গঠন হোৱা নৱ গঠিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাক সমিতিৰ প্ৰথমখন সভা আজি সংগঠনটোৰ মুখ্য কাৰ্যালয় বঙাইগাঁৱত অনুষ্ঠিত হয়। উল্লেখ্য যে কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ নৱগঠিত কাৰ্যনিৰ্বাহক সভাৰ সভাপতি কিশোৰ জ্যোতি ৰয়ৰ পৌৰোহিত্যত অনুষ্ঠিত হয় সভাখন। কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক হিতেশ সিংহই আঁত ধৰা সভাত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু জিলা সমিতিৰ সভাপতি ও সম্পাদকসকল উপস্থিত থাকে। সভাত কোচ-ৰাজবংশী সংগঠনটোৰ সংবিধান অনুসৰি নীতি মানি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সভাত চা-চিনাকি আৰু আদৰণি পৰ্বৰ পিছতে সংগঠনটোৰ উপদেষ্টা মণ্ডলী নিৰ্বাচন আৰু কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া বৰ্ধিতকৰণৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰে। সভাত মুখ্য উপদেষ্টা হিচাপে দ্বীপেন চন্দ্ৰ ৰয়ক; ত্ৰিদীপ পতি সিংহকে ধৰি কেৱাজনো উপদেষ্টা আৰু প্ৰচাৰ সম্পাদক হিচাপে ধৰ্মেন্দ্ৰ দাস আৰু জগত কুমাৰ ৰায়ক; শিক্ষা সম্পাদক হিচাপে ভাৰত ৰায়ক আৰু সাংগঠনিক সম্পাদক হিচাপে প্ৰণৱ বৰ্মনক বৰ্ধিত বিষয়ববীয়া হিচাপে মনোনীত কৰা হয়। জনগোষ্ঠীটোৰ জনজাতিকৰণৰ সমস্যা সমাধানৰ লগতে সামগ্ৰিক বিকাশৰ বিশদ লক্ষ্যৰ সিদ্ধান্ত গ্ৰহণ কৰা সভাত কাৰ্যকৰী সভাপতি বিষ্ণু ৰাম দাসে; উপসভাপতি বিশ্বজিৎ ৰায়ে আৰু দক্ষিণ কামৰূপ জিলা সমিতিৰ সাধাৰণ সম্পাদক অনুপম দাসে ভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। সভাত বঙাইগাঁও জিলা সমিতিৰ সম্পাদক জয়ন্ত সিংহই আগন্তুক চিলাৰায় দিৱসত বঙাইগাঁও জিলা সমিতিৰ অধিৱেশন অনুষ্ঠিত কৰা হ'ব বুলি জানিবলৈ দিয়ে। সভাত তৃণমূলৰ পৰাই জাতীয় সংগঠনৰ সুদৃঢ় কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে আৰু সংগঠনৰ সাংবিধানিক ভিত্তিত আগন্তুক তিনি মাহৰ ভিতৰত জিলা সমিতি সমূহ পুনঃগঠন আৰু নৱীকৰণ কৰাৰ বাবে জিলাসমূহক আহ্বান জনায়। ইফালে সভাই অসম চৰকাৰক অতিশীঘ্ৰে কোচ-ৰাজবংশীসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰি ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী ইস্তাহাৰৰ কথা সঁচা অৰ্থত ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত কোচ-ৰাজবংশী সকলক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰা; কমতাপুৰ পুনৰ উদ্ধাৰ আৰু বি টি আৰৰ পৰা কোচ-ৰাজবংশী অধ্যুষিত গাঁওসমূহ কৰ্তন কৰাৰ দাবীত বঙাইগাঁৱত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ইফালে সংগঠন সুদৃঢ় কৰাৰ স্বাৰ্থত মহিলা সন্মিলনীখন গঠন কৰাৰ আৰু কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোক সংগঠনৰ কামত ব্ৰতী হোৱাত মৃত্যু হোৱা জ্ঞাতিক শ্বহীদ ঘোষণা কৰাৰ সিদ্ধান্ত লোৱা হয়।

## Notice regarding auction sale

In pursuance the order passed by Hon'ble Sub Divisional Officer (Civil) Bijni relating to Bijni P.S, Case no. 317/2020, an auction sale of 80 bags of Arecanuts that was seized by Bijni Police was scheduled to take place on 05/11/2021 at Bijni P.S. premises. But due to some unavoidable circumstances the open tender got cancelled on 05/11/2021 and now it will take place on 31/11/2021 at the same venue i,e. Bijni P.S. premises. Hence open tenders are invited from the intending parties to participate in the said auction sale, the following terms and conditions are laid down for smooth conduct of the auction sale.

1. The Seized bags of Areca nuts Are kept in the premises of Bijni Ps House All the intending bidders Are Requested To inspect the quality And quantity of the Areca Nuts well in advance before the day of auction sale
2 .The Successful bidder will have to Pay The bidding Amount on the spot once the Auction Is Over.
3. All The Bags Of Areca Nuts will have to be collected by the successful bidder by 01-12-2021 At his own Cost.
4. The Minimum bidding Amount will Start from Rs.15.000/- per quintal.
5. The decision of the committee formed vide order on. BJMG - 5/2021/26 dated 27/10/2021 will be final.

Yours faithfully
/
Assistant commissioner,
SDO (C)s Office Bijni

### উদণ্ড বাইকাৰৰ খুন্দাত গুৰুতৰভাৱে আহত ৮ বছৰীয়া শিশু

# মৃত্যুৰ সৈতে যুঁজ দি আছে এইম্ছত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৯ নৱেম্বৰ ঃ** বিভিন্ন সময়ত উদণ্ড বাইক চালকৰ হাতত বহুজনে প্ৰাণ হেৰুওৱাৰ লগতে আজীৱন গঙ্গু কৰি আহিছে । যোৱা ১৫ দিনৰ পূৰ্বে নতুন ৰৌমাৰীৰ এজন ৫২ বছৰীয়া লোকক বাইকাৰৰ হাতত মৃত্যু হৈছিল। যোৱা ২২ নৱেম্বৰত জনতাৰ শঙ্কৰদেৱ শিশুনিকেতৰ এজন



ছাত্ৰ আঘাত প্ৰাপ্ত হৈছে। কালি প্ৰায় ১১-০০ মান বজাত জনতাৰ শঙ্কদেৱ শিশুনিকেতনৰ ছাত্ৰ( ৮) জ্যোতিপ্ৰৱণ দাস পিতা অপূৰ্ব দাসৰ পুত্ৰ নিজৰ ঘৰৰ কাষৰ দোকানৰ পৰা আহি থকাৰ অৱস্থাত বিপৰীত দিশৰ পৰা তীব্ৰবেগী বাইকাৰে খুন্দা মৰাত দূৰৈত চিটিকি পৰে জ্যোতিপ্ৰৱণ দাস; ইমানেই প্ৰচণ্ড খুন্দা আছিল যে মূৰৰ ভিতৰৰ খোলাটো এফালে ৭ টুকুৰা হৈ ভাগি যায়। বৰ্তমান শিশুটো তেজপুৰস্থিত টাইম্‌ছ হস্পিটালত মৃত্যুৰ সৈতে যুঁজ দি আছে। আটাইকৈ ডাঙৰ কথা হ'ল শিশুটি ঘৰৰ পৰিয়ালটি আৰ্থিক দিশত একেবাৰে দুৰ্বল, এতিয়া শিশুটিক বচাবলৈ পৰিয়াটি ভীষণ অসুবিধাৰ সন্মুখীন হৈছে চিকিৎসকে দুই লক্ষাধিক টকাৰ প্ৰয়োজন হ'ব বুলি জানিবলৈ দিছে। কণমানি শিশুটিক জীৱন দানৰ বাবে ৰাইজৰ দান-বৰঙনি তথা সহায়ৰ প্ৰয়োজন আছিল বুলি অভিভাৱকে সাংবাদিকক জানিবলৈ দিছে । উদণ্ড বাইক চালকক কোনে নাকী লগাব এই বিষয়ত চিন্তিত হৈ পৰিছে বিহালী থানাৰ অন্তৰ্গত জনতাৰ শঙ্কৰদেৱ শিশুনিকেতনৰ অভিভাৱক সকল । বিহালী আৰক্ষী আৰু ৰাংছালীৰ বিভিন্ন দল-সংগঠনৰ ওচৰত সচেতন লোকৰ আহ্বান- এই উদণ্ড বাইক চালকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰক, নহ'লে এই বাইকাৰৰ হাতত আৰু অঘটন সংঘটিত হোৱাৰ আশংকাই অধিক।

# মুছলপুৰত চুৰি বাহনসহ গ্ৰেপ্তাৰ দুৰ্ধৰ্ষ গাড়ীচোৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৯ নৱেম্বৰ ঃ** যোৱা নিশা বাক্সা জিলাৰ মুছলপুৰ আৰক্ষীয়ে চলোৱা এক অভিযানত কৰায়ত্ত হয় এটা দুৰ্ধৰ্ষ গাড়ীচোৰ । জানিব পৰা মতে মিৰাজুল আলী নামৰ দুৰ্ধৰ্ষ গাড়ী চোৰটোৱে এখন চুৰি বাহন বিক্ৰীৰ বাবে আনি থকা অৱস্থাত আৰক্ষীয়ে গাড়ীসহ চোৰটোক গ্ৰেপ্তাৰ কৰে । উল্লেখ্য যে ইতিপূৰ্বে অবৈধ অস্ত্ৰৰ ব্যৱসায়ৰ লগতে ডকাইতিৰ গোচৰত তিনিবাৰকৈ জে'লৰ ভাত খোৱা মিৰাজুল আলীয়ে মহানগৰীৰ সোণাপুৰৰ এগৰাকী মহিলাৰ ঘৰৰ পৰা কৌশলেৰে চুৰি কৰি অনা এএছ-০১ডিকিউ-৩৩৮০ নম্বৰৰ এখন মাৰুতি ছুইফট্ বাহন বাক্সা জিলাৰ অহোপাত বিক্ৰীৰ বাবে আনি থকা অৱস্থাত এক গোপন সূত্ৰৰ পম খেদি মুছলপুৰ আৰক্ষীয়ে ৰবিবাৰে নিশা বাক্সাৰ চৰাইমাৰীত কৰায়ত্ত কৰে গাড়ীচোৰ মিৰাজুল আলীক । মিৰাজুলক গ্ৰেপ্তাৰ কৰাৰ লগতে চুৰি কৰি অনা ছুইফট্ বাহনখনো জব্দ কৰে আৰক্ষীয়ে । পিচত আৰক্ষীয়ে মিৰাজুলৰ তথ্যৰ ভিত্তিত এএছ-০১এপি-৮১৯৭ নম্বৰৰ এখন চুৰি বাইকো উদ্ধাৰ কৰে । মুছলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নৰেন সোণোৱালে জানিব দিয়া মতে কেবাটাও গোচৰত অভিযুক্ত দুৰ্ধৰ্ষ অপৰাধী মিৰাজুলে আৰক্ষীৰ হাতৰ পৰা পলাবলৈ চেষ্টা কৰিছিল যদিও সক্ষম নহ'ল । ইফালে আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা মিৰাজুলে কৰা সকলো অপৰাধৰ কথা সংবাদ মাধ্যমৰ সন্মুখত অকপটে স্বীকাৰ কৰিছে । সম্প্ৰতি মুছলপুৰ আৰক্ষীয়ে দুৰ্ধৰ্ষ মিৰাজুলৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ৩৭৯/৪১১ ধাৰাৰ অধীনত ১৫২/২১ নম্বৰত এক গোচৰ ৰুজু কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## বিশ্বনাথত ভাৰতী ফাউণ্ডেচনৰ বিশেষ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ২৯ নৱেম্বৰ ঃ** বিদ্যালয়ৰ বিদ্যায়তনিক দিশত বিশেষ সহায়-সহযোগিতা আগবঢ়াই অহা 'ভাৰতী ফাউণ্ডেচনৰ উদ্যোগত আজি বিশ্বনাথ চাৰিআলিৰ বুঢ়ামাধৱ উচ্চ মাধ্যমিক বিদ্যালয়ত এখন বিশেষ সভাৰ আয়োজন কৰা হয়। সাকোমঠা শিক্ষা খণ্ডৰ চি আৰ চি কৰবী শৰ্মা বৰঠাকুৰে আঁত ধৰা অনুষ্ঠানত মুখৰগড়ৰ চি আৰ চি অপূৰ্ব শৰ্মাই আগন্তুক গুণোৎসৱৰ ওপৰত বিশেষভাৱে পৰ্যালোচনা আগবঢ়ায়। শৰ্মাই নিজৰ বক্তব্যত শিক্ষক-শিক্ষয়িত্ৰীসকলে দৈনিক উপস্থিতিৰ বাবে শিক্ষা বিভাগে জাৰি কৰা 'ৰিমচ' কাৰ্যকৰীকৰণৰ ওপৰতে আলোকপাত কৰে। ভাৰতী ফাউণ্ডেচনৰ বিষয়া পায়েল কলিতাই ফাউণ্ডেচনে বিদ্যালয়লৈ আগবঢ়োৱা বিভিন্ন সহায়ৰ ওপৰত বক্তব্য ৰাখে। সভাত বুঢ়ামাধৱ হাইস্কুলৰ প্ৰধান শিক্ষক সৰ্বানন্দ শইকীয়া, ভাৰতী ফাউণ্ডেচনৰ সুভাষ বসুমতাৰী, ৰণজিৎ শইকীয়া, জোনালী বৰা, নিতুল দেৱ চৌধুৰী, মদন শৰ্মা, মমী কটকী, অনন্ত বৰুৱা, প্লাৱিতা শইকীয়া, প্ৰিয়ংকা দাস, হিৰণ্য বৰুৱা, প্ৰতিমা ভূঞা প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰীসফল উপস্থিত থাকে।

# হোজাইত ৬,২৪,৪৬৪ লোকে ল'লে প্ৰথম পালি টিকা ঃ 'হৰ ঘৰ দস্তক' অভিযান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২৯ নৱেম্বৰ ঃ** আজিৰ পৰা ৫ ডিচেম্বৰ লৈকে হোজাই জিলাত 'হৰ ঘৰ দস্তক' অভিযানৰ দ্বিতীয় পৰ্যায় আৰম্ভ কৰা হৈছে। এই সন্দৰ্ভত হোজাই জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত আজি এখন সংবাদমেলৰ আয়োজন কৰা হয়। সংবাদমেলত উপস্থিত সাংবাদিক সকলক সম্বোধন কৰে অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ সচিব মৃদুল কুমাৰ মহন্ত আৰু হোজাই জিলাৰ উপায়ুক্ত অনুপম চৌধুৰীয়ে। সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপ কৰি উপায়ুক্ত অনুপম চৌধুৰী আৰু সচিবগৰাকীয়ে কয় যে 'হৰ ঘৰ দস্তক' অভিযান ২৯ নৱেম্বৰৰ ২০২১ চনৰ পৰা ৫ ডিচেম্বৰলৈকে অব্যাহত থাকিব। সংবাদমেলত উপায়ুক্তই উল্লেখ কৰে যে হোজাই জিলাত এই পৰ্যন্ত প্ৰথমপালি ৬,২৪,৪৬৪ আৰু দ্বিতীয় পালি ৪,১৯,৯৩৮ গৰাকীক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে। উপায়ুক্তই ক'ভিড-১৯ক প্ৰতিহত কৰিবলৈ ক'ভিড প্ৰতিষেধক গ্ৰহণ অতি আৱশ্যক বুলি উল্লেখ কৰে আৰু জিলাখনত যিসকল যোগ্য ব্যক্তিয়ে এই পৰ্যন্ত টিকা গ্ৰহণ কৰা নাই তেওঁলোকক এই অভিযান কালত অতি সোনকালে টিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সংবাদমেলত আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থসহ জিলা প্ৰশাসনৰ বিষয়াই অংশ লয়।

# মঙলদৈ গেলাইডিঙিস্থিত কৃষি বিজ্ঞানৰ দক্ষতা বিকাশ প্ৰশিক্ষণৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৯ নৱেম্বৰ ঃ** মঙলদৈৰ চহৰৰ নিকটৱৰ্তী গেলেইডিঙিত অৱস্থিত জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ দক্ষতা বিকাশ প্ৰশিক্ষণৰ সোমবাৰে সফল সমাপ্তি ঘটে। মঙলদৈ কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ চৌহদত সোমবাৰে ২৯ নৱেম্বৰ ২০২১ তাৰিখে সামৰণি পৰে। বিগত বৰ্ষৰ পৰা কৃষি সম্প্ৰসাৰণ ব্যৱস্থাপনাৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান (MANAGE-National Institute of Agricultural Extension Management)ৰ বিত্তীয় সাহায্যপ্ৰাপ্ত 'কৃষি নিৱেশ পৰিৱেশকসকলৰ কৃষি সম্প্ৰসাৰণ সেৱাৰ (DAESI-Diploma in Agricultural Extension Services for Input Dealers)ৰ এবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম তথা ভাৰতীয় কৃষি কৌশল পৰিষদ (ASCI-Agricultural Skill Council of India)ৰ ক্ষুদ্ৰ কুকুৰা পালকসকলৰ দক্ষতা বিকাশ প্ৰশিক্ষণৰ উমৈহতীয়া সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলৰ মাজত প্ৰশংসাপত্ৰ বিতৰণ কৰা হয়। সভাৰ আদৰণি ভাষণ আগবঢ়ায় কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ মুৰব্বী ডঃ আব্দুল হাফিজে। আজিৰ এই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে ডেফ'ডিল উদ্যান শস্য মহাবিদ্যালয়ৰ বিজ্ঞান গুৰু তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সম্প্ৰসাৰণ বিভাগৰ সঞ্চালক ডঃ হেমেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্যই। ডঃ ভট্টাচাৰ্যই তেখেতৰ ভাষণত প্ৰশিক্ষাৰ্থীসকলক পৰিৱৰ্তন আদৰি লোৱাৰ ক্ষমতা বৃদ্ধি, প্ৰতিকূলতা বহনকাৰিতা, সামাজিক দায়বদ্ধতা আৰু উদ্যমিতা আদি গুণৰ অধিকাৰী হোৱাৰ আহ্বান জনায়। অনুষ্ঠানত বিশেষ অতিথি ৰূপে উপস্থিত থাকি দৰং জিলাৰ জিলা উন্নয়ন আয়ুক্ত শুভলক্ষ্মী ডেকাই তেখেতৰ ভাষণত কৃষক ৰাইজক জৈৱিক কৃষিক আদৰি ল'ব আহ্বান কৰে। অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে ভাৰতীয় কৃষি কৌশল পৰিষদ (ASCI-Agricultural Skill Council of India)ৰ আঞ্চলিক মুৰব্বী নিৰোদ চক্ৰৱৰ্তী আৰু দৰং জিলাৰ মহকুমা কৃষি বিষয়া ভৱেন কলিতা। কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ পশুপালন বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ ডাঃ মুজাহাৰুল ইছলামে আঁত ধৰা অনুষ্ঠানটিৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় কেন্দ্ৰটিৰ পাম পৰিচালক শ্ৰীহেঙুল জ্যোতি শালৈয়ে।


## Guest House

A/C Non A/C Rooms with Car Parking At POGL Brahmaputra, Chandmari, Guwahati-21

Ph. WA : 9678009493
9707183470


## ৰাশিফলত আজিৰ দিনটো

**১৩ আঘোণ, মঙলবাৰ, ৩০ নৱেম্বৰ, ১৪২৮ ভাস্কৰাব্দ, তিথি ঃ কৃষ্ণা একাদশী, নক্ষত্ৰ ঃ হস্তা, জন্ম ৰাশি ঃ কন্যা**

**সূৰ্যোদয়- ৫-৫৬-৩২ সূৰ্যাস্ত- ৪-২৮-৫৬**



■ **মেষ ঃ** খেতিত উন্নতি ■ **বৃষ ঃ** ৰাইজৰ লগত ■ **মিথুন ঃ** প্ৰেমাষ্পদ লাভ ■ **কৰ্কট ঃ** ব্যয় বৃদ্ধি ■ **সিংহ ঃ** ধন প্ৰাপ্তি ■ **কন্যা ঃ** শিল্পীৰ শুভ ■ **তুলা ঃ** ভ্ৰমণ ■ **বৃশ্চিক ঃ** পদোন্নতি ■ **ধনু ঃ** সফল প্ৰচেষ্টা ■ **মকৰ ঃ** গৃহ নিৰ্মাণ ■ **কুম্ভ ঃ** সফল প্ৰচেষ্টা ■ **মীন ঃ** বিবাহৰ আলোচনা।

### ঢেকীয়াজুলি-বৰছলাত ধানৰ নিম্নগামী দাম

# ধানৰ উচিত বজাৰমূল্যৰ পৰা বঞ্চিত হৈছে কৃষক ঃ নিৰ্বিকাৰ কৃষি বিভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঠেলামৰা, ২৯ নৱেম্বৰ ঃ** ৰাজ্যবাসীক মূল্যবৃদ্ধিয়ে জুৰুলা কৰাৰ সময়তে ধানৰ দাম নিম্নগামী হোৱাত ৰাজ্যৰ কৃষকসকলক বিপাঙত পেলাইছে । অতি কষ্টৰে কৃষকে উৎপাদিত ধানৰ উচিত বজাৰমূল্যৰ পৰা বঞ্চিত হ'বলগীয়া হোৱাত এতিয়া মূৰে-কপালে হাত দিব লগা অৱস্থা হৈছে কৃষকসকলৰ। এইক্ষেত্ৰত নিৰ্বিকাৰ ৰাজ্যৰ কৃষি বিভাগ। উল্লেখযোগ্য যে শোণিতপুৰ জিলাৰ বৰছলা, ঢেকীয়াজুলি, ঠেলামৰা, মিছামাৰী আদি ঠাইত নতুন ধানৰ মূল্য প্ৰতি কেজি ১০ৰ পৰা ১১ টকা আৰু কুইন্টলে প্ৰতি ১১০০ টকা, আনহাতে পুৰণি ধান প্ৰতি কেজিত ১১-১২ টকা আৰু প্ৰতি কুইন্টল ১১০০ৰ ১২০০ টকা মূল্য হোৱাত কৃষকসকল ব্যাপক লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে । ইফালে ধান খেতি কৰি বহু কৃষকে বছৰটোৰ বাবে উপাৰ্জনৰ আশা পুহিছিল যদিও ধানৰ দাম নিম্নগামী হোৱাত হতাশ হৈছে কৃষকসকল। উল্লেখ্য যে ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই কৃষকক সকাহ দিবলৈ এফচিআইৰ জৰিয়তে উচিত মূল্য দি ধান ক্ৰয় কৰাৰ কথা ঘোষণা কৰিছিল যদিও কৃষকসকল এতিয়াও আশ্বস্ত হ'ব পৰা নাই। কিয়নো চৰকাৰে ধান ক্ৰয় কৰাটো এক ভেঁকো-ভাওনাত পৰিণত হৈ আহিছে প্ৰতিবছৰে বুলি উল্লেখ কৰে কৃষকসকলে। আনহাতে ধান ক্ৰয় কেন্দ্ৰ ওচৰত নথকা বাবে কৃষকসকল প্ৰতি বছৰে ধান বিক্ৰীৰ সময়ত বিভিন্ন সমস্যাৰ হৈ আহিছে । গুৰুত্বপূৰ্ণ কথা যে যিটো সময়ত গ্ৰামাঞ্চলৰ কৃষকৰ ধান বিক্ৰী কৰাৰ ভৰপক সময়, সেই সময়ত এফচিআয়ে কৃষকৰ ধান ক্ৰয় নকৰে। যিটো সময়ত চৰকাৰে চৰকাৰী মূল্যত বিক্ৰী কেন্দ্ৰৰ দ্বাৰা ধান ক্ৰয় কৰে, সেই সময়ত প্ৰকৃত কৃষকসকলৰ ধান বিক্ৰী কৰিবলৈ ধান নাথাকে। এই সন্দৰ্ভত পিৰাকাটাৰ কৃষক নৃপতি চাকলাধাৰে অভিযোগ কৰি কয়- যিটো সময়ত চৰকাৰে ধান ক্ৰয় কৰিব লাগে সেই সময়টোত ধান ক্ৰয় নকৰাত কৃষকে উপায়হীন হৈ নিম্ন দামত ব্যৱসায়ীসকলক ধান বিক্ৰী কৰিবলগীয়া হৈছে। ইপিনে কৃষকৰ পৰা কম দামত ক্ৰয় কৰা ধানেই পিছত এফচিআয়ে চৰকাৰী মূল্যত ব্যৱসায়ীৰ পৰা ক্ৰয় কৰে। একাংশ মধ্যভোগী আৰু একাংশ পুঁজিপতিয়ে কৃষকৰ পৰা ক্ৰয় কৰা ধানেই এফ চি আইত চৰকাৰী দৰত বিক্ৰী কৰাত কৃষকসকল ধানৰ উচিত মূল্যৰ পৰা বঞ্চিত হয়। একেদৰে বৰছলাৰ নিতু ডেকা নামৰ কৃষকজনে কয়- গাঁৱৰ প্ৰকৃত কৃষকে চৰকাৰক ধান বিক্ৰী কৰিব নোৱাৰে। বিক্ৰী কেন্দ্ৰসমূহ ওচৰত নথকা বাবে আৰু সময়মতে চৰকাৰে ধান ক্ৰয় নকৰাৰ ফলত কৃষকসকলে নিম্ন দৰত ধান বিক্ৰী কৰিবলগীয়া হৈছে। কিয়নো কৃষকসকলৰ প্ৰয়োজন অনুসাৰে এইটো সময়ত ধান বিক্ৰী কৰি খেতিৰ কামত খৰচ কৰাৰ লগতে আন খেতিত কৰিবলৈ সেই ধনেই খৰচ কৰে। কিন্তু ধানৰ দাম অতি নিম্নগামী হোৱাত কৃষকসকল বৃহৎ লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে বুলি উল্লেখ কৰে। এই ক্ষেত্ৰত কৃষকসকলক সকাহ দিবলৈ কৰ্তৃপক্ষৰ হস্তক্ষেপৰ দাবী জনায় অঞ্চলটোৰ কৃষক ৰাইজে।

*No.C/S-01/2021-22/2* *Dated Kokrajhar 25-11-2021*

**NOTICE INVITING TENDERS**

Sealed tenders affixing Non-refundable court fee of Rs. 8.25 (Rupees Eight point Twenty-five) only, are, hereby, invited on behalf of the Kokrajhar Development Authority, Kokrajhar from registered APWD Contractors of Class-I and Class -II category for the following work and will be received the same on or before 04/12/2021 up to 3-00 pm in the office of the undersigned and will be opened on the same date and place.

Name of Work :- Construction of ICBP road near Pawan Mushahary resident to Dimalgaon main road Kokrajhar.

Estimated Amount:- Rs. 10,27.315.00

1. The tender should bear Non-refundable Court fee of Rs. 8.25 (Rupees Eight point Twenty-five) only without which no tender will be considered for acceptance.
2. Tenders, which should always be placed in sealed covers, with the name of the work written on the envelopes will be received in the office of the Chairman, Kokrajhar Development Authority, Kokrajhar on the date and hour as mentioned above and will be opened on 16.11.2015 at 3-15 pm in presence of the attending tenderers or their authorised representatives. The tenderer should enclose photo copy of PAN Card, up-to-date VAT registration, Labour licence and Contractor registration Certificate.
3. Time allowed for completion is 3 (three) months from the date of issue Formal Work Order.
4. The tenderers should quote rate at percentage above/below /as per the Schedule of Rates for Rural Roads and Bridges for all divisions in Assam for the year 2013-14.
5. The selected tenderer will have to sign The Formal Tender in F-2 Form after depositing the necessary Security Deposit Money at the rate of 2% of the tender value of the work within specified time from the date of issue of selection order.
6. The acceptance of tender will rest with the Chairman, Kokrajhar Development Authority, Kokrajhar who does not bind himself to accept the lowest tender and reserves right to reject any or all the tenders received without assigning any reason. All tenderer any of the prescribed conditions are not fulfilled or are incomplete in any respect are liable to be rejected.

Sd/-
Chairman,
Kokrajhar Development Authority, Kokrajhar

*IPR(BTC)-466/2021*

### নগৰবেৰাৰ কল্যাণপুৰত শিক্ষামূলক আলোচনা চক্ৰৰ সামৰণি অনুষ্ঠানত সাংবাদিক নিতুমণি শইকীয়া

# শিক্ষা ব্যৱস্থাৰ পয়ালগা অৱস্থাৰ বাবে বিগত দিনৰ চৰকাৰেই দায়ী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৯ নৱেম্বৰ ঃ** নতুন শিক্ষানীতিৰ প্ৰৱৰ্তনে আমূল পৰিৱৰ্তন আনিব যদিও তাৰ কাৰণে যিখিনি আন্তঃগাঁথনিৰ প্ৰয়োজন হ'ব সেইখিনি ৰজাঘৰীয়াই কেনেদৰে যোগান ধৰে তাৰ ওপৰত নিৰ্ভৰ কৰিব। কালি কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত কল্যাণপুৰএমই স্কুল পৰিচালনা সমিতিৰ উদ্যোগত ছমৰীয়া শিক্ষা খণ্ড ভিত্তিত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত শিক্ষামূলক আলোচনা চক্ৰৰ সামৰণী অনুষ্ঠানৰ মুকলি সভাত অংশ গ্ৰহণ কৰি এই মন্তব্য কৰে প্ৰতিদিন টাইমৰ মুখ্য কাৰ্যবাহী সম্পাদক তথা বিশিষ্ট সাংবাদিক নিতুমণি শইকীয়াই। কল্যাণপুৰ এমই স্কুলৰ পৰিচালনা সমিতিৰ সভাপতি আব্দুচ ছামাদ আহমেদে সভাপতিত্ব কৰা সভাখনত নিতুমণি শইকীয়াই কয়- নতুন শিক্ষানীতিৰ ফলত ল'ৰা-ছোৱালীৰ ভাবিব নোৱাৰা পৰিৱৰ্তন হ'ব। প্ৰথম অৱস্থাত অসুবিধা হ'ব পাৰে যদিও অভিভাৱক, ছাত্ৰ আৰু শিক্ষক সমাজে এই ক্ষেত্ৰত সহযোগিতাৰে আগবাঢ়িলে নতুন শিক্ষানীতি ভালেই হ'ব বুলি কয়। চৰকাৰে শিক্ষাৰ উন্নতিৰ কাৰণে কিছুমান ক্ষেত্ৰত চেষ্টা কৰিছে যদিও চৰকাৰী ব্যৱস্থাটোৱে মানুহৰ আস্থা আৰু বিশ্বাস ধৰি ৰাখিব পাৰিছেনে বুলি কৈ তেওঁ কয়— চহৰ-নগৰ অঞ্চলত চৰকাৰী শিক্ষানুষ্ঠানৰ অৱস্থা ভাল নহয়। কোনো অভিজাত লোক বা চৰকাৰী বিষয়াই নিজৰ সন্তানক চৰকাৰী বিদ্যালয়লৈ নপঠিয়ায়। মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তৰ সন্তানসকলহে চৰকাৰী বিদ্যালয়লৈ যায়। ব্যক্তিগত শিক্ষানুষ্ঠানে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। গ্ৰামাঞ্চলতো ব্যক্তিগত বিদ্যালয়ৰ প্ৰতি আকৰ্ষণ বাঢ়িছে। প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্যায়লৈ শিক্ষা ব্যৱস্থাৰ পয়ালগা অৱস্থাৰ বাবে বিগত দিনৰ চৰকাৰসমূহেই দায়ী বুলি কৈ কয় যে ১৯৯১ আৰু ১৯৯৯ চনৰ পৰাই শিক্ষা ব্যৱস্থাৰ ধ্বংসযজ্ঞ আৰম্ভ হৈছিল। শিক্ষকতাৰ চাকৰি অন্য চাকৰিতকৈ অলপ বেলেগ হ'ব লাগিব। ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ মাক-দেউতাকক বাদ দি শিক্ষকৰ ওপৰতে নিৰ্ভৰ কৰে। সেয়ে অকল চাকৰি কৰাৰ মানসিকতা এৰি এগৰাকী প্ৰকৃত শিক্ষক হিচাপে ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ গঢ়িবলৈ শিক্ষা প্ৰদান কৰা উচিত। ভাষণ প্ৰসংগত নিতুমণি শইকীয়াই কয়— বিভিন্ন অপৰাধমূলক কৰ্মকাণ্ডত একাংশ সংখ্যালঘু সম্প্ৰদায়ৰ লোক জড়িত হৈ আহি সমগ্ৰ জাতিটোকে বদনাম কৰাসকলক মষিমূৰ কৰিবলৈ উঠি অহা প্ৰজন্মক আহ্বান জনায়। তদুপৰি সংখ্যালঘু অঞ্চলত ৰাইজৰ মাজত ছোৱালী শিক্ষাৰ প্ৰতি গুৰুত্ব নিদিয়া মানসিকতা আছে বুলি কৈ কয় যে বাল্য বিবাহেই হৈছে অঞ্চলটোৰ শিক্ষাৰ ক্ষেত্ৰত উন্নতি নোহোৱাৰ মূল কাৰণ। এনে মানসিকতা সলনি কৰি ল'ৰাৰ সমানে সমানে ছোৱালীকো শিক্ষা দিবলৈ ৰাইজক আহ্বান জনায়। নিজৰ সন্তানক হিন্দু বা মুছলমান হিচাপে নহয়, এগৰাকী প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিবলৈ আৰু নৱ প্ৰজন্মক হিংসা-বিদ্বেষ নোহোৱা এখন অসম, সমাজ আৰু দেশ নিৰ্মাণ কৰিবলৈ একেলগে থিয় দিবলৈ আহ্বান জনায়। সভাত বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস, কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক ৰবিলোচন ঠাকুৰীয়া, যুৱ নেত্ৰী হাচিনা আহমেদ, আব্দুল বাৰিক, চাইজুদ্দিন আহমেদ, ৰেজিয়া চুলতানা প্ৰমুখ্য আৰু বহুকেইজন শিক্ষক, বিশিষ্ট লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

৩০ নৱেম্বৰ, ২০২১ ■ মঙ্গলবাৰ ■ গুৱাহাটী ■ ১৩ আঘোণ, ১৯৪৩ শক






## চৰাইদেউৰ সাপেখাতী বন্ধন বেংকত উত্তপ্ত পৰিস্থিতি

### মাইক্ৰ'ফাইনেন্সৰ ঋণ লোৱা মহিলাই চেক নোপোৱাত প্ৰতিবাদ সাব্যস্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাতী, ২৯ নৱেম্বৰ ঃ** চৰাইদেউৰ সাপেখাতী বন্ধন বেংকৰ কঠিয়াখুন্দা শাখাত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অসম চৰকাৰে মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ ক্ষেত্ৰত কৰা পদক্ষেপ অনুসৰি মাইক্ৰ'ফাইনেন্সৰ ঋণ লোৱা প্ৰতিগৰাকী মহিলাক সৰ্বাধিক ২৫ হাজাৰ টকাৰ চেক দিয়াৰ কথা ঘোষণা কৰাৰ লগতে কাইলৈ দিনৰ ১০ বজাৰ পৰা সোণাৰি ৰাজহুৱা খেলপথাৰত চেক বিতৰণ কৰিব। উল্লেখযোগ্য যে অসম চৰকাৰে যদিও ঋণ লোৱা প্ৰতিগৰাকী মহিলাকে ২৫ হাজাৰ টকাকৈ দিয়াৰ কথা উল্লেখ কৰিছে, বহুতো মহিলাই এই সাহায্য পোৱাৰ পৰা বঞ্চিত হৈছে। সেয়ে বঞ্চিত ক্ষুব্ধ শতাধিক মহিলাই সাপেখাতী বন্ধন বেংকৰ সন্মুখতে অনিয়ম নচলিব, বন্ধন বেংক হায় হায়, সকলো মহিলাকে চেক প্ৰদান কৰক আদি দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে আঁচনিৰ ধন বিজেপিকৰণ কৰাৰ অভিযোগ তোলাৰ লগতে বন্ধন বেংকৰ শাখা পৰিচালকে মানুহ চাই চাই চিনাকি লোকক আঁচনিৰ ধন চেকৰ নামত সন্নিৱিষ্ট কৰাৰ অভিযোগ তুলিছে। আনহাতে সাপেখাতী বন্ধন বেংকৰ শাখা পৰিচালকে জনোৱা মতে উক্ত সাহায্যৰ ধনৰ চেক বিতৰণ প্ৰক্ৰিয়া ইতিমধ্যে চলি আছে, প্ৰকৃত হিতাধিকাৰী কেতিয়াও বঞ্চিত নহয় বুলি জানিবলৈ দিছে।

## মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতেই নাগালেণ্ডত আবদ্ধ অসম অভিমুখী কয়লা পৰিবাহী ট্ৰাক

### অবৈধ কয়লা ব্যৱসায়ীৰ মাজত হাহাকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২৯ নৱেম্বৰ ঃ** অসম চৰকাৰে কয়লা ব্যৱসায়ীক অনুজ্ঞাপত্ৰৰ জৰিয়তে নাগালেণ্ডৰ পৰা কয়লা সৰবৰাহৰ বৈধতা প্ৰদানৰ ঘোষণাৰ পিছতে শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিঙৰ নাতিদূৰৈত আবদ্ধ হ'ব লগাত পৰিছে বহু কয়লা সৰবৰাহকাৰী ট্ৰাক। দীৰ্ঘদিন ধৰি নাগালেণ্ডৰ টিপিৰে অসমৰ মাজেৰে একাংশ কয়লা ব্যৱসায়ীয়ে অসম চৰকাৰক কোটি কোটি টকাৰ ৰাজহ ফাঁকি দি অবৈধভাৱে চলাই গৈছিল কয়লাৰ বৃহৎ ব্যৱসায়। বিশেষকৈ চৰকাৰী নীতি-নিৰ্দেশনালৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি একাংশ কয়লা ব্যৱসায়ীয়ে নাগালেণ্ডৰ পৰা হালোৱাটিঙৰ মাজেৰে ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে দৈনিক কয়লাভৰ্তি গাড়ী চলাচল হৈ আছিল। আমগুৰি, হালোৱাটিং, মৰিয়নী, যোৰহাট, নগাঁৱৰ একাংশ কয়লা ব্যৱসায়ীয়ে অসম প্ৰশাসনক ভ্ৰূকুটি দেখুৱাই চৰকাৰক কোটি কোটি টকাৰ ৰাজহ ফাঁকিৰে কয়লা ছিণ্ডিকেট চলাই নিজৰ জেপ গধুৰ কৰি একচেটিয়া কয়লাৰ ব্যৱসায় কৰি গৈছিল। শেহতীয়াকৈ অসম চৰকাৰে এই ক্ষেত্ৰত অনুজ্ঞাপত্ৰৰ ব্যৱস্থা কৰাত অবৈধ কয়লা ব্যৱসায়ীৰ সান্দহ খোৱা বালি তল যোৱাৰ উপক্ৰম হোৱাত নাগালেণ্ডৰ ১০ মাইল, ৰামাকানত আবদ্ধ হৈ আছে শতাধিক কয়লা পৰিবাহী ট্ৰাক। জানিব পৰা মতে যোৱা এটা সপ্তাহ ধৰি আবদ্ধ হৈ আছে এই কয়লা পৰিবাহী ট্ৰাকসমূহ। কয়লা ব্যৱসায়ীয়ে দীৰ্ঘদিন ধৰি অবৈধভাৱে কয়লা ব্যৱসায় চলাই থকাৰ পিছত চৰকাৰে এই ব্যৱসায়ত চৰকাৰী অনুজ্ঞাপত্ৰৰ ব্যৱস্থা কৰাত কয়লাৰ ট্ৰাকসমূহ আবদ্ধ হৈ পৰাত দুই শতাধিক ড্ৰাইভাৰ-হেণ্ডিমেনৰ তীব্ৰ খাদ্য-সংকট আৰু বিশুদ্ধ খোৱাপানীৰ অভাৱ হোৱা বুলি জানিব পৰা গৈছে। স্মৰ্তব্য যে একাংশ কয়লা ব্যৱসায়ীয়ে ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ পৰা কয়লা কামৰ বাবে শ শ শ্ৰমিকক নাগালেণ্ডৰ বিভিন্ন ঠাইলৈ সৰবৰাহ কৰি ক'ভিড-১৯ৰ বাবে হোৱা লকডাউনৰ সময়ত নাগালেণ্ডৰ বিভিন্ন ঠাইত এৰি দিয়াত দুই-তিনিদিন ধৰি খোজ কাঢ়ি তেনে শ্ৰমিকে আমগুৰিত ভিৰ কৰাৰ পিছত সেইসকল লোকক স্থানীয় প্ৰশাসনে থকা-খোৱাৰ উপৰি শ্ৰমিকসকলৰ ঠিকনা অনুযায়ী নিজ নিজ গৃহত থোৱাৰো ব্যৱস্থা কৰিব লগাত পৰিছিল। সম্প্ৰতি নাগালেণ্ডত আবদ্ধ কয়লা ব্যৱসায়ৰ লগত জড়িত ট্ৰাকসমূহৰ চালক-হেণ্ডিমেনসকলৰ খাদ্য সংকটৰ ক্ষেত্ৰত সংশ্লিষ্ট কয়লা ব্যৱসায়ীসকলক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

বৰপেটা জিলাৰ ৯৮.৫৩ শতাংশই লৈছে ক'ভিড ভেকচিন

## বাকী সকলোকে এই সপ্তাহতে দিয়া হ'ব প্ৰতিষেধক ঃ উপায়ুক্ত তেজ প্ৰসাদ ভূষাল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৯ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ ১৮ বছৰৰ ঊৰ্দ্ধৰ ৯৮.৫৩ শতাংশ লোকেই এই পৰ্যন্ত ক'ভিড প্ৰতিষেধকৰ প্ৰথম পালি গ্ৰহণ কৰিছে। দ্বিতীয় পালি লৈছে ৫৯ শতাংশ লোকে। আজি বৰপেটাত এখন সংবাদ মেলত জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালে এই কথা প্ৰকাশ কৰে। আজিৰে পৰা সমগ্ৰ দেশতে আৰম্ভ হোৱা 'হৰ ঘৰ দস্তক' কাৰ্যসূচীৰ অংশ হিচাপে বৰপেটা জিলাতো কৰ'নাৰ প্ৰতিষেধক গ্ৰহণ কৰা-নকৰাৰ সম্পৰ্কত খবৰ কৰিবলৈ প্ৰতিটো পৰিয়ালৰ ওচৰলৈ স্বাস্থ্যকৰ্মী তথা প্ৰতিষেধক সত্যাৰ্পণ বিষয়া যাব বুলি জানিবলৈ দি তেওঁ কয় যে ইতিমধ্যে আশা আৰু অঙ্গনৱাড়ী কৰ্মীৰ জৰিয়তে প্ৰতিটো পৰিয়ালৰ সম্পৰ্কত তথ্য সংগ্ৰহ কৰা হৈছে। সেই অনুসৰি জিলাখনৰ মাত্ৰ সাত হাজাৰতকৈ কমসংখ্যক লোকে এতিয়ালৈকে বিভিন্ন কাৰণত ভেকচিন লোৱা নাই। এই লোকসকলৰ ভিতৰত যিসকলৰ যোৱা তিনি মাহৰ ভিতৰত ক'ভিড হোৱা নাই সেইসকলক প্ৰয়োজন সাপেক্ষে ঘৰলৈ গৈ বুজাই-বঢ়াই এই সপ্তাহৰ ভিতৰতে প্ৰতিষেধক প্ৰদান কৰা হ'ব বুলি উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। একাংশ লোকে অযথা অন্ধবিশ্বাস বা গোড়ামি আদিৰ কাৰণে এতিয়ালৈ প্ৰতিষেধক নোলোৱাকৈ আছে বুলি সদৰী কৰি ভূষালে কয়—তেওঁলোকক যিকোনো উপায়ে সৈমান কৰি ঘৰলৈ গৈ হ'লেও প্ৰতিষেধক প্ৰদান কৰা হ'ব। এই সমগ্ৰ অভিযানৰ বাবে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰৰ বিপৰীতে একোজনকৈ শিক্ষকক প্ৰতিষেধক সত্যাৰ্পণ বিষয়া (ভিভিঅ') আৰু ভোটকেন্দ্ৰ বিষয়াসকলক (বিএলঅ')ক সহকাৰী ভিভিঅ' হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। কালি তেওঁলোকক দিনজোৰাকৈ প্ৰশিক্ষণো প্ৰদান কৰা হয়। তেওঁলোকৰ কাম-কাজৰ পৰ্যালোচনা কৰিবলৈ অঞ্চল আৰু মণ্ডলভিত্তিক বিষয়া নিয়োজিত কৰাৰ উপৰি প্ৰতিটো বিধানসভা সমষ্টিতে একোজনকৈ অসম অসামৰিক সেৱাৰ বিষয়াক তদাৰকী বিষয়া হিচাপে নিয়োগ কৰা হৈছে বুলি উপায়ুক্তগৰাকীয়ে সংবাদ মেলত জানিবলৈ দিয়ে। এই সমস্ত অভিযান পৰ্যবেক্ষণৰ বাবে জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপৰি অতিৰিক্ত মুখ্য সচিব বিজয়েন্দ্ৰ, জিলাৰ অভিভাৱক সচিব তথা ৰাজ্য চৰকাৰৰ প্ৰধান সচিব জে বি এক্কা আৰু সচিব দীপক চৌধুৰীক দায়িত্ব অৰ্পণ কৰা হৈছে। তেওঁলোকে জিলাখনত বাহৰ পাতি লৈ এই অভিযানৰ তদাৰক কৰিব। তেওঁ আৰু জিলাখনত ২৭১টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰ স্থাপন কৰা বুলি জানিবলৈ দি কয় যে কালিলৈকে মুঠ ১১,৪৮,৫৯১জনক প্ৰথম পালি ভেকচিন দিয়া হৈছে। বাকীসকলকো এইকেইদিনৰ ভিতৰতে যিকোনো উপায়ে প্ৰতিষেধক দিয়া হ'ব বুলি উপায়ুক্তগৰাকীয়ে দৃঢ়তাৰে কয়। সংবাদ মেলত অতিৰিক্ত উপায়ুক্ত লাচিত কুমাৰ দাস, লখিমী দত্ত আৰু নৱজিৎ পাঠক আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাও উপস্থিত আছিল।

### বগীবিলৰ সমীপৰ হালধিবাৰী গাঁৱত মিচিং কথাছবিৰ শুভ মহুৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৯ নৱেম্বৰ ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ পিছতে ৰাজ্যৰ ছবিজগতলৈ ঘূৰি আহিছে সু-খবৰ। অসমীয়া ছবিজগতৰ সমান্তৰালভাৱে জনগোষ্ঠীয় ছবিজগতলৈও উভতি আহিছে ভাল পৰিৱেশ। তেনে এক সন্ধিক্ষণত কোমল ভাইটি আৰু ৰেঙাম ৰাজেনৰ পৰিচালনাত নিৰ্মাণ হ'বলগীয়া মিচিং ছবি মাক্কৰাঙৰ শুভ মহুৰত দেওবাৰে অনুষ্ঠিত হয়। বগীবিলৰ সমীপৰ হালধিবাৰী গাঁৱত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ছবিখনৰ শুভ মহুৰত কৰে মিচিং আৰ্টিষ্ট এছ'চিয়েচনৰ সভাপতি তথা অভিনেতা বাবা দলেই। অভিনেতাগৰাকীয়ে ক'ভিডৰ বাবে মিচিং কলা-কুশলীসকল যথেষ্ট লোকচানৰ সন্মুখীন হ'বলগীয়া হোৱাৰ কথা প্ৰকাশ কৰিছে। শেহতীয়াকৈ পৰিস্থিতি স্বাভাৱিক হৈ অহাৰ পিছত ছবি নিৰ্মাণৰ পৰিৱেশ ঘূৰি অহাৰ কথা সদৰী কৰে। আনহাতে মিচিং অধ্যুষিত অঞ্চলত মিনি ছবিগৃহ নিৰ্মাণ কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনালে মিচিং আৰ্টিষ্ট এছ'চিয়েচনৰ সভাপতি বাবা দলেই। অনুষ্ঠানত মিচিং আৰ্টিষ্ট এছ'চিয়েচনৰ সম্পাদক ফিৰোজ পেগু, শক্তি টায়েঙকে ধৰি ছবিখনত জড়িত কলা-কুশলীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে মহেশ দলেৰ প্ৰযোজনাত মিচিং জনগোষ্ঠীৰ সহজ-সৰল লোকসকলৰ পটভূমিক লৈ নিৰ্মাণ কৰা হ'ব ছবিখন। মাক্কৰাং, অৰ্থাৎ 'অজলা' লোকক কিদৰে গুৰুত্বহীন কৰে আৰু পৰৱৰ্তী সময়ত সমাজে 'অজলা' বুলি স্বীকৃতি দিয়া সেই ব্যক্তিজনেই যে সমাজখনৰ এজন আদৰ্শৱান ব্যক্তি হ'ব পাৰে তাকেই উপস্থাপন কৰিব বিচৰা হৈছে ছবিখনত। বসন্ত চুংক্ৰাঙৰ কাহিনীৰে নিৰ্মাণ হ'বলগীয়া ছবিখনত থাকিব তিনিটা গীত। আটাইকেইটা গীতেই অৰুণাচল, শিলং আদিৰ দৰে মনোমোহা লোকেশ্বনত শ্যুটিং কৰা হ'ব। মিচিঙৰ বিগ বাজেটৰ ছবিখনত লগতে থাকিব একশ্যন, ৰোমাঞ্চ আৰু হাস্যৰস। দৰ্শকে ছবিখনত এক সুন্দৰ বাৰ্তা লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে পৰিচালকদ্বয়ে। ইফালে ছবিখনত অভিনয় কৰিছে মোহময়ী অভিনেত্ৰী মেনাম স্মৃতি, ডিম্পল দলে, বসন্ত কুলীকে ধৰি ভালেকেইগৰাকী নপুৰণি কলা-কুশলীয়ে।

## ইফকোৱে কৃষকক প্ৰদান কৰিলে কৃষি সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৯ নৱেম্বৰ ঃ** বৰ্তমান দেশৰ কৃষকসকলে বৈজ্ঞানিক কৃষি প্ৰণালীৰে খাৰিফ শস্য অথবা ৰবি শস্যয়ে হওক উন্নত বীজ ব্যৱহাৰ কৰি এচাম আদৰ্শ কৃষকে নিজৰ উৎপাদিত সামগ্ৰী দুগুণলৈ বৃদ্ধি কৰি স্বাৱলম্বিতাৰ দিশে অগ্ৰগতিৰে ৰাজ্য তথা দেশত সেউজ বিপ্লৱৰ সূচনা কৰিছে। ঠিক তেনেদৰে কৃষকৰ এনে সাফল্যত সাৰৰ ব্যৱহাৰো এক অপৰিহাৰ্য ভূমিকা হৈ পৰিছে। উল্লেখযোগ্য যে যোৱা ২৭ নৱেম্বৰত বজালীৰ জালিখাটাস্থিত শনি মন্দিৰ প্ৰাংগণত ইফকোৰ উদ্যোগত বাললাদী এগ্ৰ' ফাৰ্মাৰ্ছ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ সহযোগত বিএএফপিচিৰ অংশীদাৰী কৃষকৰ মাজত ইফকোৰ সাৰৰ নামনি অসমৰ ক্ষেত্ৰ প্ৰবন্ধক বিনোদ শইকীয়া, ক্ষেত্ৰ বিশেষজ্ঞ মিৰাজুল হুছেইন, বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি বিশেষজ্ঞ পিংকুধৰ বৰ্মন উপস্থিত থাকি সৰিয়হৰ বীজ, তৰল সাৰ, বেটাৰীচালিত স্প্ৰে মেচিন আদিকে কৰি অন্যান্য কৃষি সঁজুলি বিতৰণ কৰে প্ৰায় শতাধিক কৃষকৰ মাজত। উক্ত কৃষি সামগ্ৰীৰ বিনামূলীয়া বিতৰণী অনুষ্ঠানত কৃষকে ইফকো সাৰৰ কৰ্তৃপক্ষক ধন্যবাদ জনোৱাৰ লগতে সংবাদ মাধ্যমৰ আগত এইবুলি কয়— আমাৰ বজালী জিলাৰ বহু হেজাৰ কৃষকে বিগত বৰ্ষৰ পৰা পৰম্পৰাগত সাৰৰ বিপৰীতে নেনো ইউৰিয়া সাৰ ব্যৱহাৰ কৰি প্ৰচুৰ পৰিমাণে উৎপাদিত সামগ্ৰী পাবলৈ সক্ষম হোৱাৰ লগতে পুনৰ কয়— ৰাসায়নিক সাৰ মাটিত প্ৰয়োগৰ ফলত ৰুপিত মাটিৰ গুণাগুণ তথা উৰ্বৰতা কমি আহে, কিন্তু নেনো ইউৰিয়া সাৰ উদ্ভিদৰ পাততহে স্প্ৰে কৰাৰ ফলত উৎপাদন অধিক হয় আৰু মাটিৰ গুণাগুণ নষ্ট নহয়। সেয়েহে আমাৰ অসমৰ সকলো কৃষকক নেনো ইউৰিয়া সাৰ প্ৰয়োগ কৰি অধিক উৎপাদনমুখী হৈ ৰাজ্যত সেউজ বিপ্লৱৰ হোৱাৰ প্ৰতি আহ্বান জনায় কৃষক সমাজলৈ।




## ইউএছটিএমত 'শ্ৰীমন্ত শংকৰদেৱ ব্লক' মুকলি কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰি-ভই, খানাপাৰা, ২৯ নৱেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে আজি ইউনিভাৰছিটী অৱ ছায়েন্স এণ্ড টেকন'লজী মেঘালয় (ইউএছটিএম)ত 'শ্ৰীমন্ত শংকৰদেৱ ব্লক'ৰ উদ্বোধন কৰে, যাৰ আধাৰশিলা অসমৰ মাননীয় ৰাজ্যপালৰ দ্বাৰা পূৰ্বে কৰা হৈছিল। ইউএছটিএমৰ পৰিয়ালে চেণ্ট্ৰেল প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰীগৰাকীক সম্বৰ্ধনা জনায়, য'ত তেওঁ উদয়াচলৰ ১১ সংখ্যক স্থাপনা দিৱসত অংশগ্ৰহণ কৰে। এই উপলক্ষে জনাই ইউএছটিএমৰ আচাৰ্য মেহবুবুল হকে কয়— 'শ্ৰীবৃদ্ধি আৰু উৎকৃষ্টতাৰ বাবে অন্তৰ্ভুক্তিকৰণৰ শিক্ষা দিবই লাগিব। ইউএছটিএমত প্ৰত্যেক চুকে-কোণে এই বিষয়ে কিছু সন্দেশ দিয়া হৈছে। অসমৰ বৈষ্ণৱ সন্ত দাৰ্শনিক আৰু সংস্কাৰক শ্ৰীমন্ত শংকৰদেৱে ১৫শ শতিকাতে এই দিশত কাম কৰিছিল। আমি তেওঁৰ পদাংক অনুসৰণ কৰিবলৈ সংকল্পবদ্ধ।' ইউএছটিএমত গৱেষণাৰ বাবে শংকৰদেৱৰ নামত এখন আসন প্ৰতিষ্ঠা কৰিব বুলিও হকে জানিবলৈ দিয়ে। ইউএছটিএমৰ উপাচাৰ্য, প্ৰফেছৰ জি ডি শৰ্মাই কয়— এই অঞ্চলটোত উচ্চ শিক্ষাৰ ক্ষেত্ৰত ইউএছটিএমে যথেষ্ট অগ্ৰগতি আৰু অৰিহণা যোগাইছে। অলপতে এই বিশ্ববিদ্যালয়খনক নেশ্বনেল এছেচমেণ্ট এণ্ড এক্ৰিডিটেশ্বন কাউন্সিলে (এনএএচি) ইয়াৰ প্ৰথম মূল্যায়ন চক্ৰতেই 'এ' গ্ৰেডৰ স্বীকৃতি প্ৰদান কৰিছে।' বৰ্তমান বিশ্ববিদ্যালয়খনে গৱেষণা আৰু উদ্ভাৱনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে, যিয়ে নিকট ভৱিষ্যতে উৎকৃষ্টতাৰ কৃতিত্ব লাভ আৰু 'উৎকৃষ্ট অনুষ্ঠান' হিচাপে উজলি উঠাত সহায় কৰিব বুলি তেওঁ কয়।

### ঘগ্ৰাপাৰত উন্নয়নমূলক আঁচনি-দিব্যাংগ পৰীক্ষণ শিবিৰৰ শুভাৰম্ভ

## গ্ৰামাঞ্চলৰ উন্নয়ন হ'লেহে দেশৰ উন্নয়নৰ মাত্ৰা ত্বৰান্বিত হয় ঃ জয়ন্ত মল্ল বৰুৱা



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৯ নৱেম্বৰ ঃ** গ্ৰামাঞ্চলৰ উন্নয়নে একোটা অঞ্চলৰ লগতে দেশৰ উন্নয়নৰ মাত্ৰা অধিক ত্বৰান্বিত কৰে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে অন্ত্যোদয় নীতি সাৰোগত কৰি সমাজৰ শেষৰগৰাকী ব্যক্তিৰ অভাৱ-অভিযোগৰ বুজ লৈ সকলোৰে উন্নয়ন সাধনৰ বাবে এই চৰকাৰ বদ্ধপৰিকৰ। —এই মন্তব্য নলবাৰীৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ। আজি বিধায়কগৰাকীয়ে সমষ্টিটোৰ অন্তৰ্গত উত্তৰ ঘগ্ৰাপাৰ ৰাজহুৱা শ্মশানৰ চাৰিসীমাৰ আৰু দলুৱা হৰিমন্দিৰৰ চাৰিসীমাৰ পকীবেৰা নিৰ্মাণৰ শুভাৰম্ভ কৰি নিজ ভাষণত ইতিমধ্যে গ্ৰামাঞ্চলৰ ৰাইজ অৰুণোদয়, অন্ন সুৰক্ষা যোজনা, বৃদ্ধ-বিধৱা আদি পেঞ্চনৰ জৰিয়তে অধিক উপকৃত হৈছে বুলি মন্তব্য কৰে। উল্লেখ্য যে বিধায়কগৰাকীয়ে আজি সমষ্টিটোৰ অন্তৰ্গত বড়িগোগ-বনভাগ আঞ্চলিক পঞ্চায়তৰ জৰিয়তে পঞ্চদশ বিত্তীয় আয়োগৰ প্ৰথম কিস্তিৰ অধীনত প্ৰায় ৫ লাখ ৭০ হাজাৰকৈ ধাৰ্য কৰা দুখন উন্নয়নমূলক আঁচনিৰ নিৰ্মাণৰ শুভাৰম্ভ কৰে। আঞ্চলিক পঞ্চায়তখনৰ জৰিয়তে ১৩ নং ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত উত্তৰ ঘগ্ৰাপাৰ ৰাজহুৱা শ্মশানৰ আৰু ১৪ নং পূব-বনভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত দলুৱা হৰিমন্দিৰৰ চাৰিসীমাৰ পকীবেৰা নিৰ্মাণৰ শুভাৰম্ভ কৰে। উক্ত অনুষ্ঠান দুটাত অংশগ্ৰহণ কৰে ক্ৰমে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, বড়িগোগ বনভাগ আঞ্চলিক পঞ্চায়তৰ সভাপতি তৰুণ বুজৰবৰুৱা, আঞ্চলিক পঞ্চায়তৰ সদস্য ক্ৰমে মনেশ্বৰ ভৰালী আৰু মণিকা ভৰালী, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকা আৰু খণ্ড উন্নয়ন বিষয়া নৰেন্দ্ৰ কুমাৰ তালুকদাৰে অংশগ্ৰহণ কৰে। আনহাতে বিধায়কগৰাকীয়ে আজি ঘগ্ৰাপাৰ হৰিমন্দিৰত আয়োজিত দিব্যাংগৰ পৰীক্ষণ শিবিৰ এটাতো বিধায়কগৰাকীয়ে অংশগ্ৰহণ কৰে। উক্ত শিবিৰত ছয়গৰাকী অভিজ্ঞ চিকিৎসকে অঞ্চলটোৰ প্ৰায় ডেৰ শতাধিক দিব্যাংগ লোকক পৰীক্ষা কৰে।


## বিক্ৰী জাননী

ই-নিলাম বিক্ৰী জাননী জাৰি কৰা হৈছে ইনছলভেন্সি আৰু বেংকৰাপ্তি কোড-২০১৬ অধীনত সম্পদ বিক্ৰীৰ বাবে, পঢ়ি উঠি ৰেগুলেচন-৩৩(১) ইনছলভেন্সি আৰু বেংকৰাপ্তি বোৰ্ড অব ইণ্ডিয়া (লিকুইডেচন প্ৰচেছ) ৰেগুলেচন-২০১৬ অনুসৰি। জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা অমৃত ফিডছ লিঃৰ সম্পদ বিক্ৰী কৰা হ'ব 'য'ত যেনেদৰে আছে' আৰু 'যিধৰণে আছে' আৰু 'যি আছে' আৰু 'আপত্তিবিহীনভাৱে' তলত উল্লেখ কৰা তালিকাত সন্নিবিষ্ট তাৰিখ অনুসৰি। সংৰক্ষিত মূল্য আৰু আৰ্নেষ্টমনি জমা দিব লাগিব তালিকাত যেনেধৰণে উল্লেখ কৰা হৈছে সংশ্লিষ্ট সম্পদৰ বিপৰীতে। এই বিক্ৰী কাৰ্যকৰী কৰা হ'ব ই-নিলাম ব্যৱস্থাৰে ৱেব পৰ্টেল www.airauctioneer.com ত। সাধাৰণ ৰাইজক আমন্ত্ৰণ জনোৱা হ'ল ব্যক্তিগতভাৱে বা কৰ্তৃত্বশীল এজেণ্টৰ জৰিয়তে ই-নিলামত ভাগ ল'বলৈ।

**সম্পদৰ বিৱৰণী**

| লট নং | সম্পদৰ বিৱৰণী | সংৰক্ষিত মূল্য | ইএমডি | ইনক্ৰিমেণ্টেল নিৰিখ |
|---|---|---|---|---|
| ১ | ভূমিৰ পৰিমাণ ১.৫০ একৰ, প্লট নং- চি-৪৮, ৪৯, ৫০, ৫৭, ৫৮ আৰু ৫৯; খাতিয়ান নং- ১১৬, ৮৬ আৰু ৫৮; খাছৰা নং- ১৫৭ (অংশ), ১৫৮ (অংশ), ১৫৯ (অংশ), ১৬৬ (অংশ) আৰু ১৪২ (অংশ), ১৮২। থানা-হাজিপুৰ- ১৮৯। জিলা- বৈশালি, বিহাৰ। এটা বিল্ডিং অৱস্থিত আছে, প্ৰকল্প আৰু যন্ত্ৰাংশ আৰু লগতে অন্যান্য স্থায়ী আচবাব। | ৬৪৮ | ৬৪.৮০ | ১২.৯৬ |
| ২ | ভূমিৰ পৰিমাণ- ৪.৫২ একৰ, মৌজা- ৰঘুনাথপুৰ, পানাগড়-মৰগ্ৰাম হাইৱে, থানা- কাংছা, জিলা- বৰ্ধন, পশ্চিমবংগ-৭১৩১৪৮। লগতে এটা বিল্ডিং, প্ৰকল্প আৰু যন্ত্ৰাংশসহ অন্যান্য আচবাব পত্ৰ। | ৩,০৮৪ | ৩০৮.৪০ | ৬১.৬৮ |
| ৩ | ভূমিৰ পৰিমাণ-(১,৩৯০ বৰ্গমিটাৰ +৪,১৮০ বৰ্গমিটাৰ), ডাগনং- ৩৫০,৪৩; উদ্যোগিক পাম, আইআইডিচি, গাঁওঃ কেন্দুৰকোনা, মৌজা ঃ ৰঙিয়া, জিলা-কামৰূপ, অসম, পিন- ৭৮১৩৫৪। লগতে এটা বিল্ডিং, প্ৰকল্প আৰু যন্ত্ৰাংশসহ অন্যান্য আচবাব পত্ৰ। **টোকা ঃ বিক্ৰী নিশ্চিত কৰা হ'ব কেৱল মাননীয় এনচিএলটি, কলকাতা বিচাৰপীঠত আৰু সিদ্ধান্তৰ বাবে গ্ৰাহ্য হ'ব— আইএ ৮৯১/ কে বি/২০২১, চি পি (আই বি) ৪৪০/ কে বি/ ২০১৮।** | ৩০৫ | ৩০.৫০ | ৬.১০ |
| ৪ | ভূমিৰ পৰিমাণ ১.০৩৩ একৰ, ৰাজহ প্লট নং- ২৩০৩ (পি), খাটা নং- ৫৩১/১ যোগাযোগৰ বাবে আইডিচিঅ' প্লট নং- ৫৫/ এ, ৰাজহ মৌজা- মুকুন্দাপ্ৰসাদ, আইডিচিঅ' উদ্যোগিক ইষ্টেট, খুৰডা, উৰিষ্যা। লগতে এটা বিল্ডিং, প্ৰকল্প আৰু যন্ত্ৰাংশসহ অন্যান্য আচবাব পত্ৰ। | ৯১ | ৯.১০ | ১.৪২ |
| ৫ | ভূমিৰ পৰিমাণ ১.৬৭৮ একৰ, অৱস্থিত আছে ৰাণী নগৰ ঔদ্যোগিক বিকাশ কেন্দ্ৰ, মৌজা ঃ পাটকাটা, থানা আৰু জিলা ঃ জলপাইগুৰি, প্লট নং- এ-৫ আৰু এ-২ (অংশ)। ডব্লিউ বি আই আই ডি চি ৰাণী নগৰ বিকাশ কেন্দ্ৰৰ মাষ্টাৰপ্লেন অনুসৰি আৰু বেলাকোবা গাঁও পঞ্চায়তৰ অধীনত লগতে এটা বিল্ডিং, প্ৰকল্প আৰু যন্ত্ৰাংশসহ অন্যান্য আচবাব পত্ৰ। | ২০৮ | ২০.৮০ | ৪১.৬০ |

**ইএমডি জমা দিয়াৰ শেষ তাৰিখ ঃ ২০/১২/২০২১। শেষ দিন/ সময় নিবিদাৰ বাবে ঃ ২২.১২.২০২১, ১৪:৩০ ঘণ্টা**

বিক্ৰী কাৰ্যকৰী হ'ব বৰ্ণনা কৰা চৰ্ত অনুসৰি নথি-পত্ৰসমূহ প্ৰচেছৰ মাধ্যমেৰে, তলত উল্লেখ কৰা চৰ্তৰ ভিত্তিত ঃ

১। বিশেষ সম্পদৰ বাবে, ওপৰত উল্লেখ কৰা অনুসৰি লিকুইডিটৰৰ বাবে নিৰ্ধাৰিত তথ্য অনুসৰি, কিন্তু লিকুইডিটৰ জবাবদিহী নহ'ব যিকোনো ভুলৰ বাবে, অসত্য তথ্যৰ বাবে বা অন্যান্য পদ্ধতিগত বিসংগতিৰ বাবে।

২। নিবিদাকাৰীৰ দায়িত্বত থাকিব সম্পদ পৰ্যবেক্ষন কৰিবলৈ আৰু সম্পদৰ সম্পৰ্কত সন্তুষ্টিৰ বাবে যাতে নিবিদা দাখিলৰ পূৰ্বে এই কাৰ্য সম্পন্ন হয়। নিবিদাৰ পূৰ্বে সম্পদৰ পৰিদৰ্শনৰ অনুমতি দিয়া হ'ব আগ্ৰহী নিবিদাকাৰীক এই জাননী প্ৰকাশৰ পৰা তথ্যপাতিসহ নিবিদা আৰু ইএমডি দাখিল কৰা সময়লৈকে। ইয়াৰ বাবে লিকুইডিটৰ দায়বদ্ধ নাথাকিব যিকোনো মাচুল বা অন্যান্য দিবলগীয়া চৰকাৰী বা সংশ্লিষ্ট পক্ষৰ বাবে ই-নিবিদাৰ বিষয়ত মাচুল আদিৰ বাবে ই-নিলাম বিষয়ত। আগ্ৰহী নিবিদাকাৰীক পৰামৰ্শ দিয়া হ'ল যাতে তেওঁলোকে নিজে স্বতন্ত্ৰভাৱে সম্পদৰ অৱস্থিতিৰ সম্পৰ্কত পৰ্যবেক্ষন কৰে, আদায় দিব লগা ধন, অতিৰিক্ত কৰসহ মাচুল, বিদ্যুৎ মাচুল ইত্যাদি সকলোবোৰৰ বুজ লয় নিবিদ দাখিলৰ পূৰ্বেই।

৩। আগ্ৰহী নিবিদাকাৰীয়ে ইএমডি দাখিল কৰিব পাৰিব ডিমাণ্ড ড্ৰাফটৰ জৰিয়তে 'অমৃত ফিডছ লিঃ (ইন লিকুইডেচন)' লৈ বা বেংক ট্ৰেন্সফাৰৰ জৰিয়তে ওপৰত উল্লেখ কৰা তালিকাৰ শেষ দিনলৈকে। উল্লেখ কৰা বেংক একাউণ্টত হ'ল- অমৃত ফিডছ লিঃ (ইন-লিকুইডেচন), একাউণ্ট নং ঃ ১০০৭৬০৯৪০২২, আইএফএছচি কোড ঃ আইডিএফবি০০৬০১৩৪। ডিমাণ্ড ড্ৰাফট কোঃ অপাৰেটিভ বেংকৰ হ'ব নোৱাৰিব।

৪। নিবিদাকাৰীক অনুৰোধ কৰা হ'ল পৰ্যবেক্ষন কৰিবলৈ **"www.intelligentupdates.blogspot.com/p/sale-notice-insolvency.html"** যাতে সবিশেষ তথ্য আৰু ই-নিলাম প্ৰক্ৰিয়াৰ চৰ্তসমূহ অনুধাৱন কৰিব পাৰে ই-নিলাম প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ পূৰ্বে।

তাৰিখ ঃ ২৯.১১.২০২১
স্থান ঃ কলকাতা
সুনীল মোহন আচাৰ্য্য
লিকুইডিটৰ, মেচাৰ্ছ অমৃত ফিডছ লিমিটেড
আইবিবিআই পঃ নং ঃ IBBI/IPA-003/IP-N000174/2018-19/12120

**যোগাযোগৰ ঠিকনা ঃ** ইন্টেলিজেন্ট আইপি মেনেজমেণ্ট ছলিউচন প্ৰাঃ লিঃ, ৰাইএমচিএ বিল্ডিং, দ্বিতীয় মহলা, ২৫ জৱাহৰলাল নেহেৰু ৰোড, কলকাতা- ৭০০০৮৭, **liquidator.amritfeeds@gmail.com**
**পঞ্জীয়ন ঠিকনা ঃ** ২৪৫/১ ভট্টাচাৰ্যপাৰা, ৬ নং, ঝিলপাৰ ৰোড, ৱাৰ্ড নং- ১৫, নিউ বাৰাক পুৰ, নৰ্থ-২৪ পাৰাগনা, কলকাতা- ৭০০১৩১, **sunilmohanacharya58@gmail.com**



Affordable Health Mission
GNRC Quality•Value•Trust

Post-COVID Complications Bothering You?



GNRC Brings To You
POST-COVID CLINIC
at GNRC Good Health Hospital

88110-33507

For Free Ambulance
18003450011


### ৫ ডিচেম্বৰ, ২০২১ৰ ভিতৰত ক'ভিড টিকাকৰণ সম্পূৰ্ণ কৰাৰ লক্ষ্য

## কামৰূপ জিলাত 'হৰ ঘৰ দস্তক' অভিযানৰ বুজ ল'লে জ্যেষ্ঠ পৰ্যবেক্ষক আৰু পৰ্যবেক্ষকে

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৯ নৱেম্বৰ ঃ** 'আশা কৰ্মীসকলে প্ৰস্তুত কৰা তালিকাৰ সহায়ত ভোটকেন্দ্ৰ ভিত্তিত প্ৰতিষেধক প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰক আৰু প্ৰতিষেধক প্ৰদানৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি ভোট কেন্দ্ৰ পৰ্যায়ত মানচিত্ৰ প্ৰস্তুত কৰক।' —'হৰ ঘৰ দস্তক' অভিযানৰ ক্ষেত্ৰত জিলাখনৰ জ্যেষ্ঠ পৰ্যবেক্ষকৰ দায়িত্বত থকা প্ৰধান সচিব কে কে দ্বিবেদীয়ে আজি জিলা উপায়ুক্তৰ সভাকক্ষত আয়োজিত এখন সভাত টিকাকৰণত জড়িত বিষয়াসকলক উদ্দেশ্যি এইদৰে কয়। তেওঁ আৰু কয় যে জিলাখনত এতিয়াও যিসকল লোকে প্ৰতিষেধক ছিটা গ্ৰহণ কৰা নাই, তাৰ সঠিক কাৰণ উদ্‌ঘাটন কৰি সেইমতে ব্যৱস্থা ল'ব লাগিব। অহা ৫ ডিচেম্বৰলৈ প্ৰতিঘণ্টাৰ মূৰে মূৰে প্ৰতিষেধক প্ৰদানৰ প্ৰতিবেদন লোৱাৰ ব্যৱস্থা কৰিবলৈও জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনক তেওঁ নিৰ্দেশ দিয়ে। তদুপৰি কোনজন লোকে কি কাৰণে প্ৰতিষেধক নলয় সেয়াও এই প্ৰতিবেদনত উল্লেখ থাকিব লাগিব বুলি দ্বিবেদীয়ে কয়। এই অভিযানত গাঁও পঞ্চায়ত আৰু আত্মসহায়ক গোটবিলাকৰ সহায় ল'বলৈও তেওঁ পৰামৰ্শ দিয়ে। জিলাখনৰ অতিৰিক্ত উপায়ুক্তদ্বয় ক্ৰমে প্ৰণৱ দত্ত গোস্বামী আৰু মানালী জৈন, সদৰ মহকুমাধিপতি সুজাতা গগৈ, চক্ৰ বিষয়াসকল, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক আৰু অন্যান্য বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত উপস্থিত থাকি জিলাখনৰ পৰ্যবেক্ষকৰ দায়িত্বত থকা আয়ুক্ত সচিব কবিতা পদ্মনাভনে কয় যে যিসকল লোকক আশাকৰ্মীসকলে প্ৰতিষেধক ল'বলৈ মান্তি কৰাব পৰা নাই, তেনে লোকসকলৰ ওচৰলৈ জ্যেষ্ঠ বিষয়াসকল যাব লাগিব। বিশেষকৈ ডাক্তৰসকল নিজে গ'লে তেওঁলোক প্ৰতিষেধক ল'বলৈ আগবাঢ়ি আহিব বুলিও তেওঁ কয়। আনহাতে এতিয়াও ভোটাৰ তালিকাত নাম নথকা অথচ ১৮ বছৰ পূৰ্ণ কৰা লোকসকলকো প্ৰতিষেধক প্ৰদানৰ বাবে পদক্ষেপ ল'বলৈও তেওঁ আহ্বান জনায়। সভাৰ অন্তত পৰ্যবেক্ষক দুগৰাকীৰ উপস্থিতিত কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এন আৰু জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ে সাংবাদিকসকলৰে মত বিনিময় কৰে। ইয়াৰ পিছতে পৰ্যবেক্ষকদ্বয়ে জালুকবাৰী আৰু কমলপুৰৰ কেইবাটাও ভোটকেন্দ্ৰৰ অধীনৰ লোকসকলৰ ওচৰলৈ গৈ প্ৰতিষেধক ল'বলৈ উদ্‌গনি যোগায়। উল্লেখযোগ্য যে দেশত ক'ভিড টিকাকৰণ সম্পূৰ্ণ কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা 'হৰ ঘৰ দস্তক' অভিযানৰ অংশ হিচাপে ভোটদান কেন্দ্ৰ ভিত্তিত ৰাজ্যখনৰ এলেকাসমূহ সামৰি অসমৰ সকলো যোগ্য লোকৰ এশ শতাংশ টিকাকৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰেও বৃহৎ নিৰীক্ষণ কাৰ্যসূচী হাতত লৈছে। আজি ২৯ নৱেম্বৰৰ পৰা অহা ৫ ডিচেম্বৰৰ ভিতৰত এই লক্ষ্যত উপনীত হ'বৰ বাবে অসমৰ মুখ্যমন্ত্ৰী, মন্ত্ৰীবৰ্গ, সাংসদ, বিধান সভাৰ সদস্য আৰু মুখ্য সচিবকে ধৰি জ্যেষ্ঠ বিষয়াসকলে ভোটদান কেন্দ্ৰৰ অঞ্চলসমূহ পৰিদৰ্শন কৰিব। এই অভিযানৰ যোগেদি যিসকল ব্যক্তিয়ে এতিয়াও ছিটা লোৱা নাই বা দ্বিতীয় পালি টিকা গ্ৰহণ কৰিবলৈ বাকী আছে বা কোনো কোনোৱে অনীহা প্ৰদৰ্শন কৰিছে, তেওঁলোকেও টিকা গ্ৰহণ কৰাটো সুনিশ্চিত কৰা হ'ব। এই অভিযান সুচাৰুৰূপে সম্পন্ন কৰিবলৈ প্ৰথম পৰ্যায়ত ৮ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈ ইতিমধ্যে আশা কৰ্মীসকলে ভোটকেন্দ্ৰ ভিত্তিত তালিকা প্ৰস্তুত কৰিছে আৰু স্বাস্থ্য বিভাগে ছিটা দিয়াৰো ব্যৱস্থা কৰিছে। ইয়াৰ ভিত্তিত আজিৰ পৰা পুনৰীক্ষণ কৰা হ'ব। ১০০ শতাংশ টিকাকৰণ সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে হাতত লোৱা এই অভিযান কামৰূপ জিলাত সফল কৰি তুলিবৰ বাবে ১,৬১৪টা ভোটকেন্দ্ৰৰ বাবে জিলাখনত ৪জন ন'ডেল বিষয়া, ৩২গৰাকী মাণ্ডলিক বিষয়া, ১১৪গৰাকী খণ্ড বিষয়া মনোনীত কৰাৰ উপৰি আশা কৰ্মী, বুথ লেভেল অফিচাৰ আৰু শিক্ষকসকলৰ মাজৰ পৰা টিকাকৰণ পৰ্যবেক্ষক আৰু সহযোগী টিকাকৰণ পৰ্যবেক্ষক নিয়োগ কৰি চাৰিজনীয়াকৈ মুঠ ১,৬১৪টা টিকাকৰণ পৰীক্ষণ দল গঠন কৰা হৈছে। জিলাখনত আজিৰ পৰা এই মনোনীত লোকসকলে ভোটকেন্দ্ৰ পৰ্যায়ত পৰীক্ষণ কৰি টিকাকৰণ সুনিশ্চিত কৰিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে কামৰূপ জিলাত এতিয়ালৈকে ১৭,৬৭,৭৫৯ পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ১১,৩৬,৬১২ টা প্ৰথম পালি আৰু ৬,৩১,১৪৭ টা দ্বিতীয় পালিৰ ছিটা প্ৰদান কৰা হৈছে।



দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৩০ নৱেম্বৰ ■ ২০২১ ■ ১৩ আঘোণ ■ গুৱাহাটী

## অৰ্থনৈতিক বিকাশত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা

আমাৰ ৰাজ্যখন দেশৰ ভিতৰতে বহু ক্ষেত্ৰত পিছপৰি থকা এখন ৰাজ্য। যিখন ৰাজ্যৰ জনসাধাৰণে নিজৰ প্ৰাপ্য আদায়ৰ বাবে প্ৰতিটো ক্ষেত্ৰতে আন্দোলন কৰিবলগীয়া হ'ল। উদ্যোগ আদিৰ ক্ষেত্ৰখনো দুৰ্ভাগ্যজনক। স্বাধীনতাৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ অনুগ্ৰহত আন্তঃৰাজ্য কেইখন যেনেদৰে আগবাঢ়ি গ'ল তেনেদৰে ৰাজ্যখন আগবাঢ়িব নোৱাৰাটো অতি দুৰ্ভাগ্যজনক। এইক্ষেত্ৰত অসমৰ ৰাজনৈতিক নেতাসকলৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছাৰ অভাৱেই মূল কাৰণ। নেতা স্থানীয় আৰু কেন্দ্ৰীয়সকলৰ সদিচ্ছা অবিহনে ৰাজ্যখনৰ উন্নতি আৰু বিকাশ হ'ব নোৱাৰে। আমি সকলোৱে জানো যে অসমৰ অতি মনোমোহা সৌন্দৰ্যই দেশ-বিদেশৰ লোকক আকৰ্ষণ কৰি আহিছে। এই কথা কাৰো অবিদিত নহয়। এইক্ষেত্ৰত অসমৰ ৰাজহ সংগ্ৰহৰ বাবে চৰকাৰে মনোযোগ দিয়াটো অত্যন্ত জৰুৰী হৈ পৰিছে। কাৰণ অসমৰ অতি মনোমোহা সৌন্দৰ্যই দেশ-বিদেশৰ পৰ্যটকক আকৰ্ষণ কৰিব পাৰে। অসমৰ পৰ্বত-পাহাৰ, জান-জুৰি, হাবি-বননি ইত্যাদিৰ আকৰ্ষণীয় দৃশ্য চাবলৈ প্ৰতি বছৰে পৰ্যটকসকলে অসমলৈ আহিবলৈ আগ্ৰহ প্ৰকাশ কৰে। অসমৰ পৰ্যটন বুলি ক'লে সাধাৰণতে ইয়াৰ বন্যজন্তুসমূহ, কাজিৰঙা, মানাহ, মাজুলী, কামাখ্যা মন্দিৰ, উমানন্দ মন্দিৰ, বশিষ্ঠাশ্ৰম, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, অসম ৰাজ্যিক যাদুঘৰ, ৰংপুৰৰ ৰংঘৰ, অগ্নিগড়, কাৰেংঘৰ, শিৱদৌল, জয়সাগৰ, তলাতল ঘৰ আদিৰ কথা মনলৈ আহে। অথচ এনে পৰ্যটনস্থলী থকা সত্ত্বেও অসমলৈ অহা পৰ্যটকৰ সংখ্যা তেনেই কম। ইয়াৰ বাবে চৰকাৰ দুখনৰ গুৰুত্ব নিচেই কম। কাৰণ পৰিকল্পনা নাই বা উদ্যোগো লোৱা পৰিলক্ষিত হোৱা নাই। অৱশ্যে কভিড সংক্ৰমণে বিশ্বৱাসীৰ লগতে অসমতো চুই যোৱাত পৰ্যটন বিভাগটোত মোক্ষম আঘাত হানে। তৎসত্ত্বেও চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে। এইক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টা শলাগ ল'ব লাগিব। বিভিন্ন ব্যৱস্থা হাতত লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে পৰ্যটক আকৰ্ষণ কৰিবলৈ ব্যৱস্থা হাতত লৈ ৰাজ্যখনৰ ৰাজহ সংগ্ৰহৰ বাবেও বিভিন্ন ব্যৱস্থা হাতত লৈছে যদিও কভিড সংক্ৰমণৰ বাবে পৰ্যটকৰ আগমনত সফল হ'ব পৰা নাই। চৰকাৰে পৰ্যটন ক্ষেত্ৰসমূহলৈ পৰ্যটকৰ আগমন হ'লেহে অসমৰ পৰ্যটনস্থলীসমূহ ভাৰত জিলিকা আৰু জনপ্ৰিয় হৈ পৰিব। গড় হতা, বান, কৰ্মচাৰীসকলৰ দুৰ্ব্যৱহাৰ, ঠগ-প্ৰৱঞ্চকৰ প্ৰকোপ, মূল্যবোধৰ অৱক্ষয়, যাতায়াতৰ ব্যৱস্থা ইত্যাদি যদি চলি থাকে তেন্তে অসমলৈ অহা পৰ্যটক সংখ্যা কমিহে থাকিব। অৱশ্যে চৰকাৰৰ লগত জনসাধাৰণেও বিভিন্ন কাৰ্যাৱলী আৰু দিহা-পৰামৰ্শৰে চৰকাৰক সহায় কৰিব লাগিব। অসমৰ যিবোৰ ঠাই উপযুক্ত সংৰক্ষণৰ অভাৱত নাইবা প্ৰচাৰৰ অভাৱত পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠা নাই তাৰ বাবে কাম কৰিব লাগিব। পৰ্যটনৰ স্থান সংৰক্ষণ, পথ পৰিবহণৰ উন্নতি, উচ্চমানৰ হোটেল, নিবাস স্থানবোৰ সুপৰিকল্পনাৰে সজাব লাগে, কাৰণ পৰ্যটকসকল বিশ্বৰ বিভিন্ন ঠাইৰ পৰা আহে। সেয়ে বিলাসী গাড়ীত গাইড ভদ্ৰ আৰু মাৰ্জিত হৈ বিভিন্ন ভাষাত পাৰ্গত হ'ব লাগিব লগতে ফেচবুক, হোৱাটছএপ, টুইটাৰবোৰত ভাল ঠাই সন্নিবিষ্ট কৰি আলোকচিত্ৰ প্ৰেৰণেৰে বিশ্ব দৰবাৰত জিলিকাব লাগিব। সকলোৱে গুৰুত্ব দিব লাগিব, তেতিয়াহে পৰ্যটন ক্ষেত্ৰ জিলিকি উঠিব আৰু অৰ্থনীতিৰো বিকাশ হ'ব। চৰকাৰৰ লগত সকলোৱে সহায়-সহযোগিতাই পৰ্যটন ক্ষেত্ৰখনলৈ বিদেশীৰ আকৰ্ষণ বাঢ়িব।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### সংসদত শীতকালীন অধিৱেশনত গৃহীত হওক কৃষি আইন বাতিলৰ প্ৰস্তাৱ

গুৰু নানকৰ জন্মদিনৰ দিনা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হঠাতে কৰি ক্ষমা বিচাৰি কৈছে, 'তিন কৃষি আইন ওভতাই লোৱাৰ নিৰ্ণয় লিয়া হয়।' কিন্তু সাধাৰণ মানুহৰ প্ৰশ্ন— ইয়াৰ কাৰণ কি? আমাৰ দেশৰ অন্নদাতা কৃষকসকলে ক'ভিড বিধি মানি আৰু শীত, গ্ৰীষ্ম, বৰ্ষা সময়ক উপেক্ষা কৰি তিনিখন কৃষি আইন বিৰোধী আন্দোলন জাৰি ৰাখিছে। এই দীৰ্ঘদিনৰ আন্দোলনত ৭০০ৰো অধিক কৃষকৰ মৃত্যু হৈছে। তথাপি তেওঁলোকৰ এই আন্দোলন স্তব্ধ হোৱা নাই। তেওঁলোকৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী আৰু তেওঁৰ বাহিনীয়ে 'দেশদ্ৰোহী', 'পাকিস্তানী', 'খালিস্তানী', 'জংগী', 'গান্দাৰ' আদি নানা বিদ্বেষমূলক অপপ্ৰচাৰ দেশজুৰি প্ৰচাৰ কৰিছে, ফলত দেশৰ সন্মান বিশ্বৱাসীৰ ওচৰত লুণ্ঠিত হৈছে। তেওঁলোকৰ আন্দোলনক স্তব্ধ কৰিবলৈ ফেচিষ্ট কায়দাত কংক্ৰিটৰ বেৰিকেড, লোহাৰ কটা পুলিচে প্ৰশাসনৰ সহায়ত ৰাস্তাত বহুৱাবলৈ চেষ্টা চলোৱা নাই। দিল্লীত প্ৰধানমন্ত্ৰীৰ মন্ত্ৰীসভাৰ সুযোগ্য মন্ত্ৰীপুত্ৰই নিৰস্ত্ৰ আন্দোলনকাৰী কৃষকৰ ওপৰত ১০০ স্পিডত থকা চলন্ত গাড়ী তুলি দি কৃষকক হত্যা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। দেশৰ বিজেপি দলৰ প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰীৰ প্ৰত্যক্ষ আৰু পৰোক্ষ মদত নাথাকিলে এনে অমানবীয় কাম কৰা সম্ভৱ হ'লহেঁতেন নে? সংবিধানৰ বিধান মানি ৰাখা, উপৰাষ্ট্ৰ এনে অমানবীয় ঘটনা ঘটোৱাৰ উল্লেখ আছে? তেওঁলোকে দ্বিধা কৰা নাই শৌচালয় বন্ধ কৰিবলৈ, পানী সৰবৰাহ বন্ধ ৰাখি আন্দোলনৰ পথ অৱৰুদ্ধ কৰিবলৈ। সংসদত খ্ৰী নট খ্ৰী গৰিষ্ঠসংখ্যাৰে তিনি কৃষি ক'লা আইন পাছ কৰে মোদী এণ্ড কোম্পানীয়ে। বিলৰ তিনিখন আইনেই কৃষক স্বাৰ্থৰ বিৰোধী। যেনে- প্ৰথমখন এফপিটিছি আইন— এই আইনত কৃষকসকলৰ আপত্তি হ'লে বহিৰাগতসকলৰ হাতলৈ বজাৰ গুচি যাব। সুবিধা পাব ডাঙৰ ডাঙৰ সংস্থাই। দ্বিতীয় আইনৰ ক'তো চৰকাৰী ন্যূনতম সহায়ক মূল্যৰ উল্লেখ নাই। সেয়ে কৃষকসকলৰ দাবী আছিল এই আইন বাতিলৰ লগে লগে এমএছপি গেৰাণ্টী আইনো অনা হওক আৰু তৃতীয়তে অত্যাৱশ্যকীয় পণ্য (সংশোধনী) আইনৰ দ্বাৰা অত্যাৱশ্যকীয় পণ্য আইনৰ মাধ্যমত মজুতদাৰীৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিব নোৱাৰিব। অৰ্থাৎ এই আইনৰ দ্বাৰা অবাধ মজুতদাৰীৰ ৰাস্তা খুলি দিব ফলত কৃষকসকলৰ অভিযোগ। দেশৰ কেবল কৃষকসকলেই নহয় সাধাৰণ মানুহেও এই আইনৰ তীব্ৰ নিন্দা জনাইছে।

কৃষকসকলৰ অদম্য জেদৰ ওচৰত মোদীয়ে আজি ক্ষমা কিয় বিচাৰিলে সেয়া জনা বিশেষ জৰুৰী। পৰিশ্ৰমত বুজা গৈছে— কৃষকসকলৰ প্ৰতি সমবেদনা নহয়, ২০২২ত সাত ৰাজ্যত বিধানসভা নিৰ্বাচন আসন্ন। নোটবন্দী, জিএছটি চালু, পে'ট্ৰ'ল-ডিজেল-গেছৰ মূল্যবৃদ্ধিত মানুহ বাৰুকৈয়ে অসন্তুষ্ট। মোদীৰ জনপ্ৰিয়তা হ্ৰাস পাইছে। উত্তৰপ্ৰদেশত আৰু বিজেপি ক্ষমতাত আহিব পাৰিবনে নোৱাৰে সন্দেহ আছে। ফলত নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ কৌশল অৱলম্বন কৰিছে। নহ'লে আন্দোলনকাৰী কৃষক নেতা ৰাকেশ টিকায়তে ক'বলৈ বাধ্য হৈছে, আন্দোলন এতিয়াই বন্ধ নহ'ব। আগত সংসদত অধিৱেশন বহুৱাই কৃষি আইন বাতিল কৰা হওক, তাৰ পিছত ঘৰা হ'ব। কিয়নো কোনো সংস্থাই বিজেপি দলৰ প্ৰত্যক্ষ অংশগ্ৰহণ অবিহনে ২০২০ চনৰ ২৬ নৱেম্বৰৰ পৰা এই আন্দোলন অন্নদাতা কৃষকসকলে কৰি গৈছে। সেয়ে ভোটৰ স্বাৰ্থত গুৰু নানকৰ জন্মদিনৰ দেশৰ মানুহৰ ওচৰত তিনি কৃষি আইন বাতিল কৰাৰ নিৰ্ণয় ল'লে। অৰ্থাৎ একপ্ৰকাৰ বাধ্য হ'ল। আন্দোলনকাৰীসকলৰ ওচৰত এই জয় সত্যৰ, এই জয় অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ। এই জয়ে মোদী চৰকাৰৰ অহংকাৰ দৰ্প চূৰ্ণ কৰিলে। অৱশ্যে যেতিয়ালৈকে সংসদৰ শীতকালীন অধিৱেশনত এই তিনিখন ক'লা আইন বাতিল কৰা নহ'ব তেতিয়ালৈকে কৃষকসকলে আন্দোলন চলাই যাব বুলি জনাইছে আৰু ৭০০ অন্নদাতা কৃষকৰ মৃত্যুৰ যথাযথ ক্ষতিপূৰণ দিব লাগিব। নহ'লে ধাৰাবাহিকভাৱে আন্দোলন হ'ব। কৃষকসকলৰ এই অদম্য আন্দোলনক ছেলুট জনাইছো। জয় কিষাণ, জয় ভাৰত।

■ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী

ফোন ঃ ৯৯৫৭৩-১০৪৩৬

# জননেতা ভীমবৰ দেউৰীৰ জীৱন পৰিক্ৰমা



■ অনুপ কুমাৰ দেউৰী

**জন্ম ঃ** জননেতা ভীমবৰ দেউৰীৰ জন্মস্থান শিৱসাগৰ জিলাৰ পানীদিহিং মৌজাৰ অন্তৰ্গত বৰগঞা দেউৰী গাঁও। তেখেতৰ জন্ম হৈছিল ১৯০৩ চনৰ ১৬ মে' তাৰিখে কৃষ্ণ চতুৰ্দশীৰ দিনা। ভীমবৰ দেউৰীৰ পিতৃৰ নাম আছিল গদৰাম দেউৰী আৰু মাতৃ আছিল বাজতী (বাজং) দেউৰী। তেওঁ পৰিয়ালটোৰ সকলোতকৈ জ্যেষ্ঠ আছিল। ভীমবৰ দেউৰীৰ পিতৃ পূৰ্বতে শদিয়াৰ 'তাম্ৰেশ্বৰী মন্দিৰ'ৰ বৰপূজাৰী আছিল। সেই সময়ত তেওঁলোক অশিক্ষিত আছিল যদিও জ্ঞানৰ ফালৰ পৰা গদৰাম দেউৰী যথেষ্ট আগবঢ়া আছিল।

**২. শিক্ষা জীৱন ঃ** পানীদিহিং মৌজা শিৱসাগৰ জিলাৰ এক অনগ্ৰসৰ অঞ্চল আছিল যদিও গদৰাম দেউৰীদেৰে খেতি-বাতিৰে আগবঢ়া বিধৰ মানুহ কাৰণে ভীমবৰ দেউৰীক গাঁৱৰে ৫৭নং প্ৰাথমিক বিদ্যালয়ত ১৯১৩ চনত নামভৰ্তি কৰাই শিক্ষাৰ পোহৰ দিয়াইছিল। গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত পঢ়া ভীমবৰ সৰুৰে পৰা অতি মেধাৱী আৰু তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। উক্ত বিদ্যালয়ৰ শেষান্ত পৰীক্ষাত ভীমবৰ দেউৰীয়ে শিৱসাগৰ মহকুমাৰ পৰা প্ৰথম স্থান অধিকাৰ কৰি প্ৰাথমিক বৃত্তি (তিনি টকা) লাভ কৰি নিজৰ গাঁৱৰ লগতে জিলাখনলৈও গৌৰৱ কঢ়িয়াই আনে। ভীমবৰ দেউৰীৰ দেউতাকে শিৱসাগৰ নগৰৰ চৰকাৰী এম ভি স্কুলত ভীমবৰ দেউৰীক নামভৰ্তি কৰাই ব'ৰ্ডিং ঘৰত থাকিবলৈ দিয়ে। উক্ত বিদ্যালয়ৰ পৰা বিশেষ বৰেণ্যতাসহ এম ভি শেষান্ত পৰীক্ষাত ১৯১৮ চনত উত্তীৰ্ণ হৈ চাৰিটকীয়া বৃত্তি অৰ্জন কৰি শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত পঢ়িবলৈ লয়। ১৯২৫ চনত ভীমবৰ দেউৰীয়ে পাঁচটা বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত (মেট্ৰিক) উত্তীৰ্ণ হৈ পোন্ধৰটকীয়া বৃত্তি লাভ কৰি গুৱাহাটীৰ কটন মহাবিদ্যালয়ত ১৯২৫ চনৰ ১৪ জুলাইত নামভৰ্তি কৰায়। অতি তীক্ষ্ণ বুদ্ধিসম্পন্ন ভীমবৰ দেউৰী কটন মহাবিদ্যালয়ত পঢ়ি থকা সময়ত 'বৰ্ণবাদ' বা জাতিভেদৰ বলি হ'বলগীয়া হৈছিল আৰু তেখেতে ছাত্ৰাৱাসত (প্ৰথম মেচ- উচ্চবৰ্ণৰ আৰু দ্বিতীয় মেচ- পিছপৰা জনগোষ্ঠীৰ বাবে খোৱা-বোৱাৰ ব্যৱস্থা থকা) এই ব্যৱস্থাৰ বিৰুদ্ধে প্ৰথম আন্দোলন গঢ়ি তোলে।

১৯২৭ চনত ভীমবৰে আই এ উত্তীৰ্ণ হৈ উক্ত মহাবিদ্যালয়তে অৰ্থনীতি বিজ্ঞান বিভাগত সন্মানসহ বি এ মহলাত নামভৰ্তি কৰে। ১৯২৯ চনত সন্মানসহ বি এ পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা কলকাতাৰ 'প্ৰেছিডেন্সী কলেজ'ত আইন বিভাগত নামভৰ্তি কৰায় আৰু এম এ (অৰ্থনীতি বিজ্ঞান) পঢ়িবলৈ লয়। ১৯৩১ চনত 'আইন বিভাগ'ত (B L Degree) লৈ ১৯৩২ চনত (ACS) 'অসম অসামৰিক বিভাগৰ পৰীক্ষা'ত উত্তীৰ্ণ হৈয়ো চাকৰিত নিযুক্তি নোপোৱাত এই ভাব ত্যাগ কৰি 'আইন ব্যৱসায়'ত ১৯৩২ চনৰ পৰা ডিব্ৰুগড়ত ওকালতি কৰিবলৈ লয়। এয়াই তেখেতৰ কৰ্মজীৱনৰ আৰম্ভণি। **৩. কৰ্মময় জীৱন ঃ** যদিও 'ওকালতি ব্যৱসায়'টো ভীমবৰ দেউৰীৰ প্ৰাৰম্ভিক কৰ্মজীৱনৰ আৰম্ভণিহে আছিল, তেখেতে লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ আগবাঢ়িছিল— ৰাজনৈতিক দক্ষতা আৰু যোগ্যতাৰে। সেয়েহে, ১৯৩৩ চনত অসমৰ সমূহ জনজাতি আৰু পিছপৰা জনগোষ্ঠী লোকসকলক প্ৰতিনিধিত্ব কৰিবলৈ নগাঁও জিলাৰ 'ৰহা'ত বহা এখন— অসমৰ ভৈয়াম জনজাতি আৰু পিছপৰা লোকসকলক লৈ দুদিনীয়া অধিৱেশন অনুষ্ঠিত কৰিছিল। উক্ত অধিৱেশনতে তেওঁ অসমৰ 'ট্ৰাইবেল লীগ'ৰ সাধাৰণ সম্পাদক আৰু যাদৱ চন্দ্ৰ খাকলাৰীক সভাপতি পদত সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হৈ গুৰু দায়িত্ব গ্ৰহণ কৰে। সেই সময়ত 'জাতিভিত্তিক লীগ'বিলাকেই ৰাজনৈতিক দলৰ নিচিনা কাম কৰিছিল। ১৯৩৩ চনৰ পৰা ১৯৪৬ চনৰ আগষ্ট মাহলৈকে ভীমবৰ দেউৰীদেৰে অসমৰ সকলো জনগোষ্ঠীৰ অৰ্থনৈতিক, শৈক্ষিক, সামাজিক তথা ৰাজনৈতিকভাৱে সবল নেতৃত্ব বহন কৰি অসমৰ পৰ্বত-ভৈয়াম, গাঁৱে-ভূঞে ৰাইজৰ লগত একাকাৰ হৈ কাম কৰিছিল। পাছত ১৯৪৬ চনৰ ছেপ্টেম্বৰ মাহত চৰ্ত সাপেক্ষে অসমৰ স্বাভিমানৰ খাতিৰত 'অসম প্ৰাদেশিক কংগ্ৰেছ'ত যোগদান কৰিছিল। ১৯৪৬ চনৰ ১১ ছেপ্টেম্বৰত ভীমবৰ দেউৰীয়ে গোপীনাথ বৰদলৈৰ মন্ত্ৰীসভাৰ 'বন আৰু শ্ৰম' মন্ত্ৰীৰ পদো অলংকৃত কৰিছিল। ভীমবৰ দেউৰীৰ সবল নেতৃত্বতহে ১৯৩৫ চনৰ ৰাভা, কছাৰী, সোণোৱাল, বড়ো, মিকিৰ, লালুং, দেউৰী, মিছিং, কাৰ্বি, ডিমাচা আদি সকলো জনজাতীয় লোক 'ট্ৰাইবেল' জনজাতিৰ অন্তৰ্ভুক্ত হয়। ১৯৩৫ চনৰ 'ভাৰত সংশোধনী আইন'ৰ অধীনত জনজাতীয় লোকৰ বাবে আসন সংৰক্ষণৰ সুবিধাও এইগৰাকী বৰেণ্য নেতা ভীমবৰ দেউৰীৰ অৱদান বুলি ক'লেও বঢ়াই কোৱা নহ'ব। 'ট্ৰাইবেল লীগ'ৰ নেতৃত্বত 'অসম বিধানসভা'ৰ ১০৮খন আসনৰ ৪খন আসন অনগ্ৰসৰ ভৈয়ামৰ জনজাতিৰ, ১খন আসন পাহাৰীয়া জনজাতিৰ বাবে আৰু ৩খন আসন অনুসূচিত জাতিৰ বাবে সংৰক্ষিত কৰা হয়। তাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আসন সংৰক্ষণ আৰু বৃত্তি মঞ্জুৰীকৰণ, ভৱিষ্যৎ জনজাতিৰ সুৰক্ষাৰ বাবে 'ট্ৰাইবেল বেল্ট' আৰু 'ব্লক' গঠন (মুঠ ৩৩ টা) কৰে। কংগ্ৰেছ মন্ত্ৰী সভাত ট্ৰাইবেলৰ প্ৰতিনিধি-মন্ত্ৰী আৰু সচিব পৰ্যায়ৰ আসন ৰখাৰ কথাও উল্লেখ কৰিছিল আৰু এনেদৰে এক গতিশীল তথা শক্তিশালী ৰাজনৈতিক দল হিচাপে 'ট্ৰাইবেল লীগ' গঢ় লৈ উঠিছিল। ইয়াৰ উপৰি আহোম সভা, মটক লীগ তথা অন্যান্য খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ সংগঠনসমূহেও 'ট্ৰাইবেল লীগ'ৰ সহযোগী দল হিচাপে জড়িত হৈ পৰে। 'ট্ৰাইবেল লীগ'এ নিজৰ ভাষা-সংস্কৃতিৰ উত্তৰণ আৰু বিকাশৰ ক্ষেত্ৰতো এক অভিলাসী আঁচনি প্ৰস্তুত কৰি উলিয়ায়। ১৯৩৯ চনত ভীমবৰ দেউৰী উচ্চ সদনৰ সদস্য (Member of Lagislative Council) হিচাপে ৰাজ্যপালে মনোনীত কৰি মন্ত্ৰীসভা আসনত অধিষ্ঠিত হোৱাৰ সুযোগ দিছিল। সেই চনতে তেখেত অসমৰ একমাত্ৰ মেডিকেল বিভাগৰ অনুষ্ঠান 'বেৰী হোৱাইট'ৰ গভৰ্নিং ব'ডীৰ সদস্যৰূপেও নিৰ্বাচিত হয় আৰু ডিব্ৰুগড় লোকেল ব'ৰ্ডৰো সদস্য আছিল। উক্ত 'বেৰী হোৱাইট মেডিকেল ইন্‌ষ্টিটিউচন'খনেই পিছলৈ অসম মেডিকেল কলেজ, ডিব্ৰুগড়ৰূপে স্বীকৃতি লাভ কৰে। ১৯৪০ চনত ভীমবৰ দেউৰীয়ে সেই সময়ৰ 'বন আৰু শ্ৰম' বিভাগৰ মন্ত্ৰী ৰূপনাথ ব্ৰহ্মাৰ প্ৰথমা কন্যা কমলাৱতী ব্ৰহ্মাৰ লগত ১৮ ফেব্ৰুৱাৰীত বিবাহপাশত আবদ্ধ হয়। ভীমবৰ দেউৰীৰ বিবাহখনেই আছিল দেউৰী সমাজৰ প্ৰথম আন্তঃজাতি বিবাহ। মন কৰিবলগীয়া কথা যে সেই সময়তে ভীমবৰ দেউৰীয়ে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ মাজত একতাৰ ভাব জগাই তোলাৰ মনোভাবেৰে এই আন্তঃজাতি বিবাহ সম্পন্ন কৰি সমন্বয়ৰ নিদৰ্শন গঢ়ি তুলিছিল। **৪. ৰাজনৈতিক জীৱন ঃ** ভীমবৰ দেউৰীৰ ৰাজনৈতিক জীৱন আৰম্ভ হয় ১৯৩৩ চনত নগাঁও জিলাৰ ৰহাত অনুষ্ঠিত হোৱা 'ট্ৰাইবেল লীগ'ৰ প্ৰথম অধিৱেশনৰ পৰা। সেই দিন ধৰি তেখেতে আজীৱন অসমৰ পিছপৰা জনগোষ্ঠীৰ উন্নতিৰ হকে কাম কৰিবলৈ আগবাঢ়ি আহিছিল। ১৯২৫-২৯ চনত কটন কলেজত অধ্যয়নৰত সময়ত চলি থকা বৰ্ণবাদৰ বিৰুদ্ধে ছাত্ৰাৱাসত থাকোতেই আন্দোলন গঢ়ি তুলিছিল। কিন্তু ভীমবৰ দেউৰীয়ে আৰম্ভ কৰা আন্দোলনৰ পিছতে বৰ্ণবাদ ধাৰণা নিৰ্মূল হয়। ১৯৩৩ চনত ট্ৰাইবেল লীগ গঠন কৰি ৰাজনৈতিক জগতত সবল ভূমিকা দেখুৱাই সমূহ পিছপৰা জনগোষ্ঠীৰ শিক্ষাৰ প্ৰসাৰতা, স্বাস্থ্য সজাগতা আৰু সামাজিক উন্নয়নৰ কামবিলাকত মনোনিৱেশ কৰিছিল। ১৯৩৫ চনত ছাইমন কমিছনৰ আগত অসমৰ জনগোষ্ঠীসমূহৰ দূৰৱস্থা আৰু অৰ্থনৈতিক অভাৱৰ কথা যুক্তিসহকাৰে দাঙি ধৰিছিল আৰু জনজাতিসকলৰ আসন সংৰক্ষণ সকলো স্তৰতে ৰক্ষা কৰিছিল। ১৯৪১ চনত অনুষ্ঠিত লোকপিয়লত জনজাতিসকলক জাতি আৰু ধৰ্মৰ ঘৰত নিজৰ জাতি আৰু জনগোষ্ঠীৰ নাম 'ট্ৰাইবেল' লিখাত অসমৰ প্ৰকৃত জনজাতিৰ সংখ্যা অন্যান্য অসমৰ জনগোষ্ঠীতকৈ সংখ্যাগৰিষ্ঠতাৰ জনসংখ্যা প্ৰমাণ নিশ্চিত কৰে আৰু সেই অনুপাতে জনগোষ্ঠীভিত্তিক আসন সংৰক্ষণ নিৰ্ধাৰিত কৰা হয়। ১৯৪৬ চনত সমষ্টি গঠনৰ সময়ত ট্ৰাইবেল লীগৰ সবল নেতৃত্বৰে চৈয়দ মহম্মদ আলী জিন্না আৰু জৱাহৰলাল নেহৰুৰ কংগ্ৰেছৰ কুটিল ৰাজনীতি মষিমূৰ কৰি গোপীনাথ বৰদলৈৰ লগত হাত মিলাই অসমক 'চি' গ্ৰুপ অৰ্থাৎ পূৰ্ববংগ তথা বাংলাদেশৰ লগত চামিলকৰণৰ পৰা ৰক্ষা কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি প্ৰকৃত দেশসেৱা আৰু জাতীয়তাবোধৰ পৰিচয় দাঙি ধৰিছিল। ১৯৪৬ চনত গোপীনাথ বৰদলৈৰ কংগ্ৰেছ মন্ত্ৰীসভাত চৰ্তসাপেক্ষে যোগদান কৰি অসমৰ 'সুকীয়া নিৰ্বাচন' ত্যাগ কৰি 'যুটীয়া নিৰ্বাচন'ৰ যোগেদি গোপীনাথ বৰদলৈক সমৰ্থন জনোৱাত অসমত জাতীয় কংগ্ৰেছৰ চৰকাৰ গঠন কৰাত 'ট্ৰাইবেল লীগে' জাতীয়তাবোধৰ পৰিচয় দাঙি ধৰিছিল। এগৰাকী সফল ৰাজনীতিক হিচাপে ভীমবৰ দেউৰীয়ে অসমৰ পিছপৰা খিলঞ্জীয়া জনজাতি আৰু অনুসূচিত জাতি তথা অন্যান্য পিছপৰা লোকৰ বাবে নিঃস্বাৰ্থভাৱে নেতৃত্ব লৈ আগবাঢ়ি আহিছিল। কিন্তু দুখৰ বিষয় এয়ে যে ভীমবৰ দেউৰীয়ে 'বন আৰু শ্ৰম' বিভাগৰ মন্ত্ৰীৰ দায়িত্ব লোৱাৰ ঠিক আঠ মাহৰ পিছতে তেখেত শাৰীৰিকভাৱে অসুস্থ হৈ পৰিছিল। ফলত মন্ত্ৰিত্বৰ দায়িত্ব ত্যাগ কৰি উন্নত চিকিৎসাৰ বাবে তেখেতে নিজা খৰচত সুদূৰ মাদ্ৰাজলৈ ঢাপলি মেলিছিল। কিন্তু মাদ্ৰাজৰ 'আৰোগ্যভৰম ছেনিটেৰিয়াম' চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত ১৯৪৭ চনৰ ৩০ নৱেম্বৰত মাত্ৰ ৪৪ বছৰ বয়সত মৃত্যুক আঁকোৱালি ল'বলগীয়া হয়। তেখেতৰ মৃত্যুত অসমে এগৰাকী সুদক্ষ ৰাজনৈতিক নেতা তথা এগৰাকী নিঃস্বাৰ্থ দেশপ্ৰেমিকক অকালতে হেৰুৱাবলগীয়া হয়। মুঠতে ক'বলৈ গ'লে, ভীমবৰ দেউৰীৰ নাতি-দীৰ্ঘ জীৱনকাল সঁচাকৈ গুৰুত্বপূৰ্ণ এক ৰাজনৈতিক অধ্যায় বুলিব পাৰি। ১৯৩৩-৪৬ চনলৈকে প্ৰায় ১৩ বছৰকাল ট্ৰাইবেল লীগৰ সম্পাদক, ১৯৩৮-৪৪ চনলৈ ছবছৰকাল বিধান পৰিষদৰ সদস্য হিচাপে কাৰ্যকাৰ্যনিৰ্বাহকৰে আৰু ১৯৪৬-৪৭ চনলৈ মাত্ৰ ৮ মাহ মন্ত্ৰিত্ব পদত থাকিয়ে এইগৰাকী জননেতাই অসম তথা ভাৰতবৰ্ষৰ ৰাজনৈতিক বুৰঞ্জীত এক নতুন যুগৰ অধ্যায় সূচনা কৰি যাবলৈ সক্ষম হৈছিল। এনে এগৰাকী মহান পুৰুষৰ জীৱনী পৰ্যালোচনা কৰাটো আমাৰ সীমিত জ্ঞানৰ পৰিসৰৰ বাহিৰত। ১৯৪৭ চনৰ ৩০ নৱেম্বৰ তাৰিখে এইগৰাকী বৰেণ্য ৰাজনীতিবিদ, পুৰোধা কালপুৰুষে আমাক অথাই সাগৰত পেলাই সুদূৰ মাদ্ৰাজৰ 'আৰোগ্যভোৰম চিনেটৰিয়াম'ত মৃত্যুক সাবটি ল'লে।

ফোন ঃ ৯৬১৩৮-৫৩২৪২

# Riims

■ মাণিক চন্দ্ৰ নাথ

অসমৰ স্কুলীয়া শিক্ষা ব্যৱস্থাত Riims (Real-Time Identification and Information Management System) এক নতুন সংযোজন। ইয়াৰ দ্বাৰা শিক্ষা বিভাগে স্কুলীয়া শিক্ষাৰ ব্যৱস্থাপনাক আধুনিক প্ৰযুক্তিৰ দ্বাৰা নিয়ন্ত্ৰণ কৰিবলৈ বিচাৰিছে। চমুকৈ ক'বলৈ গ'লে বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, পাঠদান, মূল্যায়ন আদি সকলো নিৰীক্ষণ হ'ব digital মাধ্যমত। গতিকে দেখা গৈছে Riimsৰ জৰিয়তে স্কুলীয়া শিক্ষাৰ ব্যৱস্থাপনাক digitalized কৰি স্কুলীয়া শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন আনিবলৈ বিচৰা হৈছে।

শিক্ষা বিভাগে যিমানেই যি নকৰক কিয়, শিক্ষক-সমাজৰ সহযোগিতা অবিহনে কোনো সংস্কাৰতে ফল নধৰে। Riimsৰ প্ৰয়োগক লৈ ৰাজ্যখন প্ৰায় আটাইবোৰ শিক্ষক সংগঠনে আপত্তি দৰ্শাইছে। তেওঁলোকৰ আপত্তিৰ প্ৰধান কাৰণ হ'ল Riims Appত প্ৰৱেশ কৰিবলৈ প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ ম'বাইলত আধাৰ কাৰ্ডকে ধৰি ব্যক্তিগত তথ্য দাখিল কৰিব লাগিব। যাৰ দ্বাৰা শিক্ষক-শিক্ষয়িত্ৰীৰ নিজৰ নিজৰ গোপনীয়তা ভংগ হ'ব। নিজৰ গোপনীয়তা ৰক্ষা কৰাটো প্ৰতিজন লোকৰে মৌলিক অধিকাৰ। সঁচাকৈয়ে যদি Riims Appত প্ৰৱেশ কৰিলে নিজৰ গোপনীয়তা ৰক্ষা নহয়, তেতিয়া নিশ্চিতভাৱে Riimsৰ সংশোধনৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰিছোঁ। আনহাতে, ব্যক্তিগত গোপনীয়তা ভংগৰ বাহিৰে দায়বদ্ধতাৰে শিক্ষকতা কৰা কোনো নিয়মানুৱৰ্তী শিক্ষক-শিক্ষয়িত্ৰীয়ে Riimsক লৈ বিৰোধিতা নকৰিব বুলি দাবী কৰিব পাৰোঁ। কাৰণ, ১) বিদ্যালয় তথা নিজৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি প্ৰাণ নথকা, শিক্ষকতাৰ বাহিৰেও অন্য বিভিন্ন ভেজালত সোমাই থকা, শিক্ষকতাক কাটি কৰি অন্য জাতীয় সংগঠনৰ নেতা হিচাপে জাতিৰ সেৱা আগবঢ়াই অহা, ছাত্ৰ-ছাত্ৰীক শিক্ষা দিবৰ বাবে নিজৰ প্ৰয়োজনীয় দক্ষতা নথকা, নিজৰ সতি-সন্ততিক অন্য ভাল বিদ্যালয়ত পঢ়ুৱাই সিহঁতক নিৰ্দিষ্ট সময় মতে বিদ্যালয়লৈ অনা-নিয়া কৰাত ব্যস্ত থকা, শিক্ষক-সমাজৰ কল্যাণৰ কাৰণে গণ্ডাই গণ্ডাই শিক্ষক-সংগঠন জন্ম দি থকা, পলমকৈ আহি সোনকালে বিদ্যালয় এৰি যাব পৰাত নিজৰ কৃতিত্ব জাহিৰ কৰিবলৈ বিচৰা বা তেনে কাৰ্যক ফেশ্বন হিচাপে দেখুৱাবলৈ বিচৰা শিক্ষক-শিক্ষয়িত্ৰীৰ বাহিৰে আন কোনো শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ প্ৰধান বুলিয়েই পলমকৈ বিদ্যালয়লৈ অহা বা হোৱাই-নোহোৱাই মেল-মিটিঙত ব্যস্ত থকা দেখুৱাই বিদ্যালয়ৰ পৰা আঁতৰি থকা প্ৰধানসকলৰ বাহিৰে আন সকলো বিদ্যালয়ৰ প্ৰধানেই সময় মতে বিদ্যালয়লৈ আহে আৰু ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ কাৰণে আত্মোৎসৰ্গ কৰে। ২) কোনো নিষ্ঠাৱান শিক্ষকেই নিজৰ সুবিধাৰ কাৰণে নিজৰ বিদ্যালয় এৰি Attachment নামৰ প্ৰক্ৰিয়াৰে সুবিধাজনক বিদ্যালয়ত চাকৰি কৰি নাথাকে আৰু সেয়ে এতিয়া Riimsৰ অনুশাসনৰ কাৰণে নিজৰ নিজৰ বিদ্যালয়লৈ ঘূৰি আহিবলৈ বাধ্য হ'ব লগা পৰিস্থিতিৰ সন্মুখীন নহয়। ৩) বৰ্তমান সময়ত এজন শিক্ষকে শ্ৰেণী কোঠাত কেনেদৰে পাঠদান কৰে তাক নিৰীক্ষণ কৰাৰ কোনো ব্যৱস্থা নাই। সেয়ে নিষ্ঠাৱান শিক্ষক-শিক্ষয়িত্ৰীসকলৰো নিজৰ বৃত্তিটোৰ মূল্যায়ন হোৱাৰ কোনো সুযোগ নাথাকে। Riimsৰ প্ৰয়োগ হ'লে digital মাধ্যমত শ্ৰেণীৰ পাঠদানো নিৰীক্ষণৰ ব্যৱস্থা থাকিব। ফলত প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ বৃত্তিটোৰ বিকাশ ঘটাবলৈ সুযোগ পাব। (৪) বিদ্যালয়ত অকল শিক্ষক-শিক্ষয়িত্ৰীৰে নহয় প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰো নিয়মিত উপস্থিতি অতি গুৰুত্বপূৰ্ণ বিষয়। নিয়মিতভাৱে পাঠদান চলি থকা দিনত এদিনৰ বিদ্যালয়ৰ ক্ষতিয়েও শিক্ষাৰ্থী এগৰাকীক প্ৰভাৱিত কৰে। তেনে অৱস্থাত দিনৰ পিছত দিন ধৰি বিদ্যালয়ৰ পৰা আঁতৰি থকা শিক্ষাৰ্থীসকলৰ বিলৈ কি হ'ব? কাৰ্যতঃ চৰকাৰী বিদ্যালয়ৰ বহু শিক্ষাৰ্থী তেনেকুৱা অৱস্থাতে থাকে, যাৰ বাবে সেইসকল শিক্ষাৰ্থী দিনক দিনে পঢ়া-শুনাৰ পৰা আঁতৰি গৈ থাকে আৰু শেষত বহুতে বিদ্যালয় এৰি দিয়ে। আমাৰ ৰাজ্যখনত স্কুল এৰা (Drope out) শিক্ষাৰ্থীৰ সংখ্যা উদ্বেগজনকভাৱে বাঢ়ি থকা ইয়ে মূল কাৰণ। ইয়াৰ বাহিৰেও বহু চৰকাৰী বিদ্যালয়ে ওচৰৰ ব্যক্তিগত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক নিজৰ বিদ্যালয়ৰ নামত নাম পঞ্জীয়ন কৰাই চৰকাৰক আঁভুৱা-ভাৰী আহিছে। Riims প্ৰয়োগ হ'লে প্ৰতিজন শিক্ষাৰ্থীৰ তথ্য ফটোসহ digitalized হ'ব আৰু প্ৰতিদিনে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বিদ্যালয়ত উপস্থিতিৰ তথ্য দাখিল কৰিব লাগিব। ইয়াৰ ফলত বিদ্যালয়ত শিক্ষাৰ্থীৰ উপস্থিতিৰ হাৰ বৃদ্ধি হোৱাটো নিশ্চিত হোৱাই নহয়, ক'ৰবাৰ শিক্ষাৰ্থী ক'ৰবাত নাম সোমাই থকাৰ কোনো সুবিধা নাথাকিব। লগতে Riimsৰ প্ৰয়োগত প্ৰতি গৰাকী শিক্ষাৰ্থীৰ শৈক্ষিক মূল্যায়নৰ তথ্য digitalized হ'লে ৰাজ্যখনৰ শিক্ষাৰ গতি-বিধি নিৰীক্ষণৰ সুবিধা হ'ব। যদি Riimsৰ প্ৰয়োগত আমাৰ শিক্ষা ব্যৱস্থাত এনে ধৰণৰ পৰিৱৰ্তন হয়। তেনে ক্ষেত্ৰত Riimsক লৈ বিৰোধিতা কৰিব লগা কি আছে?

ফোন ঃ ৯৮৬৪১-০৮৬৬৮

# অসম ৰক্ষাকাৰী ভীমবৰ দেউৰী

■ কুমুদ চন্দ্ৰ ডেকা

গোপীনাথ বৰদলৈৰ লগে লগে এজন জনজতীয় নেতাৰ নামো সাঙোৰ খাই আছে অসমক পূব পকিস্তনৰ লগত চামিল কৰাৰ ষড়যন্ত্ৰ প্ৰতিৰোধ কৰাৰ অন্যতম নায়ক হিচাপে। নেতাগৰাকীয়েই আছিল সেই সময়ৰ অসম ট্ৰাইবেল লীগৰ সাধাৰণ সম্পাদক ভীমবৰ দেউৰী। ১৯৪৬ চত সেই সময়ৰ ব্ৰিটিছ প্ৰধানমন্ত্ৰী ক্ৰিমেট এটলীয়ে ভাৰতলৈ পঠিওৱা কেবিনেট মিছনে অসমক (আজিৰ উত্তৰ-পূৰ্বাঞ্চল) পূব পাকিস্তানৰ লগত (পূব পাকিস্তানেই এতিয়া বাংলাদেশ) চামিল কৰাৰ যি ষড়যন্ত্ৰ চলিছিল সেই ষড়যন্ত্ৰ তাৎক্ষণিকভাৱে নস্যাৎ কৰিবৰ বাবে অসম ট্ৰাইবেল লীগৰ সাধাৰণ সম্পাদক ভীমবৰ দেউৰীয়ে জাতীয় কংগ্ৰেছৰ নেতা জৱাহৰলাল নেহৰু আৰু ভাৰতীয় মুছলিম লীগৰ নেতা মহম্মদ জিন্নাক লগ ধৰি সাজোৰে, সাহসেৰে প্ৰতিবাদ কৰিছিল। তেখেতে স্পষ্ট ভাষাৰে কৈছিল— 'ব্ৰিটিছ অহাৰ আগৰে পৰা অসম ভাৰতৰ ভিতৰুৱা নাছিল, স্বাধীন, নিষ্পাষিত কৃষকসকলক মাটি দিয়াৰ অজুহাতে পাকিস্তান হ'ব নোৱাৰিব। অসমখন কোনো হিন্দু-মুছলমানৰ নহয়, ট্ৰাইবেলৰহে। অসম কাৰ লগত থাকিব অসমৰ খিলঞ্জীয়াইহে ঠিক কৰিব। মুছলমান ৰজা আৰু মোগল সম্ৰাটসকলে সোতৰবাৰ অসম আক্ৰমণ কৰিও অসম অধিকাৰ কৰিব নোৱাৰিলে। এতিয়া আপুনি কলমৰ খোঁচাতে কেনেদৰে অসম ল'ব। মানৱ লগত চুক্তি কৰি অসম লৈছিল তেতিয়া নেতাৰ অভাৱ আছিল। আজি আমি আছো, গোপী বৰদলৈৰ দৰে নেতা আছে, অসম ল'ব নোৱাৰিব, লাগিলে প্ৰাণ দিবলৈ সাজু আছো।' অসমক গ্ৰুপিঙৰ পৰা ৰক্ষা কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰা নেতাদ্বয় হৈছে গোপী বৰদলৈ আৰু ভীমবৰ দেউৰী। (সেই সময়ত সকলোৱে গোপীনাথ বৰদলৈ বুলি কোৱা নাছিল) ভীমবৰ দেউৰীয়ে তাহানিতে এই কথা উপলব্ধি কৰিছিল যে বড়ো, কাৰ্বি, মিছিং, ৰাভা, তিৱা, দেউৰী, ডিমাচা, মৰাণ, মটক, ঝাড়খণ্ডী, আদিবাসী, আহোম, বামুণ, কেওট, কলিতা আদি সকলোৱে একেখন মঞ্চত ঐক্যবদ্ধভাৱে থিয় দিব পাৰিলেহে জনগোষ্ঠীসমূহৰ উন্নতি সম্ভৱ হ'ব, তেতিয়াহে অসম আৰু অসমীয়া জাতি বাচিব। প্ৰত্যেকৰে ভাষা, কৃষ্টিও থাকিব। সেই বাবেই তেওঁ ভূমিপুত্ৰ জনজাতিসকলৰ লগতে অজনজাতিসকলৰো আৰ্থ-সামাজিক উন্নতি সাধনত ব্ৰতী হৈছিল। ভীমবৰ দেউৰীৰ দৰে ব্যক্তিৰ ক্ষুৰধাৰ যুক্তিৰ কোনো অংশ খণ্ডন কৰিব নোৱাৰি জিন্না তথা কেবিনেট মিছনে অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰিলে। ভীমবৰ দেউৰীক নতুন প্ৰজন্মই নাজানে। বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে যেনেদৰে প্ৰচাৰ হৈছে ভীমবৰ দেউৰীৰ বিষয়ে প্ৰচাৰ হোৱা নাই। শিৱসাগৰ জিলাৰ পানীদিহিং অঞ্চলৰ এটি কৃষক পৰিয়ালত জন্ম হয় ১৯০৩ চনত। প্ৰৱেশিকা পৰীক্ষাত পাঁচটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কটনৰ পৰা বি এ পাছ কৰি পিছত বি এল ডিগ্ৰীও লয়। পিছত ডিব্ৰুগড়ত ওকালতি আৰম্ভ কৰে। ওকালতিৰ লগে লগে স্বাধীনতা আন্দোলনতো জঁপিয়াই পৰি গোপীনাথ বৰদলৈৰ দৰে নেতাৰ পৰা বিশ্বাসভাজন হৈ পৰে। ১৯৪৬ চনত ভীমবৰ দেউৰীয়ে গোপীনাথ বৰদলৈৰ মন্ত্ৰীসভালৈ অসম ট্ৰাইবেল লীগে সম্পূৰ্ণ সমৰ্থন আগবঢ়ায়। তেওঁ বন আৰু শ্ৰম বিভাগৰ মন্ত্ৰী হয়। ভীমবৰ দেউৰীৰ দৰে নেতাৰ বাবেই আজি অসম সুকীয়া হৈ আছে। এই কথা নতুন প্ৰজন্মই একেবাৰেই নাজানে। ১৯৪৫ চনত ভীমবৰ দেউৰীৰ পাঁচবছৰীয়া এমএলচিৰ ম্যাদ উকলাৰ পাছতো দেউৰীক গৰ্ণৰৰ দ্বাৰা ন বছৰৰ বাবে এমএলচি পাতে। ভীমবৰ দেউৰীৰ নেতৃত্ব আৰু বুদ্ধিদীপ্ততাৰ একক অভিলেখ আমাৰ বাবে পাথেয় হৈ ৰ'ব। বৰদলৈ মন্ত্ৰীসভাত মন্ত্ৰী হিচাপে এবছৰ সম্পূৰ্ণ কৰিব নোৱাৰিলে। যক্ষ্মা ৰোগত আক্ৰান্ত হৈ ১৯৪৭ চনৰ ৩০ নৱেম্বৰত মাত্ৰ ৪৪ বছৰ বয়সতে শেষ নিশ্বাস ত্যাগ কৰে। গোপীনাথ বৰদলৈৰ দৰে জনপ্ৰিয় অসম হিতৈষী নেতাক মৰণোত্তৰভাৱে ভাৰত ৰত্ন দিয়াত সমগ্ৰ অসমবাসী আনন্দিত। তেনেদৰে ভাৰত ৰত্ন নিদিলেও এইবাৰ চৰকাৰে ২ ডিচেম্বৰত চৰকাৰীভাৱে দিব ওলোৱা নিস্বাৰ্থ সেৱকক অসম ৰত্ন উপাধি দিব বুলি জানিব পাৰিছো। অসমৰ সকলোৱে ইচ্ছা কৰিছে, ২ ডিচেম্বৰত চ্যুকাফা দিৱসত ভীমবৰ দেউৰীক অসম ৰত্ন উপাধিৰে বিভূষিত কৰক।

ফোন ঃ ৯৮৬৪১-৭৪৩৮৮

# স্বেচ্ছামূলক মৃত্যু

■ পংকজ কুমাৰ নেওগ

বিজ্ঞানৰ অভূতপূৰ্ব অগ্ৰগতিৰ লগে লগে নিত্য-নতুন আশ্চৰ্যজনক আৱিষ্কাৰো হ'ব ধৰিছে। আজি বিজ্ঞানৰ তেনে এবিধ আৱিষ্কাৰৰ কথাকে অলপ ক'ব খুজিছোঁ। বহুতে শুনি আনন্দিত হ'ব যে অতি সোনকালে এইখন পৃথিৱীত স্বেচ্ছামূলক বা ঐচ্ছিক মৃত্যু উপলব্ধ হ'ব। দেৱতাসকলৰ দৰে অজৰ-অমৰ হৈ আপুনি এই ধৰাতে চিৰকাল থাকি যাব পাৰিব— প্ৰকৃতাৰ্থত আপুনি হ'ব পাৰিব মৃত্যুঞ্জয়। অকল সুকীৰ্তি বা সুকৰ্মৰ দ্বাৰাই নহয়, ইচ্ছা কৰিলে সোঁ-শৰীৰে বাৰ্ধক্য বিজয় কৰি অনন্ত যৌৱনময় হৈ ৰূপে-ৰসে-গন্ধে ভৰা এই ধৰণীত বিচৰণ কৰি ফুৰিব পাৰিব। জীনতত্ত্বৰ দুজন বিজ্ঞানীয়ে বাৰ্চিলোনাত তেওঁলোকে গৱেষণা কৰা বিষয়ৰ ওপৰত ভাষণ দি কয় যে আৰু ২৭ বছৰৰ ভিতৰত 'মৃত্যু' হৈ পৰিব স্বেচ্ছামূলক আৰু 'বাৰ্ধক্য'ক অনায়াসে ওভতাই পুনৰ 'যৌৱন' সৃষ্টি কৰিব পৰা যাব। ভেনিজুৱেলাত গ্ৰহণ কৰা স্পেনিছ মূলৰ জ' লুই কৰ্ডেইৰ' আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ গণিতজ্ঞ ডেভিড উডে 'মৃত্যুৰ মৃত্যু' (The Death of Death) নামৰ কিতাপ এখন উন্মোচন কৰি ঘোষণা কৰে যে অমৰত্ব বৈজ্ঞানিক সত্যতা থকা এটা সম্ভাৱনা আৰু মানুহে ভবাতকৈ বহুত আগেয়ে বা কম সময়ৰ ভিতৰত ই উপলব্ধ হ'ব। উল্লেখ্য যে এই দুই বিজ্ঞানীৰ নাম 'ছিম্বিয়ান'(Symbian) নামৰ 'অপাৰেটিং ছিষ্টেম' এটা আৱিষ্কাৰ কৰাৰ বাবে বিখ্যাত। কোনো লোক যদি আকস্মিক দুৰ্ঘটনাত পতিত হৈ মৃত্যুমুখত নপৰে তেনেহ'লে ২০৪৫ চনৰ পিছত বাৰ্ধক্যজনিত বা স্বাভাৱিক কাৰণত কোনো মৃত্যুমুখত পৰিব নালাগে। কৰ্ডেইৰ আৰু উডৰ মতে বাৰ্ধক্য বা বুঢ়া বয়সক এবিধ 'বেমাৰ' বুলি গণ্য কৰাৰ সময় আহি পৰিছে আৰু এনে কৰিলেহে ৰাইজে বৰঙণি দিয়া অৰ্থৰ সাহায্যত এই বেমাৰ নিৰ্মূল বা আৰোগ্য কৰিবলৈ গৱেষণা আৰু তীব্ৰতৰ হৈ উঠিব। বিজ্ঞানী দুগৰাকীয়ে তেওঁলোকৰ গৱেষণাৰ কথা উল্লেখ কৰি কয় যে জীনতত্ত্বৰ নতুন ধৰণৰ বিভিন্ন কৌশলৰ সৈতে নেন' প্ৰযুক্তিবিদ্যাও সমানে ব্যৱহৃত হৈছে। এই প্ৰণালীত বেয়া হোৱা জীনবোৰ পুনৰ স্বাস্থ্যৱান কৰি তোলাৰ লগতে শৰীৰৰ পৰা মৃত কোষবোৰ আঁতৰোৱা হয়; নষ্ট হোৱা কোষবোৰ পুনৰ্নিৰ্মাণ কৰা হয় আৰু ষ্টেম কোষেৰে চিকিৎসা কৰাৰ উপৰি সকলোবোৰ অত্যাৱশ্যকীয় অংগ-প্ৰত্যংগ ত্ৰি-মাত্ৰিক দিশত পৰীক্ষণ কৰা হয়। আমেৰিকাৰ মাছাছুছেটছ ইনষ্টিটিউট অৱ টেকনলজিত কৰ্মৰত কৰ্ডেইৰ'ই মন্তব্য কৰে যে তেওঁ মৃত্যুক আঁকোৱালি ল'বলৈ অনিচ্ছুক আৰু আজিৰ পৰা ৩০ বছৰৰ পিছত তেওঁ অধিক তজবজীয়া ডেকা হৈ ঘূৰি ফুৰিবলৈ আশা কৰে। মানৱ শৰীৰৰ ক্ৰমজমৰ ডি এন এত 'টেলোমেৰ' নামৰ এবিধ নেজ বা পুচ্ছ থাকে; লোহিত ৰক্ত কণিকা আৰু যৌন কোষবোৰৰ বাহিৰে বাকী সকলোবোৰ কোষত ইহঁতৰ পৰিমাণ ২৩ যোৰকৈ। মানুহ বুঢ়া হলে 'টেলোমেৰ'বোৰ চুটি হৈ পৰে এই চুটি হৈ পৰা পুচ্ছবোৰ দীঘল কৰিব পাৰিলে মানুহ এজনে পুনৰ যৌৱন ঘূৰাই পাব। সময়ৰ লগে লগে 'টেলোমেৰ'বোৰ আঘাতপ্ৰাপ্ত হয় আৰু লাহে লাহে চুটি হৈ পৰে। শৰীৰত বিষাক্ত দ্ৰব্য যেনে চিগাৰেটৰ ধোঁৱা, সুৰা, জলবায়ু প্ৰদূষণ ইত্যাদিবোৰৰ প্ৰভাৱ পৰিলে 'টেলোমেৰ'বোৰ সোনকালে চুটি হয় আৰু মানুহো সোনকালে বুঢ়া হয়। কৰ্ডেইৰ' আৰু উডৰ মতে অহা ১০ বছৰৰ ভিতৰত কেন্সাৰ ৰোগ পৃথিৱীৰ পৰা নিৰ্মূল হ'ব আৰু 'গুগল'ৰ দৰে আন্তৰ্জাতিক প্ৰতিষ্ঠানসমূহেও বাৰ্ধক্য নিৰ্মূল কৰা বৈজ্ঞানিক গমোচাৰ মাহাত্ম্য উপলব্ধি কৰি ঔষধ উদ্যোগত বিনিয়োগ কৰিবলৈ আগবাঢ়ি আহিব। ইতিমধ্যে মাইক্ৰ'ছফটে কেন্সাৰ ৰোগ গৱেষণাৰ বাবে 'ক্ৰায়োপ্ৰিজাৰ্ভেশ্বন চেণ্টাৰ' এটা খোলাৰ কথা ঘোষণা কৰিছে। এনে ধৰণৰ কেন্দ্ৰত অতিশীতলীকৰণ প্ৰথাৰে কোষ, টিচ্যু বা নানা ধৰণৰ অংগ-প্ৰত্যংগ দীৰ্ঘকালৰ বাবে অক্ষত অৱস্থাত ৰখা সম্ভৱ। বিজ্ঞানীদ্বয়ে কোৱা মতে কেন্সাৰৰ কোষবোৰ দৰাচলতে যে অমৰ সেই কথা ১৯৫১ চনতে প্ৰমাণিত হয়। অৱশ্যে বহুতে এই কথা নাজানিব পাৰে। হেনৰিয়েটা লেগু নামৰ মহিলা এগৰাকীৰ জৰায়ুৰ কেন্সাৰত মৃত্যু হোৱাৰ পাছত শৈল্যবিদসকলে টিউমাৰটো আঁতৰাই সংৰক্ষণ কৰি থৈছিল আৰু আজিও সেই টিউমাৰটো জীৱন্ত হৈ আছে। অমৰত্ব প্ৰদানে মানুহৰ বাবে এইখন পৃথিৱীত জীয়াই থকাৰ কোনো সমস্যাৰ সৃষ্টি নকৰে; এইখন পৃথিৱীত বসবাসৰ বাবে এতিয়াও বিস্তীৰ্ণ ঠাই পৰি আছে। আজিকালি মানুহবোৰৰ আগৰ দুই-তিনি দশক বা আগৰ শতিকাৰ মানুহৰ দৰে ইমানবোৰ ল'ৰা-ছোৱালী নাই। তদুপৰি অমৰ হোৱালৈকে মানুহে অন্তৰীক্ষৰ অন্যান্য গ্ৰহতো বসবাস কৰিব পাৰিব। জাপান আৰু কোৰিয়াত মানুহৰ জন্মৰ হাৰ অতি নগণ্য আৰু এইটো হাৰত পৃথিৱীৰ বুকুৰ পৰা এই দুটা জাতি নিশ্চিহ্ন হৈ যাবলৈ হয়তো দুটা শতিকাৰ বেছি নালাগিব। অমৰত্ব লাভ কৰা এই নতুন প্ৰযুক্তিৰ সহায়ত জাপানী আৰু কোৰিয়ানসকল পুনৰ চিৰযৌৱনময় হৈ চিৰদিনলৈ জীয়াই থকা সম্ভৱপৰ হৈ উঠিব। বাৰ্ধক্য দূৰ কৰা এই প্ৰযুক্তিক কৰ্ডেইৰ'ই বজাৰত ওলোৱা এটা নতুন স্মাৰ্টফোনৰ সৈতে তুলনা কৰিব কয় যে প্ৰথমে ই নিশ্চয় যথেষ্ট ব্যয়বহুল হ'ব কিন্তু মানুহে যেতিয়া ইয়াৰ আৱশ্যকতা আৰু উপযোগিতা দেখিব, ধীৰে ধীৰে ই সকলোৱে সহজলভ্য হৈ পৰিব। নতুন প্ৰযুক্তি বিদ্যাৰ উৎপাদন সাধাৰণতে কিছু ত্ৰুটিপূৰ্ণ আৰু ব্যয়বহুল কিন্তু এটা সময়ত ই সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য হৈ পৰিলে নিজে নিজে কম খৰচী হৈ পৰে। বিজ্ঞানীদ্বয়ে স্বীকাৰ কৰে যে কিছু অবৈধ হ'লেও তেওঁলোকে কলম্বিয়াত যোৱা দুবছৰৰো অধিক কাল জীন-তত্ত্বৰ কাম-কাজ চলাই আহিছে। তেওঁলোকৰ মতে জীন-তত্ত্বক লৈ কৰা বিবিধ পৰীক্ষা-নিৰীক্ষা বা গৱেষণাৰ বিপক্ষে কলম্বিয়া চৰকাৰৰ তেনে কোনো কঠোৰ নীতি নাই। তেওঁলোকৰ পৰীক্ষা-নিৰীক্ষাবোৰৰ প্ৰথম প্ৰাৰ্থী হ'ল এলিজাবেথ পেৰিশ্বনামৰ এগৰাকী মহিলা। এই মহিলাগৰাকীয়ে নিজৰ শৰীৰত বাৰ্ধক্যৰ লক্ষণ দেখা পাই বিজ্ঞানীদ্বয়ৰ ওচৰ চাপে আৰু সকলো লক্ষণৰ পৰা পৰিত্ৰাণ পাবলৈ তেওঁলোকৰ পৰামৰ্শ গ্ৰহণ কৰে। বিজ্ঞানী উডে উল্লেখ কৰা মতে এলিজাবেথৰ শৰীৰত চলোৱা সকলো পৰীক্ষা-নিৰীক্ষা যথেষ্ট বিপজ্জনক তথা অবৈধ। 'আমি এতিয়ালৈকে কৰা সকলো পৰীক্ষা সুকলমে সম্পন্ন কৰিব পাৰিছোঁ আৰু কোনো ধৰণৰ পাৰ্শ্বক্ৰিয়া পৰিলক্ষিত হোৱা নাই'। এলিজাবেথৰ তেজত থকা 'টেলোমেৰ'ৰ পৰিমাণ আগতকৈ এতিয়া কুৰি বছৰৰ 'ডেকা' বা 'সৰু'হৈ যোৱা বুলি প্ৰমাণ পোৱা গৈছে। মিঃ উডে আৰু কয় যে তেওঁ স্পেইন দেশক এনে ধৰণৰ অসাধাৰণ আৰু বিৰল প্ৰযুক্তি বিদ্যাত পৃথিৱীৰ ভিতৰত অগ্ৰগণী কৰি তোলাৰ উপৰি সকলোকে প্ৰমাণ দিব বিচাৰে যে তেওঁলোকে কোনো অপলাপ কৰা নাই বৰঞ্চ পৃথিৱীৰ জনগণহে বিজ্ঞানৰ এনেধৰণৰ অগ্ৰগতিৰ বিষয়ে অৱগত নহয় বা জানিবলৈ এতিয়াও সাজু হোৱা নাই। The Death of Death 4বা 'মৃত্যুৰ মৃত্যু' নামৰ কিতাপখন প্ৰথমে স্পেনিছ, ইংৰাজী, পৰ্তুগীজ আৰু কোৰিয়ান ভাষাত প্ৰকাশ পাব আৰু কিতাপ বিক্ৰী কৰি পোৱা সকলো ধন গৱেষণা পুঁজিলৈ যাব।

ফোন ঃ ৯৬৮-৯৯৬৭২৭৮১

### বিহালীত সাংবাদিকৰ নামত ধন সংগ্ৰহৰ কল ৰেকৰ্ডিং ভাইৰেল

# জাতীয় সংগঠনৰ নেতাৰ নাম সাঙোৰ ঃ তীব্ৰ প্ৰতিক্ৰিয়া বিহালীত



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ, ২৯ নৱেম্বৰ ঃ** ৰাজ্যত অব্যাহত আছে সহজে ধন ঘটা প্ৰক্ৰিয়া। ইতিমধ্যে একাংশ দল-সংগঠনৰ কঠোৰ সমালোচনা কৰিছে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই। বৰুৱাই একাংশ দল-সংগঠনক কঠোৰ সমালোচনা কৰাৰ লগতে বিধায়কগৰাকীয়ে কয়— আন্দোলনৰ নামত ধন ঘটা প্ৰক্ৰিয়া আৰু দোকান বন্ধ হোৱাৰ সময়ত। আন্দোলন নকৰিলে একাংশৰ পাকঘৰ নচলে বুলি মন্তব্য কৰে বৰুৱাই। ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো কঠোৰ সকীয়নি দিছে একাংশ দল-সংগঠনক। কোনো দল-সংগঠনৰ নেতাই ব্যৱসায়ী, প্ৰতিষ্ঠানৰ ব্যক্তি পৰা আন্দোলনৰ নামত ধন সংগ্ৰহ কৰিব নোৱাৰিব। প্ৰয়োজন হ'লে চৰকাৰে আৰ্থিক অনুদান দিব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কিন্তু মুখ্যমন্ত্ৰীৰ ঘোষণাৰ প্ৰতি কিমান গুৰুত্ব দিছে একাংশ দল-সংগঠনৰ নেতাই সেইটো গুৰুত্বপূৰ্ণ বিষয়। ইফালে শেহতীয়াকৈ বহু কেইজন ছাত্ৰ নেতাক ধন সংগ্ৰহৰ অভিযোগত আৰক্ষীয়ে আটক কৰা পৰিলক্ষিত হৈছে যদিও সংগঠনৰ নামত একাংশই অব্যাহত ৰাখিছে ধন ঘটা প্ৰক্ৰিয়া। শেহতীয়াকৈ বিশ্বনাথত এটা জাতীয় সংগঠনৰ এজন গুৰুত্বপূৰ্ণ দায়িত্বত থকা নেতাই সাংবাদিকক মেনেজ কৰিব লাগে বুলি ধন সংগ্ৰহত লিপ্ত থকা এক কথোপকথন বাৰ্তা সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। অৱশ্যে এনে সন্দৰ্ভত সংবাদ মাধ্যমত বিষয়টো প্ৰকাশ পাইছিল। আনহাতে, দেওবাৰে সম্পূৰ্ণ ঘটনাটো পোহৰলৈ আহে। সাংবাদিকক মেনেজ কৰিব লগা বুলি ভাইৰেল হোৱা অডিঅ'টোত সামাজিক মাধ্যমত বিয়পি পৰাৰ পিছতে তৎপৰ হয় বিহালীৰ একাংশ সাংবাদিক। সামাজিক মাধ্যমত প্ৰকাশ পোৱা অডিঅ'টোৰ তথ্য অনুসৰি বিশ্বনাথ জিলা অনুসূচিত জাতি যুৱ-ছাত্ৰ সন্থাৰ সভাপতি সিংহজিৎ হাজৰিকা বুলি দাবী কৰে একাংশ লোকে। স্পষ্টকৈ একাংশই সামাজিক মাধ্যমত প্ৰকাশ কৰিছে এই ৰেকৰ্ডিংটো প্ৰকৃতে সংগঠনটোৰ নেতা সিংহজিৎ হাজৰিকা বুলি। আনহাতে, অডিঅ'টোত প্ৰকাশ পোৱা কথোপকথনত স্পষ্টকৈ প্ৰকাশ পাইছে সংগঠনৰ নেতাগৰাকীয়ে এজন যুৱকক কৈছে সিহঁতৰ চাকৰি যাব, বহুত বহুত দৰমহা পাই সিহঁতে, খেলিমেলি হ'ব চাকৰি যাব। বহুত সাংবাদিক আহিব এতিয়া নিমিলিলে পিছত অসুবিধা হ'ব সিহঁতৰ। এইদৰে সংগঠনৰ নেতাজনে যুৱকজনৰ সৈতে আলোচনা কৰা কথা প্ৰকাশ পায়। নেতাগৰাকীয়ে কয়— সোনকালে মিলাব লাগে সিহঁতে সাংবাদিকৰ সংগঠনটো নেতাগৰাকীয়ে যুৱকজনৰ সৈতে কথোপকথন স্পষ্ট প্ৰকাশ পাইছে। সংগঠনৰ নেতাজনে কয়— যুৱকজনক ১০ নহ'ব ৩০ লাগিব সাংবাদিকক মেনেজ কৰিবলৈ। যদি সাংবাদিকে বাতৰি কৰি দিয়ে, সিহঁতৰ চাকৰি যাব। ইমান ইমান দৰমহা পাই সিহঁতে। বহুত সমস্যা হ'ব চাকৰি যাব পিছত মোক নক'বা। বুলি ভাবুকি দিয়ে যুৱকজনক। যুৱকজনে কয়— মই ছাবসকলৰ সৈতে কথা পাতি আপোনাক জনাম বুলি আছোঁ। আকৌ পুনৰ কয় যুৱকজনে— সাংবাদিকসকলক বুজাই দিব আপুনি। পুনৰ সংগঠনৰ নেতাজনে কয়— ১০ নহ'ব সিহঁতে ৩০ কৈ আছে। নহ'লে বাতৰি কৰিব দেই। তেতিয়া পুনৰ যুৱকজনে কয়— আপুনি মিলাব। ইফালে এই অডিঅ'টো ভাইৰেল হোৱাৰ পিছতে ইফালে লগে লগে বিহালীৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কোন সাংবাদিকক মেনেজ কৰিবলৈ এই দৰে এটা জাতীয় সংগঠনৰ নেতা জড়িত হ'ব পাৰে তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে একাংশ সচেতন মহলৰ লগতে সাংবাদিক মহলে। প্ৰকৃততে কোন সাংবাদিকৰ নামত ধনৰ লেনদেনৰ কথা আলোচনা কৰিছে সংগঠনৰ নেতাজনে তাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বিশ্বনাথ জিলাৰ সাংবাদিকৰ মাজত। আনহাতে, বিষয়টো লৈ বিহালী সাংবাদিক মহলৰ মাজতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শীঘ্ৰে এই বিষয়টো সন্দৰ্ভত দুই-এদিনৰ ভিতৰত উচিত তদন্ত দাবীৰে আইনৰ কাষ চাপিব বুলি প্ৰকাশ কৰে বিহালীৰ সংবাদ মহলে। এতিয়া প্ৰশ্ন হয়, এইজন নেতাই কোন সাংবাদিকক মেনেজ কৰিবলৈ ধন সংগ্ৰহৰ পৰিকল্পনা কৰিছে আৰক্ষীয়ে তদন্ত কৰিবলৈও দাবী জনাইছে বিহালী সংবাদ মহলে। প্ৰকৃত ঘটনা পোহৰলৈ অহাটো বিভিন্ন দল-সংগঠনে দাবী কৰিছে। ইফালে অডিঅ'টোৰ সন্দৰ্ভত বিহালীৰ কেইজনমান সাংবাদিকে নিজেই তদন্ত কৰি বিষয়টো আইনৰ কাষ চাপিব বুলি প্ৰকাশ কৰে। যিহেতু বিহালীৰ সকলো সাংবাদিকৰ বদনাম হৈ পৰিছে অডিঅ'টো ভাইৰেল হোৱাত। বাইজৰ মাজত স্পষ্ট কৰিবলৈ বিহালী সাংবাদিক মহলৰ দাবী জনাইছে সচেতন মহলে। ইফালে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ পিছতো সঘনাই এনে ধৰণ সংঘটিত হোৱাটো দুৰ্ভাগ্যজনক আখ্যা দিছে সচেতন মহলে। আনহাতে, বিষয়টো সংগঠনৰ দৃষ্টি গোচৰ কৰিবলৈ আহ্বান জনাইছে বিহালী সচেতন মহলে।



## টীয়কত ছমহীয়া মিছিং ভাষা প্ৰশিক্ষণ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৯ নৱেম্বৰ ঃ** টীয়ক জাতীয় বিদ্যালয়ত টীয়ক মিছিং বাংকে আগম কেবাঙৰ উদ্যোগত আয়োজিত ছমহীয়া মিছিং ভাষা প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ দ্বাৰ মুকলি কৰে টীয়ক জাতীয় বিদ্যালয় তথা জ্ঞানপীঠ একাডেমীৰ সঞ্চালক প্ৰদীপ চুটীয়াই। আঞ্চলিক সমিতিৰ সভাপতি দিলীপ কুমাৰ মিলিয়ে সভাপতিত্ব কৰা অনুষ্ঠানত উদ্বোধক ৰূপে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মিলেশ্বৰ পেগু আৰু অতিথিৰূপে টীয়ক জাতীয় বিদ্যালয়ৰ সচিব সৌৰভ বৰা, জাজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মণ্টু কুমাৰ বড়াই অংশগ্ৰহণ কৰি এনে প্ৰশিক্ষণৰ গুৰুত্ব আৰু এই পদক্ষেপৰ জৰিয়তে মিছিং ভাষা শিক্ষাই জনপ্ৰিয়তা লাভ কৰিব বুলি বক্তৃতা আগবঢ়াই উদ্যোক্তাসকলৰ পদক্ষেপৰ শলাগ লয়। আগম কেবাঙৰ টীয়ক অঞ্চলিকৰ প্ৰতিষ্ঠাপক সম্পাদক অৰ্ণেশ্বৰ টাই, প্ৰণৱ পায়েং, টীয়ক ডিক্ৰ কেবাঙৰ সভাপতি ধৰ্মেশ্বৰ মিলি, প্ৰতিষ্ঠাপক সভাপতি পীতাম্বৰ মিলি, সদস্য কাৰ্তিক পেগু আদিয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণত ৰবীন মিলি, ৰমাকান্ত টাই আৰু ললিত টায়ে প্ৰশিক্ষকৰূপে দায়িত্ব গ্ৰহণ কৰিছে।

## খৈৰাবাৰীত অচিনাকি লোকৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২৯ নৱেম্বৰ ঃ** প্ৰাপ্ত খবৰ অনুসৰি ওদালগুৰি জিলাৰ খৈৰাবাৰী থানা অন্তৰ্গত খৈৰাবাৰীৰ পৰা গোৰেশ্বৰলৈ যোৱা পথৰ মাজবৰ্গাৱত যোৱানিশা দুৰ্বিত্তই কোনো অচিন ব্যক্তিক ডিঙি কাটি হত্যা কৰি থৈ যোৱা অৱস্থাত আজি পুৱা স্থানীয় লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি মাজবৰ্গাৱৰ ভিডিপিৰ সহায়ত খৈৰাবাৰী আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত খৈৰাবাৰী আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃতদেহটো চিনাক্তকৰণ হোৱা নাই যদিও আনুমানিক ৩৫ বছৰীয়া যুৱক বুলি জানিব দি তদন্তপ্ৰক্ৰিয়া অব্যাহত ৰাখিছে।

## ক্ৰমান্বয়ে সক্ৰিয় হ'ব ধৰিছে ওদালগুৰি জিলা বিজেপিৰ সাংগঠনিক ভেটি

### ওদালগুৰিৰ বিজেপি সামাজিক মাধ্যমে প্ৰত্যেক মণ্ডলত গঠন কৰিছে সক্ৰিয় সমিতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৯ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ জিলা বিজেপিৰ সভাপতিৰ দায়িত্ব সুনীল কুমাৰ বসুমতাৰীৰ অৰ্পণ কৰাৰ পিছৰে পৰা ক্ৰমান্বয়ে সক্ৰিয় হ'বলৈ ধৰিছে ওদালগুৰি জিলা বিজেপিৰ সাংগঠনিক ভেটি। জিলা সভাপতি হিচাপে নিৰ্বাচিত বসুমতাৰীৰ নেতৃত্বত গঠন হোৱা জিলা সমিতিখনত জিলাখনৰ পৰা সক্ৰিয় দলীয় কাৰ্যকৰ্তাসকলক বিভিন্ন দায়িত্ব অৰ্পণ কৰা পৰিলক্ষিত হৈছে। ওদালগুৰি জিলা বিজেপি সমিতিখনত সাধাৰণ সম্পাদক হিচাপে জয়কান্ত শৰ্মা, বনেন্দ্ৰ দত্ত আৰু সম্পাদক হিচাপে ৬জন কাৰ্যকৰ্তা ক্ৰমে বিষ্ণুজ্যোতি বৰা, মানসী ডেকা, জৌচাং দৈমাৰী, বিনীতা কলিতা, জ্যোতিপ্ৰসাদ দাস, জোনমণি শইকীয়া, কোষাধ্যক্ষ কিশোৰ বায়ন, কাৰ্যালয় সম্পাদক প্ৰণৱ দাস, কাৰ্যালয় সহঃ সম্পাদক অনুপম শৰ্মা, উপ-সভাপতিৰ দায়িত্ব অৰ্পণ কৰিছে প্ৰাক্তন জিলা সাধাৰণ সম্পাদক অজয় কুমাৰ হাজৰিকা, বীৰ্যও বসুমতাৰীৰ লগতে জোষ্ঠ কৰ্মী তপন সৰকাৰ, পেমুই মহান্ত, বিক্ৰম বসুমতাৰী আৰু লক্ষ্মী মেধাতিকো উপ সভাপতি হিচাপে অন্তৰ্ভুক্তি কৰিছে। সংবাদ কোষত জয়ন্ত শৰ্মাক দায়িত্ব অৰ্পণ কৰিছে। আৰু ওদালগুৰি জিলাৰ অন্যতম সক্ৰিয় যুৱ নেতা কিশোৰ শৰ্মাক ওদালগুৰি জিলা বিজেপিৰ সামাজিক মাধ্যমৰ আহ্বায়ক হিচাপে দায়িত্ব অৰ্পণ কৰিছে। মাজবাটত অন্যতম অন্যতম পৰিচিত যুৱ নেতা কিশোৰ শৰ্মাই সামাজিক মাধ্যমৰ গুৰুদায়িত্ব পোৱা মাত্ৰেই ওদালগুৰি জিলা সামাজিক মাধ্যমৰ ২১জনীয়া জিলা সমিতি গঠন কৰি ইতিমধ্যে দায়িত্ব অৰ্পণ কৰিছে। যুৱ নেতা কিশোৰ শৰ্মাই জানিবলৈ দিয়া মতে সমগ্ৰ ওদালগুৰি জিলাৰ ১১খন মণ্ডলত বিজেপিৰ সামাজিক মাধ্যমৰ এক সুকীয়া সমিতি গঠন প্ৰক্ৰিয়া দ্ৰুতগতিত চলিছে। ইতিমধ্যে জিলাখনৰ অন্তৰ্গত প্ৰায়বোৰ মণ্ডলৰ পৰা সামাজিক মাধ্যমৰ শক্তিশালী টিম বাহিনীবোৰ গঠন কৰি থকা হৈছে। যিটো টিম বাহিনীয়ে দলৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাত যথেষ্ট ভূমিকা গ্ৰহণ কৰিব আৰু লগতে ওদালগুৰি জিলা বিজেপিৰ সাংগঠনিক ভেটি আগৰ তুলনাত আৰু অধিক শক্তিশালী হোৱাৰ পোষকতা কৰে মাজবাটত যুব নেতা বৰ্তমান জিলা সমিতিৰ বিষয়ববীয়া কিশোৰ শৰ্মাই। ওদালগুৰি জিলা বিজেপিৰ সামাজিক মাধ্যমৰ জিলা আহ্বায়ক তথা মুখপাত্ৰৰ দায়িত্বত তথা যুৱ নেতা কিশোৰ শৰ্মাই ওদালগুৰি জিলা সামাজিক মাধ্যমৰ ২১জনীয়া সমিতি গঠন কৰি ইতিমধ্যে সকলোকে দায়িত্ব অৰ্পণ কৰিছে। জিলা সভাপতিৰ নিৰ্দেশ মৰ্মে কিশোৰ শৰ্মাই গঠন কৰা জিলা সমিতিখনত জিলাৰ সামাজিক মাধ্যমৰ সহঃ আহ্বায়ক হিচাপে ক্ৰমে বীণা দেৱী, বিংকি বৰা, ৰঞ্জন ডেকাৰ লগতে জিলা সদস্য হিচাপে সমগ্ৰ জিলাৰ প্ৰত্যেক মণ্ডলৰ পৰা সক্ৰিয় কাৰ্যকৰ্তাসকলক লৈ মুঠ ২১জনীয়া সমিতি গঠন কৰা হৈছে। জিলাৰ সদস্য হিচাপে দায়িত্ব লাভ কৰাসকল ক্ৰমে কৌস্তভ হাজৰিকা, জগত ছেত্ৰী, অনুজ শৰ্মা, দিলীপ চৌহান, অমিতা ছেত্ৰী, স্মৰক ব্ৰহ্ম, কৃপাজ্যোতি কাকতি, বিশ্বজিত নেওগ, মিণ্টু বৰুৱা, বিংকু মোদক, মানস শৰ্মা, কণিকা ডেকা, নবীন শৰ্মা, বিজ' ছেত্ৰী, নিকুমণি বৰা আৰু অজয় চৌধুৰী আদি কাৰ্যকৰ্তাই।



## মৰিগাঁৱৰ কৃষ্ণামণি বৰাৰ্লৈ ব্ৰেণ্ড এম্বেছাদৰ খিতাপ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ নৱেম্বৰ ঃ** গুৱাহাটীৰ তীৰ্থনাথ অডিটৰিয়ামত বিগত ১৭ নৱেম্বৰত নাৰী শক্তি অসম আৰু মহিলা সুৰক্ষা সমিতি এই দুয়োটা বাষ্ট্ৰীয় সংস্থাৰ উদ্যোগত আৰু World Record of Universe আৰু India News 24 ৰ সহযোগত অনুষ্ঠিত হোৱা International Global Universe য়ে সৌন্দৰ্য প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ কৃষ্ণামণি বৰাক Brand Ambassador খিতাপ প্ৰদান কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল উদ্যোগী মহিলা, সামাজিক আৰু সাংস্কৃতিক কৰ্মী কল্যাণী কৌশিক, নাৰী শক্তি অসম নামৰ ৰাষ্ট্ৰীয় সংগঠনৰ ডাইৰেক্টৰ ড° নম্ৰতা শৰ্মা আৰু ৰেডিঅ' জ্ঞান তৰংগ অনুষ্ঠানৰ এংকৰ, DD1 টি ভি চেনেলৰ নিউজ এডিটৰ, মিছেছ ডিভা বিতু গগৈৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা অতিথিসকল। উল্লেখ্য যে কৃষ্ণামণি বৰাৰ এই সাফল্যত সমগ্ৰ মৰিগাঁওবাসী হৰ্ষিত উৎফুল্ল হৈছে।

## আলোপতি শান্তিপুৰত আবু বাহাৰ তাহফিজুল কোৰান মাদ্ৰাছাৰ ওৱাজ মেহফিলৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাৰবেৰা, ২৯ নৱেম্বৰ ঃ** দক্ষিণ বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত আলোপতি শান্তিপুৰত আবু বাহাৰ তাহফিজুল কোৰান মাদ্ৰাছাৰ সাহায্যাৰ্থে অনুষ্ঠিত ১৭সংখ্যক ধৰ্মীয় ওৱাজ মেহফিল সফলতাৰে সামৰণি পৰে। আবু বাহাৰ তাহফিজুল কোৰান মাদ্ৰাছাৰ পৰিচালনা সমিতিৰ সভাপতি আলহাজ আব্দুৰ কাদেৰৰ পৌৰোহিত্যত অনুষ্ঠিত ধৰ্মীয় ওৱাজ মেহফিলৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক জাহান উদ্দিন আহমেদে। উক্ত সভাত মুখ্য অতিথি হিচাপে ধুবুৰী বক্সিৰহাট কায়েম মাটি হাইস্কুলৰ আৰবী শিক্ষক মৌলনা আফছাৰ আলী শেখ, বিশিষ্ট অতিথি হিচাপে আলোপতিৰ ইকৰা নেচনেল একাডেমীৰ ব্যৱস্থাপক মুফতি ফাৰুক হাছান আল কাছিমি, আমন্ত্ৰিত অতিথি হিচাপে নগৰত শিমলীতোলা বজাৰ জামে মছজিদৰ ইমাম মৌলানা নুৰ হুছেইন, মুফতি মহিদুল ইছলাম লগতে অন্যান্য ধৰ্মীয় আলেম উলেমা উপস্থিত থাকে। উক্ত ধৰ্মীয় ওৱাজ মেহফিলত কেইবা শতাধিক ধৰ্মপ্ৰাণ ৰাইজৰ সমাগত হয়। আবু বাহাৰ তাহফিজুল কোৰান মাদ্ৰাছাৰ সাহায্যাৰ্থে অনুষ্ঠিত ধৰ্মীয় জলসাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি-সম্পাদক আবুবক্কৰ আৰু চিৰাজুল হকে ধৰ্মীয় জলসাত উপস্থিত হোৱা অতিথিৰ লগতে সমূহ ধৰ্মপ্ৰাণ ৰাইজৰ শলাগ লয়।

## ৰঙিয়াৰ জয়ন্তীপুৰত বিধ্বংসী অগ্নিকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ নৱেম্বৰ ঃ** দেওবাৰে সন্ধিয়া ৰঙিয়াৰ নিকটৱৰ্তী জয়ন্তীপুৰ চ'কত সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ড। ফলত সমগ্ৰ অঞ্চলজুৰি হুৱাদুৱাৰ লাগে। এই অগ্নিকাণ্ডৰ ফলত দুখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জাহ যায়। জানিব পৰা মতে প্ৰথমে জ্যোতিষ কলিতা নামৰ ব্যক্তি এগৰাকীৰ কাপোৰ আৰু চেনিনাৰী দোকানৰ পৰা বৈদ্যুতিক শৰ্ট চাৰ্কিটৰ ফলত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। কাষৰ চাইদুল ইছলামৰ মটৰ গেৰেজ এটাও জুইত জাহ যায়। এই অগ্নিকাণ্ডৰ ফলত প্ৰায় পাঁচ লাখ টকাৰ ক্ষয়-ক্ষতি হোৱা বুলি জনাই ভুক্তভোগীয়ে। বহু সময় ধৰি স্থানীয় ব্যক্তিসকলৰ তৎপৰতাত অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। আনহাতে, ৰঙিয়া অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী এঘণ্টা দেৰিকৈ উপস্থিত হোৱাত ৰাইজ ক্ষোভিত হয়।

## অধ্যাপক গোপীকানন্দ শইকীয়াৰ অভিনন্দন গ্ৰন্থ 'ৰ'দ অনা মানুহজন' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ২৯ নৱেম্বৰ ঃ** বোকাখাতৰ শিক্ষা, সমাজ, সাহিত্য আৰু সাংস্কৃতিক জীৱনক নিজৰ অপৰিসীম অৱদানেৰে সমৃদ্ধ কৰা জে ডি এছ জি মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক গোপীকানন্দ শইকীয়াৰ জীৱনক লৈ প্ৰস্তুত কৰা এখন অভিনন্দন গ্ৰন্থ দেওবাৰে বোকাখাতত উন্মোচন কৰা হয়। বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণৰ বাকৰিত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তিনিচুকীয়া কন্যা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম দুৱৰাই 'ৰ'দ অনা মানুহজন' নামৰ অভিনন্দন গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। আকৰ প্ৰকাশনৰ উদ্যোগত প্ৰকাশিত আৰু স্বত্বপূৰ্ণ দাসৰ দ্বাৰা সম্পাদিত এই গ্ৰন্থত অধ্যাপক গোপীকানন্দ শইকীয়াৰ জীৱনৰ বিভিন্ন তথ্যৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ব্যক্তিয়ে গোপীকানন্দ শইকীয়াক লৈ লিখা তথ্য সমৃদ্ধ লিখনি গ্ৰন্থখনত সন্নিবিষ্ট কৰা হৈছে। অনুষ্ঠানত বোকাখাতৰ বিভিন্ন দল সংগঠনে গোপীকানন্দ শইকীয়াক গামোচা, সৰুৰৈয়া জাপি, চেলেং চাদৰ, সঁফুৰা, মানপত্ৰ আৰু কিতাপেৰে টোপোলাৰে সম্বৰ্ধনা জনায়। বোকাখাতৰ যুৱক আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিষয়া ঋতুপৰ্ণ দাসে আঁত ধৰা অনুষ্ঠানত বিভিন্নজনে অধ্যাপক গোপীকানন্দ শইকীয়াৰ জীৱন আৰু ব্যক্তিত্বৰ ওপৰত আলোকপাত কৰি মন্তব্য প্ৰদান কৰে। অনুষ্ঠানত গোপীকানন্দ শইকীয়াৰ মাতৃ বিশিষ্ট সাহিত্যিক অন্নদা শইকীয়া, খুৰাক আলকুৰ প্ৰতিষ্ঠাপক সভাপতি ভৱেশ শইকীয়া, অসম বাজিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা বাজখোৱা, বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভৱানন্দ কলিতা, মহকুমা সাংবাদিক সন্থাৰ সভাপতি বুবুল দত্ত, ইলেক্ট্ৰনিক মিডিয়া জাৰ্নেলিষ্ট এছ'চিয়েচনৰ সম্পাদক প্ৰদ্যুৎ মহন্ত, জিলা তথ্য আৰু জনসংযোগ বিষয়া পম্পী দেৱী, পুৰণি সাহিত্য সভাৰ সভাপতি অপূৰ্ব বৰদলৈ, সন্ধানী লেখিকা সমাবেহ সমিতিৰ সুৰৱ্ব শইকীয়া বৰদলৈ, মৰিগাঁৱৰ বিশিষ্ট ব্যক্তি বাবুল বৰদলৈ, সমাজ সেৱক দেৱ প্ৰদীপ বৰা, জেডিএছজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত গগৈ, যুৱ নেতা আকাশ ফুকনৰ লগতে বিভিন্ন দল সংগঠনৰ প্ৰতিনিধি আৰু পৰিয়ালৰ সমূহ সদস্যই অংশগ্ৰহণ কৰে।

## মাজবাটত ১৯৩ কেজি ভাং জব্দ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৯ নৱেম্বৰ ঃ** মাজবাটৰ চিকাৰীডাংগা অঞ্চলৰ পৰা কালি মাজবাট আৰক্ষীয়ে এক গোপন খবৰৰ আলম লৈ মাজবাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জে পি শৰ্মা, এ এছ আই নয়নজ্যোতি গগৈ, লালপানী আৰক্ষী চকীৰ আৰক্ষী বিষয়া ৰাজীৱ গোহাঁইৰ লগত এটা দলে অভিযান চলায় অসম-অৰুণাচল সীমান্তৰ চিকাৰীডাংগা অঞ্চলৰ জংঘলত লুকাই ৰখা অৱস্থাত আৰক্ষীয়ে উদ্ধাৰ কৰে ভাংখিনি। ভাংখিনিৰ ওজন ১৯৩ কেজি বুলি আৰক্ষীয়ে সাংবাদিকক জানিবলৈ দি মাজবাট থানাত লৈ আনে। মাজবাট আৰক্ষীয়ে 124/21নম্বৰত এটা কেচ ৰজু কৰি তদন্ত অব্যাহত ৰাখিছে।

## ৰণদিয়া শতদল সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৯ নৱেম্বৰ ঃ** ৰণদিয়া (শতদল) সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে বিস্তৃত কাৰ্যসূচীৰে এখন সভা আয়োজন কৰা হয়। ৰঙিয়াৰ ঐতিহ্যমণ্ডিত হৰদত্ত বীৰদত্ত ভৱনত অনুষ্ঠিত সভাৰ আৰম্ভণিতে প্ৰয়াত সাহিত্যিক, গৱেষক পণ্ডিত মামণি ৰয়ছম গোস্বামীৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰি স্মৃতি তৰ্পণ কৰা হয়। সভাৰ লগত সংগতি ৰাখি মুখপত্ৰ ৰণদিয়া, বৰদীঘা পাৰৰ এমুঠি কবিতা, বৰদিবেলি হ'ল নামৰ তিনিখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত সভাত ৰাজিক বিজেপিৰ সভাপতি তথা স্থানীয় বিধায়ক ভবেশ কলিতা, অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱী, পদ্মশ্ৰী সূৰ্য হাজৰিকা, এমন্টনৰ অধ্যক্ষ দিনমণি ভাগুৰ কায়স্থ, সাহিত্য সভাৰ পত্ৰিকা সম্পাদক উপেন্দ্ৰজিৎ শৰ্মা, নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, যাদৱ চন্দ্ৰ শৰ্মা, পৰিচালক পংকজ পল্লৱ শৰ্মা, কবি উজ্জ্বল ডেকাসহ কেইবাগৰাকীও বিশিষ্ট সাহিত্যিক, শুভাকাংক্ষী উপস্থিত থাকে।



## ৰবী দত্ত লৈ কাব্যস্বৰ্ণ বঁটা



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৯ নৱেম্বৰ ঃ** সদৌ অসম সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান 'সাহিত্য সংস্কৃতি বৃহত্তৰ মঞ্চ, অসম'-এ টীয়কৰ কবি ৰবী দত্তলৈ আগবঢ়ালে ২০২১ বৰ্ষৰ "কাব্য স্বৰ্ণ বঁটা"। সাহিত্য আৰু কাব্য জগতলৈ আগবঢ়োৱা বহুমূলীয়া বৰঙণিৰ বাবে তেখেতলৈ এই সন্মানীয় বঁটা আগবঢ়োৱা হৈছে বুলি জানিব পৰা গৈছে। ২৮ নৱেম্বৰ তাৰিখে অসম সাহিত্য সভা ভৱনৰ, জয়ন্ত বৰুৱা 'সভাকক্ষ'ত 'সাহিত্য-সংস্কৃতি বৃহত্তৰ মঞ্চ,অসম'ৰ দি-বাৰ্ষিক অধিৱেশনত এই বঁটা প্ৰদান কৰা হয় যুগসন্ধানামূৰ্ণ কবিগৰাকীক। উল্লেখ্য যে সন্মানীয় সুবুধ চৌধুৰীদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত কবি ৰবী দত্তৰ লগতে অসমৰ আন চাৰিজন সাহিত্য সংস্কৃতিৰ সাধক ক্ৰমে বিশ্বনাথৰ ডাঃ অমল শইকীয়া, লখিমপুৰৰ মাণিক চন্দ্ৰ সোণোৱাল আৰু বৰপেটাৰ নগেন তালুকদাৰক 'সাহিত্য সংস্কৃতিৰ সান্নো বঁটা'ৰ লগতে নলবাৰীৰ ডাঃ ইকবাল আলী খানক 'কাব্য জ্যোতি বঁটা'ও প্ৰদান কৰা হয়। বৰ্তমান সময়ৰ সামাজিকভাৱে প্ৰতিষ্ঠিত কবি ৰবী দত্তই বহু কাব্য গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰি উলিয়াইছে। এই কাব্য গ্ৰন্থ সমূহৰ ভিতৰত ক্ৰমে শীতৰ হিমাদ্ৰি পুৱা,মাটিত পৃথিবীৰে মিঠা,ৰবী দত্তৰ লিমাৰিক,প্ৰণয়ৰ নুপুৰ ৰাগিনী,এটা মৌন প্ৰাৰ্থনা :ঈশ্বৰৰ কথা, হেঁপাহৰ ভৰুণ পৃথিৱী,মৰ-চেৰওৰা,এনেদৰেই জীয়াই থাকোঁ আনৰ সুখৰ বাবে,আৰু দ্বী-ভাষিক কাব্য গ্ৰ ন্থ(অসমীয়া আৰু ইংৰাজী ভাষাত) "LoveÊ.The Melodies of Anklet"কাব্য গ্ৰন্থই বিপুল জনপ্ৰিয়তা লাভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজকে কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰাবলৈ সক্ষম হোৱা ৰবী দত্তই নেপাল কাঠমাণ্ডুত অনুষ্ঠিত "আন্তঃৰাষ্ট্ৰীয় কবি সন্মিলন"তো অংশ গ্ৰহণ কৰিছিল,বিশেষ ভাৱে নিমন্ত্ৰণ লাভ কৰি। উল্লেখযোগ্য যে ৰবী দত্তৰ আৰু তিনিখন কাব্য গ্ৰন্থ অহা জানুৱাৰী মাহত উন্মোচনৰ বাবে সাজু হৈছে।

# 'অসম ৰত্ন' মামণি ৰয়ছম গোস্বামীৰ মৃত্যু তিথি উপলক্ষে গহপুৰত গীত মুক্তি



**দৈনন্দিন বাৰ্তাৰ সেৱা, হেলেম, ২৯ নৱেম্বৰ ঃ** ২০১১ চনৰ ২৯ নৱেম্বৰত মৃত্যুবৰণ কৰা সুলেখিকা, অসম ৰত্ন, জ্ঞানপীঠ বঁটা লাভ কৰা ড° মামণি ৰয়ছম গোস্বামীৰ দশম মৃত্যু তিথিত গীতেৰেই শ্ৰদ্ধাঞ্জলি জাপনৰ প্ৰয়াস কৰিলে গহপুৰৰ এগৰাকী সুগায়িকা ৰূপৰেখা বৰাই। এগৰাকী মহিলা নহয়, তেখেত নিজেই এটা অনুষ্ঠান। যাৰ বিষয়ে সমগ্ৰ অসম তথা ভাৰতবাসীয়ে ভালদৰেই জানে। জীৱিত কালত মামণি বাইদেউক ড° মামণি ৰয়ছম গোস্বামীক লৈ গহপুৰৰ এগৰাকী স্থানীয় সংবাদদাতা ৰমেন বৰাই লিখা 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, মামণি বাইদেউ আকৌ আহিবানে কোৱা' শীৰ্ষক গীতটো আনুষ্ঠানিকভাৱে মুকলি কৰে সাহিত্য তাকাদেমি বঁটাপ্ৰাপক, বিশিষ্ট কবি, সাহিত্যিক জ্ঞান পুজাৰীয়ে। এই উপলক্ষে আজি পুৱা প্ৰায় ৮ বজাত সাহিত্য অকাদেমি বঁটাপ্ৰাপক জ্ঞান পুজাৰীৰ দক্ষিণ কলাবাৰীস্থিত বাসগৃহত অনুষ্ঠিত গীত উন্মোচনী অনুষ্ঠানীয়া সভাখনৰ আঁত ধৰে অভিনেতা ৰুক্মসাগৰে। গীতটো উন্মোচন কৰি সাহিত্য অকাদেমি বঁটাপ্ৰাপক জ্ঞান পুজাৰীয়ে মামণি বাইদেউ সান্নিধ্যৰ কথা সুঁৱৰি নষ্টালজিক হৈ পৰা পৰিলক্ষিত হয়। তেখেতে কয় যে মামণি বাইদেউৰ বিষয়ে নতুনকৈ ক'ব লগা একো নাই। মামণি বাইদেউক সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দৰেই জনপ্ৰিয় আছিল বুলিও তেখেতে কয়। মামণি বাইদেউৰ দৰে এগৰাকী বিশিষ্ট সাহিত্যিক, উপন্যাসিকক লৈ গীত উলিওৱা কাৰ্যৰ শলাগ লয় জ্ঞান পুজাৰীয়ে। লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ 'ষ্টুডিঅ' সুন্দৰম'ত বাণীবদ্ধ কৰা উক্ত গীতটোৰ কণ্ঠশিল্পী ৰূপৰেখা বৰাৰ কণ্ঠৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, মামণি বাউদেউ আকৌ আহিবানে কোৱা' শীৰ্ষক গীতটো সুন্দৰ হৈছে বুলিও জ্ঞান পুজাৰীয়ে মন্তব্য প্ৰকাশ কৰে। গহপুৰৰ স্থানীয় সংবাদদাতা ৰমেন বৰাই লিখা উক্ত গীতটো সুৰেৰে সজাই ছে নাৰায়ণপুৰ নিবাসী আৰু সংগীত ব্যৱস্থাপনা কিছে যুৱ সংগীত শিল্পী হীৰকজ্যোতি বৰাই। গহপুৰ মহকুমাৰ বিভিন্ন স্থানৰ মমত আয়োজন কৰা সংস্কৃতিক অনুষ্ঠানত গীত পৰিবেশনেৰে ৰাইজৰ মাজত সমাদৰ লাভ কৰা মিকিৰবৰচাপৰিৰ এগৰাকী মহিলা তথা সু-গায়িকা ৰূপৰেখা বৰাই প্ৰথমবাৰৰ বাবে বিষয়ে গীতটোক লৈ যথেষ্ট আশাবাদী। ড° মামণি ৰয়ছম গোস্বামীৰ দশম মৃত্যু তিথিত মুক্তি দিয়া হাজৰিকা, কণ্ঠশিল্পী ৰূপৰেখা বৰাৰ লগতে গীতটোৰ উন্মোচনী সভাত দক্ষিণ কলাবাৰী কেই বাগৰাকী ব্যক্তি উপস্থিত থাকে। উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মামণি ৰয়ছম গোস্বামীৰ বাইদেউলৈ শ্ৰদ্ধা অধ্যক্ষ জয়া ভাগৱতী পুজাৰী, যুৱ সাংবাদিক নিৰেন কৰি উলিওৱা গীতটো শ্ৰোতা পলাশ ফুকন, গোৱেন্দ্ৰ নাৰ্জাৰী (ৰাজা), ৰাইজে আঁকোৱালি হ'ব বুলি আশা প্ৰকাশ ছয়দুৱাৰ উন্নয়ন খণ্ডৰ কৰ্মচাৰী সৌৰভ কৰিছে কণ্ঠশিল্পী ৰূপৰেখা বৰাই।



# সৰ্থেবাৰীত প্ৰাক্তন ছাত্ৰ সমাৰোহ

## গীত-মাত, স্মৃতি ৰোমন্থনেৰে জীপাল বাপুজী মহাবিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, চেঙা, ২৯ নৱেম্বৰ ঃ** গীত-মাত আৰু পুৰণি দিনৰ স্মৃতি ৰোমন্থনেৰে প্ৰাক্তন ছাত্ৰ সমাৰোহত জীপাল হৈ পৰিল সৰ্থেবাৰীৰ বাপুজী মহাবিদ্যালয়। নষ্টালজিক হৈ পৰিল দ্বিশতাধিক বাপুজীয়ান। উল্লেখ্য যে কালি অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ সমাৰোহত সৰুক্ষেত্ৰীৰ সৰ্থেবাৰীস্থিত বাপুজী মহাবিদ্যালয়ত ভিৰ কৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে। অনুষ্ঠানৰ প্ৰথমতে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰাক্তন ছাত্ৰ তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি গৌৰীকান্ত বৰ্মনে আৰু প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ পতাকা সন্মিলনীৰ প্ৰাক্তন সভাপতি ছত্ৰপতি তালুকদাৰে। শ্বহীদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সম্পাদক হৰমোহন বৰ্মনে। স্মৃতি তৰ্পণ কাৰ্যসূচী আৰম্ভ কৰে ছাত্ৰ সন্মিলনীৰ আন এগৰাকী প্ৰাক্তন সভাপতি অভয় বৰ্মনে। তাৰ পাছতে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জনায় ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সম্পাদক পৰেশ ভূঞাই। গছপুলি ৰোপণ কৰে প্ৰাক্তন ছাত্ৰ তথা মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° প্ৰভাত শৰ্মাই। এই অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ তথা গহিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সদানন্দ শইকীয়াও উপস্থিত থাকি গছপুলি ৰোপণ কৰে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সন্মিলন সঞ্চালনা কৰে উপাধ্যক্ষ প্ৰভাত শৰ্মাই। অধ্যক্ষ ড° ৰমেশ দাসে প্ৰীতি সন্মিলন উদ্বোধন কৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল মহাবিদ্যালয়খনৰ অপৰিহাৰ্য অংগ বুলি উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থকা প্ৰাক্তন ছাত্ৰ তথা সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ, প্ৰাক্তন ছাত্ৰ তথা সাংবাদিক হৰমোহন বৰ্মন, প্ৰাক্তন ছাত্ৰ অভয় বৰ্মনকে ধৰি কেইবাজনেও পুৰণি দিনৰ স্মৃতি ৰোমন্থন কৰে। বিভিন্নজনৰ গীত-মাত, কবিতা আৰু কথাৰে জীপাল হৈ পৰা অনুষ্ঠানটোত কেইবাগৰাকী অধ্যাপক আৰু অধ্যাপিকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিষয় বাছনি সভাত চিত্তৰঞ্জন বৰ্মনক সভাপতি আৰু নৱজিৎ তামুলী, গুণজিৎ চৌধুৰীক সম্পাদক হিচাপে লৈ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ নতুন সমিতিখন গঠন কৰা হয়। সভাত মহাবিদ্যালয়খনত বিজ্ঞান শাখা খোলা, শৈক্ষিক দিশ মজবুত কৰাকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠানৰ সামৰণি পৰে।

## জুৰেল আলীৰ বেদখলীকৃত পাহাৰপুৰ সংৰক্ষিত বনাঞ্চলৰ ভূমিত চলিব উচ্ছেদ অভিযান

# ১৫ দিনৰ সময় লেখাপানী আঞ্চলিক বন বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লেখাপানী, ২৯ নৱেম্বৰ ঃ** ডিগবৈ বন সমমণ্ডলৰ অধীনৰ লেখাপানী আঞ্চলিক বন বিভাগৰ অন্তৰ্গত পাহাৰপুৰ সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ১৬৬ হেক্টৰ বেদখলীকৃত ভূমিত উচ্ছেদ অভিযান চলোৱাৰ বাবে সাজু হৈছে বন বিভাগ। উক্ত বনাঞ্চলখনৰ এক বৃহত্তৰ ভূখণ্ডত মাৰ্ঘেৰিটাৰ জুৰেল আলী নামৰ ভূ-মাফিয়াগৰাকীয়ে ১৯৯২ চনতেই অবৈধভাৱে বেদখল কৰি চাহ বাগিচা স্থাপন কৰিছিল। সেই সময়ত বৰ্তমান জুৰেল আলী মালিকানাধীন পাহাৰপুৰৰ প্ৰায় ১৬৬ হেক্টৰ মাটিকালিৰ বৃহত্তৰ চাহ বাগিচাখন আছিল বহু ধৰণৰ মূল্যবান গছ-গছনি আৰু আপুৰুগীয়া জীৱ-জন্তুৰে ভৰি থকা এখন ঘন অৰণ্য। এনে এক সুন্দৰ প্ৰাকৃতিক পৰিবেশেৰে পৰিবেষ্টিত অৰণ্য কেৱল নিজৰ আত্মস্বাৰ্থৰ বাবেই এফালৰ পৰা ধ্বংস যজ্ঞ চলাই গৈছিল জুৰেল আলী নামৰ ভূ-মাফিয়াগৰাকীয়ে। সংৰক্ষিত বনাঞ্চলৰ মাটি আইনগতভাৱে কোনো লোকে বেদখল কৰাৰ বাবে বাধা আছে যদিও সেই সময়ত জুৰেল আলীয়ে সংৰক্ষিত বনাঞ্চলৰ ১৬৬ হেক্টৰৰ এক বৃহৎ ভূখণ্ডত কেনেদৰে অবৈধভাৱে বেদখল কৰাৰ সুবিধা লাভ কৰিছিল সেয়া কিন্তু এক ৰহস্যৰ বিষয় আৰু তদন্ত কৰাৰো অৱকাশ আছে। সেই সময়ত অৱশ্যে বন বিভাগৰ তৰফৰ পৰা জুৰেল আলীক জাননী জাৰি কৰি কেইবাবাৰো সেই ঠাইৰ পৰা উচ্ছেদ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও ধনবল আৰু বাহুবলৰ সহায়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা স্থগিতাদেশ আনিবলৈ সক্ষম হৈছিল জুৰেল আলীয়ে। উল্লেখ্য যে বিষয়টো হৈছে যে পাহাৰপুৰ অঞ্চলটো টিৰাপ ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ অন্তৰ্ভুক্ত হোৱাৰ পাছতো কেনেকৈ এজন অ-জনজাতীয় পুঁজিপতি ভূ-মাফিয়াই বেদখল কৰাৰ সুযোগ লাভ কৰিলে বুলি সেই সময়ত জনজাতীয় নেতা প্ৰসঙ্গ টোৰেঙে তীব্ৰ প্ৰত্যাহ্বান সৃষ্টি কৰিবলৈ সক্ষম হৈছিল জুৰেল আলীৰ সন্মুখত। অৱশ্যে পৰৱৰ্তী সময়ত জনজাতীয় নেতা প্ৰসঙ্গ টোৰেং আৰু তেওঁৰ পত্নীৰ ৰহস্যজনকভাৱে নিৰ্খোজ হোৱা বিষয়টো বিতৰ্কিত জুৰেল আলীৰ নাম সেই সময়ত সাঙোৰ খাই পৰাৰ কথা সৰ্বজনবিদিত। বৰ্তমান অসম চৰকাৰৰ সংৰক্ষিত বনাঞ্চলসমূহৰ বেদখলীকৃত ভূমিত যি উচ্ছেদ অভিযান চলাই থকা হৈছে তাতেই অংশস্বৰূপ পাহাৰপুৰ সংৰক্ষিত বনাঞ্চলতো উচ্ছেদ অভিযান আৰম্ভ কৰাৰ বাবে বন বিভাগে যি সিদ্ধান্ত গ্ৰহণ কৰিছে তাক লৈ অঞ্চলটোৰ সচেতন মহলে আদৰণি জনাইছে। ইতিমধ্যে এই সংক্ৰান্তত লেখাপানী আঞ্চলিক বন বিভাগৰ তৰফৰ চিঠি নং এল পি/৪৫/২০২১/৪৯৯-৫০০ নম্বৰৰ সৈতে ২৪/১১/২০২১ তাৰিখে ১৫ দিনৰ সময়সীমাৰে জুৰেল আলীক পাহাৰপুৰ সংৰক্ষিত বনাঞ্চলৰ বেদখলীকৃত ভূমি স্ব-ইচ্ছাৰে এৰি দি সেই স্থান ত্যাগ কৰিবলৈ জাননী জাৰি কৰিছে, অন্যথা ১৫ দিন অতিক্ৰম কৰাৰ পাছত যিকোনো সময়ত উচ্ছেদ অভিযান আৰম্ভ কৰা হ'ব বুলি জাননীত উল্লেখ কৰিছে। বন বিভাগৰ জাননী লাভ কৰাৰ লগে লগেই জুৰেল আলী পুনৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে।



# হাজোৰ কুলহাটী দুৰ্গা মণ্ডপত অনুষ্ঠিত উত্তৰ কামৰূপ জিলা বিজেপিৰ প্ৰশিক্ষণ শিবিৰৰ সামৰণি



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৯ নৱেম্বৰ ঃ** হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত কুলহাটী দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত বিজেপি উত্তৰ কামৰূপ জিলাৰ প্ৰশিক্ষণ শিবিৰৰ আজি সফল সামৰণি পৰে। উত্তৰ কামৰূপ জিলাৰ সভাপতি নন্দন তালুকদাৰে পতাকা উত্তোলনেৰে আৰম্ভ হোৱা প্ৰশিক্ষণ শিবিৰৰ আজি সফল সামৰণি পৰে। তিনিদিনীয়াকৈ অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত হাজো, কমলপুৰ, ৰঙিয়া বিধানসভা সমষ্টিৰ প্ৰায় পাঁচ শতাধিক দলীয় কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰা অনুষ্ঠানত অসম ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, সাংগঠনিক সম্পাদক ফণিন্দ্ৰ নাথ শৰ্মা, মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, ৰাজ্যিক সাধাৰণ সম্পাদক দীপুৰঞ্জন শৰ্মা, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, উত্তৰ কামৰূপ জিলাৰ প্ৰভাৰী পৱিত্ৰ মাৰ্ঘেৰিটা, গুৱাহাটী লোকসভাৰ সাংসদ কুইন ওজা, ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনৰ লগতে কেইবাগৰাকী ৰাজ্যিক বিষয়ববীয়াই মাৰ্গদৰ্শন কৰে। লগতে সামৰণী সত্ৰত শলাগৰ শৰাই যাচে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। ৩নং পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্য বিপুল দাসে অনুষ্ঠানৰ আঁত ধৰা প্ৰশিক্ষণমূলক কাৰ্যসূচীত সক্ৰিয় ৰূপত উপস্থিত হাজো মণ্ডলৰ সভাপতি ভূপেন কলিতা, উত্তৰ হাজো মণ্ডলৰ সভাপতি তিলক শৰ্মা, বিজেপি নেতা বিষ্ণু প্ৰসাদ পাঠক, নগেন মালাকাৰ, মৃণাল কলিতা, গৌতম কলিতা, ৰমেশ কলিতা ( সৰু), মিলন ঠাকুৰীয়া, মনোজ দাস, মহেশ্বৰ দাস, জেহেৰুল হক (ছাদ্দাম), ভাস্কৰ ভৰালী, ইনতাজুৰ ৰহমান, সঞ্জীৱ শৰ্মা, মণ্টু দাস, পংকজ দাস পংকু, মনছুব আলী, আজম আলী, অৰূপ কাকতিকে প্ৰমুখ্য কৰি প্ৰায়সংখ্যক বিশিষ্ট ব্যক্তি।

## ফেচবুক নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেণ্ট ক্লাবৰ অনলাইন কবিতা প্ৰতিযোগিতাৰ ফলাফল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ নৱেম্বৰ ঃ** জনপ্ৰিয় ফেচবুক গ্ৰুপ নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেণ্ট ক্লাবৰ উদ্যোগত ২৯ অক্টোবৰ ২০২১ৰ পৰা ৪ নৱেম্বৰ ২০২১লৈকে ৰঞ্জিতা দাস আৰু তেওঁৰ স্বামী ধৰ্মানন্দ ঠাকুৰীয়াৰ দুয়োৰে বিবাহ বাৰ্ষিকী উপলক্ষে আয়োজন কৰা সদৌ অসম ভিত্তিত অনলাইন স্ব-ৰচিত কবিতা প্ৰতিযোগিতাখনৰ ফলাফল ২৬ নৱেম্বৰ তাৰিখে সন্ধিয়া ৭ বজাত ফেচবুক লাইভযোগে ঘোষণা কৰে গুৱাহাটীৰ বহু প্ৰতিভাৰ অধিকাৰী, ৰেডিঅ' জ্ঞান তৰংগৰ এংকৰ, দূৰদৰ্শনৰ এংকৰ, ডি ডি নিউজৰ নিউজ এডিটৰ, মিছেছ ডিভা-২০১৬ উইনাৰ, গল্পকাৰ, প্ৰবন্ধকাৰ, সাংবাদিক, ফেশ্বন মডেল তথা নন্দিনীৰ নিয়মীয়া লেখিকা ড° ৰিতু গগৈয়ে। প্ৰায়ে ৩০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ পৰা বিচাৰকৰ বিচাৰত নিৰ্বাচিত হোৱা বিজয়ী প্ৰতিযোগীসকল হৈছে প্ৰথম- ৰশ্মি শৰ্মা বৰঠাকুৰ (কথা কোৱা শকুন্তলা) দ্বিতীয়- লিলি বৈশ্য (আপোনালোক কবি বাবেই আমি পাঠক), তৃতীয়- গৌতম গগৈ (শৰতৰ পূৰ্ণিমা)। তদুপৰি বিচাৰকৰ দৃষ্টিত বিশেষ স্থান পোৱা ১৫গৰাকী কবি হৈছে— ১ম বন্তি সন্দিকৈ (পিতাইৰ পথাৰখন), ২য় অৰ্পণা হাজৰিকা তামুলী (ৰ'দৰ ৰ'দত), ৩য় মনালিছা শইকীয়া ( মুখা), ৪ৰ্থ দুলাল দত্ত (বৃদ্ধাশ্ৰমৰ পৰা মই দেউতাই কৈছোঁ), ৫ম ছৈয়দা আঞ্জুম আৰা হুছেইন (কংক্ৰিট), ষষ্ঠ- হিমাজ্যোতি তালুকদাৰ (সকলো এদিন বুৰঞ্জী হ'ব), ৭ম বৰষা ডেকা (সত্যক বিচাৰি আমি আন্দোলন কৰোঁ), ৮ম ৰিতু মহন্ত (অনুভৱ), ৯ম অমৰজ্যোতি ঘোষ (আশা), ১০ম দেৱযানী পাঠক শৰ্মা (সমন্ধ), ১১শ তৃপ্তি দেৱী হাজৰিকা (মধুৰ নিশা), ১২শ প্ৰিয়ংকা দেৱী (আমি চহকী মানুহ), ১৩শ টিটন বৰুৱা (মোৰ স'তে এবাৰ তুমি), ১৪শ মধুস্মিতা শৰ্মা ( কৃষক ), ১৫শ গৌৰিত গগৈ (মাটি)। অংশগ্ৰহণ কৰা সকলো প্ৰতিযোগীকে এডমিন পিণ্টু বৰা, মুখ্য সম্পাদক ৰশ্মিৰেখা কাশ্যপৰ লগতে সমূহ প্ৰশাসক মণ্ডলীৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জনাইছে আৰু আগলৈও এনেদৰে সহযোগিতা পোৱাৰ আশা কৰিছে।

## মৰিগাঁৱৰ ৰিংকু মেধিলৈ উদ্যোগ ৰত্ন ৰাষ্ট্ৰীয় সন্মান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ নৱেম্বৰ ঃ** গুৱাহাটীৰ তীৰ্থনাথ অডিটৰিয়ামত ১৭ নৱেম্বৰত নাৰী শক্তি অসম আৰু মহিলা সুৰক্ষা সমিতি এই দুয়োটা ৰাষ্ট্ৰীয় সংস্থাৰ উদ্যোগত আৰু World Record of Universe আৰু India News 24 ৰ সহযোগত অনুষ্ঠিত হোৱা International Global Universe অনুষ্ঠানত মৰিগাঁও জিলাৰ উদ্যোগী মহিলা ৰিংকু মেধিক 'উদ্যোগ ৰত্ন' ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল উদ্যোগী মহিলা, সামাজিক আৰু সাংস্কৃতিক কৰ্মী ৰুণামণি কৌশিক, নাৰী শক্তি অসম নামৰ ৰাষ্ট্ৰীয় অনুষ্ঠানৰ ডাইৰেক্টৰ ড° নম্ৰতা শৰ্মা, ৰেডিঅ' জ্ঞান তৰংগ অনুষ্ঠানৰ এংকৰ, DD1 টি ভি চেনেলৰ নিউজ এডিটৰ ৰীতু গগৈৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অতিথিসকল। উল্লেখ্য যে ৰিংকু মেধিৰ এই সাফল্যত সমগ্ৰ মৰিগাঁওবাসী ৰাইজ উৎফুল্ল হৈছে।





## মাজবাট মহাবিদ্যালয়ত নৱাগত আদৰণী সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৯ নৱেম্বৰ ঃ** সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি চলি ২৭ নৱেম্বৰত মাজবাট মহাবিদ্যালয় খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে নৱাগত আদৰণী সভাখন অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° প্ৰদীপ কুমাৰ শৰ্মাই। ইয়াৰ পিছত স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন কৰা হয়। উক্ত কাৰ্যসূচীত যোগদান কৰে সহকাৰী অধ্যাপক মিনতি পাটোৱাৰী, ড° গীতা লহকৰ, গোপাল দাহাল আৰু ড° নৰ্মদা নাথে। ইয়াৰ পিছত মুকলি মঞ্চত শ্ৰেষ্ঠ নৱাগত আৰু শ্ৰেষ্ঠ নৱাগত পাৰদৰ্শিতাৰ ওপৰত নিৰ্ভৰ কৰি বিচাৰ কৰা হয়। এইবছৰৰ শ্ৰেষ্ঠ নৱাগত সন্মান জ'ন হেমৰম আৰু শ্ৰেষ্ঠা নৱাগতা হিচাপে স্নাতক প্ৰথম বাৰ্ষিকৰ শ্ৰাৱণী শিৰম বিবেচিত হয়। দিনৰ ১২ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত সভাপতিৰ ভাৰ গ্ৰহণ কৰে অধ্যক্ষ ড° প্ৰদীপ কুমাৰ শৰ্মাই। নৱাগত আদৰণী সভাত ছাত্ৰ একতা সভাৰ উপ-সভাপতি বিপুল বসুমতাৰী। মুখ্য অতিথিৰ ভাষণ আগবঢ়ায় প্ৰাক্তন জিতু কিষাণে। নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় নিখিল বড়ো ছাত্ৰ সন্থাৰ উপ-সভাপতি খৌৰমদাও ওৱাৰীয়ে। দুয়োগৰাকী বক্তাই ছাত্ৰ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণামূলক আৰু কেৰিয়াৰ সম্পৰ্কে বহু মূল্যৱান বক্তব্য আগবঢ়ায়। সভাত শলাগৰ শৰাই আগবঢ়ায় সাধাৰণ সম্পাদক মিনিসৰাং নাৰ্জাৰীয়ে। মুকলি সভাত মাজবট অঞ্চলৰ বিভিন্ন ছাত্ৰ সংগঠনৰ সভাপতি সম্পাদকসকলো উপস্থিত থাকে। মুকলি সভাৰ পিছত ছাত্ৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া নৃত্য প্ৰদৰ্শন কৰে। আবেলি ৪ বজাৰ লগে লগে নৱাগত আদৰণী সভাৰ সামৰি পৰে।

## ওৰাং কলাগুৰু বিষ্ণু ৰাভা মহাবিদ্যালয়ত আটছাৰ প্ৰাথমিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৯ নৱেম্বৰ ঃ** ২৭ নৱেম্বৰ শনিবাৰে ওৰাং কলাগুৰু বিষ্ণু ৰাভা মহাবিদ্যালয়ত আটছাৰ প্ৰাথমিক সমিতি গঠন কৰা হয়। প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত প্ৰাথমিক সমিতি গঠন কৰাৰ পিছতেই সাংগঠনিক দিশত আলোকপাত কৰাৰ লগতে বিস্তৃতভাৱে আলোচনা-পৰ্যালোচনা কৰা হয়। উক্ত সভাত সভাপতিত্ব কৰে আটছাৰ ওদালগুৰি জিলা সমিতিৰ উপ-সভাপতি মণিৰাম মাহাতোৱে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আটছাৰ মাজবাট শাখাৰ সম্পাদক দেৱহৰি মাহাতোৱে। ওৰাং কলাগুৰু বিষ্ণু ৰাভা মহাবিদ্যালয়ৰ আটছাৰ প্ৰাথমিক সমিতিৰ সভাপতি হিচাপে লোহিত মাহাতো আৰু সম্পাদিকা হিচাপে ৰীতা মাহাতোক নিৰ্বাচিত কৰি মুঠ ২১জনীয়া কাৰ্যকৰী সমিতি গঠন কৰা হয়।

## সদৌ অসম ছাত্ৰ সন্থাৰ অভিনন্দন জ্ঞান বিকাশ একাডেমীৰ কৃতীমান ছাত্ৰী লুনামণি নাথক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৯ নৱেম্বৰ ঃ** উচ্চতৰ মাধ্যমিক (কলা, বাণিজ্য, বিজ্ঞান) চূড়ান্ত পৰীক্ষাত বিশেষ মূল্যায়ন ব্যৱস্থাৰে সদ্যঘোষিত ২০২১ বৰ্ষৰ ফলাফলত শীৰ্ষ এশগৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত দৰং জিলাৰ মঙলদৈ জ্ঞান বিকাশ একাডেমীৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কৃতীমান ছাত্ৰী লুনামণি নাথক সদৌ অসম ছাত্ৰ সন্থাৰ দৰং জিলা ছাত্ৰ সন্থাৰ নেতৃত্বই ছাত্ৰীগৰাকীৰ নিজ শিক্ষানুষ্ঠানত উপস্থিত হৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। লগতে শিক্ষানুষ্ঠান খনৰ মুৰব্বী তথা জ্ঞান বিকাশ একাডেমীৰ অধ্যক্ষ কুশল কলিতাকো সম্বৰ্ধনা জ্ঞাপন কৰে ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠানৰ অভিনন্দন জ্ঞাপন কৰা কাৰ্যসূচীত উপস্থিত থাকি অভিনন্দন জ্ঞাপন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সত্যৰঞ্জন ডেকা, সহকাৰী সাধাৰণ সম্পাদক ত্ৰিদিৱ ডেকা, মঙলদৈ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি ডেকা, আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ সভাপতি অজয় শইকীয়া, সাধাৰণ সম্পাদক চাহিল চৌধুৰী, নগৰবাহী শাখা ছাত্ৰ সন্থাৰ সভাপতি খুৰছিদ আলমৰ লগতে জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ বিষয়ববীয়া উপস্থিত থাকি বিদ্যালয়ত গৈ কৃতী ছাত্ৰ আৰু শিক্ষাগুৰুক অভিনন্দন জ্ঞাপন কৰে। ক'ভিড-১৯ৰ পৰিস্থিতিৰ বাবে কৃতী ছাত্ৰ আৰু শিক্ষানুষ্ঠানৰ শিক্ষাগুৰুলৈ নিজ নিজ বিদ্যালয় আৰু নিজ গৃহত গৈ এই কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল সদৌ অসম ছাত্ৰ সন্থাই। আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সদৌ দৰং জিলা ছাত্ৰ সন্থাই এই কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ এইবাৰ ১০০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীৰ বাছনি তালিকাত দৰং জিলাৰ ৯গৰাকী ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিবলৈ সক্ষম হয়। আজি আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ অন্তৰ্গত এগৰাকী ছাত্ৰ আৰু আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ অন্তৰ্গত কৃতী ছাত্ৰীগৰাকীৰ নিজ বিদ্যালয়ত গৈ অভিনন্দন জ্ঞাপন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বই।



## হাজোবাসীৰ উন্নয়নৰ স্বাৰ্থত বিধায়িকা সুমন হৰিপ্ৰীয়াৰ অৰিহণা অপৰিসীম ঃ মহম্মদ ইনতাজুৰ ৰহমান

## বিধায়িকাৰ প্ৰশংসাত পঞ্চমুখ বিজেপিৰ যুৱ কৰ্মীগৰাকী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ নৱেম্বৰ ঃ** হাজোবাসীৰ উন্নয়নৰ স্বাৰ্থত বিধায়িকা সুমন হৰিপ্ৰীয়াৰ অৰিহণা অপৰিসীম, অতুলনীয়। এই ভাষ্য দামপুৰ নিবাসী বিজেপিৰ যুৱকৰ্মী মহম্মদ ইনতাজুৰ ৰহমানৰ। হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত কুলহাটী দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰত অংশ লৈ এই প্ৰশংসামূলক ভাষ্য প্ৰদান কৰে বিজেপিৰ যুৱনেতা ইনতাজুৰ ৰহমানে। এগৰাকী সফল বিধায়িকাৰূপে অন্যতম সুমন হৰিপ্ৰীয়া। এখন দুৰ্নীতিমুক্ত নিকা সমাজ গঢ় দিয়াৰ ক্ষেত্ৰতো বিধায়িকা সুমন হৰিপ্ৰীয়াৰ অৰিহণা সদায়েই অতুলনীয় বুলিও উল্লেখ কৰে বিজেপি নেতা ইনতাজুৰ ৰহমানে। তদুপৰি এনেদৰে প্ৰশিক্ষণ শিবিৰ আয়োজন কৰি বিজেপিৰ দলীয় নীতি-আদৰ্শ সবল ৰূপত দাঙি ধৰাৰ বাবে দলীয় কৰ্ম-কৰ্তাসকলক অৱগত কৰাৰ লগতে বিজেপিৰ কৰ্মকৰ্তা, দলীয় নেতা, অইন বিষয়ববীয়া সকলোৰে শৃংখলাবদ্ধ আদৰ্শ বজাই ৰাখি দলটোক সবল ৰূপত আগবঢ়াই নিয়াৰ প্ৰচেষ্টা চলোৱা কাৰ্যকো শলাগ লয় বিজেপিৰ যুৱ নেতা ইনতাজুৰ ৰহমানে। লগতে অনাগত দিনতো বিজেপিৰ দলীয় ভেটি শক্তিশালী কৰাৰ স্বাৰ্থত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি বিজেপি দলৰ হৈ কাম কৰি যাব বুলিওঁ উল্লেখ কৰে বিজেপিৰ যুৱনেতা ইনতাজুৰ ৰহমানে।

# ড্ৰেগন ফলৰ খেতিৰে স্বাৱলম্বী গেৰুৱাৰ ৰঞ্জন ব্ৰহ্ম

## ডেৰ বিঘা মাটিৰ খেতিত বছৰি ৫ৰ পৰা ১০ লাখ টকা উপাৰ্জন




**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৯ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ গেৰুৱা অঞ্চলৰ ড্ৰেগন ফলৰ খেতিৰ বাটকটীয়া চন্দন দৈমাৰীৰ হাতত ধৰি আগবাঢ়িছে ৰঞ্জন ব্ৰহ্ম। তুলনামূলকভাৱে অন্যান্য খেতিতকৈ ড্ৰেগন ফলৰ খেতিত লাভ হোৱাত ই এক লাভজনক খেতিৰ জৰিয়তে বছৰত পাঁচ লাখ টকা বিক্ৰী হয়। এই ফলৰ বজাৰ মূল্য প্ৰতি খেতি ৰূপে কৃষক সমাজত সমাদৰ লাভ কৰিছে। গেৰুৱাৰে বাসিন্দা ৰঞ্জন দৈমাৰীয়ে মাত্ৰ ডেৰ বিঘা মাটিত তিনি বছৰ পূৰ্বে সামান্য মূলধনেৰে আৰম্ভ কৰা ড্ৰোগন ফলৰ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। নিবনুৱা বুলি হায়ে-বিয়ে নকৰি, চাকৰিৰ পিছত নদৌৰি দৈমাৰীয়ে ভাতৃ চন্দন দৈমাৰীৰ পথেৰে ড্ৰোগন ফলৰ খেতিত মনোনিৱেশ কৰে। তেওঁ সাংবাদিকৰ আগত কয়— মোৰ সৰুৰে পৰাই খেতি-বাতি কৰাত বৰ আগ্ৰহ আছিল। প্ৰথম পৰ্যায়ত বগৰী খেতিত মনোনিৱেশ কৰো যদিও কৃষি ব্যৱসায় সূত্ৰে পশ্চিমবংগৰ এগৰাকী বাঙালী লোকৰে পৰিচয় হয়। তেৱেঁই মোক এই ড্ৰেগন খেতিৰ বাবে দিহা দিয়ে আৰু যাৱতীয় পৰামৰ্শ আগবঢ়ায়। চন্দন দাদাৰ পৰাও সহায়-সহযোগিতা পাইছো। তেওঁৰ পৰামৰ্শ মতে মই ২০১৮ চনৰ পৰা ডেৰ বিঘা মাটিত ড্ৰেগন ফলৰ খেতি আৰম্ভ কৰো। এই ফলৰ বজাৰৰ বাবেও হাবাথুৰি খাব লগা হোৱা নাই। ওচৰৰে ওদালগুৰি টাউন, ৰৌতাতে এই ফল কেজিত ৩৫০/৪০০ টকা যদিও এই ফাৰ্মৰ পৰা ২৫০ টকা দৰত মানুহে ক্ৰয় কৰে। এই ফল অতি উৎকৃষ্ট। আইৰণ, চি ভিটামিন, প্ৰ'টিন, মেগনেছিয়ামৰ পৰা আৰম্ভ কৰি আমাৰ শৰীৰৰ বাবে প্ৰয়োজনীয় প্ৰায়বোৰ মিনাৰেলেৰে পৰিপূৰ্ণ এই ফল। এই খেতি সম্পূৰ্ণ প্ৰাকৃতিক উপায়েৰে কৰা হয়। গোবৰেই একমাত্ৰ ইয়াৰ সাৰ। এই খেতি কৰাও সহজ। মই অকলে এই ডেৰ বিঘা মাটিত খেতি কৰিছো। অন্য খেতিত মানুহ বেছি লাগে, শ্ৰমিক লাগে। এই খেতিৰ বাবে যাৱতীয় খৰচ কম কিন্তু লাভ বেছি। অসমৰ নিবনুৱা যুৱক-যুৱতীসকলে চাকৰিৰ বাবে হাবাথুৰি খাই থকাৰ কোনো দৰকাৰ নাই।

# টীয়ক শাখা সাহিত্য সভাৰ উদ্যোগত প্ৰয়াত চিদানন্দ বৰুৱা স্মাৰক গ্ৰন্থ উন্মোচন

## তিনিজন বিশিষ্ট ব্যক্তিক বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৯ নৱেম্বৰ ঃ** যোৰহাট জিলাৰ টীয়ক শাখা সাহিত্য সভাৰ উদ্যোগত আজি টীয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত চিদানন্দ বৰুৱাৰ স্মৃতিত 'জীৱন আৰু শিক্ষাৰ বাটেৰে' নামৰ এখন স্মাৰক গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি তিনিজন বিশিষ্ট ব্যক্তিক বঁটা প্ৰদান কৰে। টীয়ক শাখা সাহিত্য সভাৰ সভাপতি হেমচন্দ্ৰ হাজৰিকাই সভাপতিত্ব কৰা অনুষ্ঠানৰ আঁত ধৰে টীয়ক শাখা সাহিত্য সভাৰ সম্পাদক প্ৰশীল কুমাৰ বৰাই। সভাৰ আৰম্ভণিতে কবি সনন্ত তাঁতীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰে। বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে টীয়কৰ জ্যেষ্ঠ চিকিৎসক মুখ্যেশ্বৰ বৰা আৰু চিদানন্দ বৰুৱাৰ সহধৰ্মিণী মিনতি বৰুৱাই। 'জীৱন আৰু শিক্ষাৰ বাটেৰে' নামৰ স্মাৰক গ্ৰন্থখন উন্মোচন কৰে টিংখং মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° যতীন কোঁৱৰে। কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অৰুণ চন্দ্ৰ শইকীয়াৰ উদ্বোধনী ভাষণেৰে আৰম্ভ হোৱা সভাত যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ড° ৰাতুল চন্দ্ৰ বৰা, চৰকাৰী পেঞ্চনপ্ৰাপক সাংবাদিক ললিত বৰা, সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতিৰ সভাপতি তথা দৈনিক অগ্ৰদূত কাকতৰ যোৰহাটৰ জ্যেষ্ঠ সাংবাদিক যোগেশ ওজা, টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ ৰাজু কুমাৰ শইকীয়া সভাত উপস্থিত থাকি সাৰুৱা বক্তব্য আগবঢ়ায়। উক্ত সভাতেই টীয়ক শাখা সাহিত্য সভাই এই বৰ্ষৰ বাবে বিশিষ্ট চিত্ৰশিল্পী তথা অধ্যাপক ড° ভাৰত বৰাক প্ৰজ্ঞা সাধনা বঁটা, মুদৈজান শ্ৰীশ্ৰীকমলাবাৰী শাখা সত্ৰৰ বৰবায়ন তথা সাংবাদিক দিলীপ ভূঞাক সংগীত সাধনা বঁটা আৰু টীয়কৰ বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী ৰাম অৱতাৰ বিহানীক সমাজ সেৱা বঁটা প্ৰদান কৰে।

# শিল্পী পেঞ্চনৰ পৰা আজিও বঞ্চিত অনন্ত হাজৰিকা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২৯ নৱেম্বৰ ঃ** অসমীয়া লোক-কলা সংস্কৃতিৰ ক্ষেত্ৰখন চহকী কৰি তোলা এজন আজন্ম শিল্পী হ'ল নগাঁও জিলাৰ বেবেজীয়া নিবাসী তথা শংকৰী কলা-কৃষ্টিৰ সাধক অনন্ত হাজৰিকা। জীৱনৰ তিনিকুৰি যোল্লটা বসন্তই (৭৬) শংকৰী কলা-কৃষ্টিৰ সাধনাত ব্যস্ত থকা সাধক অনন্ত হাজৰিকাই শৈশৱৰ পৰাই কৰি আহিছে সংস্কৃতিৰ চৰ্চা। সত্ৰীয়া পৰিৱেশত শৈশৱৰ পৰাই সংস্কৃতিৰ মোহত পৰি গুৰু দুজনাৰ বৰগীত চৰ্চাৰ পৰা অংকীয়া ভাওনাৰ শৈলী, লোকগীত, নামাচাৰ্য, খোলবাদনকে ধৰি কৃষ্টিৰ পথাৰত স্ব-প্ৰতিভা প্ৰকাশ কৰি আহিছে। কৃষ্টিৰ মোহনাত সপ্তসুৰৰ ঝংকাৰে উদ্ভাসিত নগাঁৱৰ শিল্পী অনন্ত হাজৰিকাই সত্ৰীয়া কৃষ্টিৰ পৰা আধুনিক শৈলীলৈকে সকলোতে পাৰদৰ্শিতা আৰু নিপুণতাৰ পৰিচয় দিয়া এইজনা শিল্পীয়ে অবিভক্ত নগাঁও জিলাত অংকীয়া ভাওনাত সূত্ৰধাৰ নৃত্যকে ধৰি বিভিন্ন অভিনয়ৰ স্বাক্ষৰ বহন কৰি ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, বেবেজীয়া গাঁৱত শ্ৰীকৃষ্ণৰ কেলিগোপাল নাটক অনন্ত হাজৰিকাৰ নিজা উদ্যোগতে আৰম্ভ হৈ আজিও অব্যাহত আছে। স্মৰ্তব্য যে, কৈশোৰ অৱস্থাতে ৰাম বিজয় ভাওনাত অভিনয়ৰ প্ৰথম পাতনি মেলা অনন্ত হাজৰিকাই বিভিন্ন সময়ত হৰিচন্দ্ৰ-উপাখ্যান, সাৱিত্ৰী- সত্যৱান, নল-দময়ন্তী, দুৰ্যোধনৰ-উৰুভংগ,শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, কুৰুক্ষেত্ৰ-সমৰ, দক্ষ্যযজ্ঞ, লক্ষ্মণ-বৰ্জন, সীতাৰ বনবাস, ঊৰ্বশী উদ্ধাৰ, মায়া-চন্দনকে আদি কৰি দুকুৰিৰো অধিক অংকীয়া ভাওনাকে ধৰি হৰিচন্দ্ৰ পালা ভাওনা আৰু মঞ্চ থিয়েটাৰ আদিত সুদক্ষ অভিনয় প্ৰদৰ্শন কৰি দৰ্শক ৰাইজক মোহাচ্ছন্ন কৰি ৰাখিবলৈ সক্ষম হৈছিল। তেওঁৰ নেতৃত্বতেই বেবেজীয়াত পুষ্পজ্যোতি যাত্ৰা পাৰ্টী মুকলি কৰি ৰাজ্যৰ বিভিন্ন স্থানত নিজে অভিনয় কৰাৰ লগতে অন্যান্যসকলক অভিনয় কৰাবলৈ সক্ষম হৈছিল। তদুপৰি তেওঁৰ আপ্ৰাণ চেষ্টাতে বেবেজীয়াত এটি শিল্প সাধনাৰ কেন্দ্ৰ হিচাপে ৰংগ মঞ্চ নিৰ্মাণ কৰি বৰ্তমান অঞ্চলৰ নৱ-প্ৰজন্মৰ যুৱক-যুৱতীক শিল্প সাধনা কৰিবলৈ অনুপ্ৰেৰণা যোগাই আহিছে। প্ৰণিধানযোগ্য যে, বেবেজীয়া গাঁৱতে জন্মলাভ কৰি গাঁৱৰ বোকামাটিৰ লগত ডাঙৰ-দীঘল হৈ শৈশৱৰ পৰা নাট্য জগতৰ লগত জড়িত হৈ আজিলৈকে ৰজাঘৰীয়াৰ পৰা কোনো ধৰণৰ আৰ্থিক সাহায্য লাভ নকৰা আজন্ম শিল্পীজনে জীৱনৰ খলা-বমা পথত জীৱন সংগ্ৰাম কৰোতে সাংস্কৃতিক পথাৰখনত সময়ে সময়ে থমকি ৰ'ব লগা ক্ষণবোৰক লৈ শিল্পীজনে আক্ষেপ কৰে। শংকৰী কলা-কৃষ্টিৰ সাধনত ব্ৰতী হৈ অহা এইগৰাকী শিল্পীক আজিলৈকে ৰজাঘৰীয়া অভিলাষী শিল্পীৰ আঁচনিয়ে ঢুকি নাপালে। অথচ ৰজাঘৰ-প্ৰজাঘৰৰ পৰা কোনো স্বীকৃতি লাভ নকৰিলেও শিল্পীগৰাকীয়ে নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই আহিছে । এই জনা অশীতিপৰ আজন্ম শিল্পীক চৰকাৰৰ সাংস্কৃতিক বিভাগে শীৰ্ঘে শিল্পী পেঞ্চন দিবলৈ বেবেজীয়া অঞ্চলৰ বিভিন্ন দল-সংগঠনৰ লগতে সাংস্কৃতিক প্ৰেমী ৰাইজে দাবী জনাইছে।

## নগাঁৱত 'হৰ ঘৰ দস্তক' অভিযানত এশ শতাংশ সম্পূৰ্ণ কৰিব ক'ভিড টিকাকৰণ

### জনসাধাৰণৰ সহযোগিতা বিচাৰিলে জিলা উপায়ুক্তই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ নৱেম্বৰ ঃ** জনসাধাৰণক ক'ভিড ভেকচিন প্ৰদান এশ শতাংশ সম্পূৰ্ণ কৰি তোলাৰ বাবে চৰকাৰে আজিৰে পৰা ৫ ডিচেম্বৰলৈকে গ্ৰহণ কৰা 'হৰ ঘৰ দস্তক' আভিযান নগাঁও জিলাত কাৰ্যকৰী কৰাৰ বাবে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰে। এশ শতাংশ কোভিড টিকাকৰণ সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে হাতত লোৱা 'হৰ ঘৰ দস্তক' অভিযান সফল কৰি তুলিবৰ বাবে নগাঁও জিলাৰ ১৬০৩ টা ভোট গ্ৰহণ কেন্দ্ৰৰ বাবে জিলাখনত ন'ডেল বিষয়া, মাণ্ডলিক বিষয়া, খণ্ড বিষয়া আদি মনোনীত কৰা হয়। ঘৰে ঘৰে গৈ টিকাকৰণ সম্পূৰ্ণ কৰা এই অভিযানত জিলাখনত প্ৰায় চাৰি হেজাৰ বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হৈছে। আজি নগাঁও জিলা উপায়ুক্ত কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত এক সংবাদ মেলত এই তথ্য সদৰি কৰে নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিৱৰেয়ে। জিলা উপায়ুক্তগৰাকীয়ে সংবাদ মেলত জানিবলৈ দিয়া মতে এই সকল বিষয়া-কৰ্মচাৰীয়ে চাৰিটা পৰিশিষ্টত কাম সম্পূৰ্ণ কৰি জিলাখনত এশ শতাংশ টিকাকৰণ সম্পূৰ্ণ কৰি তোলাৰ লক্ষ্য স্থিৰ কৰা হয়। আনহাতে জিলাখনৰ ১৭১টা ক'ভিড টিকাকৰণ কেন্দ্ৰত ইতিমধ্যে ১২,৭৬,৪৩৯ গৰাকী লোকক ক'ভিডৰ প্ৰথম পালি ভেকচিন প্ৰদান কৰা হয় বুলি জানিবলৈ দি জিলা উপায়ুক্ত গৰাকীয়ে লগতে কয় যে নগাঁও জিলাত ১৮ বছৰৰ ওপৰৰ ১৫৭৮৪ গৰাকী লোকে ক'ভিডৰ ভেকচিন গ্ৰহণ কৰা নাই। জিলাখনৰ আমচৈ, পশ্চিম কলিয়াবৰৰ কাৰ্বি আংলং জিলা সীমান্তৱৰ্তী ভিতৰুৱা অঞ্চলত টিকাকৰণ সম্পূৰ্ণ কৰি তোলাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা বুলি জিলা উপায়ুক্তগৰাকীয়ে অৱগত কৰে। জিলা উপায়ুক্ত গৰাকীয়ে জিলাখনৰ সকলো শ্ৰেণীৰ নাগৰিকক এই অভিযান সফল কৰি তুলিবৰ বাবে আহ্বান জনায়। আনহাতে নগাঁও জিলাত 'হৰ ঘৰ দস্তক' অভিযানৰ পৰ্যবেক্ষকৰ দায়িত্বত থকা অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা সচিব বন্দনা চৌধুৰীয়ে আজিৰে পৰা জিলাখনৰ নাগৰিকসকলৰ ঘৰে ঘৰে গৈ টিকাকৰণ সম্পূৰ্ণ কৰাৰ 'হৰ ঘৰ দস্তক' অভিযানত জনসাধাৰণৰ সহযোগিতা কামনা কৰাৰ লগতে ক'ভিডৰ টিকাকৰণ সন্দৰ্ভত সজাগতা সৃষ্টি কৰিবৰ বাবে সকলো পক্ষক আহ্বান জনায়।

# ভাৰত-ভূটান সীমান্তত অৱস্থিত ডেলাইশ্ৰী বনভোজস্থলী আজি আনুষ্ঠানিকভাৱে মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৯ নৱেম্বৰ ঃ** তামুলপুৰ মহকুমাৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্তত অৱস্থিত ডেলাইশ্ৰী বনভোজস্থলী আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিটিচিৰ দৰঙাজুলি পৰিষদীয় সমষ্টিৰ এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰীয়ে। নাৰ্জাৰীৰ লগত উপস্থিত থাকে বিজেপি নেতা ইমানুৱেল মছাহাৰী, কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ বনপালক বীৰেন্দ্ৰ নাথ বড়ো, দৰঙা এছ এছ বি শিবিৰৰ এগৰাকী বিষয়াৰ উপৰি ডেলাইশ্ৰী বনভোজস্থলী পৰিচালনা সমিতিৰ বিষয়ববীয়া, বগাজুলি-কালীপুৰ ডোং কমিটীৰ বিষয়ববীয়াসকল। ডেলাইশ্ৰী বনভোজস্থলী উদ্বোধন উপলক্ষে আয়োজন কৰা সভাখনত নাৰ্জাৰীয়ে কয়- বিগত দুটা বছৰে ক'ভিডৰ কাৰণে বনভোজলৈ যোৱা আদিও প্ৰায় বন্ধ হৈ আছিল। পৰিৱেশ সুস্থিৰ হৈ থাকিলে এই বিভিন্ন প্ৰান্তৰ পৰা বনভোজ খাবলৈ নিশ্চয় আহিব।



বনভোজস্থলীসমূহত বিশেষকৈ বোৰঁতী নদী, খোৱাৰ উপযুক্ত খোৱাপানী, শৌচালয় আদিৰ সুবিধাৰ প্ৰয়োজন। ভূটানৰ উদ্যোগসমূহত যথেষ্ট পানী ব্যৱহাৰ কৰা বাবে কালানদীত পানীৰ পৰিমাণ যথেষ্ট কমি যোৱাৰ কাৰণ বুলি কয়। কালানদীত উপযুক্ত বান্ধ নিৰ্মাণ কৰি কৃষিপথাৰলৈ পানী বোৱাই নিয়াৰ বাবে বান্ধ নিৰ্মাণ কৰাৰ দাবী কৰি আছে যদিও বিক্ষিপ্ত ব্যৱস্থাৰ বাবে ধৈৰ্য ধৰিব লাগিব। সভাখনত পৰ্যটন বিভাগৰ মন্ত্ৰীগৰাকীৰ উপৰি স্থানীয় বিধায়কগৰাকী উপস্থিত থকাৰ কথা আছিল যদিও বিশেষ কাৰণত উপস্থিত থাকিব পৰা নাছিল। কিন্তু সভাখনত উপস্থিত থকা বিজেপি নেতা প্ৰাক্তন বিধায়ক ইমানুৱেল মছাহাৰীয়ে ভাষণত কয়- এনে কোনো সমস্যা নাই যে যাক সমাধান কৰিব নোৱাৰি। ভাৰত-ভূটান সীমান্তত জলসিঞ্চনৰ ব্যৱস্থাৰ বাবে কালানদীৰ বুকুত তিনি লক্ষাধিক টকা ব্যয় কৰি এটি বান্ধ নিৰ্মাণ কৰা হৈছিল। বৰ্তমান বান্ধটোৰ জৰিয়তে কৃষক ৰাইজ উপকৃত হ'ব পৰা নাই বুলি ৰাইজে কৰা অভিযোগ সন্দৰ্ভত উক্ত মন্তব্য কৰি আৰু কয়- ভূটান চৰকাৰৰ সৈতে আলোচনা কৰি কৃষক ৰাইজ উপকৃত হ'ব পৰাকৈ কৃষিপথাৰলৈ পানী বোৱাই নিয়াৰ ব্যৱস্থা কৰিব লাগিব। মছাহাৰীয়ে আৰু কয়- সকলো কৃষক ৰাইজে এতিয়া নৈ, দোং আদিৰ পানীৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ সময় নাই। গভীৰ নলীনাদৰ ব্যৱস্থা কৰিব লাগিব।

## বৰপেটাত গাহৰি পালন প্ৰশিক্ষণৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৯ নৱেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ পৃষ্ঠপোষকতাত বৰপেটা জিলাৰ ইউকো বেংকৰ অধীনত স্থাপন কৰা গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত অনুষ্ঠিত দহদিনীয়া গাহৰি পালনৰ প্ৰশিক্ষণ শিবিৰৰ যোৱা ২৬ নৱেম্বৰত সামৰণি পৰে । বৰপেটা জিলাৰ শিক্ষিত নিবনুৱাৰ আত্মসংস্থাপনৰ বাট মুকলি কৰিবলৈ প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৱে এনেদৰে বিভিন্ন কৰ্মমুখী পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৰ সঞ্চালক ৰঞ্জিত তালুকদাৰে জানিবলৈ দিয়ে । যোৱা ১৬ নৱেম্বৰত আৰম্ভ হোৱা গাহৰি পালন প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ডাঃ ভূমিধৰ দাস, ডাঃ অনিমেষ দাস, ডাঃ দীপাংকৰ দাস আৰু ডাঃ আবুল কালাম আজাদেও। উন্নত গাহৰি পালনৰ বাবে উন্নত জাতৰ গাহৰি নিৰ্বাচন, খাদ্য প্ৰণালী, ইয়াৰ ৰোগ নিৰাময় আৰু ৰোগ নিয়ন্ত্ৰণ ঔষধ প্ৰয়োগ আদিৰ প্ৰশিক্ষণ দিয়ে । ইপিনে গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালকে প্ৰশিক্ষাৰ্থীৰ মাজত বেংক পৰিচালনা, ডিজিটেল বেংকিং সেৱা, কেছবুক পৰিচালনা, তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ আঁচনি ক্ৰমে পি এম সুৰক্ষা যোজনা, সুকন্যা সমৃদ্ধি যোজনা, জীৱনজ্যোতি যোজনা, অটল পেঞ্চন যোজনা আদিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে । যোৱা ২৫ আৰু ২৬ নৱেম্বৰত প্ৰশিক্ষাৰ্থীসকলৰ মাজত দক্ষতা সন্দৰ্ভত পৰীক্ষা অনুষ্ঠিত হয় । শেষত প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৰ ফালৰ পৰা প্ৰমাণ-পত্ৰ দিয়াৰ উপৰি দক্ষতা বিকাশ মন্ত্ৰালয়ৰ পৰাও একোখন প্ৰমাণ-পত্ৰ প্ৰদান কৰে । প্ৰশিক্ষণত মুঠ ৫৫জন প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে।

## ডবকাত জাতীয় সংগ্ৰামী সেনা অসমৰ হোজাই জিলা সমিতি গঠন




**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ২৯ নৱেম্বৰ ঃ** শনিবাৰে হোজাই জিলাৰ ডবকা এ জে চি মেম'ৰিয়েল হলৰ নদুৱা ভৱনত জাতীয় সংগ্ৰামী সেনা অসম হোজাই জিলা সমিতিখন গঠন কৰা হয়। জাতীয় সংগ্ৰামী সেনা, অসম হোজাই জিলা সমিতিখন হ'ল— অধিবক্তা ইছলামুল হক চৌধুৰী- মুখ্য উপদেষ্টা, ছবিৰ আহমেদ- সভাপতি, আব্দুল্লা মজুমদাৰ- উপ সভাপতি, হুমায়ুন কবিৰ- সাধাৰণ সম্পাদক, ইছহাক আহমেদ- সহঃ সম্পাদক, ছমিৰ উদ্দিন তালুকদাৰ- সাংগঠনিক সম্পাদক, শ্বাকিৰ আহমেদ- প্ৰচাৰ সম্পাদক, আশ্ৰফুৰ ৰহমান- সহঃ প্ৰচাৰ সম্পাদক, শ্বাহিদ আহমেদ- সাংস্কৃতিক সম্পাদক, ৰিয়াজ উদ্দিন- বিত্ত সম্পাদক, ইনজামুল হক- শিক্ষা সম্পাদক, দেৱজিৎ বাগলাৰী- ক্ৰীড়া সম্পাদকসহ ৫১ জনীয়া সমিতিখন গঠন কৰা হয়। উক্ত সভাত উপস্থিত থাকে জাতীয় সংগ্ৰামী সেনা অসমৰ কেন্দ্ৰীয় সমিতিৰ কেন্দ্ৰীয় সভাপতি চিতু বৰুৱা, উপ-সভাপতি আব্দুল ৱাহিদ, উপ-সভাপতি দেৱৰাজ ভৰালী, প্ৰচাৰ সম্পাদক অৰুণ বৰা, কেন্দ্ৰীয় সদস্য ছানি হুছেইনৰ লগতে অন্যান্য ব্যক্তিসকল উপস্থিত থাকে। নৱগঠিত জাতীয় সংগ্ৰামী সেনা অসমৰ হোজাই জিলাৰ সভাপতি ছবিৰ আহমেদে দায়িত্ব ভাৰ গ্ৰহণ কৰি, অসম চৰকাৰৰ লগতে হোজাই জিলাৰ উপায়ুক্ত আৰু হোজাই আৰক্ষী অধীক্ষকক দাবী জনাই কয় যে লামডিঙৰ উচ্ছেদিত ডবকাৰ চাংমাজিত অস্থায়ীভাৱে স্থান দিয়া লোকসকলক অন্ন, বস্ত্ৰ আৰু স্থায়ীভাৱে বাসস্থানৰ সু-ব্যৱস্থা কৰি দিবলৈ আহ্বান জনায়।

## সমাজসেৱী, মানৱদৰদী সাংবাদিক প্ৰয়াত ভৱেশ বৰুৱালৈ শ্ৰদ্ধাঞ্জলি




দৈনন্দিনবাৰ্তা : মিৰ্জা : ২৯ নবেম্বৰ: সমাজসেৱী মানৱদৰদী সাংবাদিক প্ৰয়াত ভৱেশ বৰুৱালৈ আজি আজাৰা গধূলি বজাৰত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে । আজাৰা গধূলি বজাৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভণিতে উৰ্দেশ্য ব্যাখ্যা কৰে ব্যৱসায়ী সন্থাৰ সম্পাদক জিতু কাকতীয়ে । ইয়াৰ পিচতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগত সংগতি ৰাখি মঞ্জু বৰুৱাই আঁত ধৰা অনুষ্ঠানত সংগ্ৰামী কৃষক শ্ৰমিক সংঘৰ সম্পাদক দীনেশ দাস, নিয়মীয়া বাৰ্তাৰ উপ সম্পাদক জীতেন্দ্ৰ লাল শৰ্মা, সদৌ অসম সাংবাদিক সন্থাৰ উপদেষ্টা মনোৰঞ্জন ভট্টাচাৰ্য আদিকৰি কেবাগৰাকী ব্যক্তিয়ে সাংবাদিক, মানৱদৰদী প্ৰয়াত ভৱেশ বৰুৱাৰ শ্ৰমজীৱী মানুহৰ হকে কৰা কামৰ উল্লেখ কৰাৰ লগতে জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে।উল্লেখযোগ্য যে প্ৰয়াত ভৱেশ বৰুৱাই আজাৰা গধূলি বজাৰ ব্যৱসায়ী সন্থাৰ কেবাবছৰ ধৰি সভাপতিৰ পদ অলংকৃত কৰি আছিল।

## তামুলপুৰ আঞ্চলিক এবছুৰ সোণালী জয়ন্তী বৰ্ষ অধিৱেশনৰ লাইখুঁটা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৯ নৱেম্বৰ ঃ** তামুলপুৰ মহকুমাৰ অন্তৰ্গত নিজ দেফেলীৰ বড়োলেণ্ড সমন্বয় পথাৰত অহা ৩, ৪ আৰু ৫ জানুৱাৰীত অনুষ্ঠিত হ'ব লগা তামুলপুৰ আঞ্চলিক এবছুৰ সোণালী জয়ন্তী বৰ্ষ অধিৱেশনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। আজি পুৱা ৯-৩০ বজাত এক মাংগলিক পৰিৱেশত সোণালী জয়ন্তী অধিৱেশনৰ লাইখুঁটা স্থাপন কৰে তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে। লাইখুঁটা স্থাপন কৰি বিধায়ক দৈমাৰীয়ে কয়— ৰাজ্যৰ এক বৃহৎ জাতীয় ছাত্ৰ সংগঠন নিখিল বড়ো ছাত্ৰ সন্থা । ৰাজ্যত বসবাস কৰা বড়ো জনগোষ্ঠীৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক উন্নয়নৰ বাবে দীৰ্ঘদিনে সংগ্ৰাম কৰি আহিছে নিখিল বড়ো ছাত্ৰ সন্থাই । এবছুৰ নেতৃত্বত বড়ো জাতিৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কৰা দীৰ্ঘদিনীয়া সংগ্ৰামৰ অন্তত সম্প্ৰতি বড়ো জনগোষ্ঠীৰ ৰাইজে উন্নয়নৰ মুখ দেখিছে । নিখিল বড়ো ছাত্ৰ সন্থাৰ লাই খুঁটা স্বৰূপ তামুলপুৰ আঞ্চলিক সমিতিয়ে আজি সোণালী জয়ন্তী বৰ্ষ অধিৱেশনৰ লাইখুঁটা স্থাপন কৰিবলৈ পাই অতিশয় আনন্দিত। বিধায়ক জলেন দৈমাৰীয়ে পুনৰ কয়—



বিগত সময়ছোৱাত তামুলপুৰৰ বড়ো সমাজৰ সৰ্বদিশৰ উন্নয়নৰ হকে সংগ্ৰাম কৰি সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া তামুলপুৰ অধিৱেশনৰ মই সফলতা কামনা কৰাৰ লগতে এই অধিৱেশনে বৃহত্তৰ অঞ্চলটোলৈ সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিব। উল্লেখ্য যে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা তামুলপুৰ আঞ্চলিক এবছুক সোণালী জয়ন্তী বৰ্ষ অধিৱেশনৰ মুকলি সভাৰ কাৰ্যসূচীত বিটিচিপ্ৰধান প্ৰমোদ বড়োৰ লগতে ৰাজ্যৰ কেইবাটাও জাতীয় সংগঠনৰ শীৰ্ষ নেতৃত্বই অংশগ্ৰহণ কৰিব । আজি লাইখুঁটা স্থাপন অনুষ্ঠানত অভ্যৰ্থনা সমিতিৰ সভাপতি মুন্টুচ ৰামছিয়াৰী, সম্পাদক প্ৰধান নিজৌম চৌৰাং বসুমতাৰী, তামুলপুৰ আঞ্চলিক এবছুৰ সভাপতি অজিত বড়ো, সাধাৰণ সম্পাদক বিপুল বসুমতাৰীৰ লগতে কেইবাগৰাকী নেতা-কৰ্মী উপস্থিত থাকে।

## পাৱাৰ গ্ৰীডৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা-ঔষধ বিতৰণ

### স্থানীয় ৰাইজৰ সহযোগিতাত সন্তোষ প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৯ নৱেম্বৰ ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আৰু জিকমিলিং আলীপুৰৰ ৪০০ কে ভি ট্ৰেন্সমিচন লাইনৰ কন্ট্ৰাকচন অগ্ৰগতি হোৱাত সন্তুষ্টি প্ৰকাশ কৰি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে পাৱাৰ গ্ৰীডে। কোকৰাঝাৰ জিলাৰ ছালাকাটি ৪০০ কে ভি পাৱাৰ গ্ৰীডৰ সন্মুখৰ জৌহৌলাও স্বৌম্বলা বসুমতাৰী খেলপথাৰত অনুষ্ঠিত উক্ত বিনামূলীয়া চিকিৎসা শিবিৰত অঞ্চলবাসীৰ সহযোগিতাত সন্তুষ্টি প্ৰকাশ কৰে পাৱাৰ গ্ৰীডৰ ছিনিয়ৰ ডি এম কে কে মেধীয়ে । অনুষ্ঠানটিত স্থানীয় বিশিষ্ট সমাজকৰ্মী তথা বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত লক্ষ্মীনাথ ব্ৰহ্ম উপস্থিত থাকে । তেওঁ পাৱাৰ গ্ৰীডৰ এনে সমাজহৈতিষী কামৰ ভূয়সী প্ৰশংসা কৰে । উল্লেখযোগ্য যে ডাঃ বাৰলাংফা ব্ৰহ্ম, ডাঃ সুজিত নাথ আদি চিকিৎসকে অঞ্চলৰ প্ৰায় অৰ্ধশতাধিক লোকৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়।

## বাক্সাত ৫,৭৬,৪২১জনক প্ৰথম আৰু ২,৩৮,৬৫৭জনক দ্বিতীয় পালি ক'ভিড ভেকচিন প্ৰদান

### সমগ্ৰ জিলাতে 'হৰ ঘৰ দস্তক' কাৰ্যসূচীৰ শুভাৰম্ভণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৯ নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে অসমতো ৰাজ্য চৰকাৰে কৰ'না মহামাৰী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ক'ভিড ভেকচিন প্ৰদানৰ জৰিয়তে কৰ'না মহামাৰী নিয়ন্ত্ৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে । এই উদ্দেশ্যে ৰাজ্যত যাতে এশ শতাংশ লোকে ক'ভিড টিকাকৰণ কৰিব পাৰে তাৰ বাবে 'হৰ ঘৰ দস্তক' কাৰ্যসূচী গ্ৰহণ কৰিছে । বাক্সা জিলাতো আজি এই কাৰ্যসূচী সম্পৰ্কে জিলা উপায়ুক্ত আয়ুস গাৰ্গে এক সংবাদ মেলৰ আয়োজন কৰে । জিলা উপায়ুক্ত সভাকক্ষত অনুষ্ঠিত সংবাদ মেলত বাক্সা জিলাত বৰ্তমানলৈ ৫,৭৬,৪২১ গৰাকী লোকে প্ৰথম পালি আৰু ২,৩৮,৬৫৭ গৰাকী লোকে দ্বিতীয় পালি ক'ভিড ভেকচিন গ্ৰহণ কৰাৰ কথা উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে । জিলাখনৰ ৮৪৬ টা ভোটকেন্দ্ৰৰ ভিতৰত ২৪৮ টা ভোটকেন্দ্ৰত এশ শতাংশ সম্পূৰ্ণ টীকাকৰণ হোৱা বুলি কয় । আনহাতে বাক্সা জিলাৰ ভিতৰুৱা অঞ্চলৰ একাংশ লোক দ্বিতীয় পালি ক'ভিড ভেকচিন ল'বলৈ বাকী থকাৰ কথা উল্লেখ কৰি এই সম্পৰ্কে ৰাইজৰ মাজত ব্যাপক সজাগতাৰ প্ৰয়োজন আছে বুলি তেওঁ মন্তব্য কৰে। সংবাদমেলত বাক্সা জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ক'ভিড ভেকচিন সম্পৰ্কে ৰাইজক সজাগ কৰাৰ ক্ষেত্ৰত




সংবাদ মাধ্যমৰো দায়িত্ব আছে বুলি মন্তব্য কৰে । মন্ত্ৰীগৰাকীয়ে সাংবাদিকসকলক ক'ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কেৱল সাংবাদিক হিচাপে নাথাকি এয়া সামাজিক দায়িত্ব হিচাপে লোৱাৰ বাবে আহ্বান জনায় । আনহাতে অনাগত দিনত ভিডিঅ' প্ৰস্তুত কৰি সামাজিক মাধ্যমৰ জৰিয়তে প্ৰচাৰ চলাই ৰাইজক সজাগ কৰাৰ কথাও উল্লেখ কৰে । সংবাদমেলত ৰাজ্য চৰকাৰৰ সচিব তথা ক'ভিড-১৯ৰ বাক্সাৰ জিলা পৰ্যৱেক্ষক জুৰি ডেকা ঠাকুৰ, ক'ভিড-১৯ৰ জ্যেষ্ঠ পৰ্যৱেক্ষক গৌতম তালুকদাৰ, তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, বাক্সা জিলাৰ অতিৰিক্ত উপায়ুক্তদ্বয় আশ্ৰাফুল আমিন আৰু বন্তি তালুকদাৰ, বাস্কা ৰাজহ চক্ৰৰ বিষয়া ভাস্কৰজ্যোতি বৰা, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক মবিদুৰ ৰহমানকে ধৰি কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## খলিহৈত দৰং জিলা সাহিত্য সভাৰ অধিৱেশনত 'দৌৰঙ্গ বাৰ্তা' উন্মোচন




**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৯ নৱেম্বৰ ঃ** ছিপাঝাৰ সমষ্টিৰ খলিহৈত অনুষ্ঠিত দৰং জিলা সাহিত্য সভাৰ বিশেষ বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত একাধিক গ্ৰন্থ উন্মোচিত হোৱাৰ লগতে জিলা সভাৰ বাৰ্তালোচনী 'দৌৰঙ্গ বাৰ্তা' উন্মোচন কৰা হয় । জিলা সভাৰ সভাপতি শৈলেন ৰাজবংশীৰ পৌৰোহিত্যত অনুষ্ঠিত অধিৱেশনত চাহাবুদ্দিন আহমেদ সম্পাদিত 'দৌৰঙ্গ বাৰ্তা'খনি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, পদ্মশ্ৰী ডঃ সূৰ্য হাজৰিকাই। দেওমৰনৈৰ সু-সন্তান, বৰ্তমান গুৱাহাটী নিৱাসী সমৰেন্দ কলিতাই পৃষ্ঠপোষকতা কৰা বাৰ্তাখনত জিলা সভাৰ বিগত বছৰ আৰু এই বৰ্ষৰ কাৰ্যকলাপ সন্নিৱিষ্ট কৰা হৈছে। বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে জড়িত প্ৰাক্তন ছাত্ৰনেতা, যুৱ ব্যৱসায়ী সমৰেন্দ্ৰ কলিতাৰ পৃষ্ঠপোষকতাত প্ৰকাশিত এই বাৰ্তালোচনীত জিলা সভাৰ প্ৰয়াত সমাজকৰ্মী মহেশ্বৰ ডেকাৰ জীৱন আৰু কৰ্মৰ ওপৰত জিলাৰ প্ৰাক্তন সভাপতি চহিৰ ভুএগাই কৰা আলোকপাত, জিলা সম্পাদক গৌতমানন্দ গোস্বামীৰ প্ৰতিবেদনৰ লগতে জিলা সভা আৰু শাখা সভাসমূহৰ কাম-কাজৰ বিস্তৃত ৰূপত প্ৰকাশ পাইছে।

## প্ৰদীপ দত্ত ৰয়ৰ অসমীয়া বিদ্বেষী মন্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া জাতীয়তাবাদী যুৱ পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ নৱেম্বৰ ঃ** বৰাকৰ বিতৰ্কিত নেতা প্ৰদীপ দত্ত ৰয়ে কৰা অসমীয়া বিদ্বেষী মন্তব্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়াৰ প্ৰকাশ কৰিছে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ নগাঁও জিলা সমিতিয়ে। কাকতলৈ দিয়া এক বিবৃতিত পৰিষদৰ নগাঁও জিলা সমিতিয়ে কয়— আমি বৃহত্তৰ অসমীয়া জাতিৰ হকে কাম কৰি আহিছো। অসমীয়া জাতি গঠনৰ যি ঐতিহাসিক প্ৰক্ৰিয়া, সেই প্ৰক্ৰিয়াক বাধা দিয়াৰ ষড়যন্ত্ৰত লিপ্ত হৈছে প্ৰদীপ দত্ত ৰয়। পৰিষদে লগতে কয়— বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো জাতি জনগোষ্ঠীৰ লোকে সমন্বয়ৰ আধাৰত বসবাস কৰি আহিছে। প্ৰদীপ দত্ত ৰয়ে অসমীয়া আৰু বঙালীৰ মাজত বিভেদ সৃষ্টি কৰিব বিচাৰিছে। অসমৰ সাতামপুৰুষীয়া ঐক্য সংহতিত বাধা দিয়াৰ ষড়যন্ত্ৰ আমি কেতিয়াও সফল হ'বলৈ নিদিও। ইতিমধ্যে চৰকাৰে প্ৰদীপ দত্ত ৰয়ক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰাৰ বাবে পৰিষদে চৰকাৰক ধন্যবাদ জনায়।

## গোৱালপাৰা জিলা হাজং ছাত্ৰ সন্থাৰ সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২৯ নৱেম্বৰ ঃ** গোৱালপাৰা জিলা হাজং ছাত্ৰ সন্থাৰ অধিৱেশনখন ২৭ আৰু ২৮ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ নিকটৱৰ্তী ধাইগাঁও শোলমাৰী গাঁৱৰ ক্ৰছিং ক্লাবৰ সহযোগত অনুষ্ঠিত হয়। এই উপলক্ষে ২৭ নৱেম্বৰৰ বিয়লি তিনি বজাত সদৌ অসম হাজং ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিজয় কুমাৰ হাজঙৰ পৌৰোহিত্যত অনুষ্ঠিত এখন সাধাৰণ সভাত গোৱালপাৰা জিলা হাজং ছাত্ৰ সন্থাৰ বিষয়ববীয়া, আঞ্চলিক সমিতিসমূহৰ বিষয়ববীয়াৰ লগতে সদৌ অসম হাজং ছাত্ৰ সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে। উক্ত সভাত হাজং জনগোষ্ঠীটোৰ সামাজিক, আৰ্থিক, ৰাজনৈতিক, শৈক্ষিক আদি সকলো দিশ সামৰি বিতংকৈ আলোচনা কৰা হয়। লগতে আগন্তুক দিনত হাজং জনগোষ্ঠীটোক কিদৰে আগুৱাই লৈ যাব পৰা যায় সেই বিষয়েও সভাত বিস্তৃতভাৱে আলোচনা কৰা হয়। বিয়লিৰ পৰা গোটেই নিশা অনুষ্ঠিত হোৱা সভাৰ আলোচনাৰ অন্তত গোৱালপাৰা জিলা হাজং ছাত্ৰ সন্থাৰ পুৰণি কমিটীখন ভংগ কৰি নতুন কমিটী গঠন কৰা হয়। সভাৰ সিদ্ধান্ত মৰ্মে ত্ৰিদীপ হাজং আৰু লৱ কুমাৰ হাজঙক উপদেষ্টা, ধনেশ্বৰ হাজঙক সভাপতি (কোঠাকুঠি, ধূপধৰা), প্ৰসেনজিত হাজঙক উপ-সভাপতি (ধামৰ), সুৰজ হাজঙক সম্পাদক (ধামৰ) হিচাবে আৰু আন আন বিষয়ববীয়াসকলক লৈ এখন পূৰ্ণাঙ্গ নতুন জিলা কমিটী গঠন কৰে। ২৮ নৱেম্বৰৰ ৰাতিপুৱা পতাকা উত্তোলন কৰে জিলা সভাপতি ত্ৰিদীপ হাজঙে।শ্বহীদ তৰ্পণ কৰে জিলা সম্পাদক লৱ কুমাৰ হাজঙে। ইয়াৰ পিছতে সভাপতিৰ ভাষণেৰে দুদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰে।

## হোজাইৰ বাৰোৱাৰী কালীবাৰী সমিতিৰ উদ্যোগত কম্বল বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ২৯ নৱেম্বৰ ঃ** শীতকালীন জাৰত দুখীয়া দৰিদ্ৰ লোকসকলক গৰমৰ উম দিয়াৰ উদ্দেশ্যৰে হোজাই চহৰস্থিত বাৰোৱাৰী কালীবাৰী সমিতিৰ উদ্যোগত দৰিদ্ৰ লোকসকলৰ মাজত কম্বল বিতৰণ কৰা হয়। দৰিদ্ৰ লোকসকলৰ মাজত কম্বল বিতৰণৰ শুভ উদ্বোধন কৰে হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে। দৰিদ্ৰসকলৰ হাতত কম্বল তুলি দি বিধায়কজনে এনেধৰণৰ সেৱামূলক কামৰ উদ্যোগ লোৱাৰ বাবে সমিতিৰ কাৰ্যকৰ্তাসকলক ভূয়সী প্ৰশংসা কৰি কয় যে দৰিদ্ৰ নাৰায়ণৰ সেৱাই হৈছে প্ৰকৃত ভগৱানৰ সেৱা। অৰ্থৰ অভাৱত শীতৰ সময়ত শীত নিবাৰণৰ বাবে শীতৰ বস্ত্ৰ, শান্তিৰে নিদ্ৰাৰ বাবে কম্বল কিনিব নোৱাৰাৰ বাবে বহুতো বেমাৰতো ভুগিবলগীয়া হয় দৰিদ্ৰ লোকসকল। এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অলপ হ'লেও পৰিত্ৰাণ পোৱাৰ লক্ষ্যৰে কালীবাৰী সমিতিৰ উদ্যোগত প্ৰায় সাতশ দৰিদ্ৰ পৰিয়ালক কম্বল হাতত তুলি দিয়াৰ যি উদ্যোগ ল'লে এয়াই হৈছে আচল দৰিদ্ৰ নাৰায়ণৰ সেৱা। তেনেদৰে অনাগত দিনসমূহতো বাৰোৱাৰী কালীবাৰী সমিতিয়ে সমাজৰ অন্যান্য বিভিন্ন সেৱামূলক কামত আগভাগ লোৱাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ বাবে আহ্বান জনায়। একেলগে দুখীয়া লোকসকলে এসাঁজ আহাৰৰ বাবে ভোকত জীয়াই থাকিবলগীয়া হয়, তাৰ পৰা মুক্তি পোৱাৰ বাবে 'লঙৰ খানা' খোলাৰ বাবে সমিতিক বিধায়কজনে আহ্বান জনায়। বিতৰণী অনুষ্ঠানত উপস্থিত আছিল ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উমা শংকৰ গোস্বামী, হিন্দু জাগৰণ মঞ্চৰ জিলা সভাপতি প্ৰকাশ গুপ্তা, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ন সুশোভন সৰকাৰ, শংকৰদেৱ জুনিয়ৰ কলেজৰ অধ্যক্ষ তপন কৰ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ হোজাইৰ প্ৰমুখ অৰুণ দাস আৰু আন আন বিশিষ্ট ব্যক্তিসকল।

### ধুবুৰীতো আৰম্ভ 'হৰ ঘৰ দস্তক' অভিযান ঃ জিলা উপায়ুক্তৰ সংবাদ মেল

## ৪ সহস্ৰাধিক লোকক লক্ষ্য কৰি সাজু জিলা প্ৰশাসন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৯ নৱেম্বৰ ঃ** ৰাজ্যৰ এশ শতাংশ লোকৰ ক'ভিড টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা 'হৰ ঘৰ দস্তক' শীৰ্ষক অভিযানৰ দ্বিতীয় পৰ্যায় আজিৰে সমগ্ৰ ৰাজ্যৰ লগতে ধুবুৰী জিলাতো আৰম্ভ হৈছে। অহা ৫ ডিচেম্বৰলৈ এসপ্তাহ জুৰি চলিবলগীয়া এই অভিযানৰ বিষয়ে ধুবুৰী জিলাৰ উপায়ুক্তই আজি এখন সংবাদমেলৰ জৰিয়তে সবিশেষ সদৰী কৰে। জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত সংবাদমেলখনত জিলা উপায়ুক্তগৰাকীয়ে জনায় যে সমগ্ৰ জিলাখনৰ ৩৭৩টা ভোট কেন্দ্ৰক সাতটা জ'ন আৰু ১৩৬টা ছেক্টৰত ভাগ কৰি নিৰ্বাচনকালীন তৎপৰতাৰে 'হৰ ঘৰ দস্তক' অভিযান আৰম্ভ হৈছে। জিলাখনৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এজনকৈ ভেকচিন ভেৰিফিকেচন বিষয়া, সহকাৰী ভেকচিন ভেৰিফিকেচন বিষয়া নিযুক্তি দিয়া হৈছে। তেওঁলোকক



সহযোগ কৰিছে বি এল অ', আশা কৰ্মী আদিয়ে। ইতিমধ্যে যোৱা ২৭ নৱেম্বৰলৈ চলা 'হৰ ঘৰ দস্তক'ৰ প্ৰথম পৰ্যায়ত ধুবুৰী জিলাৰ ভোটকেন্দ্ৰ পৰ্যায়ত সমীক্ষা কৰি ৪৭৪৫ গৰাকী ক'ভিড প্ৰতিষেধক ল'বলৈ অমান্তি হোৱা বা ইচ্ছা নকৰা ব্যক্তি চিনাক্ত কৰা হৈছে। ইয়াৰে সৰ্বাধিক ৩২৫৩ গৰাকী ধুবুৰী বিধানসভা সমষ্টিৰ। আনহাতে খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ হিচাপত ধৰ্মশালা বি পি এইচ চিত সৰ্বাধিক ৩২৭০ গৰাকী, ৰাণীগঞ্জ বি পি এইচ চিত দ্বিতীয় সৰ্বাধিক ৮৫২ গৰাকী ক'ভিড প্ৰতিষেধক ল'বলৈ অমান্তি হোৱা বা ইচ্ছা নকৰা ব্যক্তি পোৱা গৈছে। আজিৰে পৰা আৰম্ভ হোৱা 'হৰ ঘৰ দস্তক' অভিযানত ধুবুৰীৰ অভিভাৱক মন্ত্ৰী ৰণজিত কুমাৰ দাস, অভিভাৱক সচিব জে বি এক্কা, ধুবুৰী জিলাত অভিযানৰ পৰ্যবেক্ষণৰ বাবে চৰকাৰে দায়িত্ব দিয়া শিক্ষা বিভাগৰ সচিব ধ্ৰুৱজ্যোতি দাস, জিলা উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত সহিতে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল, আৰক্ষী বিষয়া, স্বাস্থ্য বিভাগৰ বিষয়া আৰু সকলো দায়িত্বপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীয়ে ভেকচিন গ্ৰহণ নকৰা ব্যক্তিৰ ঘৰে ঘৰে গৈ ততালিকে প্ৰতিষেধক গ্ৰহণৰ বাবে উৎসাহিত কৰিব আৰু সকলোৰে ভেকচিন লোৱাটো নিশ্চিত কৰিব। সংবাদ মেলযোগে জিলা উপায়ুক্তই ভেকচিন নোলোৱাসকলক উদেশ্যিকয় যে দক্ষিণ আফ্ৰিকাত কৰ'না ভাইৰাছৰ অধিক মাৰাত্মক প্ৰজাতিৰ সংক্ৰমণ হৈছে, সম্পূৰ্ণ প্ৰতিষেধক গ্ৰহণে ভৱিষ্যতে ইয়াৰ সংক্ৰমণৰ পৰা আমাক ৰক্ষা কৰিব। তেওঁ প্ৰতিষেধক ল'বৰ বাবে ৰাইজক উৎসাহিত কৰিবলৈ পঞ্চায়ত প্ৰতিনিধি, স্থানীয় ৰাজনৈতিক নেতাসকলকো আহ্বান জনায়। জিলা উপায়ুক্তগৰাকীয়ে কয় যে ধুবুৰী টাউনৰ প্ৰায় ১০০ শতাংশ লোকে কমেও এপালি প্ৰতিষেধক লৈছে। সংবাদ মেলত জিলা উপায়ুক্তগৰাকীয়ে কয় যে ৩০ হেজাৰ লোকে সময় হোৱা সত্ত্বেও দ্বিতীয় পালি প্ৰতিষেধক লোৱা নাই আৰু তেওঁলোকেও শীঘ্ৰে দ্বিতীয় পালি প্ৰতিষেধক গ্ৰহণ কৰক। সংবাদমেলত 'হৰ ঘৰ দস্তক' অভিযানৰ ধুবুৰী জিলাৰ পৰ্যবেক্ষক তথা শিক্ষা বিভাগৰ সচিব ধ্ৰুৱজ্যোতি দাস, প্ৰতিষেধকৰ দায়িত্বত থকা ধুবুৰীৰ অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাস, ধুবুৰীৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ইমদাদ উল্লাহ প্ৰমুখ্যে জিলা প্ৰশাসন, আৰক্ষী বিষয়া আৰু স্বাস্থ্য বিভাগৰ কেবাজনো বিষয়া উপস্থিত থাকে।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## 'হৰ ঘৰ দস্তক'ৰ দ্বিতীয়

প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰে। অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই পাটকুছি, কইনাধৰা আদি ঠাইৰ মানুহৰ ঘৰে ঘৰে গৈ ক'ভিড টীকা গ্ৰহণ কৰিবলৈ অমান্তি হোৱা কেইবাজনো লোকক বুজাই-বঢ়াই সৈমান কৰি ক'ভিড টীকা গ্ৰহণ কৰাবলৈ সক্ষম হয়। উপায়ুক্ত পল্লৱ গোপাল ঝা, অতিৰিক্ত উপায়ুক্ত গৌৰী শংকৰ দাস তথা স্বাস্থ্য বিভাগৰ বিষয়-বৰ্গ, আশাকৰ্মী আদিৰ সহযোগত মুখ্য সচিবগৰাকীয়ে প্ৰথমতে পাটকুছি মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণৰ ক'ভিড টীকা প্ৰদান কেন্দ্ৰ পৰিদৰ্শন কৰাৰ পিছত পাটকুছিৰ কাৰ্বিপথত ধীৰেণ দাসৰ ঘৰত প্ৰৱেশ কৰে আৰু অঞ্চলটোৰ প্ৰতিষেধক ল'বলৈ অমান্তি হোৱা ৩জন লোকক ভালদৰে বুজাই-বঢ়াই প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা লোৱাৰ উপৰি ৭জনক ২য় পালি টীকা প্ৰদান কৰোৱায়। ইয়াৰ পিছতে মুখ্য সচিবগৰাকী কইনা ধৰাৰ উদয় নগৰৰ হেলথচিটি নাৰ্চিং হোমৰ ওচৰত দোকানসমূহত প্ৰৱেশ কৰে আৰু লোকসকলক প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা লোৱাৰ উপৰি কলেজত অধ্যয়নৰত ছাত্ৰ, গৃহিণী, দিন হাজিৰা কৰা লোক আদি মুঠ ২৩জনক ঠাইতে প্ৰতিষেধক প্ৰদান কৰোৱায়। অনুৰূপ ধৰণে সচিবালয় প্ৰশাসনিক বিভাগৰ আয়ুক্ত-সচিব এম এছ মণিভন্নানে গাড়ীগাঁও, জালুকবাৰী আদি এলেকাৰ ভোট কেন্দ্ৰৰ ক'ভিড টীকাকৰণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰাৰ লগতে কেইবাগৰাকীও ব্যক্তিৰ ঘৰলৈ যায় আৰু ঠাইতে ক'ভিড প্ৰতিষেধক প্ৰদান কৰোৱায়। আজিৰে পৰা ৬ ডিচেম্বৰলৈকে চলিবলগীয়া 'হৰ ঘৰ দস্তক'ৰ কাৰ্যসূচী সফল কৰাৰ উদ্দেশ্যে প্ৰশাসনৰ সকলো বিষয়-ববীয়া তথা চক্ৰ বিষয়াসকল এতিয়া নিয়োজিত হৈছে 'হৰ ঘৰ দস্তক' অভিযান কাৰ্যকৰী কৰাত। উল্লেখযোগ্য যে কামৰূপ মহানগৰ জিলাত এতিয়ালৈকে ২২,৮৯,৬৫৫ পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে, ইয়াৰে ১২,৭৪,২৫৪ প্ৰথম পালি আৰু ১০,১৫,৪০১ দ্বিতীয় পালি প্ৰদান কৰা হৈছে।

**কোনো অজুহাত নোহোৱাকৈ ভেকচিন নোলোৱা লোকক গণ্য কৰা হ'ব অপৰাধী হিচাপে— এসপ্তাহৰ ভিতৰত গ্ৰেপ্তাৰ হ'ব ৫৫৩ ধাৰাত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ ঃ** শোণিতপুৰ জিলাখনৰ লগতে ৰাজ্যখনৰ কোনো লোকে কোনো বিশেষ কাৰণ নোহোৱাকৈ অদ্যাপি কভিড ভেকচিন নোলোৱাকৈ আছে সেই সকলক অপৰাধী বুলি অভিযুক্ত কৰি আগন্তুক এসপ্তাহৰ ভিতৰত ভাৰতীয় দণ্ড বিধি আইনৰ ৫৫৩ ধাৰাত গ্ৰেপ্তাৰ কৰা হ'ব বুলি আজি শোণিতপুৰৰ উপায়ুক্তৰ সভাকক্ষত এক সংবাদমেলত সদৰি কৰিছে শোণিতপুৰৰ আৰক্ষী অধীক্ষক ডাঃ ধনঞ্জয় ঘনাৱতে। উল্লেখ্য, ৰাজ্যখন ক'ভিড মুক্ত কৰিবৰ বাবে অসম চৰকাৰে সমগ্ৰ ৰাজ্যত ৰাজ্যখনৰ মাজত এশ শতাংশ ভেকচিন প্ৰদানৰ লক্ষ্য স্থিৰ কৰি লৈছিল যদিও অদ্যাপি বহুলোকে ভেকচিন গ্ৰহণৰ পৰা বিৰত থকাত ৰাজ্য চৰকাৰে সম্প্ৰতি ঘৰে ঘৰে গৈ বিশেষ পৰ্যায়েৰে সকলোৱে যাতে ভেকচিন গ্ৰহণ কৰে তাৰ এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰৰ এই পদক্ষেপৰ অংশ হিচাপে শোণিতপুৰতো আজিৰে পৰা আৰম্ভ হৈছে ভেকচিন নোলোৱা লোক সকলৰ বিৰুদ্ধে জিলা প্ৰশাসনৰ এক বিশেষ অভিযান। এনে অভিযানৰ সন্দৰ্ভত আজি শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত এখন সংবাদ মেলত কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য সদৰি কৰে জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ লগতে আৰক্ষী অধীক্ষক ধনঞ্জয় ঘনাৱতে। এই সন্দৰ্ভত ৰাজ্যখনৰ লগতে শোণিতপুৰত এশ শতাংশ ভেকচিন প্ৰদানৰ লক্ষ্য স্থিৰ কৰি আজিৰ পৰা এসপ্তাহৰ ভিতৰত এই লক্ষ্যত উপনীত হোৱাৰ বাবে ৰাজ্য চৰকাৰৰ নিৰ্দেশাৱলীৰ ভিত্তিত শোণিতপুৰত জিলা প্ৰশাসনে ঘৰে ঘৰে গৈ ইয়াৰ পৰ্যবেক্ষণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। উল্লেখ্য যে, শোণিতপুৰত বৰ্তমানলৈকে ৯৯.২৫ শতাংশ অৰ্থাৎ ৭ লাখ ৮৬ হাজাৰ লোকে প্ৰথম পালি ভেকচিন লোৱাৰ বিপৰীতে ৭০ শতাংশ লোকে দ্বিতীয় পালি ভেকচিন লৈছে যদিও ইয়াৰে ১১ হাজাৰ লোকে বিশেষ কেতবোৰ কাৰণত ভেকচিন নোলোৱাকৈ আছে যদিও প্ৰায় চাৰে ছয় হাজাৰ যি লোকে কোনো অজুহাত নোহোৱাকৈ ভেকচিন লোৱা নাই সেই সকলৰ বিৰুদ্ধে আৰক্ষী অধিক কঠোৰ হোৱাৰ কথা আজি সংবাদ মেলত সদৰি কৰে আৰক্ষী অধীক্ষক ডাঃ ধনঞ্জয় ঘনাৱতে। সেইদৰে উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে আজিৰে পৰা এসপ্তাহৰ ভিতৰত ঘৰে ঘৰে গৈ যিসকল লোকে ভেকচিন অদ্যাপি লোৱা নাই সেই সকলৰ জৰীপ কৰি প্ৰশাসনৰ এক বিশেষ গোটৰ দ্বাৰা ভেকচিন প্ৰদানৰ লক্ষ্য সুস্থিৰ কৰা হৈছে বুলি সদৰি কৰে।

## প্ৰশ্ন কাকত ফাদিল কৰা

শিক্ষকৰ বনকৰা ল'ৰা আটিকুল ইছলাম। প্ৰধান শিক্ষক নজৰুল ইছলামে আটিকুলক স্কুলৰ কামত ব্যৱহাৰ কৰিছিল। আটিকুলক স্কুলৰ চৌহদতে থাকিব দিছিল নজৰুলে। মৰিগাঁও টাউন স্কুলৰ পৰা প্ৰশ্ন কাকত নীতিবহিৰ্ভূতভাৱে প্ৰধান শিক্ষকে আনাইছিল আটিকুলৰ সহায়ত। ২৫ আৰু ২৭ নৱেম্বৰত সমাজ বিজ্ঞান আৰু সাধাৰণ বিজ্ঞানৰ প্ৰশ্ন কাকত ফাদিল কৰিছিল আটিকুলে। প্ৰতিখন প্ৰশ্নৰ বাবত ২০০০ কৈ টকা লৈছিল আটিকুলে। ২৫ নৱেম্বৰত নৱম আৰু দশম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ প্ৰশ্ন কাকত আগনিশা বিক্ৰী কৰিছিল। পুনৰ ২৭ নৱেম্বৰত দশম শ্ৰেণীৰ বিজ্ঞান পৰীক্ষাৰ প্ৰশ্ন কাকত আগ নিশাই বিক্ৰী কৰিছিল আটিকুলে। লাহৰীঘাট ৰাজহ চক্ৰ বিষয়াই তদন্ত কৰিছিল প্ৰশ্ন কাকত ফাদিল কাণ্ডৰ। চক্ৰ বিষয়াৰ তদন্তৰ ভিত্তিত দেওবাৰে নিশা মৈৰাবাৰী আৰক্ষীয়ে আটক কৰিছে আটিকুলক। এই কাণ্ডৰ বাবে প্ৰশ্ন উত্থাপন হ'ব পাৰে কেইজনমান শিক্ষক। স্কুলৰ কৰ্মচাৰী নোহোৱাকৈ প্ৰশ্ন কাকত অনাৰ দৰে দায়িত্ব কিয় বনকৰা ল'ৰা আটিকুলক প্ৰধান শিক্ষক নজৰুল ইছলামে কিয় দিছিল সেয়া ৰহস্যজনক।

## মামণি বাইদেউ স্মৃতিত দক্ষিণ

সেই উপলক্ষে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে মিৰ্জাৰ মামণি ৰয়ছম গোস্বামী চ'কত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পুৱা ৬ বজাত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগত সংগতি ৰাখি মামণি ৰয়ছম গোস্বামী চ'কত এক সমূহীয়া চাফাই অভিযান কৰ্মায়ণ কৰা হয়। দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি পৃথিৱী দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে শিক্ষা সম্পাদক বেদব্ৰত দাসে। ইয়াৰ পিছত ক্ৰমে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, সৰ্বধৰ্মীয় প্ৰাৰ্থনা, নাম-প্ৰসংগ আদি বিভিন্ন ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে সন্ধিয়া ৫ বজাত ২০০০ গছি বন্তি প্ৰজ্জ্বলন কৰি তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উল্লেখ্য যে দিনজোৰা কাৰ্যসূচীত অনুষ্ঠিত কৰা উক্ত কাৰ্য্যসূচীত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি দাস, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° খগেন ভূঞা, ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীনমণি কলিতা, অমৃত চন্দ্ৰ ঠাকুৰীয়া, বাসিজা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ সমীৰণ শৰ্মা, পলাশবাৰী সাহিত্য সভাৰ সভাপতি যুগল চন্দ্ৰ বৈশ্য, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নিৰেন কুমাৰ দাস, বিত্ত সম্পাদক অতনুশী চৌধুৰী, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জিতুল কুমাৰ, দক্ষিণ কামৰূপ অঞ্চলৰ বহু কেইজন বিশিষ্ট ব্যক্তি লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি মামণি ৰয়ছম গোস্বামীৰ প্ৰতিকৃতিত পুষ্পাঞ্জলিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, বাইদেউৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাই তেওঁৰ নামেৰে অহা বছৰৰ পৰা সাহিত্য বঁটা প্ৰদান কৰিব বুলি কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নিৰেন কুমাৰ দাসে জানিবলৈ দিয়ে।

## ৰাজ্যসভাৰ ১২ সাংসদ

কংগ্ৰেছৰ ফুলো দেৱী নেটাম, ছায়া বাৰ্মা, বিপুণ বৰা, ৰাজমণি পেটেল, ছৈয়দ নাছিৰ হুছেইন, অখিলেশ প্ৰসাদ সিং, চিপিআইৰ বিনয় বিশ্বম, তৃণমূল কংগ্ৰেছৰ শান্তা ছেত্ৰী, শিৱসেনাৰ অনিল দেশাই। ইপিনে বিৰোধী দলসমূহৰ প্ৰতিবাদৰ বাবে আজি বিয়লিলৈ লোকসভা স্থগিত ৰখাৰ কথা ঘোষণা কৰে অধ্যক্ষই। ১২ গৰাকীকৈ সাংসদক নিলম্বন কৰাৰ প্ৰসংগত কংগ্ৰেছৰ সাংসদ অধীৰ ৰঞ্জন চৌধুৰীয়ে চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। উল্লেখ্য, চলিত বৰ্ষৰ ১১ আগষ্টত ৰাজ্যসভাৰ ২৫৪তম অধিবেশনৰ শেষৰ দিনটোতে একাংশ সাংসদে হিংসাত্মক কাৰ্যত লিপ্ত হৈছিল, সংসদৰ নিৰাপত্তা কৰ্মীক দুৰ্ব্যৱহাৰ কৰা আদিৰ অভিযোগ উঠিছিল। কৃষি আইন বাতিলকে ধৰি পেগাছছ ফোন টেপিংকে বিষয়ক লৈ সেই সময়ত সাংসদৰ একাংশই ৰাজ্যসভাৰ মজিয়াত যুদ্ধসদৃশ পৰিৱেশৰ সৃষ্টি কৰিছিল। ইয়াৰ পৰিণতিতে ৰাজ্যসভাৰ অধিৱেশন দুদিন পূৰ্বেই সামৰিবলগীয়া হৈছিল। অভিযোগ অনুসৰি বৰ্ষাকালীন অধিৱেশনৰ সময়তে একাংশ সাংসদে চকী-মেজ-ফাইল আদি দলিয়াই দিছিল। এনে ঘটনাৰ পিছতে ৰাজ্যসভাৰ অধ্যক্ষ ভেংকায়া নাইডু আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ১২ গৰাকী বিধায়কক নিলম্বিত কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু সেই সময়ত ৰাজ্যসভাৰ অধিৱেশন দুদিন পূৰ্বেই বন্ধ হৈ পৰাত তেওঁলোকক শীতকালীন অধিৱেশনতহে নিলম্বিত কৰে।

## এফালৰ পৰা বাৰীৰ তামোল

অৱস্থা কি হ'ব পাৰে বাৰু। সাধাৰণতে গ্ৰামাঞ্চলৰ কৃষক ৰাইজৰ কৃষিজাত এই দুবিধ উৎপন্ন কৃষি বস্তুৰ ওপৰতে নিৰ্ভৰশীল। তেনে ক্ষেত্ৰত ইয়াৰ অভাৱে হাহাকাৰৰ সৃষ্টি যে কৰিব পাৰে ই সকলোৰে অনুমেয়। মৰম লগা এইবিধ প্ৰাণীয়ে দিনে-নিশাই অঞ্চলটোৰ কৃষক ৰাইজৰ বাৰীত চলোৱা সন্ত্ৰাসত ভৱিষ্যতক লৈ চিন্তান্বিত হৈ পৰিছে অঞ্চলটোৰ কৃষিজীৱী লোকসকল। অৱশ্যে প্ৰাণীবিধে অপকাৰ কৰিলেও উপকাৰো নকৰা নহয়। কেৰ্কেটুৱা নামৰ এই প্ৰাণীটোৱে প্ৰকৃতিৰ ভাৰসাম্যতা ৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কেৰ্কেটুৱাই গছৰ গুটি, ফল আদিবোৰ মুখত লৈ পিছত খাব বুলি ক'ৰবাত মাটিত পুতি থয়। কিন্তু চঞ্চল মনৰ প্ৰাণীবিধ এঠাইৰ পৰা আন এঠাইলৈ গছৰ ডালে ডালে দৌৰি থকাৰ বাবে পাহৰি পেলায়। যাৰ পিছত পুতি থোৱা ফল বা গুটিৰ পৰা এজোপা গছ গজে। জানিব পৰা মতে পৃথিৱীৰ প্ৰায় ৩০ শতাংশ গছ-গছনিৰ বিস্তৃতিত কেৰ্কেটুৱা নামৰ প্ৰাণীবিধে সহায় কৰি আহিছে। সেয়ে এই প্ৰাণী বিধ কিমান অপকাৰৰ পৰিৱৰ্তে কিমান উপকাৰী আমি সকলোৱে এবাৰ ভাবি চাওঁচোন।

## আমিক্ৰ'ন 'মৃদু বিষাণু'

চিকিৎসকে। এইগৰাকী চিকিৎসকেই প্ৰথমে দক্ষিণ আফ্ৰিকাত অমিক্ৰনৰ উপস্থিতিৰ কথা ধৰা পেলাইছিল। দক্ষিণ আফ্ৰিকা মেডিকেল এছ'চিয়েশ্বনৰ অধ্যক্ষ ডাঃ এঞ্জেলিক কোৱেৎজীয়ে প্ৰকাশ কৰা মতে ক'ভিডৰ নতুন প্ৰজাতি অমিক্ৰনক লৈ আতংকিত হোৱাৰ কোনো কাৰণ নাই। দক্ষিণ আফ্ৰিকাৰ চিকিৎসকগৰাকীয়ে প্ৰকাশ কৰা মতে অমিক্ৰন প্ৰজাতিৰ ক'ভিডত আক্ৰান্ত লোক এজনৰ দেহত তেনেই সাধাৰণ লক্ষণে দেখা দিয়ে। এনে লক্ষণসমূহ ঘৰত থাকি চিকিৎসা কৰিলেই নিৰ্মূল হয় বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়— '১৮ নৱেম্বৰত মই সাতগৰাকী ৰোগীৰ দেহত ক'ভিডৰ অলপ ভিন্ন লক্ষণ দেখা পাইছিলো। ডেল্টা প্ৰজাতিত আক্ৰান্ত ৰোগীৰ তুলনাত সেই ৰোগীসকলৰ লক্ষণ সামান্য বেলেগ আছিল। কিন্তু সেয়া অতি গুৰুতৰ লক্ষণ নাছিল'। চিকিৎসকগৰাকীৰ মতে ক'ভিডৰ অমিক্ৰণ প্ৰজাতিত আক্ৰন্তজনৰ গাৰ বিষ, সামান্য জ্বৰ আদি হয়। যিহেতু বিগত ১০ সপ্তাহ ধৰি ক'ভিডৰ লক্ষণ লৈ তেওঁৰ কাষলৈ কোনো ৰোগী অহা নাছিল সেই বাবেই ১৮ নৱেম্বৰত কেতবোৰ লক্ষণ লৈ অহা ৰোগীৰ ক'ভিড পৰীক্ষা কৰোৱা হৈছিল। সেই দিনটোতে আন ভালেকেইগৰাকী ৰোগীয়ে তেওঁৰ কাষলৈ আহি একে লক্ষণেই ব্যক্ত কৰাত তেওঁৰ সন্দেহ ওপজে আৰু অধিক পৰীক্ষাৰ দিহা কৰে। তেতিয়াই লোকসকল ক'ভিডৰ এক ভিন্ন প্ৰজাতিত আক্ৰান্ত হোৱাৰ কথা নিশ্চিত কৰা হয়। তেওঁ লগতে কয় যে ক'ভিডৰ লক্ষণ লৈ তেওঁৰ কাষলৈ অহা আধাসংখ্যক ৰোগীয়েই ভেকচিন গ্ৰহণ নকৰা ৰোগী আছিল। দক্ষিণ আফ্ৰিকাৰ মহিলা চিকিৎসকগৰাকীৰ মতে ক'ভিডৰ নতুন প্ৰজাতি অমিক্ৰনত আক্ৰান্ত ৰোগীয়ে গোন্ধ নোপোৱা হোৱা অথবা সোৱাদ নোপোৱা হোৱা আদি লক্ষণসমূহৰ পৰা মুক্ত হৈ থাকে। অথচ ক'ভিডৰ ডেল্টা প্ৰজাতিত আক্ৰান্ত হ'লে ৰোগীয়ে সোৱাদ আৰু গোন্ধ নোপোৱা হৈ পৰে। উল্লেখ্য, চীনত প্ৰথমে সংক্ৰমণ আৰম্ভ হৈ সমগ্ৰ বিশ্বতে বিয়পি পৰা কৰ'না ভাইৰাছে নিতৌ সলনি কৰিছে ইয়াৰ চৰিত্ৰ। ক'ভিডক ৰুধিবলৈ ভাৰতকে ধৰি বিশ্বৰ বহুকেইখন দেশে ভেকচিন প্ৰদানৰ প্ৰক্ৰিয়া যুদ্ধকালীন তৎপৰতাৰে চলাই গৈছে যদিও ঘনাই চৰিত্ৰ সলনি ঘটোৱা কৰ'না ভাইৰাছৰ নতুন নতুন প্ৰজাতিয়ে আনকি ভেকচিনকো কেৰেপ নকৰা হৈছে। ক'ভিডৰ ভেকচিনে কাবু কৰিব নোৱৰা তেনে এক প্ৰজাতিৰ কৰ'না ভাইৰাছ দক্ষিণ আফ্ৰিকাত উদ্ভৱ ঘটি এতিয়া বিশ্বৰ বিভিন্ন দেশত বিয়পি পৰিছে। ক'ভিডৰ এই নতুন প্ৰজাতিটোৱে ত্ৰাসৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিততে এছিয়া আৰু ইউৰোপৰ দেশসমূহে গ্ৰহণ কৰিছে কঠোৰ সতৰ্কতামূলক ব্যৱস্থা। ভাৰত আৰু ছিংগাপুৰে আন্তঃৰাষ্ট্ৰীয় সীমান্তত ক'ভিড সম্পৰ্কীয় নীতি-নিৰ্দেশনাসমূহ অধিক কঠোৰভাৱে বলৱৎ কৰাৰ বিষয়ত গুৰুত্ব দিছে। ব্ৰিটেইনৰ বিশেষজ্ঞসকলে প্ৰকাশ কৰা মতে ক'ভিডৰ দক্ষিণ আফ্ৰিকাৰ প্ৰজাতিটোৱে এনে এক ধৰণৰ প্ৰ'টিনক আলম কৰি বৃদ্ধি প্ৰাপ্ত হয়, যি প্ৰ'টিন পূৰ্বৰ কৰ'না ভাইৰাছৰ ক্ষেত্ৰত দেখিবলৈ পোৱা নাযায়। ফলত এই নতুন প্ৰজাতি বিধক আনকি ভেকচিনেও ৰোধ কৰিব নোৱাৰে। ক'ভিডৰ এই নতুন প্ৰজাতি বিধৰ নাম ৰখা হৈছে বি ১.১.৫২৯ বুলি। এই ভাইৰাছবিধ বষ্টৱানা আৰু হংকঙতো শেহতীয়াকৈ পোৱা গৈছে। নতুন ভাইৰাছ বিধৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিততে ব্ৰিটেইনে দক্ষিণ আফ্ৰিকা, নামিবিয়া, বষ্টৱানা, জিম্বাব'ৱে আদি দেশৰ বিমানৰ প্ৰৱেশ দেশখনত নিষিদ্ধ কৰিছে। ছিংগাপুৰেও একে পদক্ষেপেই গ্ৰহণ কৰিছে। ইটালীয়ে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰা লোকসকলৰ প্ৰৱেশ দেশখনত নিষিদ্ধ কৰিছে।



পশ্চিম কাৰ্বি আংলঙত মাইক্ৰফাইনেঞ্চ হিতাধিকাৰীলৈ আৰ্থিক অনুদান

## প্ৰথম পৰ্যায়ত ২২২ হিতাধিকাৰীক সামৰা হ'ব ঃ মন্ত্ৰী যোগেন মহন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ২৯ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি মাইক্ৰফাইনেঞ্চৰ ঋণ লৈ পৰিশোধ কৰিব নোৱাৰাসকলৰ ঋণ মাফ কৰাৰ যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল তাৰেই অংশ হিচাপে সমগ্ৰ ৰাজ্যৰ লগতে পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙতো ঋণ পৰিশোধ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে সোমবাৰে। পাৰ্বত্য জিলাখনৰ খেৰণিস্থিত কছাৰীবস্তিত আয়োজন কৰা এই ঋণ প্ৰদান কাৰ্যসূচী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা পাৰ্বত্য উন্নয়ণ তথা কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ অভিভাৱক মন্ত্ৰী যোগেন মহনে অনুষ্ঠানটিৰ শুভউদ্বোধন কৰে। কোভিড পৰিস্থিতিৰ বাবে পাৰ্বত্য জিলাখনত যিসকল হিতাধিকাৰীয়ে ঋণ পৰিশোধ কৰিব পৰা নাছিল তেওঁলোকক চৰকাৰে ঋণ পৰিশোধ কৰিব বুলি প্ৰকাশ কৰাৰ লগতে কোভিড ভয়াবহতাত যিসকল হিতাধিকাৰীয়ে নিয়াৰিকৈ ঋণ ধন পৰিশোধ কৰিছিল সেইসকল হিতাধিকাৰীক উদগনি জনোৱাৰ উদ্দেশ্যে চৰকাৰে এককালীন সাহায্য প্ৰদানৰ বাবে গ্ৰহণ কৰা এই ব্যৱস্থাৰ বাবে আজি খেৰণিত এই গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে ৰাজ্য চৰকাৰে। প্ৰথমাৱস্থাত জিলাখনত ঋণ পৰিশোধ কৰি নিজৰ বেংকৰ লেন-দেন সবল কৰি ৰখা হিতাধিকাৰীসকলক আজি চেক বিতৰণ কৰে মন্ত্ৰীগৰাকীয়ে। পাহাৰীয়া জিলাখনত ঋণ পৰিশোধ কৰাৰ এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা পাৰ্বত্য উন্নয়ণ মন্ত্ৰী যোগেন মহনে সাংবাদিকক জানিবলৈ দিয়ে যে আমি প্ৰথম পৰ্যায়ত ২২২ গৰাকী হিতাধিকাৰীক চৰকাৰৰ যি মাননি সেইটো প্ৰদান কৰিছোঁ। আজি আমি যিসকল হিতাধিকাৰীক মাননি প্ৰদান কৰিছোঁ তেওঁলোকে কোভিডৰ জটিল পৰিস্থিতিটো ঋণ পৰিশোধ কৰিছিল আৰু তেওঁলোক সচেতন আৰু সজাগ, সেইবাবে তেওঁলোকক প্ৰথমতে চৰকাৰী মাননিৰ যি সন্মান আমি আনুষ্ঠানিকভাৱে প্ৰদান কৰিছোঁ আৰু তেওঁলোকে অনাগত দিনতে এইধৰণৰ ঋণ লৈ থাকিব পাৰিব বুলিও প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। সোমবাৰৰ এই ঋণৰ চেক বিতৰণ কাৰ্যসূচীত মন্ত্ৰী যোগেন মহনৰ উপৰিও স্থানীয় বিধায়ক ৰূপছিং টেৰণ, জিলা উপায়ুক্তা উৎপলা শইকীয়া, আৰক্ষী অধীক্ষক অজগৰ্ৰাণ বসুমতাৰী, অতিৰিক্ত উপায়ুক্ত দিলীপ তেৰাং, সদৰ এছডিএ কঙ্কন শৰ্মা, সহকাৰী আয়ুক্ত মংৰে ইংহি, কাৰ্যবাহী সদস্য প্ৰদীপ ৰংপি, জিলা বিজেপিৰ সভাপতি ৰদীপ ৰংহাং, পাৰিষদ প্ৰভাত চন্দ্ৰ তাৰ', ৰীনা তেৰাংপীৰ লগতে একাংশ স্থানীয় লোক উপস্থিত থাকে। উল্লেখযোগ্য যে অনুষ্ঠানত উপস্থিত থকা হিতাধিকাৰীসকলে চৰকাৰৰ এই যোগাত্মক পদক্ষেপক প্ৰশংসা কৰাৰ লগতে অশেষ ধন্যবাদ জ্ঞাপন কৰে।

**বটদ্ৰৱা থান পৰিচালনা সমিতিৰ তৃতীয় বাৰ্ষিক সাধাৰণ সভা**

## অৰূপ শইকীয়া সাধাৰণ সম্পাদক মনোনীত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২৯ নৱেম্বৰ ঃ** জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ সৰ্বাংগীণ উন্নয়ন, প্ৰতিপালন আৰু সংৰক্ষণৰ উদ্দেশ্যেৰে নিয়মাৱলীৰ আধাৰত গঠিত সমিতি পঞ্জীয়ন আইনৰ অধীনত ১৯৬৫ -৬৬ চনত পঞ্জীয়ন ভুক্ত হোৱা শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিৰ ত্ৰৈবাৰ্ষিক সাধাৰণ সভাখন সংবিধানৰ ৩ (গ) আৰু ৩ (ঘ) ছেদ অনুসৰি অহা ২৮ নৱেম্বৰ, (১১ আঘোণ) আজি বটদ্ৰৱা থানৰ আই খেৰসুঁতি সাংস্কৃতিক মঞ্চত অনুষ্ঠিত হয়। শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ পৰম্পৰা অনুসৰি সভাৰ আৰম্ভণীতে এটি বৰগীত পৰিৱেশন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ মৃণাল কুমাৰ বৰাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ ২০২১-২০২৪ বৰ্ষৰ কাৰ্য পৰিচালনাৰ বাবে এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। সভাত অসম তথা ভাৰতৰ বিভিন্ন প্ৰান্তত থকা সমিতিৰ সত্ৰীয়া, আজীৱন আৰু সাধাৰণ সদস্যসকল উপস্থিত থাকে। সভাখন সু-শৃংখলিতভাৱে পৰিচালনাত সহায়-সহযোগ আগবঢ়ায় কাৰ্যকৰী সভাপতি ভোগেশ্বৰ বৰা আৰু সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱাই। প্ৰকাশ থাকে যে শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ সাংবিধানিক পৰম্পৰা অনুসৰি ঐতিহাসিক নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীৰ সভাপতিৰ দায়িত্বৰ কাৰ্যকাল অন্ত পৰাৰ পৰিপ্ৰেক্ষিটত বটদ্ৰৱাৰ ঐতিহাসিক শ্ৰীশ্ৰীশলগুৰি সত্ৰৰ সত্ৰাধিকাৰ তথা নামাচাৰ্য, বৈষ্ণৱী ভক্তি মাৰ্গীয় সাহিত্যৰ লেখক , শঙ্কৰী সংস্কৃতিৰ সাধক যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তই আগন্তুক কাৰ্যকালৰ সভাপতি হিচাপে মনোনীত হয়। নতুন সমিতিখনত কাৰ্যকৰী সভাপতি হিচাপে ৰাজীৱ দত্ত আৰু সাধাৰণ সম্পাদক হিচাপে অৰূপ শইকীয়াৰ নাম সৰ্বসন্মতি ক্ৰমে মনোনীত হয়। সভাত সমিতিৰ ২০১৯-২০২১ বিত্তীয় বৰ্ষৰ আয়-ব্যয়ৰ হিচাপ দাখিল কৰে বৰ্তমানৰ হিচাপ পৰীক্ষক ত্ৰয় দিলীপ কুমাৰ বৰা, বেনুধৰ বৰুৱা আৰু প্ৰাঞ্জল হাজৰিকাই।

## পঞ্চাশ-ষাঠি জনীয়া দুৰ্বৃত্তৰ প্ৰহাৰত আছু নেতাৰ মৃত্যু

প্ৰহাৰত মৃত্যুক সাবটিবলগীয়া হয় এজন যুৱকে। গণপ্ৰহাৰত মৃত্যু হোৱা যুৱকজন হৈছে গোলাঘাটৰ অনিমেষ ভূঞা। জানিব পৰা মতে মৃত যুৱক অনিমেষ ভূঞা হৈছে গোলাঘাট জিলা ব্ৰহ্মপুত্ৰ আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, আজি পুৱা গোলাঘাটৰ অনিমেষ ভূঞাই তেওঁৰ এজন সতীৰ্থ তথা খুমটাইৰ 'প্ৰতিদিন টাইম'ৰ সাংবাদিক মৃদুষ্মমন্ত বৰুৱাৰ লগত যোৰহাটত কিছু ঘৰুৱা বজাৰ কৰিবৰ বাবে উপস্থিত হয়। সেইদৰে বজাৰ কৰি থাকোতে তেওঁলোকে দুপৰীয়া প্ৰায় ১.৩০ বজাত যোৰহাট ট্ৰাক ষ্টেণ্ডৰ সমীপৰ মাৰোৱাৰীপট্টীৰ সমীপত কিছু বজাৰ কৰিবৰ বাবে উপস্থিত হয়। তেনে সময়তে তেওঁলোকে পথৰ কাষত এজন লোকক পৰি থকা প্ৰত্যক্ষ কৰি ল'ৰাজনক উঠাই দিবলৈ যাওঁতেই এচাম উদণ্ড যুৱকে পথৰ কাষত স্কুটাৰৰ সৈতে পৰি থকা লোকজনক গাড়ীৰে খুন্দিয়াই থৈ যোৱাৰ অভিযোগ উত্থাপন কৰি প্ৰহাৰ কৰে। উক্ত স্থানত উপস্থিত থকা প্ৰায় ৫০/৬০জন উদণ্ড যুৱকে গোলাঘাটৰ যুৱক দুজনক কোনো প্ৰশ্ন নকৰাকৈ উধাই-মুধাই প্ৰহাৰ কৰে। আৰু উদণ্ড যুৱককেইটাৰ প্ৰহাৰত গুৰুতৰভাৱে মূৰত আৰু শৰীৰৰ বহু অংগত আঘাতপ্ৰাপ্ত হয় গোলাঘাটৰ দুই যুৱক ক্ৰমে



গোলাঘাট জিলা ছাত্ৰ সন্থাৰ অনিমেষ ভূঞা আৰু প্ৰতিদিন টাইমৰ খুমটাইৰ সাংবাদিক মৃদুষ্মমন্ত বৰুৱা। ঘটনা সংঘটিত হোৱাৰ লগে লগে ঘটনাস্থলীত যোৰহাট আৰক্ষী উপস্থিত হৈ আঘাতপ্ৰাপ্ত দুজন যুৱকক উদ্ধাৰ কৰাৰ লগতে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ চিকিৎসাৰ বাবে লৈ আহে যদিও যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ অনাৰ কিছু সময়ৰ পাছতে প্ৰাণ হেৰুৱায় গোলাঘাটৰ যুৱক অনিমেষ ভূঞাই। মূৰৰ পিছৰ অংশত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ ফলতেই যুৱকজনৰ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। আনহাতে, আনজন আঘাতপ্ৰাপ্ত যুৱক প্ৰতিদিন টাইমৰ খুমতাইৰ সাংবাদিক মৃদুষ্মমন্ত বৰুৱাক আঘাতপ্ৰাপ্ত অৱস্থাত চিকিৎসা চলাই থকা হৈছে। উল্লেখ্য যে যি সময়ত যোৰহাট চহৰৰ মাজমজিয়াত ঘটনাটো সংঘটিত হৈছিল সেই সময়ত উদণ্ড যুৱকৰ দলটোৱে অনিমেষ ভূঞা নামৰ যুৱকজনক পথৰ মাজত দৌৰাই খেদি খেদি উপৰ্যুপৰি প্ৰহাৰ কৰিছিল। আৰু সেই সময়ত যোৰহাটৰ সদাব্যস্ত এ টি ৰোডত যথেষ্ট লোকৰ সমাগম থকাৰ লগতে যান-বাহন আৰক্ষীৰ লোকো উপস্থিত আছিল। কিন্তু সেই সময়ত কোনো লোকেই কিন্তু যুৱকজনক উদ্ধাৰৰ বাবে আগবাঢ়ি নাহিল। তদুপৰি ঘটনা সংঘটিত হোৱাৰ বহু পলমকৈহে ঘটনাস্থলীত যোৰহাট আৰক্ষীৰ লোক উপস্থিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে, যোৰহাট আৰক্ষীয়ে ঘটনাত জড়িত থকাৰ সন্দেহত তিনিজন যুৱকক আঁতক কৰিছে বুলি জানিব পৰা গৈছে। কিন্তু আৰক্ষীয়ে তদন্তৰ খাতিৰত কোনো যুৱকৰ নাম উল্লেখ কৰা নাই। আনহাতে, জানিব পৰা মতে যোৰহাটৰ বৰিগাঁও অঞ্চলৰ একাংশ উদণ্ড যুৱক উক্ত ঘটনাৰ লগত জড়িত থকাৰ সন্দেহ কৰা হৈছে। উল্লেখ্য যে, আজি দুৰ্ঘটনা সংহতি হোৱা স্থানত বৰিগাঁও অঞ্চলৰ একাংশ যুৱকে পুৰাৰ পৰাই বিভিন্ন অসামাজিক কামত লিপ্ত হৈ থকাৰ অভিযোগ দীৰ্ঘদিন ধৰি উত্থাপিত হৈছে। তদুপৰি বৰিগাঁও অঞ্চলৰ যোৰহাট চহৰৰ মাজমজিয়াৰ এক ড্ৰাগছৰ অবৈধ ঘাটি হিচাপেও দীৰ্ঘদিন ধৰি পৰিচিত হয় আহিছে।

## এসময়ৰ ড্ৰাগ্‌ছ আসক্ত যুৱকে নগাঁৱত মুকলি কৰিলে ড্ৰাগ্‌ছ

চেষ্টাত নিমগ্ন হৈ পৰিছে। নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী টাউন তেলিয়া গাঁও অঞ্চলৰ এই যুৱকজনৰ নাম বেদান্ত বৰা। এসময়ত ড্ৰাগ্‌ছ আসক্ত বেদান্ত বৰা বৰ্তমান ড্ৰাগ্‌ছ আসক্তক সংশোধনৰ পথলৈ অনা কামত নিয়োজিত এজন স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষক। ড্ৰাগ্‌ছ বৰ্জিত এখন সমাজ গঢ়াৰ লক্ষ্যৰে আজি নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী টাউন তেলিয়া গাঁৱত বেদান্ত বৰাই মুকলি কৰে এটি চিকিৎসা কেন্দ্ৰ। ড্ৰাগ্‌ছৰ কবলত পৰি এখন ঘৰ অথবা এটি জীৱন ধ্বংস হোৱাৰ কৰুণ পৰিঘটনাৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্য লৈয়ে বেদান্ত বৰাৰ প্ৰচেষ্টাতে এই চিকিৎসা কেন্দ্ৰটো স্থাপন কৰা হয় । আজি অনুষ্ঠিত নিচাসক্ত লোকৰ চিকিৎসা কেন্দ্ৰটোৰ উদ্বোধনী অনুষ্ঠানত সিদ্ধাৰ্থ প্ৰতিম দত্ত, মনদীপ বৰুৱা, পিংকু ঘোষ, বেদান্ত বৰা, বিজুমণি লিগিৰা, সংগীতা খাটনিয়াৰ আদিকে ধৰি কিছুসংখ্যক লোক উপস্থিত থাকে। 'হিলিং হেন্দ ৰেলনেছ চেণ্টাৰ' নামেৰে নগাঁৱত মুকলি কৰা চিকিৎসা কেন্দ্ৰটোৰ জৰিয়তে ড্ৰাগছ আসক্ত যুৱকসকলক কেন্দ্ৰত ৰাখি ড্ৰাগ্‌ছৰ কবলৰ পৰা মুক্তি দি নতুন জীৱন দিয়াটোৱেই মূল উদ্দেশ্য বুলি কেন্দ্ৰটোৰ প্ৰশিক্ষক বেদান্ত বৰাই জানিবলৈ দিয়ে। কেন্দ্ৰটোত প্ৰাৰম্ভিক পৰ্যায়ত ২৫জন ড্ৰাগ্‌ছ আসক্তক চিকিৎসা প্ৰদানৰ সুবিধা ৰখা হৈছে । কেন্দ্ৰটোত চিকিৎসক সঙ্গীতাশ্ৰী কৌশিকে মেডিচিন বিশেষজ্ঞ হিচাপে সেৱা আগবঢ়োৱাৰ লগতে বহুকেইজন অভিজ্ঞ বিশেষজ্ঞ উপস্থিত থাকিব বুলি জানিবলৈ দিয়ে। ৰোগীয়ে কম খৰচতে চিকিৎসা সেৱা লাভ কৰিব বুলি চিকিৎসা কেন্দ্ৰটোৰ কৰ্তৃপক্ষই জনায়।

## নদদ্বীপমুখি বিশ্ব, বিশ্বমুখি দ্বীপবাসী

গৌৰৱৰ দিন। ১৮ ফেব্ৰুৱাৰীত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধাৰশিলা স্থাপন কৰি মাজুলীবাসীক উপহাৰ দিয়া দলংখনক ৮ মাহৰ ভিতৰতে আজি নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিছোঁ। আজিৰে পৰা দুৰন্ত গতিত মাজুলী-যোৰহাট সংযোগী দলংখনৰ কাম আগবাঢ়িব। আজি মাজুলীৰ ৰাইজক প্ৰতিশ্ৰুতি দিছোঁ ২০২৫ চনৰ নৱেম্বৰত যোৰহাট-মাজুলীৰ সংযোগী দলঙৰ আনুষ্ঠানিকভাৱে মুকলি কৰিম বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীক বিশেষভাৱে ধন্যবাদ জনাই মুখ্যমন্ত্ৰীয়ে আৰু কয় যে- মাজুলীৰ দলঙৰ বাবে মুঠ ৯২৫.৪৭ কোটি টকা ব্যয় হ'ব যদিও ৬০০.৫৩ কোটি টকা মূল দলঙৰ কামত ব্যয় কৰিম। দলং সংযোগী পথৰ সৈতে মুঠ ৮.২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মাজুলী-যোৰহাটৰ মাজত বহু প্ৰত্যাশিত দলঙৰ কাম বাস্তৱ ৰূপায়ণ কৰিম বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে, ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ বৰঙণিৰে আমি দলঙৰ কাম আগবঢ়াইছো বুলি উল্লেখ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয়— মাজুলীক কেৱল আধ্যাত্মিকতাৰে নহয় বিকাশৰো মাজুলীলৈ নতুন গংগা নমাই অনাৰ বাবে আমি কাম আৰম্ভ কৰিম আৰু আমি আমাৰ লক্ষ্যত উপনীত হ'ম। এই দলংখনৰ বাবে মাজুলীৰ সাংবাদিকসকল, বিভিন্ন দল-সংগঠন, সত্ৰাধিকাৰসকলৰ মনত এটা সপোন আছিল। আজি এই দলংখনৰ বাবে মই অকণমান অৰিহণা যোগাবলৈ পাই নিজকে ধন্য মানিছো। মাজুলীৰ পৰা মুখ্যমন্ত্ৰী আগতেও আছিল আৰু এতিয়াও আছে বুলি আপোনালোকে ভাবিব পাৰে বুলি উল্লেখ কৰে। লগতে দলং নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণৰ কাম ইতিমধ্যে আমি শেষ কৰিছোঁ। দলং নিৰ্মাণত জি এছ টি, বন ৰয়েলিটী আমি ঘূৰাই দিম। এই লৈ অহা চাৰি বছৰৰ ভিতৰত আমি দলং নিৰ্মাণ সম্পূৰ্ণ কৰিম। নিৰ্মাণৰত অৱস্থাত ৰাজ্য চৰকাৰৰ কেবিনেট পৰ্যায়ৰ কমিটীয়ে দলঙৰ সকলো খবৰ ৰাখিব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, আজি এই দিনটোত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক শ্ৰদ্ধাৰে সুঁৱৰিছো। আমি কথা দিছোঁ, আপোনাৰ সপোনৰ মাজুলীক আমি বাস্তৱত ৰূপায়ণ কৰিম। তাৰ বাবে আপোনাৰ পৰা আশীৰ্বাদ বিচাৰিছোঁ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মাজুলীৰ প্ৰাক্তন বিধায়ক বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক উদ্দেশ্যি তেনেদৰে কয়। ইফালে ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে আৰু কয় যে, মাজুলীৰ উন্নয়ন যোৰহাট আৰু মাজুলীৰ দলঙৰ মাজতে সীমাবদ্ধ নহয়। আমি আৰু এটা নতুন প্ৰকল্প অহা ৬ মাহৰ ভিতৰত আৰম্ভ কৰিম। লখিমপুৰ-যোৰহাট সংযোগী ধূনাগুৰি দলঙৰো নিবিদা বাতৰি কাকতত ৰাজহুৱা কৰিম। একমাত্ৰ ৰাজ্য চৰকাৰৰ পুঁজিৰে ২০২৫ চনতে উক্ত দলঙৰো কাম আমি সম্পূৰ্ণ কৰিম। ইয়াত কোনোবাই সন্দেহ কৰিলেও অসাধ্যক সাধ্য কৰাৰ বাবে আমি দিনে-নিশাই কাম কৰিম। নিৰ্বাচনৰ সময়ত ৰাইজৰ মাজলৈ যাওঁতে ৰাজ্যখনৰ মহিলাসকলক দিয়া আমাৰ প্ৰতিশ্ৰুতি অনুসৰি মাইক্ৰ'ফাইনেন্সৰ লোণৰ কিস্তি দি থকাসকলক এককালীন সাহায্য আমি প্ৰদান কৰিছোঁ। প্ৰথমে আমি লোণ ঘূৰাই দিয়াসকলক সাহায্য দিয়াৰ পিছত লোণ ঘূৰাই নিদিয়াসকলক সাহায্য প্ৰদান কৰা হ'ব। এই লৈ ১১ লাখ মহিলাৰ জীৱনলৈ আমি হাঁহি আনিছোঁ। ইয়াৰ বাবে কোনোবাই আমাক সমালোচনা কৰিলেও অসমৰ এইসকল 'মা'ৰ চকুপানী মচি দিব পৰাটো মোৰ কৰ্তব্য। মাজুলীৰো ৫৩৩গৰাকীক মহিলাক এই মাইক্ৰ'ফাইনেন্সৰ উক্ত আঁচনিত অন্তৰ্ভুক্ত হৈছে। ইয়াৰ বাবে কোনো দালালিৰ আশ্ৰয় ল'ব নালাগে। এতিয়াৰে পৰা দালালি সহ্য কৰা নহ'ব। দালাল বন্ধুসকলক ট্ৰেক্টৰ, পাৱাৰটিলাৰ দি দিম সকলোৰে কাম কৰি খাব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে চৰকাৰৰ ছমাহত বহুত প্ৰত্যাহ্বান পাইছোঁ যদিও আমি নিয়াৰিকৈ গৈ আছোঁ। নিমাতীৰ দুৰ্ঘটনাৰ পাছত আমি জল যাতায়াত ব্যৱস্থাৰ পৰিৱৰ্তন আনিছোঁ। মাজুলীৰ কোনো লোকে পৰিবহণত অসুবিধা যাতে নাপায় তাৰ বাবে মই উপায়ুক্তক নিৰ্দেশ প্ৰদান কৰিছোঁ। আজি মাজুলীৰ উপায়ুক্তৰ নৱ-নিৰ্মিত একিভূত আৱাসিক ভৱনৰো মুকলি কৰিছোঁ। অহা কেইটামান বছৰতে পলিটেকনিক, আয়ুস, সাংস্কৃতিক বিশ্ববিদ্যালয় আদিৰ মাজুলীৰ সকলোবোৰ নৱ-নিৰ্মিত শিক্ষা প্ৰতিষ্ঠানৰ শিক্ষাৰম্ভ হ'ব। মাজুলীৰ প্ৰতিটো প্ৰকল্পৰ কাম শীঘ্ৰেই সমাপন হ'ব বুলি তেওঁ উল্লেখ কৰে। ৰাজহ বিভাগৰ মিছন বসুন্ধৰাত ৩০৯১গৰাকী লোকে আৱেদন কৰিছে বুলি উল্লেখ কৰি মিছন বসুন্ধৰাৰ পিছতে প্ৰজেক্ট সদ্ভাৱনা নামৰ এক ব্যৱস্থা আৰম্ভ হ'ব, যাৰ দ্বাৰা ঘৰতে বহি অনলাইনযোগে গুৱাহাটীৰ সকলো কাম কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ আৰু কয় যে- মাজুলীয়ে দুখনকৈ দলং লাভ কৰিলে। গুৱাহাটীত ৩৬ মাহৰ ফ্লাই অভাৰ ২৪ মাহত হৈ গৈছে। গতিকে আমি সকলো কৰিব পাৰোঁ বুলি মুখ্যমন্ত্ৰীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আন্দোলন, চান্দা নোহোৱা হৈ গ'লে অসমৰ নাম বিদেশৰ মানুহে ল'ব। গুৰু দুজনাৰ আশীৰ্বাদত আমি অসমক দেশৰ পাঁচখন ৰাজ্যৰ ভিতৰত স্থান দিবলৈ যত্ন কৰিছোঁ। ৫ ডিচেম্বৰৰ ভিতৰত অসমৰ প্ৰথম পালি ক'ভিড ভেকচিন লোৱা কাম শেষ কৰিম বুলি তেওঁ উল্লেখ কৰে। দিনজোৰা কাৰ্যসূচীৰে পুৰা হেলিকপ্টাৰযোগে জিলা সদৰ গড়মূৰত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে প্ৰথমে মাজুলীৰ ঔৰা সত্ৰত উপস্থিত হৈ সেৱা গ্ৰহণ কৰি পুৱাৰ জলপান গ্ৰহণ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে মাজুলীৰ নৱ-নিৰ্মিত উপায়ুক্ত কাৰ্যালয়ৰ একিভূত আৱাসিক ভৱনটিৰ ফলক উন্মোচনেৰে উদ্বোধন কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে পোনেই দক্ষিণপাটৰ দীঘলী গাঁৱত যোৰহাট-মাজুলী সংযোগী দলঙৰ মাজুলী দিশৰ প্ৰথমটো খুঁটাৰ পাইলিঙৰ নিৰ্মাণ কাৰ্যৰ বৈদিক ৰীতিৰে শুভাৰম্ভ কৰি শুভাৰম্ভ অনুষ্ঠানত অংশগ্ৰহণ কৰে। জাতীয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত মাজুলীৰ উপায়ুক্ত পুলক মহন্তই আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীক আদৰণি জনায়। মাজুলীৰ উপায়ুক্ত পুলক মহন্তৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাখনত লোক নিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মুখ্য অভিযন্তা মুকুল চন্দ্ৰ দাসে দলংখনৰ কাৰিকৰী দিশ বৰ্ণনা কৰে। লোক নিৰ্মাণ বিভাগে দৃশ্য-শ্ৰব্যৰ মাধ্যমেৰেও অত্যাধুনিকভাৱে নিৰ্মিত হ'বলগীয়া দলংখনৰ সন্দৰ্ভত ৰাইজক অৱগত কৰে। অনুষ্ঠানত মাজুলীৰ অভিভাৱক মন্ত্ৰী বিমল বৰাই সৰ্বানন্দ সোণোৱালৰ দিনত মাজুলীৰ আন্তঃগাঁথনিৰ দিশত পোৱা গতিক বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে অধিক ত্বৰান্বিত কৰিছে বুলি উল্লেখ কৰে। অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে দলঙৰ ভূমি অধিগ্ৰহণৰ ক্ষতি পূৰণ হিচাপে ৫গৰাকীক নিজহাতে চেক প্ৰদান কৰাৰ লগতে মাইক্ৰ'ফাইনেন্সৰো ৩গৰাকী মহিলাক মুখ্যমন্ত্ৰীয়ে নিজ হাতে চেক প্ৰদান কৰে। অনুষ্ঠানত লোক নিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা প্ৰশান্ত শইকীয়ায়ো বক্তব্য আগবঢ়ায়। অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী তথা ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলে, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথ, দেউৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী মাধৱ দেউৰী, নৰ্থ ইষ্ট স্মল ফাইনেন্সৰ অধ্যক্ষ ৰূপালী কলিতা, গণশক্তিৰ জিলা সভাপতি ৰঞ্জিত দলে, অগপৰ জিলা সভাপতি ফণীধৰ টাহু, জিলা বিজেপিৰ সভাপতি লোকনাথ কুটুম, ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী কুমুট কছাৰী উপস্থিত থাকে।

**মাজুলীবাসীৰ বাবে ২৯ নৱেম্বৰ ঐতিহাসিক দিন ঃ মাজুলী-যোৰহাট সংযোগী দলঙৰ শুভাৰম্ভণীৰ সাক্ষী হৈ ৰ'ল মাজুলীবাসী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী ঃ** মাজুলীবাসীৰ বাবে আজিৰ দিনটো এক ঐতিহাসিক দিন। মাজুলীবাসীৰ বহু আশা মাজুলী-যোৰহাট সংযোগী দলং নিৰ্মাণৰ প্ৰথমটো খুঁটা স্থাপন কৰি কামৰ শুভাৰম্ভণী কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই ঐতিহাসিক ক্ষণলৈ মাজুলীবাসীয়ে বহু আশাৰে অপেক্ষা কৰি আছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই দলংখনৰ নিৰ্মাণ কাৰ্য চাৰিটা বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতি দিলে মাজুলীবাসীৰ ৰাইজৰ আগত। যাক লৈ এতিয়া উৎফুল্ল মাজুলীবাসী। আজি দলংখনৰ শুভাৰম্ভণী অনুষ্ঠানলৈ মাজুলীবাসীয়ে আপোনা-আপুনি ওলাই অহা দেখা গ'ল। মাজুলীবাসীয়ে একে মুখে চৰকাৰখনক অশেষ ধন্যবাদ জনায়। দলংখন নিৰ্মাণ নোহোৱাৰ বাবেই ব্ৰহ্মপুত্ৰৰ বুকুত বহু লোকে ইতিমধ্যেই প্ৰাণ হেৰুৱাব লগা হৈছে। মাজুলীৰ ৰোগীসকলৰ লগতে প্ৰসূতি মাতৃৰো মৃত্যু হৈছিল। শিক্ষা, ব্যৱসায়-বাণিজ্যকে আদি কৰি সকলোতে অসুবিধাৰ সন্মুখীন হৈ আহিছে। এই দলংখনে মাজুলীৰ যাতায়াতৰ পোনপটীয়া সংযোগ স্থাপন কৰিব। এক নতুন দিগন্তৰ সূচনা কৰিব মাজুলীত। এই লৈ মাজুলীবাসীৰ মুখত হাঁহি বিৰিঙাই তুলিছে আজি বিশেষ দিনটোৱে। মাজুলীৰ সত্ৰাধিকাৰসকলৰ লগতে মাজুলীৰ দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে মাজুলীবাসীয়ে এই অনুষ্ঠানত উপস্থিত থাকে।

**মাজুলীৰ সাংবাদিকৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্বপূৰ্ণ বৈঠক ঃ সন্দীপ ভূঞা হত্যাকাণ্ডৰ তদন্তৰ আশ্বাস**

যোৰহাট-মাজুলী সংযোগী দলঙৰ প্ৰথমটো খুঁটাৰ নিৰ্মাণ কাৰ্যৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰি দলং নিৰ্মাণস্থলীত আয়োজিত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে পোনেই মাজুলী উপায়ুক্তৰ সভাকক্ষত মাজুলী জিলাৰ দুটাকৈ সাংবাদিক সংগঠন আপকু আৰু মাজুলী জিলা সাংবাদিক সন্থাৰ কুৰি গৰাকীৰো অধিক সাংবাদিকৰ লগত মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীগৰাকীক আপকু মাজুলী জিলাৰ সভাপতি জ্যোতিষ কুমাৰ তামুলীয়ে এখন চেলেং চাদৰ, সম্পাদক ভাস্কৰ বৰাই ফুলাম গামোচা আৰু ভাস্কৰ কটকীয়ে এখন সঁফুৰাৰে সম্বৰ্ধনা জনায়। মাজুলী জিলা ইলেক্ট্ৰনিক মিডিয়াৰ সম্পাদক তীৰ্থ ভূঞাই ঐতিহাসিক আউনীআটী সত্ৰৰ ৪ বছৰীয়া হেঙুল-হাইতাল বোলোৱা ফুলাম বিচনীৰে মুখ্যমন্ত্ৰীক সম্বৰ্ধনা জনায়। মাজুলী জিলা সাংবাদিক সন্থাৰ তৰফৰ পৰা সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক দীপু বৰাই সম্বৰ্ধনা জনায়। দ্বীপ জিলাখনত বহু কষ্টৰে সংবাদ সেৱা আগবঢ়োৱা সাংবাদিকসকলৰ বিভিন্ন সমস্যাৰ সম্পৰ্কে বক্তব্য আগবঢ়ায় আপকুৰ কেন্দ্ৰীয় উপ-সভাপতি জীৱন বৰুৱা, জ্যেষ্ঠ সাংবাদিক ৰঞ্জিত ভূঞা আৰু সাংবাদিক সন্থাৰ মাজুলীৰ সম্পাদক দিপু বৰাই। আনহাতে, চলিত বৰ্ষৰ জানুৱাৰী মাহতেই মাজুলীৰ তিনিজনকৈ সংবাদিক ক্ৰমে উৎপল বৰা, প্ৰাঞ্জল খাউণ্ড আৰু ৰূপজ্যোতি বৰাই যোগ্যতা অনুসৰি জনসংযোগৰ চৰকাৰী স্বীকৃত পৰিচয়-পত্ৰ (Resignation Card)ৰ বাবে আৱেদন কৰাৰ পিছত মাজুলী জিলাৰ উপায়ুক্তৰ সভাপতিত্বৰ বাছনি সমিতিয়ে উক্ত তিনিজনক জ্যেষ্ঠ আৰু যোগ্যতাৰ ভিত্তিত বাছনি কৰাৰ পিছতো এপ্ৰিল মাহৰ পৰা মাজুলীৰ জনসংযোগ বিষয়াজনে আজি পৰ্যন্ত সঞ্চালকৰ কাৰ্যালয়লৈ নথি-পত্ৰসমূহ নপঠোৱাৰ সম্পৰ্কে মুখ্যমন্ত্ৰীৰ সন্মুখত সাংবাদিক উৎপল বৰাই অৱগত কৰাৰ পিছত লগে লগেই মুখ্যমন্ত্ৰীগৰাকীয়ে ফোনযোগে সংশ্লিষ্ট বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাক তিনি দিনৰ ভিতৰত এই ভুক্তভোগী সাংবাদিককেইজনক জনসংযোগৰ পৰিচয়-পত্ৰ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে । ইফালে মাজুলী গড়মূৰৰ গোপালপুৰৰ যুৱক সন্দীপ ভূঞাক অচিনাক্ত দুৰ্বৃত্তই হত্যা কৰাৰ তদন্ত সম্পৰ্কে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীজনে তাৎক্ষণিকভাৱে বিষয়টো গুৰুত্ব সহকাৰে লৈ মেঘালয় চৰকাৰৰে আলোচনা কৰি তদন্তৰ আশ্বাস প্ৰদান কৰে।

## সংসদত ধ্বনি ভোটত বাতিল

বিৰোধী দলৰ নেতাসকলে ন্যূনতম সমৰ্থন মূল্যক লৈ সদনত আলোচনা হ'ব লাগে বুলি দাবী জনায় যদিও সেই দাবীৰ প্ৰতি চৰকাৰে কোনো গুৰুত্ব প্ৰদান নকৰাত সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে আজি নিশাই কৃষি আইন বাতিল বিধেয়ক, ২০২১ত ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ বাবে চৰকাৰে প্ৰেৰণ কৰিব। উল্লেখ্য, আজি লোকসভাত মাত্ৰ চাৰি মিনিটৰ ভিতৰতে কৃষি আইনকেইখন বাতিল কৰা হয়। আইনকেইখন লোকসভাত দাখিল কৰা হৈছিল ১২.০৬ বজাত আৰু ১২.১০ বজাত লোকসভাত কৃষি আইন বাতিল বিধেয়কখন গৃহীত কৰা হয়। কৃষি আইনকেইখনক লৈ আলোচনা হ'ব লাগে বুলি বিভিন্ন দলৰ সাংসদসকলে দাবী জনাই যায় যদিও সেই দাবীৰ প্ৰতি গুৰুত্ব দিয়া নহ'ল। ৰাজ্যসভাতো আজি অতি চমু আলোচনাৰ অনন্ততে কৃষি আইনকেইখন বাতিল কৰা হয়। ইপিনে লোকসভাত বিৰোধী দলৰ সাংসদসকলে এইবুলি কয় যে আইন একোখন বাতিলৰ পূৰ্বে সদনত কমেও তিনি-চাৰিবাৰ আলোচনা অনুষ্ঠিত কৰাটো উচিত যদিও সেয়া কৰা হোৱা নাই। তৃণমূল কংগ্ৰেছৰ সাংসদ ডেৰেক অ' ব্ৰিয়েনে আইনকেইখন বাতিলৰ পূৰ্বে আলোচনা অনুষ্ঠিত নকৰা কাৰ্যক গণতন্ত্ৰৰ পৰিপন্থী কাৰ্য আখ্যা দিছে। ন্যূনতম সমৰ্থন মূল্য সন্দৰ্ভতো আলোচনাৰ দাবী উত্থাপন কৰে বিৰোধী সাংসদসকলে। বিৰোধীৰ দাবীৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বিৰোধীৰ সকলো প্ৰশ্নৰে উত্তৰ দিবলৈ তেওঁ সাজু আছে। তেওঁ বিৰোধী দলৰ বিধায়কসকলক সংসদৰ মৰ্যাদা ৰক্ষা কৰাৰো আহ্বান জনায়। শীতকালীন অধিৱেশনত এইবাৰ চৰকাৰে ৩৬খন বিধেয়ক উত্থাপনৰ সিদ্ধান্ত লৈছে। ইপিনে ৰাজ্যসভাৰ মজিয়াতো কৃষি আইনক কেন্দ্ৰ কৰি অস্থিৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ মাজতে ১২গৰাকী সাংসদক শীতকালীন অধিৱেশনৰ বাকী দিন কেইটাৰ বাবে নিলম্বন কৰা হয়। দৰাচলতে সংসদৰ বৰ্ষাকালীন অধিৱেশনতে তেওঁলোকক নিলম্বিত কৰা হৈছিল যদিও আজি সেয়া কাৰ্যকৰী কৰা হয়। ইপিনে তিনিখনকৈ কৃষি আইন বাতিলত আনন্দ প্ৰকাশ কৰিছে তেলেগু দেশম পাৰ্টীয়ে। দলটোৰ নেতা এন চন্দ্ৰবাবু নাইডুৱে এয়া চৰকাৰৰ সৰল পদক্ষেপ বুলি মন্তব্য কৰিছে। আনহাতে, কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে তিনিখন কৃষি আইন বাতিলৰ পূৰ্বে কোনো আলোচনা নকৰাত ক্ষোভ প্ৰকাশ কৰিছে। চিপিএমৰ সাধাৰণ সম্পাদক পি মধুৱে এয়া কৃষকৰ জয় বুলি মন্তব্য কৰিছে। আৰএছএছৰ অনুগামী কৃষক সংগঠন ভাৰতীয় কৃষক সংঘই মোদীৰ সিদ্ধান্তক আদৰণি জনাইছে।

## প্ৰদীপ দত্তক ডিএনএ টেষ্ট

বিধায়ক শিবু মিশ্ৰই। লংকাৰ ভালুকমাৰীত উপস্থিত হৈ সাংবাদিকৰ সন্মুখত এই বিস্ফোৰক মন্তব্য কৰি আৰু কয় যে প্ৰদীপ দত্তই ইয়াৰ আগতেও এনে বিভ্ৰান্তিকৰ মন্তব্য কৰিছে। তেওঁ সকলো জানি-বুজি এনেবোৰ মন্তব্য কৰে। যিয়ে আমাৰ ভ্ৰাতৃত্ব, সমন্বয়ত ব্যাঘাত জন্মায়। ব্ৰহ্মপুত্ৰ আৰু বৰাক ভেলীৰ যি সমন্বয় সেয়া কোনেও শেষ কৰিব নোৱাৰে। প্ৰদীপ দত্তৰ এটাই পলিচী যাতে এই, সমন্বয়ত ভাঙোন আনিব পাৰি। আনহাতে, সাংবাদিকে সোধা আন এক প্ৰশ্নৰ উত্তৰত শিবু মিশ্ৰই কয় যে প্ৰদীপ দত্তই লেতেৰা ৰাজনীতি কৰিছে। প্ৰদীপ দত্ত ৰয়ে কোৱা কথাত গ্ৰহণযোগ্যতা নাই, আগতেও নাছিল, বৰ্তমানো নাই, অহা দিনটো নাথাকিব। প্ৰদীপ দত্তৰ ব্লুপ্ৰিণ্ট বেলেগ, এইবোৰ কথা ক'বলৈ গ'লে আমি ১৯৬২ কথা ক'ব লাগিব । প্ৰদীপ দত্ত বেয়া মানসিকতাৰ মানুহ। কংগ্ৰেছৰ দিনৰেই পৰা বৰাক ভেলী অৱহেলিত হৈ আছে। বিজেপি চৰকাৰ অহাৰ পিছৰ পৰা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে বহুবাৰ বৰাকলৈও গৈছে। এয়া এক সমন্নয়। উন্নয়নৰ ক্ষেত্ৰতো বৰাক আগতকৈ বহু আগবাঢ়ি গৈছে । পূৰ্বৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও সদায় এটা কথা কয়— পাহাৰ-ভৈয়াম, বৰাক-ব্ৰহ্মপুত্ৰৰ সমন্বয় আৰু উন্নয়ন কথা। বৰাক অসমৰ এটা অংগ হয়। এইক্ষেত্ৰত যদি কিছুমানে নুবুজে তেতিয়াহ'লে তেওঁলোকৰ কাৰণে দুৰ্ভাগ্য, আমাৰ কাৰণে সৌভাগ্য।

### সজাগ হওক, সুৰক্ষিত থাকক

## অ'মিক্ৰণ ভাইৰাছ সম্পৰ্কত দেশবাসীক সতৰ্ক কৰিলে প্ৰধানমন্ত্ৰীয়ে

**নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি দেশবাসীক উদ্দেশ্যি কয় যে নতুন ক'ভিড-১৯ ভাইৰাছৰ পৰা সুৰক্ষিত হ'বলৈ দেশবাসীক সজাগ হৈ থকাৰ প্ৰয়োজন আছে। কিয়নো



সজাগতা অবিহনে এই নতুন ভাইৰাছৰ পৰা সুৰক্ষা পাবলৈ কোনো লোক সক্ষম নহবও পাৰে। তেওঁ কয় যে দেশত এশ কোটি ড'জতকৈ অধিক ক'ভিড ভেকচিন প্ৰদান কৰা হৈছে আৰু এই পৰিসংখ্যা ডেৰশ কোটি ড'জৰ দিশত আগুৱাইছে। কিন্তু নতুন বৈশিষ্ট্যৰ, পূৰ্বৰ সৈতে সামঞ্জস্য নথকা ভেৰিয়েণ্টৰ ভাইৰাছ প্ৰতিৰোধ ক্ষমতা ইতিমধ্যে গ্ৰহণ কৰা ভেকচিনসমূহৰ জৰিয়তে কিমান পৰিমাণে লাভ কৰিব সেয়া চিকিৎসা বিজ্ঞানীয়ে অধ্যয়ন কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই এই নতুন ভাইৰাছৰ বৈজ্ঞানিক নাম ৰাখিছে 'বি-১.১.৫২৯'। দক্ষিণ আফ্ৰিকাত সংক্ৰমণ হোৱা এই ভাইৰাছ অ'মিক্ৰণ হিচাপে পৰিচিত হৈছে। পূৰ্বৰ সকলো ধৰণৰ ভাইৰাছতকৈ অ'মিক্ৰণৰ সংক্ৰমণ আৰু আক্ৰমণ অতি দ্ৰুত হোৱাৰ লগতে জটিল হৈ পৰাৰ সম্ভাৱনা আছে। অধিক দ্ৰুতগতিৰে সংক্ৰমিত হ'ব পৰা এই ভাইৰাছে দ্ৰুতগতিৰে সংক্ৰমিতৰ অৱস্থা জটিল কৰি তুলিব পাৰে। ইয়াৰ বাবেই সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰাকক্ষণত সংবাদ মাধ্যমৰ জৰিয়তে দেশবাসীক সজাগ হৈ থাকি, নিজকে সুৰক্ষিত কৰাৰ লগতে নিজৰ পৰিয়াল, ওচৰ-চুবুৰীয়া তথা দেশবাসীক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত সক্ৰিয় হ'বলৈ প্ৰধানমন্ত্ৰীয়ে সকলোৰে প্ৰতি আহ্বান জনোৱা পৰিলক্ষিত হৈছে।






*মন্নত ছবিৰ অভিনেত্ৰী তথা পাকিস্তানী মডেলগৰাকীয়ে কাৰ্টাৰপুৰ গুৰুদ্বাৰা দৰবাৰ ছাহিবৰ সন্মুখত নতুন পোছাকেৰে উঠা ফটোক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ*

### কৃষি আইন বাতিল হ'লেও প্ৰতিবাদ প্ৰত্যাহাৰ নকৰে কৃষকে

## এমএছপি, বিদ্যুৎ বিল আদিৰ সিদ্ধান্তৰ বাবে অপেক্ষা কৰা হ'ব ঃ ৰাকেশ টিকায়ট



**কৌশাম্বি, ২৯ নৱেম্বৰ ঃ** লোকসভাত বিতৰ্কিত তিনিওখন কৃষি আইন বাতিল কৰা হ'ল যদিও দিল্লীৰ সীমান্তত প্ৰতিবাদৰত কৃষকে এতিয়াই ঘৰা-ঘৰি নাযায়। কিয়নো কৃষি আইন বাতিলৰ উপৰিও অন্য কেইবাটাও দাবী উত্থাপন কৰিছিল প্ৰতিবাদী কৃষকে। এই দাবীসমূহৰ ভিতৰত আছিল কৃষকৰ উৎপাদিত ফচলৰ বাবে চৰকাৰে ন্যূনতম সমৰ্থিত মূল্য ধাৰ্য্য কৰা, আন্দোলনৰত কৃষকৰ বিৰুদ্ধে থকা গোচৰসমূহ প্ৰত্যাহাৰ কৰা, কৃষকৰ বাবে বিদ্যুৎ মাচুল বৃদ্ধিৰ অধিসূচনা প্ৰত্যাহাৰ কৰা ইত্যাদি। সেয়েহে ভাৰতীয় কৃষাণ ইউনিয়নৰ নেতা ৰাকেশ টিকায়টে কয় যে আইন বাতিলৰ উপৰিও কৃষকৰ অন্যান্য সমস্যাসমূহ চৰকাৰে সমাধান কৰিব লাগিব। আন্দোলনৰ বাবে বিগত এবছৰত ৭৫০ জন কৃষকে অকালতে প্ৰাণ হেৰুৱাইছে। গতিকে বিগত এবছৰে কৃষকে যিধৰণে নিৰ্যাতন ভোগ কৰিলে, তাৰ প্ৰায়চিত্ত বিজেপিয়ে কৰিবই লাগিব বুলি সকিয়াই দিয়ে। কৃষক নেতাজনে লগতে কয় যে আগন্তুক নিৰ্বাচনত কৃষকৰ যি অকাল মৃত্যু আৰু আৰক্ষীৰ দ্বাৰা নিৰ্যাতন চলোৱা হ'ল, সেই বিষয়ত উপযুক্ত জবাব লাভ কৰিব বিজেপিয়ে। সেয়েহে আইন প্ৰত্যাহাৰ হ'লেও কৃষকে লৰালৰিকৈ প্ৰতিবাদ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত নলয় বুলি স্পষ্ট কৰি দিয়ে।

# লোকসভাত বাতিল হ'ল তিনি কৃষি আইন

### বিৰোধীৰ প্ৰতিবাদত অচল সদনৰ কাম-কাজ, সঘনে স্থগিত কৰিবলৈ বাধ্য হ'ল দুয়োখন সদন





**নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** নজিৰ সৃষ্টি কৰি লোকসভাত আজি শীতকালীন অধিৱেশনৰ প্ৰথম দিনাই বিতৰ্কিত তিনিখন কৃষি আইন বাতিলৰ প্ৰস্তাৱ গৃহীত হ'ল। এই প্ৰস্তাৱ সম্পৰ্কত বিৰোধীয়ে আলোচনাৰ দাবী জনাইছিল যদিও চৰকাৰে অগ্ৰাহ্য কৰে। ফলত ঘনে ঘনে সদনৰ কাম-কাজ ব্যাহত হৈ পৰিল। কেৱল লোকসভাতবিধেয়ক তিনিখন উত্থাপন আৰু বাতিলৰ প্ৰস্তাৱত সন্মতি জনোৱাৰ বাহিৰে অন্য কোনো কাম-কাজ কৰিব নোৱাৰিলে চৰকাৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা গুৰুনানক জয়ন্তী উপলক্ষে দেশবাসীক সম্বোধন কৰাৰ সময়ত বিতৰ্কিত তিনিওখন কৃষি আইন বাতিল কৰিব বুলি ঘোষণা কৰিছিল। ইয়াৰ পিছতে কেন্দ্ৰীয় কেবিনেটে আইনকেইখন বাতিলত অনুমোদন জনাইছিল। আজি সদনৰ কাম-কাজ আৰম্ভ হওঁতেই কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে বিধেয়ক বাতিলৰ প্ৰস্তাৱ উত্থাপন কৰে। লগে লগে লোকসভাত কংগ্ৰেছৰ দলপতি অধিৰ ৰঞ্জন চৌধুৰীয়ে আইন বাতিলৰ এই পদক্ষেপৰ বিৰোধীতা কৰে আৰু সদনত আলোচনাৰ দাবী জনায়। কিন্তু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধীৰ এই দাবী অগ্ৰাহ্য কৰে। ফলত তীব্ৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। লগে লগে বাৰ বজা পৰ্যন্ত লোকসভা স্থগিত ঘোষণা কৰে। বাৰ বজাত কাম-কাজ আৰম্ভ কৰাৰ লগে লগে উক্ত আইন বাতিলৰ বিধেয়ক ধ্বনী ভোটত শাসকীয় পক্ষই গৃহীত কৰে। তেতিয়াও সৃষ্টি হোৱা হুলস্থুলীয়া পৰিৱেশৰ বাবে সদনৰ কাম-কাজ দুই বজালৈকে স্থগিত বুলি ঘোষণা কৰে। ইফালে দিনটোৰ কাম-কাজ আৰম্ভ হোৱাৰ প্ৰাকক্ষণত কংগ্ৰেছ নেতৃত্বই সংসদ ভৱনৰ সন্মুখত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ কাষত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী, ৰাহুল গান্ধী আদিৰ লগতে অন্যান্যসকলেও ইয়াত অংশগ্ৰহণ কৰে। অহা ২৩ ডিচেম্বৰ পৰ্যন্ত চলিব লগা সংসদৰ এই অধিৱেশনত বহুকেইটা কাৰ্যসূচী লোৱা হৈছিল যদিও বিৰোধীৰ প্ৰতিবাদত একপ্ৰকাৰ অচল হৈ পৰিছে দুয়োখন সদন।

## ৰাজ্যসভাৰ ১২ সদস্যক শীতকালীন অধিৱেশনৰ পৰা বহিষ্কাৰ



**নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** লোকসভাত তিনিখন বিতৰ্কিত কৃষি আইন বাতিলৰ বিধেয়ক দিনৰ বাৰ বজাত পাৰিত হোৱাৰ লগে লগে ৰাজ্যসভাতো বিয়লি দুই বজাত এই আইন বাতিলৰ প্ৰস্তাৱ উত্থাপন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই কথা প্ৰকাশ কৰিছে। অৱশ্যে বিৰোধীৰ প্ৰতিবাদৰ বাবে ৰাজ্যসভাৰ কাম-কাজ অহা ৩০ নৱেম্বৰ পৰ্যন্ত স্থগিত ৰাখে। আনহাতে চলিত বৰ্ষৰ বৰ্ষাকালীন অধিৱেশনত ৰাজ্যসভাৰ একাংশ সদস্যই অধ্যক্ষৰ আসনলৈ আগুৱাই আহি অসাংবিধানিক আৰু অমাৰ্জিত আচৰণ প্ৰদৰ্শন কৰিছিল- পিছত যিটো বিষয়ত গোটেই দেশতে চৰ্চিত হৈছিল। উক্ত সময়ত উদ্ভাণ্ডালি কৰা বুলি অভিযুক্ত বাৰজন সদস্যক শীতকালীন অধিৱেশনৰ বাকী থকা দিনকেইটাৰ কাৰ্যসূচীৰ পৰা বহিষ্কাৰ কৰা হৈছে। এই সাংসদ কেইজনৰ নাম হ'ল— চিপিএম দলৰ ইলামাৰাম কৰিম, কংগ্ৰেছ দলৰ অখিলেশ প্ৰসাদ সিং, চৈয়দ নাছিৰ হুছেইন, ৰাজামণি পেটেল, ৰিপুণ বৰা, ছায়া বাৰ্মা আৰু ফুলু দেৱী নেতাম; তৃণমূল কংগ্ৰেছৰ ছান্তা চেত্ৰী আৰু দুলা সেন; চিপিআই দলৰ বিনয় বিশ্বম; শিৱসেনা দলৰ প্ৰিয়ংকা চতুৰ্বেদী আৰু অনিল দেশাই। ৰাজ্যসভাত এই ঘোষণা কৰাৰ লগে লগে হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয় আৰু ইয়াৰ বাবে কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে তিনিওখন কৃষি আইন বাতিলৰ প্ৰস্তাৱ উত্থাপনৰ পিছতে সদনৰ কাম-কাজ স্থগিত ৰাখিবলৈ বাধ্য হয়। ইফালে ৰাজ্যসভাত চিপিএম দলৰ সদস্য বিনয় বিশ্বমৰ বহিষ্কাৰৰ লগে লগে দলটোৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাও দেখা গৈছে। উল্লেখ্য যে শীতকালীন অধৱেশনত মুঠ ২৬ খন বিধেয়ক উত্থাপনৰ বাবে তালিকাভুক্ত হৈছিল। দেশৰ প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতিৰ পিছতে তিনিওখন কৃষি আইন বাতিলৰ চৰকাৰে এখন বিশেষ বিধেয়ক লোকসভা আৰু ৰাজ্যসভা দুয়ো সদনতে উত্থাপন কৰে। বিগত বৰ্ষৰ নৱেম্বৰ মাহৰ পৰা বৰ্তমানলৈকে এই কৃষি আইন বাতিলৰ দাবীত দিল্লীৰ প্ৰৱেশ পথৰ সন্মুখত একাংশ কৃষকে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি থকাৰ বাবেই দেশৰ প্ৰধানমন্ত্ৰীয়ে উক্ত তিনিওখন কৃষি আইন বাতিল কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল আৰু এই তিনিওখন আইন ৰূপায়ণ কৰাটো চৰকাৰৰ ভুল সিদ্ধান্ত আছিল বুলি স্বীকাৰ কৰি দেশবাসীৰ ওচৰত ক্ষমা বিচৰাও পৰিলক্ষিত হৈছিল।



*সদনত কৃষি আইন বাতিলৰ বাবে উত্থাপন কৰিব লগা বিধেয়কসহ সাজু হৈ যোৱা কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰক সংসদ ভৱনৰ বাহিৰত এনেদৰে দেখা গৈছে সোমবাৰে পুৱাৰ ভাগত*

### ‘হু’ৰ সতৰ্কবাণীক লৈ সজাগ বিশ্ব

## ইজৰাইলৰ পিছত জাপানে নিষেধ কৰিলে বৰ্হিঃদেশৰ নাগৰিকৰ আগমণ

**টকিঅ', ২৯ নৱেম্বৰ ঃ** কেইদিনমানৰ পূৰ্বে দক্ষিণ আফ্ৰিকাত দৃষ্টিগোচৰ হোৱা ক'ভিড-১৯ ভাইৰাছৰ নতুন ভেৰিয়েণ্ট অ'মিক্ৰণ এতিয়া অন্যান্য কেইবাখনো দেশতো সংক্ৰমিত হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই শেহতীয়াকৈ প্ৰকাশ কৰা তথ্যত পূৰ্বৰ ডেল্টা ভাইৰাছতকৈও বহু জটিল আৰু বিপদজনক ভাইৰাছ বুলি অ'মিক্ৰণৰ প্ৰসংগত বিশ্ববাসীক সকিয়াই দিছে। ফলত অষ্ট্ৰেলিয়া, বেলজিয়াম, বোষ্টন, ব্ৰিটেইন, কানাডা, ডেনমাৰ্ক, ফ্ৰান্স, জাৰ্মানী, হংকং, ইজৰাইল, ইটালী, নেডাৰলেণ্ড আৰু স্কটলেণ্ডতো অ'মিক্ৰণ ভাইৰাছৰ সংক্ৰমণ হোৱা বুলি প্ৰকাশ পাইছে। ফলত জাপানে লৰালৰিকৈ নিৰ্দেশনা জাৰি কৰি শীঘ্ৰে কাৰ্যকৰী হোৱাকৈ দেশখনত কোনো বিদেশী লোকৰ প্ৰৱেশত অনুমতি নিদিবলৈ সিদ্ধান্ত লৈছে। পৰিব্ৰাজক, ভ্ৰমণকাৰী বা যিকোনো অজুহাততে জাপানত এতিয়া বৰ্হিদেশৰ নাগৰিকে প্ৰৱেশ কৰিব নোৱাৰিব। সোমবাৰে জাপানে এই নিৰ্দেশনা জাৰি কৰাৰ পূৰ্বেই ইজৰাইলে একেধৰণৰ নিৰ্দেশনা প্ৰকাশ কৰিছিল। বিশ্ব স্বাস্থ্য সংস্থা চমুকৈ ‘হু’ৰ ১৯৪ সদস্য ৰাষ্ট্ৰক উদ্দেশ্যি কোৱা হৈছে যে এই নতুন ভাইৰাছৰ সংক্ৰমণৰ পৰা কেৱল সচেতন আৰু সজাগতইহে সুৰক্ষিত কৰিব পাৰিব। অষ্ট্ৰেলিয়াই শেহতীয়াকৈ প্ৰকাশ কৰা তথ্য অনুসৰি অহা এক ডিচেম্বৰৰ পৰা দেশখনত বৰ্হিৰাষ্ট্ৰৰ নাগৰিক , ছাত্ৰ-ছাত্ৰী আদিৰ প্ৰৱেশৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিব। বৰ্তমান এইসকলৰ প্ৰৱেশ বা প্ৰস্তানত নিষেধাজ্ঞা নাই যদিও অ'মিক্ৰণ ভাইৰাছৰ সংক্ৰমণৰ লগে লগে এক ৰাষ্ট্ৰীয় জৰুৰী অৱস্থা সূচনা হোৱা বুলি দেশখনৰ প্ৰধানমন্ত্ৰী স্কট মৰিচনে ঘোষণা কৰিছে। স্কটলেণ্ড তথা মধ্য প্ৰাচ্যই বিভিন্ন দেশ বিশেষকৈ কাটাৰ, চৌদি আৰৱ, সংযুক্ত আৰৱ আদি দেশসমূহতো বৰ্হিৰাষ্ট্ৰৰ লোকৰ আগমন স্থগিত ৰাখিবলৈ নিৰ্দেশ দিয়ে বুলি প্ৰকাশ পাইছে। ভাৰতেও বিমান বন্দৰত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বিমান যাত্ৰীক স্বাস্থ্য পৰীক্ষাৰ নিৰ্দেশ দিয়া হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বিডেনে হোৱাইট হাউছত আজি সংবাদ মাধ্যমৰ আগত কয় যে অ'মিক্ৰণ ভাইৰাছ সম্পৰ্কত দেশখনে অধ্যয়ন কৰিছে আৰু অচিৰেই সবিশেষ তথ্য বিশ্ববাসীক অৱগত কৰিব পাৰিব বুলি আশ্বাস প্ৰদান কৰিছে।

### তৃণমূলত যোগদান কৰিয়েই ব্যস্ত হৈ পৰিছে মুকুল চাংমা

## '২৪ৰ নিৰ্বাচনৰ বাবে অভিযান আৰম্ভ



**শ্বিলং, ২৯ নৱেম্বৰ ঃ** মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছত অলপতে যোগদান কৰা ডাঃ মুকুল চাংমাই আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে নিজ ৰাজ্যৰ উপৰিও সমগ্ৰ উত্তৰ-পূবতে অভিযান আৰম্ভ কৰা বুলি প্ৰকাশ পাইছে। মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হোৱাৰ সূত্ৰে অঞ্চলটোৰ আটাইকেইখন ৰাজ্যৰ সৈতে এক পৰিচয় আৰু সম্পৰ্ক আছে মুকুল চাংমাৰ। ইয়াৰ বাবেই তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে সমগ্ৰ উত্তৰ-পূবত দলটোক শক্তিশালী কৰিবলৈ বিশেষভাৱে দায়িত্ব দিয়া বুলি প্ৰকাশ পাইছে। ইফালে সংবাদ মাধ্যমৰ আগত মুকুল চাংমাই কয় যে এতিয়া জিৰণীৰ বাবে সময় নাই। ২০২৪ চনৰ লোকসভাৰ নিৰ্বাচনৰ বাবে কেৱল মেঘালয়ে নহয়, তৃণমূল কংগ্ৰেছে উত্তৰ-পূবৰ ২৪ টা সংসদীয় সমষ্টিৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিছে। দলটোৰ হাইকামাণ্ড মমতা বেনাৰ্জীয়ে উত্তৰ-পূবত তৃণমূলৰ শক্তি বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা চলাইছে আৰু ইয়াৰ বাবেই সাধাৰণ ৰাইজ আকৰ্ষিত হোৱা বুলিও ব্যক্ত কৰিছে। কংগ্ৰেছ দলে লাহে লাহে চলিছিল বুলি ব্যক্ত কৰি তৃণমূল কংগ্ৰেছে দ্ৰুতগতিৰে সাংগঠনিক কাম-কাজ আগবঢ়াই নিব বুলিও ব্যক্ত কৰিছে। উল্লেখ্য যে এদিনৰ পূৰ্বে মুকুল চাংমা সহ মেঘালয়ৰ তৃণমূল কংগ্ৰেছ যোগ দিয়া বাৰজন বিধায়কে কলকাতাত উপস্থিত হৈ মমতা বেনাজীৰ সৈতে আলোচনাত মিলিত হৈছে। মেঘালয়ৰ বাৰজন কংগ্ৰেছী বিধায়কে একেদিনাই তৃণমূলত যোগ দিয়া কাৰ্যই শাসক আৰু বিৰোধী দুয়ো পক্ষকে জোকাৰি যোৱা বুলিব পাৰি। তৃণমূলে কংগ্ৰেছ দলৰ নেতা-কৰ্মীক অধিক পৰিমাণে নিজৰ সৈতে চামিল কৰিবলৈ সক্ষম হোৱা বুলি চৰ্চিত হৈছে। অৱশ্যে ত্ৰিপুৰাত বিজেপিৰ বিধায়কেও দল ত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগ দিয়া দেখা গৈছে। উত্তৰ-পূবৰ উপৰিও গোৱা আৰু বিহাৰতো তৃণমূল কংগ্ৰেছে নিজৰ দলীয় কাম-কাজ চলাই থকা পৰিলক্ষিত হৈছে আৰু আগন্তুক সময়ত বিজেপিৰ বিকল্প হিচাপে সমগ্ৰ দেশতে তৃণমূল কংগ্ৰেছে নিজকে প্ৰক্ষেপ কৰিবৰ বাবেই এনেদৰে অভিযান চলাই থকা দেখা গৈছে।



*সুন্দৰী সতীৰ্থৰ সৈতে শশী থাৰুৰ- লোকসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোৱে ছয় মহিলা সাংসদ ক্ৰমে- সুপ্ৰিয়া ছুলে, প্ৰিণিত কৌৰ, থামি জাছি, মীমী চক্ৰৱৰ্তী, নোচৰাট ছিৰপছ আৰু জ্যোতিমণিৰ সৈতে কংগ্ৰেছৰ জ্যেষ্ঠ সাংসদজন*

## নৱাব মালিকৰ জামিন মঞ্জুৰ



**মুম্বাই, ২৯ নৱেম্বৰ ঃ** মহাৰাষ্ট্ৰৰ এনচিপি দলৰ নেতা তথা মন্ত্ৰী নবাব মালিকৰ বিৰুদ্ধে ৰুজু কৰা মানহানি গোচৰত জামিন মঞ্জুৰ কৰা হৈছে। বিজেপি কৰ্মী মোহিত কামবুজে তেওঁৰ বিৰুদ্ধে মানহানি গোচৰ ৰুজু কৰিছিল। উল্লেখ্য যে নাৰ্ক্ৰটিক কণ্ট্ৰোল ব্যু'ৰৰ দ্বাৰা অভিনেতা শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানক ড্ৰাগছৰ সৈতে জড়িত কৰি গ্ৰেপ্তাৰৰ পিছতে নৱাব মালিক খোচ্চাৰ হৈ পৰিছিল। আনকি বিজেপিয়ে ষড়যন্ত্ৰ কৰি এনেদৰে গ্ৰেপ্তাৰ কৰোৱা বুলি অভিযোগ কৰিছে। কেৱল ইমানেই নহয়, এনচিবিৰ বিষয়া সমীৰ ৱাংখেড়ৰ বিৰুদ্ধে মন্ত্ৰীজনে ইটোৰ পিছত সিটো ঠগ-প্ৰৱঞ্চনাৰ অভিযোগ উত্থাপন কৰি একপ্ৰকাৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। বিভিন্ন ভুৱা নথি-পত্ৰৰে বিষয়াজনে চাকৰিত মকৰল হৈ থকাৰ লগতে বিভিন্নজনৰ পৰা দাবী-ধমকিৰে কোটিকোটি টকা সংগ্ৰহ কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগে মহাৰাষ্ট্ৰৰ লগতে সমগ্ৰ দেশতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু মন্ত্ৰী নৱাব মালিকক ৰুদ্ধ কৰিবলৈ বিজেপিৰ পালিনেতাই এনেদৰে গোচৰ ৰুজু কৰিছিল।

## নয়দাৰ ৪০টা ফ্লেট নিলাম কৰিব স্থানীয় প্ৰশাসনে

### ঋণ হৈ সোধাব পৰা নাই নিৰ্মাতাই

**নয়দা, ২৯ নৱেম্বৰ ঃ** দিল্লীৰ সীমান্তৱৰ্তী নয়দাৰ অন্তৰ্গত গৌতম বুদ্ধ নগৰত নিৰ্মাণৰত ৪০ টা বিলাসী ফ্লেট নিলাম কৰিব স্থানীয় প্ৰশাসনে। কিয়নো নিৰ্মাণ কৰা ঠিকাদাৰে বহু কোটি টকা বেংকৰ পৰা ঋণ লৈছিল যদিও পৰিশোধ কৰিবলৈ সক্ষম নহ'ল। ফলত বেংক কৰ্তৃপক্ষই ৰুজু কৰা গোচৰৰ ভিত্তিত উক্ত ফ্লেটসমূহ স্থানীয় প্ৰশাসনে নিজৰ অধীনলৈ নিয়ে। এতিয়া ফ্লেট বিক্ৰী কৰি বেংকৰ ঋণ পৰিশোধ কৰিবলৈ স্থানীয় প্ৰশাসন সাজু হোৱা বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে ইতিপূৰ্বে এই ফ্লেটসমূহ নিলাম কৰিব বুলি জাননী প্ৰকাশ কৰা হৈছিল। কিন্তু এই জাননীত কিছু আইনী সুৰুঙা থাকি গৈছিল। যাৰ বাবে একাধিক গ্ৰাহকে ফ্লেট ক্ৰয় কৰিবলৈ আগবাঢ়ি আহিও পিছত নিজৰ সিদ্ধান্ত সলনি কৰিছিল। কৰ্তৃপক্ষক এই আইনী সুৰুঙাৰ বিষয়টো দৃষ্টিগোচৰ কৰাৰ লগে লগে নয়দাৰ প্ৰশাসনে পূৰ্বৰ নিলাম জাননী বাতিল কৰিছে। ইয়াৰ বিপৰীতে স্থানীয় জিলা দণ্ডাধীশ সুভাষ এলে উত্তৰ প্ৰদেশৰ চৰকাৰলৈ এক প্ৰতিবেদন প্ৰেৰণ কৰিছে। ইতিমধ্যে চৰকাৰে এই ৪০ টা ফ্লেট বিক্ৰীৰ জৰিয়তে বেংকৰ পৰা



লোৱা পাঁচশ কোটিতকৈ অধিক টকাৰ ঋণ পৰিশোধৰ বাবে তৎপৰ হৈছে। কেৱল এই ফ্লেটকেইটাই নহয়, এক বৃহৎ এলেকা সংলগ্ন হৈ আছে উক্ত ভূ-খণ্ডৰ সৈতে। সেয়েহে ফ্লেট আৰু ভূ-সম্পদ বিক্ৰী বা নিলাম কৰি স্থানীয় প্ৰশাসনে বেংকৰ কৰ্তৃপক্ষক ঋণ পৰিশোধ কৰিবলৈ তৎপৰ হৈ পৰা বুলি প্ৰকাশ পাইছে। ইতিমধ্যে বেংক কৰ্তৃপক্ষৰ গোচৰৰ ভিত্তিত নিৰ্মাণকাৰী সংস্থাৰ বিৰুদ্ধে তদন্ত অব্যাহত আছে আৰু একাধিক ব্যক্তিক গ্ৰেপ্তাৰ কৰি বিচাৰ প্ৰক্ৰিয়া অব্যাহত ৰখা হৈছে বুলি সংবাদ মাধ্যমৰ আগত নয়দাৰ প্ৰশাসনে ব্যক্ত কৰিছে।

## মুদ্ৰা হিচাপে স্বীকৃতি নাপায় বিট কইনে

### কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ক'লে লোকসভাত

**নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** ক্ৰিপ্ট কাৰেন্সি হিচাপে ব্যৱহৃত বিট কইন কেতিয়াও মুদ্ৰা হিচাপে স্বীকৃতি দিবলৈ ভাৰত চৰকাৰে প্ৰস্তাৱ লোৱা নাই। এনেধৰণৰ চিন্তা-চৰ্চাও কৰা হোৱা নাই। এই কথা স্পষ্ট কৰিছে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। আজি লোকসভাত ক্ৰিপ্ট কাৰেন্সি আৰু বিট কইন সম্পৰ্কত উত্থাপিত এক প্ৰশ্নৰ উত্তৰত কয় যে— ২০০৮ চনৰ পৰাই এক অজ্ঞাত পক্ষই ইলেকট্ৰনিক মাধ্যমেৰে ক্ৰিপ্ট কাৰেন্সিৰ লেনদেন চলাই আছে। এতিয়া ক্ৰিপ্ট কাৰেন্সিৰ সংখ্যা কেইবাশ আছে। ইয়াৰে বিট কইন হ'ল অন্যতম সৰ্বাধিক চৰ্চিত ক্ৰিপ্ট কাৰেন্সি। কেন্দ্ৰীয় চৰকাৰে এই ক্ৰিপ্ট কাৰেন্সি প্ৰতিৰোধৰ বাবে এখন বিধেয়ক সংসদৰ চলিত অধিৱেশনতে দাখিল কৰিব। দেশত দহ কোটিতকৈ অধিক যুৱ প্ৰজন্মৰ লোকে ক্ৰিপ্ট কাৰেন্সিৰ জৰিয়তে ধন বিনিয়োগ আৰু লাভ আহৰণ কৰি অহা বুলি প্ৰকাশ পাইছে। কিন্তু গৰাকীবিহীন ক্ৰিপ্ট কাৰেন্সি নিয়ন্ত্ৰণ কৰিবলৈ ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় মহলত প্ৰস্তাৱ উত্থাপন কৰাৰ লগতে ভাৰততো একাধিকবাৰ এই বিষয়ত উচ্চ পৰ্যায়ৰ বৈঠক আহ্বান কৰিছে। প্ৰধানমন্ত্ৰীৰ ভাষ্য এয়ে যে যদিহে দুষ্টচক্ৰৰ হাতত ক্ৰিপ্ট কাৰেন্সিৰ নিয়ন্ত্ৰণ ক্ষমতা যায়, তে নেহ'লে বিশ্ববাসীয়ে ভয়ংকৰ অৰ্থনৈতিক সংকটত পৰিব লাগিব। কিয়নো ক্ৰিপ্ট কাৰেন্সিত হাজাৰ টকা বিনিয়োগ কৰিয়েই কোটি টকা আহৰণ কৰাও সম্ভৱ হৈ উঠিছে। এনে ডিজিটেল মুদ্ৰাই নিমিষতে ভয়ংকৰ উত্থানৰ জৰিয়তে দেশৰ পৰম্পৰাগত অৰ্থনৈতিক পৰিকাঠামো থানবান কৰি দি এক বিশৃংখল অৱস্থালৈ অৱনমিত কৰাৰ আশংকা নুই কৰিব নোৱাৰি বুলি মোডীৰ বক্তব্যৰ পিছতে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ আজি বিত্তমন্ত্ৰীয়ে সদনৰ মজিয়াত ব্যক্ত কৰিছে।



# নগৰবেৰাত বিজেপিৰ মণ্ডল প্ৰশিক্ষণ শিবিৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৯ নৱেম্বৰ ঃ** ভাৰতীয় জনতা দলৰ তৰফৰ পৰা আজি নগৰবেৰাৰ মণ্ডল পৰ্যায়ৰ এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। ৰাজ্যিক আৰু জিলাৰ নিৰ্দেশ অনুসৰি নগৰবেৰা মণ্ডল বিজেপিৰ কাৰ্যকৰ্তাৰ এক প্ৰশিক্ষণ শিবিৰ নগৰবেৰাৰ তৰুণ সংঘৰ আৱাসত অনুষ্ঠিত হয়। সেইমৰ্মে পুৱা ৯.০০ বজাৰ পৰা পঞ্জীয়নৰ পৰৱৰ্তী সময়ত বন্তি প্ৰজ্বলন, মাতৃ বন্দনা, সূচনা, প্ৰস্তাৱনা আদি কাৰ্যসূচীৰ উপৰি ভাৰতীয় জনতা দলৰ ইতিহাস, বিকাশ আৰু বৈশিষ্ট্য সন্দৰ্ভত বক্তৃতা দিয়ে কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰে। আনহাতে কাৰ্যপদ্ধতি, সংগঠন, সংৰচনা আৰু ব্যক্তিত্ব বিকাশ সন্দৰ্ভত ব্যাখ্যা কৰে দক্ষিণ কামৰূপ জিলা এছ চি মৰ্চাৰ সভাপতি প্ৰহ্লাদ বিশ্বাসে, দক্ষিণ কামৰূপ জিলা বিজেপিৰ উপসভাপতি প্ৰদীপ চৌধুৰীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনি সন্দৰ্ভত অৱগত কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত নগৰবেৰা মণ্ডল বিজেপিৰ সভাপতি পবিত্ৰ কুমাৰ মেধিৰ উপৰি দঃ কাঃ জিলা যুৱ মৰ্চাৰ সভাপতি গিৰিৰাজ তিমচিনা আদিৰ লগতে পঞ্চায়ত প্ৰতিনিধি আৰু দলীয় বুথ পৰ্যায়ৰ কৰ্মী-সদস্যসকল উপস্থিত থাকে। দুপৰীয়া প্ৰীতিভোজৰ অন্তত ৰাষ্ট্ৰীয় সংগীতেৰে কাৰ্যসূচীৰ সামৰণি মৰা হয়।

### দেৰগাঁৱত সঘনাই পথ দুৰ্ঘটনা

# নিৰ্মূলৰ কামনাৰে পথৰ কাষতে নাম-কীৰ্তন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২৯ নৱেম্বৰ ঃ** দেৰগাঁও নগৰৰ কেবাটাও স্থানত সঘনাই ইটোৰ পাছত সিটো দুৰ্ঘটনা সংঘটিত হৈ আহিছে। বিশেষকৈ দুৰ্ঘটনাসমূহৰ স্থান প্ৰায়ে একে। নগৰৰ সততে দুৰ্ঘটনা হোৱা এটা স্থান হিচাপে চিহ্নিত হৈছে পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ চৰাই চুক এলেকাটো। পথটোৰ চৰাই নামঘৰৰ তোৰণৰ পৰা বাপুজী মন্দিৰৰ ভিতৰত শেহতীয়াকৈ কেবাটাও দুৰ্ঘটনা সংঘটিত হৈ কেবাজনৰো মৃত্যু হৈছে। এই অঞ্চলটোত ৰাইজে এটা গতিৰোধকৰ দাবী জনাই আহিছে যদিও সেয়া হৈ উঠা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত পথটোৰ দুৰ্ঘটনাৰ অৱসান বিচাৰি একাংশ ৰাইজে চৰাই চুকৰ পথৰ কাষতে আজি অনুষ্ঠিত কৰে নাম-কীৰ্তন। অৰুণ হাজৰিকা, অবিনাশ হাজৰিকা, পংকজ হাজৰিকা, আশীষ ঠাকুৰ, অনুৰাজ অধ্যাপক, ৰূপজ্যোতি বৰা, ৰঞ্জিত হাজৰিকা, ৰাতুল হাজৰিকা, অচ্যুত অধ্যাপক আদিৰ প্ৰচেষ্টা আৰু ৰাইজৰ সহযোগত অনুষ্ঠিত এই কীৰ্তন পাঠ অনুষ্ঠানত যথেষ্টসংখ্যক ৰাইজে অংশগ্ৰহণ কৰে।

### গহপুৰত এজন পুত্ৰৰ মাতৃস্নেহৰ ব্যতিক্ৰমী নিদৰ্শন

# থলুৱা বাদ্যশিল্পীৰে জাকৈৰ বয়োজ্যেষ্ঠৰ আড্ডাঘৰত মাতৃৰ সংগীতানুষ্ঠান ৰুদ্ৰসাগৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাৰাজান, ২৯ নৱেম্বৰ ঃ** পুত্ৰ-কন্যাৰ দ্বাৰা পিতৃ-মাতৃ এলাগী অথবা বৃদ্ধ পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত থাকিবলৈ দিয়া অথবা বৃদ্ধ পিতৃ-মাতৃৰ ওপৰত নিৰ্যাতন চলোৱা ঘটনা সঘনাই কাকত-মাধ্যমত পঢ়িবলৈ পোৱা অথবা টেলিভিচ্ছনৰ পৰ্দাত দেখিবলৈ পোৱা যায়। পিতৃ-মাতৃ নিজ পুত্ৰ-কন্যাৰ দ্বাৰা উপেক্ষিত ঘটনা দৈনন্দিন বৃদ্ধি পাই থকাৰ সময়তে গহপুৰৰ এজন যুৱকে দেখুৱাইছে মাতৃস্নেহৰ অপূৰ্ব নিদৰ্শন। নিজৰ জীৱনটোক ভালদৰে বুজি পোৱাৰ সময়তে পিতৃক হেৰুওৱা গহপুৰ বড়িগাঁৱৰ ৰুদ্ৰ হাজৰিকাই দুই ভগ্নীক বিয়া দিয়াৰ পাছৰে পৰা অকলশৰীয়া মাতৃ অঞ্জলি হাজৰিকাৰ যত্ন লোৱাৰ উপৰি তেখেতক সুখী কৰি ৰাখিবৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰি মাতৃস্নেহৰ এক বিৰল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। টেলিভিচ্ছনৰ ধাৰাবাহিকত অভিনয় কৰি ৰুদ্ৰসাগৰ হিচাপে পৰিচিত হোৱা ৰুদ্ৰ হাজৰিকাই নিজে বেছি সময় গুৱাহাটীত থাকিব লগা হোৱাৰ পৰিপ্ৰেক্ষিতত বড়িগাঁৱত



জাকৈ নামৰ এখন ক্ষুদ্ৰ ৰেষ্টুৰেন্ট খুলি উক্ত ৰেষ্টুৰেন্টৰ পৰিচালনা কৰাৰ দায়িত্ব মাতৃৰ হাতত অৰ্পণ কৰি মাকক ব্যস্ত কৰি ৰখাৰ লগতে জাকৈ ৰেষ্টুৰেন্টত বয়োজ্যেষ্ঠৰ আড্ডাঘৰৰ মুকলিৰে বয়োজ্যেষ্ঠ পুৰুষ-মহিলাৰ সুখ-দুখৰ কথা-বতৰা পতাৰ লগতে গীত-মাতেৰে মনোৰঞ্জন কৰাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিছে। উল্লেখ্য যে বড়িগাঁৱৰ গোপিনীসকলৰ মাজত এগৰাকী সুকণ্ঠী নামতী হিচাপে পৰিচিত অঞ্জলি হাজৰিকাৰ গীতৰ চৰ্চা অব্যাহত ৰখাৰ বাবেই একমাত্ৰ পুত্ৰ ৰুদ্ৰসাগৰে জাকৈ ৰেষ্টুৰেণ্টৰ বয়োজ্যেষ্ঠৰ আড্ডাঘৰত দেওবাৰে সন্ধ্যা এক ব্যতিক্ৰমী সংগীতানুষ্ঠানৰ আয়োজন কৰে। গহপুৰৰ বিশিষ্ট দোতোৰা বাদক উমা হাজৰিকা, খোল বাদক ৰামেশ্বৰ বৰা, ডগৰ বাদক বিপুল বৰুৱা আৰু বাঁহীবাদক দিগন্ত বৰাৰ সহযোগত ৰুদ্ৰসাগৰৰ মাতৃ অঞ্জলি হাজৰিকাই ৰাসৰ গীত, দিহানাম, লোকগীত আৰু বৰগীত পৰিৱেশনেৰে জাকৈৰ বয়োজ্যেষ্ঠৰ আড্ডাঘৰ জীপাল কৰি তোলে। উল্লেখ্য যে একমাত্ৰ মাতৃৰ সুখ তথা সংগীতৰ চৰ্চাৰ কাৰ্যক উদ্‌গনি দিয়াৰ উদ্দেশ্যৰে ৰুদ্ৰসাগৰে নিজাববীয়াকৈ উক্ত ব্যতিক্ৰমী সংগীতানুষ্ঠানৰ আয়োজন কৰে। মাতৃৰ উপৰি অঞ্চলটিৰ বয়োজ্যেষ্ঠ পুৰুষ-মহিলাসকলৰ জীৱনৰ বিয়লি বেলাত অলপ সুখ, মানসিক সন্তুষ্টি দিয়াৰ উদ্দেশ্যৰে প্ৰতি দেওবাৰে জাকৈৰ আড্ডাঘৰত এনেধৰণৰ অনুষ্ঠান আয়োজন কৰাৰ পৰিকল্পনা কৰিছে ৰুদ্ৰসাগৰে।

# আজিৰে পৰা চেঙেলীয়াঝাৰ হাইস্কুলত 'ইউথ আৰু ইক' ক্লাব'ৰ সৌজন্যত বিভিন্ন কাৰ্যসূচীৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৯ নৱেম্বৰ ঃ** দৰঙৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান চেঙেলীয়াঝাৰ হাইস্কুলত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে 'ইউথ ইক' ক্লাব'ৰ সৌজন্যত অনুষ্ঠিত হ'ব এক বিশেষ কাৰ্যসূচী। ৩০ নৱেম্বৰৰ পুৱা ১০.০০ বজাত বৃক্ষ ৰোপণ কাৰ্যসূচীৰে অনুষ্ঠানৰ পাতনি মেলা হ'ব। ৰোপণ কৰিব দৰঙৰ জ্যেষ্ঠ সাংবাদিক ইন্দাদুল হক আৰু চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি মীৰ হুছেইনে। ১১.০০ বজাত বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি মইনুল হকৰ অধ্যক্ষতাত অনুষ্ঠিত হ'বলগীয়া কুইজ প্ৰতিযোগিতা পৰিচালনা কৰিব বিদ্যালয়ৰ সহঃ শিক্ষকদ্বয় শুচিব্ৰত ডেকা আৰু নিবেদিতা শৰ্মাই। দিনৰ ১.০০ বজাত সাহিত্য প্ৰতিযোগিতা। পৰিচালনা কৰিব বিদ্যালয়ৰ সহঃ শিক্ষকত্ৰয় ভাৰতী কলিতা, আজিজুল হক আৰু প্ৰণতি বড়াই। ১ ডিচেম্বৰত ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য বিষয়ক এক আলোচনা। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কুলেন্দ্ৰ নাথ শৰ্মাই উদ্বোধন কৰিবলগীয়া অনুষ্ঠানটি পৰিচালনা কৰিব সহঃশিক্ষক ধনমণি ৰাজবংশীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব চেঙেলীয়াঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ ইমৰাণ খান, সমাজসেৱক মহৎ চহৰীয়া। ১২.০০ বজাত বিদ্যালয়ৰ সহঃ শিক্ষক তথা সাংস্কৃতিক কৰ্মী প্ৰতুল চহৰীয়াই পৰিচালনা কৰিবলগীয়া সাংস্কৃতিক প্ৰতিযোগিতাৰে কাৰ্যসূচীৰ যৱনিকা পেলোৱা হ'ব। দুয়ো দিনৰ কাৰ্যসূচীত অভিভাৱক, ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে বিদ্যালয়ৰ প্ৰধান শিক্ষক মঃ চালেহে।

### শোণিতপুৰ জিলা কুড়ুখ সাহিত্য সভাৰ উদ্যোগ আৰু নদুৱাৰ আঞ্চলিক সমিতিৰ সহযোগ

# প্ৰয়াত বীনেন্দ্ৰ চন্দ্ৰ ভগতদেৱৰ দশম স্মৃতি দিৱস আৰু মুকলি সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৯ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত জামুগুৰিহাটৰ নিকটৱৰ্তী শিয়ালমাৰীৰ মহেন্দ্ৰ মোহন প্ৰাথমিক বিদ্যালয় খেলপথাৰত অলপতে অনুষ্ঠিত শোণিতপুৰ জিলা কুড়ুখ (ওৰাওঁ) সাহিত্য সভাৰ উদ্যোগত আৰু নদুৱাৰ আঞ্চলিক সমিতিৰ সহযোগত অনুষ্ঠিত হয় স্মৃতি দিৱস ও মুকলি সভা। পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণেৰে আৰম্ভ হোৱা এই কাযসুচীত দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হয় মুকলি সভা। শোণিতপুৰ জিলা কুড়ুখ সাহিত্য সভাৰ সভাপতি জাকাৰিয়াচ লাকড়াৰ পৌৰোহিত্বত অনুষ্ঠিত হোৱা এই মুকলি সভাত কুড়ুখ সাহিত্য সভাৰ কেইবাগৰাকী বিশিষ্ট লোকে অংশ গ্ৰহণ কৰে। সভাত বিভিন্ন অতিথিয়ে কুড়ুখ (ওৰাওঁ) সমাজৰ বিভিন্ন সামাজিক দিশৰ ওপৰত আলোকপাত কৰাৰ লগতে বিশেষ আলোচনাৰ বিষয় আছিল কুড়ুখ ভাষা শিক্ষা গ্ৰহণ। তেওঁ সাহিত্য সভাৰ ভূমিকা আৰু সমাজ সংস্কাৰত সাহিত্য সভাৰ ভূমিকাৰ ওপৰত ইমানুৱেল কুজুৰ আৰু ঘনকান্ত ওৰাওঁে বহলভাৱে আলোচনা আগবঢ়ায়। উল্লেখযোগ্য যে সুদীৰ্ঘ দিন ধৰি অসমত কৰা এই অতিকৈ পিছপৰা জনগোষ্ঠীৰ ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰক হেঁচা প্ৰয়োগ কৰা হৈছে যদিও চৰকাৰে অদ্যাপি কুড়ুখ (ওৰাওঁ)ভাষাক স্বীকৃতি প্ৰদান নকৰাক লৈ ক্ষোভ প্ৰকাশ কৰে কুড়ুখ সাহিত্য সভাৰ নেতৃবৃন্দই।

# পথ নিৰ্মাণৰ নামত সৰিয়হৰ খেতি বিনষ্ট

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী, ২৯ নৱেম্বৰ ঃ** মিঠাতেলৰ দাম বৃদ্ধিত জলা-কলা খাই অহাৰ পিছত এতিয়া সৰিয়হৰ খেতি কৰা মাটিত বিনষ্ট কৰিছে সৰিয়হৰ খেতি। পথ নিৰ্মাণৰ নামত সৰিয়হৰ খেতি বিনষ্ট কৰা দেখা গৈছে ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত শিঙিমাৰীত। ছিপাঝাৰৰ শিঙিমাৰীৰ পৰা গণেশকুঁৱৰী সংযোগী এই পথটি মেৰামতি কৰাৰ নামত বিস্তীৰ্ণ এলেকাৰ সৰিয়হ খেতিৰ ওপৰতে মাটি পেলাই দিয়াৰ অভিযোগ কৰিছে সৰিয়হ খেতিৰ গৰাকী মনজুৰুল হকে।

# ইটাখোলাত প্ৰেমৰ নামত নিজৰ যৌন চৰিতাৰ্থ পূৰণ কৰি এগৰাকী কিশোৰীক অন্তঃসত্ত্বা কৰি পলায়ন কৰা যুৱকক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৯ নৱেম্বৰ ঃ** বিশ্বনাথ জিলাৰ ইটাখোলাৰ উপ-আৰক্ষী চকীৰ ইটাখোলা আৰু আহুবাৰীৰ দুজনকৈ যুৱকে চাহ জনগোষ্ঠীৰ দুজনীকৈ কিশোৰীক প্ৰেমৰ ছলনাৰে নিজৰ যৌন চৰিতাৰ্থ পূৰণ কৰি এগৰাকী কিশোৰীক অন্তঃসত্ত্বা কৰা লম্পট ৰাজু দাসক অলপতে আৰক্ষীয়ে আটক কৰিছে বুলি জানিব পৰা গৈছে।



তাৰ বাবে বিশ্বনাথ জিলা আৰক্ষী প্ৰশাসনক ধন্যবাদ জনাইছে। লগতে ইটাখোলাৰ আন এজন লম্পট যুৱক মহেশ গুপ্তাই চাহ জনগোষ্ঠীৰ এগৰাকী যুৱতীক পলুৱাই নি যৌন নিৰ্যাতন কৰি এৰি পলায়ন কৰি আছে, গতিকে লম্পটজনক কৰায়ত্ত কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনায়। অন্যথা ৰাইজ ৰাজপথত ওলাই আহিব বুলি প্ৰকাশ কৰে নদুৱাৰ আটছাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাধেশ্যাম তাঁতী আৰু সম্পাদক গ্ৰীন্দৰ কুৰ্মীয়ে। লক্ষণীয় যে ইটাখোলা অঞ্চলত বিভিন্ন অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সৰৱ হৈ থকাৰ সময়তে উক্ত দুগৰাকীকৈ কিশোৰীৰ যৌন নিৰ্যাতনৰ বলি হোৱা ঘটনাৰ উচিত ন্যায় তদন্তৰ দাবী জনাই নদুৱাৰ আটছাই যোৱা ২১ নৱেম্বৰত ইটাখোলাত বৃহৎ প্ৰতিবাদী কাৰ্যসূচী হাতত লৈ দোষীক কৰায়ত্ত কৰিবলৈ সময়সীমা বান্ধি দিছিল। তেনেক্ষেত্ৰত বৰ্তমানো দোষী মহেশ গুপ্তা নামৰ যুৱকজনক আৰক্ষী প্ৰশাসনে কৰায়ত্ত কৰিব নোৱাৰাত আটছাই কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

### 'আঁহতগুৰি ইতিহাস' শীৰ্ষক গ্ৰন্থ প্ৰণয়নৰ প্ৰস্তুতি

# আঁহতগুৰি সন্মিলনীৰ দক্ষিণপাৰ সমিতি গঠন




**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২৯ নৱেম্বৰ ঃ** মাজুলী সাহিত্য সভাৰ উদ্যোগত প্ৰণয়ন কৰিবলৈ লোৱা আঁহতগুৰি মৌজা সম্পৰ্কীয় 'আঁহতগুৰি ইতিহাস' শীৰ্ষক এখনি গ্ৰন্থ প্ৰণয়নৰ বাবে বৰ্তমানলৈকে হোৱা অগ্ৰগতিৰ অৱগতকৰণ তথা পৰৱৰ্তী পদক্ষেপৰ বিষয়ত আলোচনা আৰু সিদ্ধান্ত গ্ৰহণৰ বাবে ২৮ নৱেম্বৰত দেৰগাঁৱৰ চিকাৰীঘাটৰ সমীপৰ ছিৰিশটিকাস্থিত চিউলাল বায়ালাল হাইস্কুলৰ প্ৰাংগণত দক্ষিণ পাৰৰ আঁহতগুৰি মূলৰ লোকসকলক লৈ এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই উপলক্ষে অৱসৰপ্ৰাপ্ত শিক্ষক লক্ষীধৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যাৰ লগতে সামগ্ৰিক পটভূমিৰ ওপৰত আলোকপাত কৰে মাজুলী সাহিত্য সভাৰ সভাপতি কমল দত্তই। সভাত মাজুলীৰ আঁহতগুৰি মূলৰ অৱসৰপ্ৰাপ্ত অভিযন্তা ৰবীন্দ্ৰনাথ পূজাৰী, মাজুলী সাহিত্য সভাৰ উপদেষ্টা যুগল হাজৰিকা, কুৰুৱাবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিনন্দ চন্দ্ৰ বৰুৱাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে মাজুলীৰ দক্ষিণপাৰৰ বিভিন্ন অঞ্চলৰ অৰ্ধশতাধিক লোকে অংশগ্ৰহণ কৰে। সভাত দুগ্ধ গোস্বামী, পদ্মধৰ পেগু, ৰাজেন পূজাৰী, মোহন বৰুৱা, শোভন বৰুৱা, কমল বৰা প্ৰমুখ্যে কেইবাগৰাকী লোকে আঁহতগুৰিৰ ঐতিহ্য আৰু বৰ্তমানৰ ওপৰত মত প্ৰকাশ কৰি 'আঁহতগুৰি ইতিহাস' শীৰ্ষক গ্ৰন্থ প্ৰণয়নৰ পদক্ষেপৰ শলাগ লয়। এই সভাতে কমল বৰাক সভাপতি, জ্যোতিপ্ৰসাদ বৰাক কাৰ্যকৰী সভাপতি, ৰবীন্দ্ৰনাথ পূজাৰী, ৰাজেন পূজাৰী, শোভন বৰুৱা, অমূল্য শৰ্মা, দয়ানাথ ভট্টাচাৰ্য আৰু হেমকান্ত পেগুক উপ-সভাপতি, প্ৰশান্ত বৰাক সম্পাদক, কুশল ভূঞা, নোমল বৰুৱা, হেমন্ত বৰুৱা, খগেন শইকীয়া, গুণীন ভূঞা আৰু প্ৰবীণ শইকীয়াক সহঃ সম্পাদক আৰু কুমুদ বৰাক প্ৰচাৰ সম্পাদক হিচাপে লৈ এশ একজনীয়া আঁহতগুৰি সন্মিলনীৰ দক্ষিণপাৰ সমিতিখন গঠন কৰা হয়। সন্মিলনীৰ আগন্তুক সভা শিকলিচাপৰিস্থিত আঁহতগুৰি বৰসত্ৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চুটি ছবি 'দ্য বড়ো'ৰ শুভমুক্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৯ নৱেম্বৰ ঃ** প্ৰাচুৰ্য প্ৰডাকশ্যনৰ দ্বাৰা নিৰেবদত 'দ্য বড়ো' নামৰ 'কোচিন ইণ্টাৰনেচনেল ফিল্ম এৱাৰ্ড' পাবলৈ সক্ষম হোৱা চুটি ছবিখন কালি ডুমডুমাত শুভমুক্তি দিয়া হয়। ডুমডুমা প্ৰেছ ক্লাবত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডুমডুমাত নতুনকৈ প্ৰতিষ্ঠিত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজ্যোতি শইকীয়াই শুভমুক্তি কৰা অনুষ্ঠানত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি অনুজ কলিতাকে প্ৰমুখ্য কৰি ডুমডুমা প্ৰেছ ক্লাবৰ সাংবাদিকসকল উপস্থিত থাকে। কৰ্দৈগুৰিৰ উদীয়মান যুৱক মজিন মাৰাণৰ প্ৰযোজনা, চুমিন্দ্ৰ বড়োৰ চিত্ৰগ্ৰহণ আৰু ভিডিঅ' সম্পাদনা, সহশব্দ বাণীবন্ধনত চুনু কুমাৰ চুতীয়া, চৰিত্ৰ বাছনিত দেৱেন বৰুৱা, পিংকু মৰাণৰ কাহিনী, চিত্ৰনাট্য, পৰিচালনাৰে 'দ্য বড়ো'ত অভিনয় কৰিছে ৰোপণ পৰ্জা আৰু জনচিনা মৰাণে। উল্লেখযোগ্য যে বান-গৰাখহনীয়াত ভেটি-মাটি হেৰুৱাই সৰ্বস্বান্ত হৈ অতি দুখ-কষ্টৰে জীৱন যাপন কৰি বিপদগ্ৰস্ত পৰিয়ালসমূহ তাহানিতে পৃথিৱীৰ বুকুৰ পৰা বিলুপ্ত হৈ যোৱা ডড'( DODO) পক্ষীৰ দৰে হেৰাই যোৱাৰ উপক্ৰম হৈছে। চুটি ছবিখনত মাত্ৰ পিতা-পুত্ৰৰ দুটি চৰিত্ৰই বেদনাৰ সূক্ষ্ম অনুভূতিক এক হৃদয়বিদাৰক আৱেগিক ৰূপত উপস্থাপন কৰিবলৈ সক্ষম হৈছে।

### ছাত্ৰ মুক্তিৰ স্মাৰকপত্ৰ প্ৰদান

# বিদ্যালয়-মহাবিদ্যালয়ৰ আৰম্ভণি আৰু ছুটীৰ সময়ত গধুৰ যানবাহনৰ চলাচল বন্ধ ৰাখক

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ২৯ নৱেম্বৰ ঃ** বিদ্যালয়ৰ আৰম্ভণিৰ সময়ছোৱাত ৮ বজাৰ পৰা ১০ বজালৈ আৰু আবেলি ১ বজাৰ পৰা ৩ বজালৈ সমগ্ৰ জিলাখনত গধুৰ যানবাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ ৰাখিবলৈ আহ্বান। কেইটামান দিনৰ ভিতৰতে বহুতো দুৰ্ঘটনা সংঘটিত হোৱাৰ বাবেই ২৯ নবেম্বৰ সোমবাৰে ওদালগুৰি জিলা ছাত্ৰ মুক্তিৰ সভাপতি ইন্দ্ৰজিৎ ডেকা, সম্পাদক জুবিন নাথৰ নেতৃত্বত হৰিশিঙা ৰাজহ চক্ৰৰ কাৰ্যালয়ত ওদালগুৰি জিলা আৰক্ষী অধীক্ষক, ওদালগুৰি জিলাৰ বন বিষয়া আৰু ওদালগুৰি জিলা পৰিবহণ বিষয়ালৈ স্মাৰকপত্ৰ প্ৰদান কৰে। সম্প্ৰতি ৰাজপথত বিভিন্ন ঠাইত নিৰ্মাণ কাৰ্যৰ বাবে সা-সামগ্ৰী কঢ়িয়াবলৈ বিভিন্ন ধৰণৰ গধুৰ যানবাহনৰ চলাচল হয় আৰু কিছুসংখ্যক যানবাহনৰ মইমতালিৰ বাবে সাধাৰণ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট অসুবিধাত পৰা পৰিলক্ষিত হৈছে। স্মাৰকপত্ৰত ওদালগুৰি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে উল্লেখ কৰে যে কেইটামান দিন ধৰি ওদালগুৰি জিলাৰ বিভিন্ন স্থানত বহুকেইটা সৰু-বৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত ছাত্ৰ ছাত্ৰীকে ধৰি আন বহুতো লোক আঘাতপ্ৰাপ্ত হৈ দুৰ্ঘটনাত পতিত হৈছে। বিশেষকৈ ট্ৰেক্টৰ, ডাম্পাৰ আদি যানবাহনৰ একাংশ চালকে আইন অমান্য কৰি তীব্ৰ গতিত মইমতালিৰে গাড়ী চলোৱাৰ ফলত দুৰ্ঘটনাৰ হাৰ অধিক হ'বলৈ ধৰিছে। তাৰ উপৰি ডাম্পাৰ আৰু অন্যান্য বাহনৰ অনুমতি নথকা আৰু কিছু থেক আৰু বিপজ্জনক ৰাস্তাৰে এই গধুৰ যানবাহনসমূহ চলাচল কৰাত ৰাইজৰ অসুবিধা হোৱাৰ লগতে বাহনৰ দৌৰাত্ম্যৰ বাবে প্ৰাণৰ আশংকাত ভুগিছে। গতিকে বিদ্যালয় আৰম্ভণিৰ সময়ছোৱাত ৮ বজাৰ পৰা ১০ বজালৈ আৰু আবেলি ১ বজাৰ পৰা ৩ বজালৈ সমগ্ৰ জিলাখনত গধুৰ যানবাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ ৰাখি ছাত্ৰ-ছাত্ৰীকলক সংকামুক্তভাৱে শিক্ষানুষ্ঠালৈ অহা-যোৱাৰ পৰিৱেশ গঢ়ি তোলাৰ লগতে জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ অনুৰোধ জনায়।

### চাপৰত কোচ-ৰাজবংশী জাতীয় পৰিষদৰ বিলাসীপাৰা জিলা সমিতি গঠন

# বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ পৰিষদৰ সাধাৰণ সম্পাদক তথা আক্ৰাছুৰ প্ৰাক্তন সভাপতি বিশ্বজিৎ ৰায়ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ, ২৯ নৱেম্বৰ ঃ** কোচ-ৰাজবংশীসকলৰ জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ সন্দৰ্ভত যোৱা ২৪ নৱেম্বৰত বঙাইগাঁৱত অনুষ্ঠিত কেবিনেট বৈঠকত কোনো প্ৰস্তাৱ গ্ৰহণ নকৰাত এই ক্ষোভ নেতাগৰাকীৰ। বঙাইগাঁৱত অনুষ্ঠিত কেবিনেট বৈঠকক পিকনিক পাৰ্টীৰ লগত তুলনা। আনহাতে চাপৰ নগৰত বিলাতী সুৰাৰ বিপণী স্থাপনৰ বিৰোধিতাৰে প্ৰতিক্ৰিয়া প্ৰকাশ বিশ্বজিৎ ৰায়ৰ।



## Press Notice

The Executive Engineer, P.W.D. Tezpur Electrical Division, Tezpur Assam on behalf of the Governor of Assam, Invites sealed tender after affixing court fee stamp of Rs. 8.25 with a validity of 180 (One Hundred Eighty) days from the date of opening of tender from registered APWD (Electrical) Contractor/ Firm Class-I(A,B&C) category and Class-ll and Calss III (Registered) under this division, for the works detailed In the table below:

| SI No. | Name Of work | Approx value of works (Rs In lakhs) | Security Deposite pledged to EE PWD Tezpur Electrical Division, Tezpur in the form of Term Deposite/F.D. | | Cost Tender Documents (Non-Refundable) | Period of completion (in days) | Date of Issue of Tender Documents. | Date of Submission of Tender |
|---|---|---|---|---|---|---|---|---|
| | | | For General | For(SC/ST/OBC) | | | | |
| 1 | (Proposed Construction of Town Hall at Dhekiajuli Municipal Board under 5th Assam Financial State Commission. (External Electrification Works) | 2572495.00 | 55000.00 | 28000.00 | 1500.00 | 60 days | 05.12.2021 | 08.12.2021 |
| 2 | Construction/Improvement of Town Hall under 5th Assam State Financial Commission of Rangapara Town committee (External Elctrication Works) | 2572478.00 | 55000.00 | 28000.00 | 1500.00 | 60 days | 05.12.2021 | 08.12.2021 |

**Specification of work: As per APWD (Electrical) Specifications.**

1. Application for issue of tender document may be submitted to the office of the Executive Engineer, PWD, Tezpur Electrical Division, Rubber Bagan, Tezpur Dated 04.12.2021 during office hour along with duly attested copies of (1) Upto Date registration certificate under APWD (elect), (2) GST (3) Contractor Electrical License (4) Supervisor license (5) Completion certificate towards carrying out atleast one no electrical work done (40% of tender value) in anyone of the year of the last three year, certified from any officer not below the rank of Executive Officer (6) Pan Card (7) Tools & Plant along with non-refundable costing fee of of Tender Document as Indicated in the table above in the form of IPO in favour of Executive Engineer, tezpur Electrical Division. No application for issue of tender document will be recfeved after the date as mention
2. The tenderers should quote the rates item wise as per attached Bill of Quantities.
3. Tender documents wil be Issued to the eligible contactors/ authorised re presentitive of manufacturer against the application on dated 05.12 2021 The Earnest money In the form of TDR/FDR should be pledged In favour of Executive Engineer, Tezpur Electrical Division, Tezpur.
4. Tender must be delivered to the office of the Executive Engineer, Tezpur Electrical Division, Tezpur on or before 2 P.M on 08 12.2021 and the tender will be open on the same date at 2.15 P.M. in present of the tenderers/representitives of tenderer who want to attend the opening of the tender. If the office happens to be closed on the date of receipt of the tenders as specified, the tenders will be received and opened on the next working day on the same time and venue.
5. This short NIT will form a part of contract agreement.
6. The Executive Engineer, PWD, Tezpur Electrical Division, Tezpur (Assam) is the sole authority to accept or reject any tender without assigning any reasons.

Sd/-
Executive Engineer, PWD
Tezpur Electrical Division, Tezpur

**Janasanyog/C/8283/21**

# পৰ্যটন ক্ষেত্ৰ ভৈৰৱকুণ্ডত ওদালগুৰি জিলা সুলভ মূল্যৰ দোকানী সন্থাৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

### সুকুমাৰ ৰাৰী আৰু হৰিলাল তামাং সভাপতি-সম্পাদক ৰূপে নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৯ নৱেম্বৰ ঃ** ওদালগুৰি জিলা সুলভ মূল্যৰ দোকানী সন্থাৰ বাৰ্ষিক অধিৱেশন যোৱা ২৭ আৰু ২৮ নৱেম্বৰ (২০২১) তাৰিখে ওদালগুৰি জিলাৰ পৰ্যটন ক্ষেত্ৰ ত্ৰিবেণী সঙ্গম ভৈৰৱকুণ্ডৰ অডিটৰিয়ামত সফলতাৰে সম্পন্ন হৈ যায়। ২৭ নৱেম্বৰ তাৰিখে ৰাতিপুৱা ১১:৩০ বজাৰ পৰা আৰম্ভ হোৱা ওদালগুৰি জিলা সুলভ মূল্যৰ দোকানী সন্থাৰ প্ৰতিনিধি সভা উদ্বোধন কৰে সদৌ অসম সুলভ মূল্যৰ এজেন্ট সন্থাৰ সাংগঠনিক সম্পাদক ইন্দ্ৰেশ্বৰ চহৰীয়াই। জিলা সমিতিৰ সভাপতি সুকুমাৰ ৰাৰীয়ে সভাপতিত্ব কৰা প্ৰতিনিধি সভাত পুৰণি সমিতি ভঙ্গ কৰি পুনৰ সুকুমাৰ ৰাৰীক সভাপতি আৰু হৰিলাল তামাঙক সাধাৰণ সম্পাদক হিচাপে লৈ ওদালগুৰি জিলা সুলভ মূল্যৰ দোকানী সন্থাৰ নতুন সমিতি গঠন কৰা হয়। ২৮ নৱেম্বৰ (২০২১) তাৰিখ দেওবাৰে ৰাতিপুৱা ১০:০০ বজাত সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি সুকুমাৰ ৰাৰীয়ে। তাৰ পিছতেই ১১:০০ বজাৰ পৰা সুকুমাৰ ৰাৰীৰ সভাপতিত্বত আৰম্ভ হোৱা মুকলি সভা উদ্বোধন কৰে বি টি এ ডি সুলভ মূল্যৰ দোকানী সন্থাৰ উপদেষ্টা মিত্ৰলাল খৰেলে। মুকলি সভাত নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থাকি সভা সম্বোধন কৰে সদৌ অসম সুলভ মূল্যৰ এজেন্ট সন্থাৰ সভাপতি ধৰণীধৰ বড়াই। সভাত নিমন্ত্ৰিত অতিথি ৰূপে উপস্থিত থাকি বক্তব্য ৰাখে বি টি এ ডি ক্ষেত্ৰীয় সমিতিৰ সভাপতি দেৱেন বড়ো, সদৌ অসম সুলভ মূল্যৰ এজেন্ট সন্থাৰ সাধাৰণ সম্পাদক নাৰায়ণ দত্ত আদিয়ে। সভাত বৰ্তমান চৰকাৰে সুলভ মূল্যৰ দোকানীসকলক উপযুক্ত কমিছন নিদিয়াত এজেন্টসকল ক্ষুব্ধ হৈ অনতিপলমে এজেন্টসকলে পাব লগা কমিছন প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। বৰ্তমান খাদ্য সুৰক্ষা বিভাগে মাত্ৰ চাউলহে দুখীয়াসকলক প্ৰদান কৰি আছে, কিন্তু কাৰ্ডত উল্লেখ কৰা ধৰণে দাইলি, চেনি, আটা আদি যোগান নধৰাত এজেন্ট সন্থাৰ লগতে উপভোক্তাসকলেও প্ৰাপ্য সামগ্ৰী অতি সোনকালে প্ৰদান কৰিবলৈ দাবী জনাইছে।



## লিডু ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰৰ জয়লাভ

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাৰ্ঘেৰিটাত হোৱা মেচত লিডু ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই তিনি উইকেটত পৰাস্ত কৰে ক্ৰিকেট ক্লাব অব মাৰ্ঘেৰিটাক। পোনতে বেটিং কৰি ক্ৰিকেট ক্লাব অব মাৰ্ঘেৰিটা দলে ৩৪.২ অভাৰত সকলো উইকেট হেৰুৱাই ১৩১ ৰাণ কৰে। প্ৰত্যুত্তৰত লিডু ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই ২৫ অভাৰত সাত উইকেটত ১৩৪ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ।

## কামৰূপ জিলা আন্তঃক্লাব এথলেটিক্‌ছ প্ৰতিযোগিতাত হাজোৰ হীৰকজ্যোতি আৰু ধৃতিমাৰ শ্ৰেষ্ঠ এথলীটৰ খিতাপ অৰ্জন



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া সেৱা, হাজো, ২৯ নৱেম্বৰ ঃ** হাজোত ১৬ নৱেম্বৰত অনুষ্ঠিত কামৰূপ জিলা আন্তঃক্লাব এথলেটিক্‌ছ প্ৰতিযোগিতাত 'হাজো স্প'ৰ্টছ ক্লাব'ৰ এথলীট হীৰকজ্যোতি কলিতাক পুৰুষৰ শ্ৰেষ্ঠ এথলীট হিচাপে কালি আমিনগাঁওস্থিত আই বি বঙলাত শ্ৰেষ্ঠত্বৰ ট্ৰফী প্ৰদান কৰে। অনুষ্ঠানটিত কামৰূপ জিলা ক্ৰীড়া সন্থাৰ এথলেটিক্‌ছ সম্পাদক পৰাগজ্যোতি বৈশ্যৰ লগতে সন্থাৰ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে । হীৰকজ্যোতি কলিতাই ল'ৰাৰ ২০ বছৰ অনূৰ্ধ্বৰ ১০০ মিটাৰ দৌৰত ১০:৯৭ ছেকেণ্ডত দৌৰ সমাপ্ত কৰি সোণৰ পদক দখল কৰি এক অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। আনহাতে 'হাজো ক্ৰীড়া সন্থা'ৰ এথলীট ধৃতিমা উজিৰে ছোৱালীৰ ১৪ বছৰ অনূৰ্ধ্বৰ ৬০০ মিটাৰ দৌৰত সোণৰ পদক পাবলৈ সক্ষম হয় । ধৃতিমাই সময় লৈছিল ২:০৫ মিনিট । দুয়োজনকে কালি কামৰূপ জিলা ক্ৰীড়া সন্থাৰ ফালৰ পৰা শ্ৰেষ্ঠ এথলীটৰ ট্ৰফী প্ৰদান কৰে।

### আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতা

## ৰয়েল গ্লোবেল ক্ৰিকেট একাডেমীৰ জয়

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত চলি থকা মহাবীৰ প্ৰসাদ আগৰৱালা ১৬ বছৰ অনূৰ্ধ্ব আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ৰয়েল গ্লোবেল ক্ৰিকেট একাডেমীয়ে পাঁচ উইকেটত পৰাস্ত কৰে গুৱাহাটী টাউন ক্লাব ক্ৰিকেট একাডেমীক। পোনতে বেটিং কৰা গুৱাহাটী টাউন ক্লাব ক্ৰিকেট একাডেমীয়ে ৩৯.৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১৪৪ ৰাণ। প্ৰত্যুত্তৰত গ্লোবেল ক্ৰিকেট একাডেমীয়ে ২৬ অভাৰতে ১৪৮ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে অহা আঠ ডিচেম্বৰলৈ হ'বলগা উক্ত আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাখনত মুঠ ১২ টা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই যোগদান কৰিছে। গুৱাহাটী ক্ৰীড়া সন্থাই জনোৱা অনুসৰি প্ৰতিদিনে এখনকৈ খেল হৈছে তথা মেচসমূহ এটা ইনিংছত ৪০ অভাৰৰ কৰা হৈছে। অৱশ্যে ফাইনেল মেচখন ৫০ অভাৰকৈ খেলোৱা হ'ব।

## নিউ ষ্টাৰ ক্লাবৰ জয়লাভ

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি কলিয়াবৰত হোৱা মেচত নিউ ষ্টাৰ ক্লাবে ১০ উইকেটত পৰাস্ত কৰে মৰ্ণিং ষ্টাৰক। মৰ্ণিং ষ্টাৰ ক্লাবে ২৫.১ অভাৰত সকলো উইকেট হেৰুৱাই মাত্ৰ ৭৩ ৰাণ কৰাৰ প্ৰত্যুত্তৰত নিউ ষ্টাৰ ক্লাবে ১১.৫ অভাৰত ৭৪ ৰাণ কৰে কোনো উইকেট নেহেৰুৱাকৈ। উল্লেখ্য যে মুঠ ৭৫ লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হৈছে জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ লৈছে।

## লাইপুলিত এমহীয়া বিনামূলীয়া এথলেটিক্‌ছ প্ৰশিক্ষণৰ সফল সামৰণি



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া সেৱা, চাবুৱা, ২৯ নৱেম্বৰ ঃ** সম্প্ৰীতি স্প'ৰ্টছ একাডেমীৰ উদ্যোগত আৰু বৃহত্তৰ লাইপুলি ডিমৰুগুৰি অঞ্চলবাসী ৰাইজৰ সহযোগত ২৫ অক্টোবৰ তাৰিখৰ পৰা লাইপুলি ইন্দিৰা গান্ধী হাইস্কুল খেলপথাৰত অনুষ্ঠিত বিনামূলীয়া এমহীয়া এথলেটিক্‌ছ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠানটি ২৮ নৱেম্বৰত সফল সামৰণি পৰে। শিক্ষক অমৃত ৰাজখোৱাই সভাপতিত্ব কৰা সামৰণী অনুষ্ঠানৰ সভাত সম্প্ৰীতি স্প'ৰ্টছ একাডেমীৰ সভাপতি শীৰ্ষজোতি নেওগে উদ্দেশ্য ব্যাখ্যাত বৃহত্তৰ লাইপুলি অঞ্চলটোৰ কলা-সংস্কৃতি, গ্ৰাম্য উন্নয়ন, বিজ্ঞান-প্ৰযুক্তি, শিক্ষা, পৰিৱেশ, স্বাস্থ্য, ক্ৰীড়া, নাৰী আৰু শিশু কল্যাণকে ধৰি অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিষ্ঠা হোৱা সম্প্ৰীতি স্প'ৰ্টছ একাডেমীয়ে গ্ৰামাঞ্চলৰ সুযোগ-সুবিধাৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰী তথা খেলুৱৈসকলৰ উন্নতি সাধনাৰ্থে কাম কৰি আহিছে আৰু ভৱিষ্যতলৈও কৰি যাব বুলি বক্তব্য আগবঢ়ায়। উক্ত সামৰণী অনুষ্ঠানত উপস্থিত থাকে তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ এথলেটিক্‌ছ সম্পাদক কপিধৰ হাজৰিকা, বৰগুৰি আঞ্চলিক ক্ৰীড়া সংস্থাৰ সভাপতি জিতেন গগৈ, আন্তঃৰাষ্ট্ৰীয় এথলেটিক্‌ছ খেলুৱৈ তথা প্ৰশিক্ষক সত্যনাথ দুৱৰা, ৰাষ্ট্ৰীয় পৰ্যায়ৰ এথলেটিক্‌ছ খেলুৱৈ তথা প্ৰশিক্ষক মৌচুমী চেতিয়া দাস, মটক জনগোষ্ঠীৰ লেখক-প্ৰবন্ধকাৰ ফটিক চন্দ্ৰ নেওগ, তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক ৰূপম কাকতি, সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক উজ্জ্বল বৰুৱা, শিক্ষক ক্ৰমে মনোজ বৰপাত্ৰগোহাঁই, ধৈৰ্যনাথ গোহাঁই, আন্তঃৰাষ্ট্ৰীয় প্ৰবীণ খোজ কঢ়া প্ৰতিযোগী যাদৱ মিলি, শাৰীৰিক প্ৰশিক্ষক অভিনৱ বৰগোহাঁই, সমাজসেৱক দেৱ চেতিয়া, সম্প্ৰীতি স্প'ৰ্টছ একাডেমীৰ সম্পাদক গিৰীন বৰপাত্ৰগোহাঁই, নাৰী কল্যাণ বিভাগৰ সম্পাদিকা প্ৰতিভা গগৈ চেতিয়া, সম্প্ৰীতি স্প'ৰ্টছ একাডেমীৰ বিষয়ববীয়া ক্ৰমে মন্টু মাউত, দীপাংকৰ বড়া, শুভাৰঞ্জন ডিব্ৰুৱাল, বুবু বৰপাত্ৰগোহাঁই, গণিত বড়া, যুগ্মজিৎ ফুকন, বলিন বড়া, ধন্তী বৰপাত্ৰগোহাঁই, লগতে বহু স্থানীয় গণ্যমান্য ব্যক্তি। অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰশিক্ষণত অংশ গ্ৰহণ কৰা ১১০গৰাকী ছাত্ৰ-ছাত্ৰীক একোখনিকৈ মানপত্ৰ প্ৰদান কৰে সম্প্ৰীতি স্প'ৰ্টছ একাডেমীয়ে।

### বিশ্বনাথলৈ গৌৰৱ কঢ়িয়ালে ভাগ্যশ্ৰী ভূঞাই

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰাটে প্ৰতিযোগিতাত দুটাকৈ সোণৰ পদক লাভ



**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া সেৱা, বিশ্বনাথ চাৰিআলি, ২৯ নৱেম্বৰ ঃ** গুজৰাট চৰকাৰৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত গুজৰাট নেচনেল গেম্‌ছৰ কাৰাটে প্ৰতিযোগিতাত বিশ্বনাথৰ ভাগ্যশ্ৰী ভূঞাই দুটাকৈ সোণৰ পদক লাভ কৰি বিশ্বনাথ জিলাৰ লগতে অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে । কালি (২৭ নৱেম্বৰ ) অনুষ্ঠিত কাৰাটেৰ ১৮ কেজি শাখাৰ 'কুমিটে -ফাইট' আৰু 'কাটা'ত প্ৰথম পুৰস্কাৰ লাভ কৰি সোণৰ পদকেৰে উজলি উঠে কণমানি ভাগ্যশ্ৰী। বিশ্বনাথ চাৰিআলিৰ 'উইনাৰ্ছ কাৰাটে ক্লাব'ৰ হৈ ৰাষ্ট্ৰীয় পৰ্যায়ত অংশ গ্ৰহণ কৰা ভাগ্যশ্ৰী বিহালী সমষ্টিৰ অন্তৰ্গত বাঘমাৰীৰ মুকুল ভূঞা আৰু সংগীতা (গুণা) ভূঞাৰ কনিষ্ঠা কন্যা । বুঢ়ীগাংস্থিত শংকৰ গুৰু জাতীয় বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী ভাগ্যশ্ৰীৰ সফলতাত অঞ্চলবাসী ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছে।

## বদৌচা স্পৰ্টছ ক্লাবৰ জয়লাভ

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি তিনিচুকীয়াত হোৱা মেচত বদৌচা স্পৰ্টছ ক্লাবে তিনি উইকেটত পৰাস্ত কৰে ৰুদ্ৰ ক্লাবক। পোনতে বেটিং কৰি ৰুদ্ৰ ক্লাবে ২০.৩ অভাৰত সকলো উইকেট হেৰুৱাই ১০৭ ৰাণ কৰাৰ পাছত বদৌচা স্পৰ্টছ ক্লাবে সাত উইকেটত ১১১ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন দলে লাভ কৰিব ১০ লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।

### টীম ইণ্ডিয়াৰ মুখৰ পৰা জয়ৰ সফলতা কাঢ়ি নিলে ভাৰতত জন্মগ্ৰহণ কৰা দুই কিৱি ক্ৰিকেটাৰে

# ভাৰত-নিউজিলেণ্ডৰ প্ৰথম টেষ্ট ড্ৰ



**কানপুৰ, ২৯ নৱেম্বৰ ঃ** ভাৰতত জন্ম গ্ৰহণ কৰা দুই যুৱ নিউজিলেণ্ড দলৰ স্পীনাৰৰ দৃঢ়তাপূৰ্ণ বেটিঙৰ বাবে কিৱি বাহিনীয়ে ভাৰতৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট ড্ৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে স্পীন সহায়ক উইকেটত ভাৰতৰ অশ্বিন, জাডেজা আৰু অক্ষৰক বিমুখ কৰি অন্তিম উইকেটৰ যুটিত ৮.৪ অভাৰ অনন্য ৰক্ষাত্মক বেটিং কৰি আজাজ পেটেল (২৩ বলত দুই ৰাণ) আৰু ৰচিন ৰবীন্দ্ৰই (৯১ বলত ১৮ ৰাণ) টেষ্টখন ড্ৰ কৰে লগতে ভাৰতৰ মুখৰ পৰা জয়ৰ সাফল্য কাঢ়ি নিয়ে। উল্লেখ্য যে ভাৰতে দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টতে জয়ৰ সন্ধিক্ষণত উপনীত হৈছিল কিন্তু লক্ষ্যত উপনীত হোৱাত ব্যৰ্থ হ'ল। স্মৰ্তব্য যে ভাৰতে নিউজিলেণ্ডৰ সন্মুখত ২৮৪ ৰাণৰ বিজয়লক্ষ্য দিয়াৰ পাছত চতুৰ্থ দিনাৰ খেলৰ অন্তত কিৱি বাহিনীয়ে দ্বিতীয় ইনিংছ আৰম্ভ কৰি অপেনাৰ ইয়ঙৰ (২) উইকেটতো হেৰুৱাই চাৰি ৰাণ কৰিছিল। কিন্তু আজি অন্তিম দিনা নিউজিলেণ্ডক সুন্দৰ আৰম্ভনি দিয়ে উইকেটত থকা অপেনাৰ লথাম (৫২) আৰু নৈশপ্ৰহৰী ছামাৰভিলে (১১০ বলত ৩৬ ৰাণ)। আজি অন্তিম দিনা নটা উইকেট থকা অৱস্থাত নিউজিলেণ্ডক প্ৰয়োজন হৈছিল ২৮০ ৰাণৰ। কিন্তু দলে ড্ৰৰ লক্ষ্যৰে খেলি পূৰা দৃঢ় আৰম্ভণি কৰে আলহী দলে। ভাৰতৰ হাতৰ পৰা মেচ ওলাই যোৱাৰ সময়তে জাডেজাই তাৎক্ষনিক চাৰিটা উইকেট লাভ কৰি আশা সজীৱ কৰে যদিও নটা উইকেট লাভ কৰাৰ পাছত ঘৰুৱা দলে অন্তিমটো কিৱি উইকেট লাভ কৰিবলৈ সক্ষম নহ'ল। নিউজিলেণ্ডৰ অধিনায়ক উইলিয়ামছনে ২৪ ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ অশ্বিনে তিনিটা তথা অক্ষৰ আৰু উমেশে এটাকৈ উইকেট পায়। মেচৰ শ্ৰেষ্ঠ হয় টেষ্ট অভিষেক কৰা শ্ৰেয়াছ আয়াৰ।

## সুৰুজমুখীক হৰুৱাই জে এছ ক্লাব চেম্পিয়ন

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** কিৰণ বৰা সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে জে এছ ক্লাব। প্ৰতিযোগিতাৰ ফাইনেল মেচখনত জে এছ ক্লাবে টাইব্ৰেকাৰত ৪-৩ গ'লত পৰাস্ত কৰে সুৰুজমুখী ক্লাবক। উল্লেখ্য যে প্ৰতিযোগিতাৰ দ্বিতীয় ছেমিফাইনেলত উদয় সংঘই খেলিছিল জে এছ ক্লাবৰ বিৰুদ্ধে। মেচখনত জে এছ ক্লাবে ২-১ গ'লত জয়লাভ কৰিছিল। ইয়াৰপূৰ্বে সুৰুজমুখী ক্লাবে ফাইনেলত প্ৰৱেশ কৰিছিল। প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত সুৰুজমুখী ক্লাবে ২-১ গ'লত পৰাস্ত কৰিছিল কটহগুৰি ফুটবল ক্লাবক। **বড়ো ছহিদ কাপ ফুটবল ঃ** লাংহিনত চলি থকা বড়ো ছহিদ কাপ ফুটবলৰ আজিৰ মেচত জয়লাভ কৰে ইউনাইটেড ব্ৰাডাৰ্ছ এফ চিয়ে। একপক্ষীয় মেচত ইউনাইটেড ব্ৰাডাৰ্ছ এফ চিয়ে ৩-০ গ'লত পৰাস্ত কৰে লাংহিন তিনিআলি ক্ৰীড়া সন্থাক। উল্লেখ্য যে এইবাৰৰ বড়ো ছহিদ কাপ ফুটবল প্ৰতিযোগিতাত মুঠ নটা দলে যোগদান কৰিছে।

## স্বাধীনতা দিৱস কাপ ফুটবল আৰম্ভ মাজুলী পৰৱৰ্তী ৰাউণ্ডলৈ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া নগাঁও, ২৯ নৱেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হোৱা ৭৩ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক উদ্বোধনী খেলত মাজুলীৰ কাৰছাং ফুটবল ক্লাবে ওদালগুৰিৰ দৈমালু ক্লাবক টাইব্ৰেকাৰৰ সহায়ত সামগ্ৰিকভাৱে ৬-৪ (৩-৩) গ'লত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। বিৰতিৰ সময়ত দৈমালু দল ২-১ গ'লত আগ বাঢ়ি আছিল। ইয়াৰ আগতে প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট ক্ৰীড়া সংগঠক তথা প্ৰাক্তন খেলুৱৈ দীপক দাসে। দাসে ভাষণত প্ৰতিভাসমূহ চিনাক্ত কৰি উপযুক্ত প্ৰশিক্ষণযোগে আগবঢ়াই নিয়াৰ বাবে সংগঠকসকলক পৰামৰ্শ দিয়াৰ লগতে চৰকাৰক ইয়াৰ বাবে পুঁজি যোগানৰ অনুৰোধ জনায়। সংস্থাৰ সম্পাদক প্লাৱন বৰুৱাই আদৰণি ভাষণ দিয়া অনুষ্ঠানটোত সংস্থাৰ প্ৰাক্তন সভাপতি হেমেন গোহাঁই, ছুইজাৰলেণ্ড নিবাসী ডঃ জগন্নাথ বিশ্বকৰ্মা, সংস্থাৰ উপ-সভাপতি তপন শৰ্মা আৰু প্ৰশান্ত বৰা প্ৰমুখ্যে সংস্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

### ছিনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল

## অসমৰ বিৰুদ্ধে ৭-০ত বিধ্বস্ত ৰাজস্থান

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসমৰ ছোৱালী ফুটবল দলে আজি চমক সৃষ্টিৰে ছিনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিছে। কেৰেলাত চলি থকা ছিনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ প্ৰথম মেচত আজি অসমৰ ছোৱালী ফুটবল দলে ৰাজস্থানৰ বিৰুদ্ধে ৭-০ গ'লত জয়লাভ অৰ্জন কৰে। অসমৰ হৈ হেট্ৰিক অৰ্জন কৰি তিনিটা গ'ল দিয়ে ছ'নিয়া মাৰাকে (৫৮, ৬১, ৮১ মিনিট)। আনহাতে, ৰূপালী বড়ো (৩ মিনিট), মৃদুলা মেচ (৮ মিনিট), ছাইনজালি কেম্পৰাই (৪৯ মিনিট) আৰু ছানিলা বসুমতাৰীয়ে (৯০ মিনিট) এটাকৈ গ'ল দিয়ে। অসমে অহা পহিলা ডিচেম্বৰত বিহাৰৰ আৰু তিনি ডিচেম্বৰত হিমাচলৰ মুখামুখি হ'ব। ইফালে, অসমৰ পুৰুষ দলে সন্তোষ ট্ৰফী ফুটবলৰ দ্বিতীয়খন মেচত কাইলৈ অৰুনাচলৰ মুখামুখি হ'ব। উল্লেখ্য যে অসমে প্ৰথমখন মেচত পৰাজয়ৰ সন্মুখীন হৈছিল। ছিলঙত হোৱা মেচত মেঘালয়ে ৬-২ গ'লত পৰাস্ত কৰে অসমক। এই পৰাজয়ৰ পাছতে অসমৰ বিদায় নিশ্চিত হয়। এতিয়া কেৱল আনুষ্ঠানিকতাহে বাকী।

## স্বাধীনতা দিৱস কাপ ফুটবল আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বেবেজীয়া, ২৯ নৱেম্বৰ ঃ** নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা নৰুল আমিন ষ্টেডিয়ামত আৰম্ভ হৈছে ৭০ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল। আজি নৈশলোকত হোৱা উদ্বোধনী মেচত মাজুলীৰ কাৰছং ফুটবল ক্লাবে টাইব্ৰেকাৰত ৬-৪ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ওডালগুৰিৰ দৈমালু ক্লাবক। কাইলৈ মৰাণ টাউন ক্লাবে খেলিব বডোচা স্প'ৰ্টছ ক্লাবৰ বিৰুদ্ধে।

## ৰোমাঞ্চকৰ স্থিতিত বাংলাদেশ-পাকিস্তানৰ টেষ্ট

**ঢাকা, ২৯ নৱেম্বৰ ঃ** বাংলাদেশে পাকিস্তানৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল যদিও এতিয়া মেচত জয়ৰ আশা পাকিস্তানৰহে সজীৱ হৈ উঠিছে। উল্লেখ্য যে বাংলাদেশে দিয়া ২০২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি আজি চতুৰ্থদিনাৰ খেলৰ অন্তত পকিস্তানে দ্বিতীয় ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ ১০৯ ৰাণ কৰিছে। কাইলৈ টেষ্টৰ অন্তিম দিনা হাতত ১০ টা উইকেট থকা অৱস্থাত পাকিস্তানক প্ৰয়োজন ৯৩ ৰাণৰ। উইকেটত অৰ্ধশতক অৰ্জন কৰি দৃঢ়তাৰে বেটিং কৰি আছে দুই অপেনাৰ আবিদ আলি (৫৬) আৰু ছফিক (৫৩)। উল্লেখ্য যে টেষ্টখনত বাংলাদেশৰ প্ৰথম ইনিংছৰ ৩৩০ ৰাণৰ প্ৰত্যুত্তৰত পাকিস্তানে ২৮৬ ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰা বাংলাদেশে দ্বিতীয় ইনিংছ আৰম্ভ কৰি কালি খেলৰ অন্তত চাৰিটা উইকেট হেৰুৱাইছিল ৩৯ ৰাণত। আজি দলে বেটিং আৰম্ভ কৰি লিটন দাসৰ ৫৯ ৰাণৰ সহায়ত ১৫৭ ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু ২০২ ৰাণৰ বিজয়লক্ষ্য দিয়ে পাকিস্তানক। পাকিস্তানৰ হৈ শ্বাহিন আফ্ৰিদীয়ে পাঁচটা উইকেট পায়।

## নামবৰ ক্লাবৰ জয়লাভ

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গোলাঘাটত হোৱা মেচত নামবৰ ক্লাবে ছয় উইকেটত পৰাস্ত কৰে আমুপাল'টি ক্লাবক। পোনতে বেটিং কৰি আমুপাল'টি ক্লাবে ২৬.১ অভাৰত সকলো উইকেট হেৰুৱাই ৯৯ ৰাণ কৰে। প্ৰত্যুত্তৰত নামবৰ ক্লাবে ১৬.৪ অভাৰত চাৰি উইকেটত ১০০ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ ৩১ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল ৪১ টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ ৪১ টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। প্ৰায় চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিছে এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।

## দুলীয়াজানৰ ভাদৈত পঞ্চম বাৰ্ষিক গদাধৰ সিংহ সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত চৰাইদেউ এফচিৰ জয়

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া সেৱা, বৰডুবি, ২৯ নৱেম্বৰ ঃ** টাই আহোম যুৱ পৰিষদ অসম, চমুকৈ 'টাইপা'ৰ ভাদৈ আৰু দুলীয়াজান আঞ্চলিক সমিতিৰ উদ্যোগত চিচিয়া আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হোৱা পঞ্চম বাৰ্ষিক গদাধৰ সিংহ সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত আজি চৰাইদেউ এফ চি বনাম আপাৰ আছামৰ মাজত অনুষ্ঠিত হয়। তীব্ৰ উত্তেজনা পূৰ্ণ খেলখনত চৰাইদেউ এফ চি দলৰ ভূষণ সোণোৱালে দ্বিতীয়াৰ্ধৰ ৭ মিনিটত দিয়া একমাত্ৰ গ'লেৰে আপাৰ আছাম এফ চিক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। নৰেশ গোৱালা আৰু মৃদুল শইকীয়াই লাইনত সহায় কৰা খেলখনত জয়ন্ত চেতিয়াই পৰিচালনা কৰে আৰু চতুৰ্থ পৰিচালক ৰূপে থাকে ৰমেশ কৰ্মকাৰ । কাইলৈ ভাদৈ ক্ৰীড়া একাডেমী বনাম টেঙাখাট এফ চিৰ মাজত খেল অনুষ্ঠিত হ'ব।



## আন্তঃজিলা ছিনিয়ৰ ভলীবল প্ৰতিযোগিতাৰ তাৰিখ সলনি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া সেৱা, নলবাৰী, ২৯ নৱেম্বৰ ঃ** তেজপুৰ টাউন ক্লাব এছ'চিয়েচনৰ উদ্যোগত আৰু তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সহযোগত অহা ১৬-১৯ ডিচেম্বৰ (২০২১)ত অনুষ্ঠিত হ'বলগীয়া ৫৮ সংখ্যক আন্তঃজিলা ছিনিয়ৰ (পুৰুষ-মহিলা) ভলীবল প্ৰতিযোগিতাখন উচ্চতৰ মাধ্যমিকৰ প্ৰি ফাইনেল টেষ্ট পৰীক্ষা অহা ১৫ ডিচেম্বৰৰ পৰা ৪ জানুৱাৰী (২০২২)লৈ অনুষ্ঠিত হোৱাৰ লগতে ছাত্ৰৰ ছয়মাহিলি পৰীক্ষাৰ বাবে প্ৰতিযোগিতাখন অহা ১৭-২০ জানুৱাৰী (২০২২)লৈ পিছুৱাই দিয়া হৈছে বুলি অসম ভলীবল সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰকাশ বৰাই জানিবলৈ দিছে।

## কঠালগুৰি চাহ বাগিচা দল চেম্পিয়ন

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগত চেম্পিয়ন হৈছে কঠালগুৰি চাহ বাগিচা দল। ফাইনেলত পূৰ্ব চেম্পিয়ন কঠালগুৰি চাহ বাগিচা দলে ৩-০ গ'লত পৰাস্ত কৰে লীগৰ পূৰ্ব চেম্পিয়ন হোনোৱাল চাহ বাগিচা দলক। উল্লেখ্য যে এই দুই দলৰ লগতে মৰিয়নি ফুটবল লীগৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল নিউ সোণোৱাল চাহ বাগিচা ফুটবল দল আৰু কাটনিবাৰী চাহ বাগিচা ফুটবল দলে। কিন্তু ফাইনেললৈ যোৱাত ব্যৰ্থ হয়। **কিবিল কৰ্মকাৰ আৰু ইন্দ্ৰ নায়ক ফুটবল ঃ** আজিৰে পৰা আৰম্ভ হৈছে কিবিল কৰ্মকাৰ আৰু ইন্দ্ৰ নায়ক ফুটবল প্ৰতিযোগিতা। আজিৰ খেলত হোলোংগুৰি চাহ বাগিচা দলে একমাত্ৰ গ'লত হৰুৱায় চৈকটা চাহ বাগিচা দলক।

## আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো প্ৰতিযোগিতাত সোণৰ পদক হিমাংশু বড়োৰ

### ওদালগুৰি জিলাৰ ৯জন খেলুৱৈ উজলিল এছবিকেএফত



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, টংলা, ২৯ নৱেম্বৰ ঃ** সংযুক্ত ভাৰত খেল ফাউণ্ডেশ্যনৰ (এছবিকেএফ) উদ্যোগত ২১ নৱেম্বৰৰ পৰা নেপালত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় খেলত ভাৰত দেশক প্ৰতিনিধিত্ব কৰি বহুতো খেলুৱৈ অংশগ্ৰহণ কৰিছিল। উক্ত খেলতেই অনুষ্ঠিত হোৱা টাই কোৱানডো খেলত ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰিছিল ওদালগুৰি জিলাৰ বহুকেইজ খেলুৱৈয়ে। নেপালত অনুষ্ঠিত হোৱা উক্ত সংযুক্ত ভাৰত খেল ফাউণ্ডেশ্যনৰ (এছবিকেএফ)ৰ আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো খেলত অংশগ্ৰহণ কৰিবলৈ সুবিধা পাই ছিল ওদালগুৰি জিলাৰ খৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত অতিকৈ পিছপৰা গাঁও ঘোঁৰামাৰাৰ হিমাংশু বড়োৱে। উল্লেখযোগ্য যে ঘোঁৰামাৰাৰ নিবাসী ধনেশ্বৰ বড়ো আৰু বানেশ্বৰী বড়োৰ দ্বিতীয় পুত্ৰ হিমাংশু বড়োৱে উক্ত আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ভাৰত দেশৰ বাবে স্বৰ্ণপদক অৰ্জন কৰিবলৈ সক্ষম হয়। অতিকৈ দৰিদ্ৰ পৰিয়ালৰ হিমাংশু বড়োৰ এই সফলতাত সমগ্ৰ ওদালগুৰিবাসী ৰাইজ উৎফুল্ল হৈ পৰিছে। সমান্তৰালভাৱে উক্ত আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো খেলতেই ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰি ওদালগুৰি জিলাৰ আন ৮ জন ক্ৰমে ময়ূৰাক্ষী বৰুৱা, ঊষামণি ৰাভা, নয়না বড়ো, অমিত দেৱনাথ, বকুল বড়ো, ময়ুক বৰকাকতি, সৌগমচাৰ নাৰ্জাৰী আৰু ৰাকেন কছাৰীয়ে স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। দেওবাৰে ভাৰতৰ এই ৯ জনীয়া দলটি গৃহভূমিত ট্ৰেইনেৰে খৈৰাবাৰী আহি পোৱাৰ লগে লগে খেলুৱৈসকলৰ অভিভাৱক, শুভাকাংক্ষী, খৈৰাবাৰী প্ৰেছক্লাব, এন ই লাইভ টুডে আদিয়ে ফুলাম গামোচাৰে উষ্ম আদৰণি জনায়। তেওঁলোকৰ এই বৃহৎ সফলতাত সমগ্ৰ ওদালগুৰিবাসী ৰাইজ উৎফুল্লিত হোৱাৰ লগতে বিটিচি তথা অসম চৰকাৰক খেলুৱৈসকলে ভৱিষ্যতে উচ্চ পৰ্যায়ৰ খেল সমূহত অংশগ্ৰহণ কৰিব পৰাকৈ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনায়।

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৱেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

# গোলাঘাটত প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট আৰম্ভ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই নিয়ন্ত্ৰণ কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ২০২১ৰ গোলাঘাট জিলাৰ খেলসমূহ আজিৰ পৰা গোলাঘাট ষ্টেডিয়ামত আৰম্ভ হৈছে। আজি অনুষ্ঠিত উদ্বোধনী খেলখনত কমাৰ্চ ক্ৰিকেট দলে বগৰীজেং ক্লাবক ৩৭ ৰাণত পৰাস্ত কৰে। পোনতে বেটিং কৰি কমাৰ্চ ক্ৰিকেট দলে ৰাজু দত্তৰ ৫১, সৌৰভ সোণোৱালৰ ২৫ আৰু যুৱৰাজ তামুলীৰ ২৩ ৰাণৰ সহায়ত ৩৯.৩ অভাৰত ১৭৮ ৰাণ সংগ্ৰহ কৰে। বগৰীজেঙৰ পংকজ ভূঞা আৰু প্ৰাচুৰ্যপ্লাৱন শইকীয়াই ২ টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত বগৰীজেং ক্লাবে ৰবি বাৰ্মাৰ ৫১ আৰু অনন্ত শইকীয়াৰ ২২ ৰাণৰ সহায়ত ৩২.১ অভাৰত ১৪১ ৰাণহে কৰিবলৈ সক্ষম হয়। কমাৰ্চৰ ৰাজু দত্তই ৩টা উইকেট দখল কৰে। গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনৰ শুভ উদ্বোধন কৰে এচিএৰ উপ-সভাপতি পৰীক্ষিত দত্তই আৰু সকলোকে আদৰণি জনায় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাবে যোগদান কৰে উপ-আৰক্ষী অধীক্ষক অঞ্জন পণ্ডিতে। আৰম্ভণিতে এচিএ আৰু জিলা ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে ক্ৰমে পৰীক্ষিত দত্ত আৰু ক্ৰীড়া সন্থাৰ উপ-সভাপতি ড° নৃপেন বৰুৱাই। অনুষ্ঠানটোৰ আঁত ধৰে অজয় ভৰালীয়ে।

## আন্তঃক্লাব বক্সিং আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ এমেচাৰ বক্সিং সন্থাৰ উদ্যোগত গোলাঘাট ষ্টেডিয়ামস্থিত বক্সিং ৰিঙত আজিৰ পৰা আন্তঃ ক্লাব বক্সিং প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতাখন উদ্বোধন কৰে প্ৰাক্তন কৃতী বক্সাৰ সঞ্জীৱ সন্দিকৈয়ে। তিতাবৰ, দেৰগাঁও আৰু গোলাঘাটৰ ১৫০ খেলুৱৈয়ে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিছে।

## অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেটত নামবৰ ক্লাবৰ জয়লাভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ নৱেম্বৰ ঃ** গোলাঘাট ষ্টেডিয়ামত চলি থকা অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেটৰ গোলাঘাট জিলাৰ এখন খেলত আজি নামবৰ ক্লাবে আমোলাপট্টি বয়জ ক্লাবক ৬ উইকেটত পৰাস্ত কৰে। পোনতে বেটিং কৰি আমোলাপট্টিয়ে ভাৰ্গৱ বৰাৰ ৫১ ৰাণৰ সহায়ত ২৬.১ অভাৰত ৯৯ ৰাণ কৰিয়ে ইনিংছ সামৰে। নামবৰ ক্লাবৰ তিলক চেত্ৰীয়ে ৪টা আৰু কালাম ৰাজাই ৩টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত নামবৰ ক্লাবে দীপু গগৈৰ ৩৮ আৰু জৱীন দলেৰ ২৬ ৰাণৰ সহায়ত ১৬.৪ অভাৰতে ৪ টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়।











